# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখ ঃ ০৬/০৮/২০২১ শুকুৰবাৰ

---

**ইংৰাজী ০৬-০৮-২১ তাৰিখে ৰাতিপুৱা ৯.০০ বজাত মাননীয় অধ্যক্ষ শ্ৰীবিশ্বজিৎ দৈমাৰী মহোদয়ৰ অধ্যক্ষতাত সদনৰ কাম-কাজ পূৰ্বৰ নিৰ্দ্ধাৰিত সময় মতে আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ১৮১।
**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সমূহ সদনৰ মজিয়াত দিয়া আছে।
**মোঃ আমিনুল ইছলাম (মানকাচাৰ) ঃ** সন্মানীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নখিনিৰ যিখিনি ইয়াত উত্তৰ দিয়া হৈছে যে মানকাচাৰত এখন FRU Unit চলি আছে আৰু সেইখনৰ কাম চলি আছে। কিন্তু আমাৰ যিখন Statistics Hand Book 2020, এই খনত দিয়া আছে মানকাচাৰত বা আমাৰ দক্ষিণ শালমাৰাত কোনো ধৰণৰ FRU Unit নাই। এইটো সম্পৰ্কে জানিব বিচাৰিছোঁ আৰু লগতে আমি দেখিছো যে, আমাৰ দক্ষিণ শালমাৰা মানকাচাৰ জিলাৰ বহুখিনি ডাক্তৰ আৰু তৃতীয়-চতুৰ্থ বৰ্গৰ বহুত কেইটা পদ ধুবুৰী চিভিল হস্পিতাল, উত্তৰ গুৱাহাটীত আৰু গোলকগঞ্জ সমষ্টিত বিভিন্ন ঠাইৰ চেলাৰী লৈ আছে, কিন্তু সেইখিনি মানুহে চাৰ্ভিছটো বেলেগ জিলাত দি আছে এইখিনিৰ ব্যৱস্থা ল'ব নেকি?
**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।
**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মানকাচাৰ যি খন আমাৰ জিলা ইয়াত মই তেখেতক তথ্যখিনি দিছোঁ, কি কি আছে, কি কি নাই। তেখেত সকলৰ আচলতে মানকাচাৰ জিলাৰ গাজাৰিকাণ্ডি ব্লক পি এইচ চি ত এটা আছে, সেইটো দক্ষিণ শালমাৰা মানকাচাৰৰ সৰহ সংখ্যক আপোনালোকৰ মানকাচাৰতে পৰে। আৰু বাকী যিটো দক্ষিণ শালমাৰা ব্লক পি এইচ চি সেইটো অলপ ইয়াত পৰে, বাকীখিনি ধুবুৰীত পৰে। এই জিলা খনত আচলতে সম্পূৰ্ণ সমষ্টি আমিনুল চাহাবৰ হয় আৰু বাকীখিনি এটা ধুবুৰী পাৰ্ট আছে। প্ৰকৃততে প্ৰথম ধুবুৰী জিলা ধৰণে গোটেই কামখিনি নিৰ্মাণ কৰা হৈছিল। এতিয়া তাৰ পৰা কাটি যিহেতু মানকাচাৰ বা দক্ষিণ শালমাৰা বেলেগ জিলা হ'ল, হোৱাৰ কাৰণে কিছু এনেধৰণৰ প্ৰশাসনিক অসুবিধা আছে। যিখিনি হয়তো আমি ৰিঅৰ্গানাইজ কৰিলে সেইখিনি আগলৈ সুবিধামতে হ'ব। বিধায়কৰ সুবিধা হ'ব, প্ৰশাসনৰো সুবিধা হ'ব। সেইখিনি কথা আমি লক্ষ্য ৰাখিছো। সেই কাৰণে মই কালি কৈছো যে আমি হেল্থ অডিট কৰিব লাগিব প্ৰতিটো সমষ্টিত এনেকুৱা ধৰণৰ কথাৰ কাৰণে। এতিয়া কথা হ'ল কি তেখেতে ডাক্তৰৰ কথা যিখিনি কৈছে, ইয়াত মোৰ হাতত থকা তথ্য মতে প্ৰতিখন হস্পিতালৰ ডাক্তৰ তাত সেই পোষ্টৰ বিপৰীতে আছে বুলি আছে, ব্লক পি এইচ চি টো ৭ জন ডাক্তৰলৈকে আছে, হয়তো কভিডৰ সময়ত ধুবুৰীলৈ ইয়াৰ পৰা হয়তো এটাষ্ট কৰিব কোনোবা ডাক্তৰ প্ৰয়োজন হৈছে, মূল হস্পিতাললৈ। সেইটো মই চোৱাচিতা কৰিম। বিধায়কৰ লগতো কথা পাতি ল'ম, কেনেধৰণে মিলাব পাৰি ইয়াৰ পিছত।
**মাননীয় অধ্যক্ষ ঃ** দ্বিতীয় পৰিপূৰক প্ৰশ্ন।
**মোঃ আমিনুল ইছলাম (মানকাচাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি দেখিছো যে সততে

আমাৰ অসমৰ বিভিন্ন চৰ অঞ্চল বিলাকত এটা উত্তৰ পাই থাকো যে তাত ডাক্তৰ নাযায়। তেনে একে অৱস্থা আমাৰ মাজেৰ চৰতো আছে, বাংনামাৰী চৰতো আছে, সুকচৰতো আছে, তেনেকৈ অসমৰ বিভিন্ন চৰ বিলাকলৈ ডাক্তৰ নাযায়। এটা চিচ্‌টেম কৰিব পৰা যায় নেকি যে দেখিছো চৰ এৰিয়াৰ পৰা  দেভেলপমেন্টৰ কোটাত দুজনকৈ প্ৰতিবছৰে মেডিকেলত পঢ়িবলৈ সুবিধা পায়। এই যিবিলাক মানুহে যোৱা ১০ বছৰত চৰ অঞ্চলৰ কোটাত মেডিকেল সম্পূৰ্ণ কৰিলে তেখেতক চৰকাৰৰ পৰা ব্যৱস্থা কৰি আমি চৰ অঞ্চলত চাৰ্ভিছটো লব পাৰো নেকি এইটো এটা চিন্তা কৰিবলৈ জনালোঁ, তেতিয়াহলে আমি চৰ অঞ্চলৰ মানুহসকলক এটা ন্যায় দিয়া হ'ব। কাৰণ তেখেত সকলৰ কোটাত সেই মানুহসকল ডাক্তৰ হৈ আহিছে। লগতে আৰু এটা মই কথা ক'ব খুজিছোঁ সেইটো হ'ল যে মই ইয়াৰ আগতেও মেম্বাৰ আৱাৰচত এই কথাটো উল্লেখ কৰিছিলো যে আমাৰ দক্ষিণ শালমাৰা মানকাচৰ জিলাখন যিহেতু একেবাৰে প্ৰান্তীয় অঞ্চল, ৰাস্তাঘাটৰ যোগাযোগৰ ফালৰ পৰা একেবাৰে শেষৰ পাৰ্ট। ঠিক মাজুলীত যেনেকুৱা ধৰণৰ স্পেচিয়েল পেকেজ ডাব'ল পইচা দিয়া হয়, কাৰ্বি আংলঙত দিয়া হয়, ঠিক তেনেকৈ মানকাচৰ খনো এখন বেকৱাৰ্ড অঞ্চল হিচাপে তাত সেই স্পেচিয়েল পেকেজটো দিয়া হ'ব নেকি, এই কথাটো মই অনুৰোধ কৰি অধ্যক্ষ মহোদয়ৰ জৰিয়তে জানিব বিচাৰিছোঁ।

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, প্ৰথম তেখেতে এটা বিষয় কৈছে ডাক্তৰ তালৈ যোৱা নোযোৱাকলৈ। এই কথাখিনি ইতিমধ্যে তেখেতৰ লগতো অলপ আলোচনা হৈছে, আমাৰ প্ৰধান সচিব, এম ডি সকলোৰে তেখেতৰ লগত এনেকুৱা কথা পাতিছে, মইও পাতিছো। সেই কথাটো আমি চাবলৈ দিছো যে যি সকলৰ ডাক্তৰ তাত থাকিবলৈ অসুবিধা নাপায় বা যাবলৈ ইচ্ছা থকা থাকিব তেনে সকলক তালৈ নিয়াৰ কাৰণে আমি এটা কথা ইতিমধ্যে আলোচনা কৰিছোঁ। দ্বিতীয়, কথাটো হ'ল কি তেখেতে যিটো পেকেজৰ কথা কৈছে সেই পেকেজটো অৱশ্যে আমি স্বাস্থ্য বিভাগৰ ফালৰ পৰা ক'ব পৰা বিষয় নহ'ব সেইটো আমি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক দৃষ্টিগোচৰ কৰিম। কাৰণ এই পেকেজ বুলি বেলেগ নহয় এতিয়া পি ডব্লিউ দিয়ে ধৰক ৰাস্তা বনাইছে, তাত দূৰ হোৱাৰ কাৰণে হয়তো অলপ এটা শতাংশ বেছিকৈ যোগ হ'ব। কোনোবাই তেনেকুৱা নিৰ্মাণৰ কামত তেনেকুৱা হয়, মাজুলীত হয়, কৰবাত অলপ হিল্‌চ এৰিয়াত হয়। গতিকে সেই কথাখিনি নিশ্চয় বিবেচনা কৰিবৰ কাৰণে আমি অনুৰোধ জনাম।

**মোঃ আমিনুল ইছলাম (মানকাচৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেইখিনি আনিব পৰা যাব নে নাই ?

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, হয় হয় মই কৈছো, অৱশ্যে চৰ বুলি মই প্ৰত্যক্ষভাৱে কৈ দিয়া নাই, কিন্তু আমি তেনে ক্ষেত্ৰত নিশ্চয় আলোচনা কৰি ব্যৱস্থা ল'ম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া চিদ্দিক আহমেদ।

**শ্ৰীচিদ্দিক আহমেদ (দক্ষিণ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মানকাছাৰৰ দৰে তেনেকুৱা আমাৰ কিছুমান পি এইচ চি আছে, মোৰ সমষ্টিতো দুটা পি এই চি আছে কিন্তু তাৰ কোৱাৰ্টাৰ নাই, বাউণ্ডাৰী ওৱালৰ কোনো ব্যৱস্থা নাই আৰু ডাক্তৰো নাই। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো, মই লিখিত ভাৱে দিম, অনুগ্ৰহ কৰি মোৰ দুটা পি এই চিৰ ডাক্তৰ আৰু ডাক্তৰ থকাৰ ব্যৱস্থা কৰি দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** এইটো মানকাচাৰৰ প্ৰশ্ন। মন্ত্ৰী মহোদয়।

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিখিনি কথা কৈছে হয়তো কিছু পুৰণি হস্পিতালত তেনেকুৱা কোৱাৰ্টাৰৰ সংখ্যাটো কমিব পাৰে, এতিয়া ডাক্তৰ বেছি হ'ব পাৰে। আগতে হয়তো সেইখন এখন দুজন ডাক্তৰৰ কথা আছিল এতিয়া বাঢ়িল। এই ক্ষেত্ৰত আমি নিশ্চয় বিবেচনা কৰিম, যিখিনিত ঠিক এনেধৰণৰ প্ৰস্তাৱ আহে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে যিটো চালো যে, স্পেচিফিক প্ৰশ্ন কৰিলে ভাল পায় মন্ত্ৰী মহোদয়ে। তাৰমানে কথাটো হৈছে এনেকুৱা যে ইতিমধ্যে মন্ত্ৰী মহোদয়ে প্ৰায় জিলাৰ চিভিল হস্পিতাল বোৰ ভ্ৰমণ কৰিছে, আমি যিমানদূৰ দেখিছো। অধ্যক্ষ মহোদয়, মোৰ কথাটো হৈছে কি মই এনেকৈ নকও যে কৰিমগঞ্জ চিভিল হস্পিতালত ডাক্তৰ নাই। কৰিমগঞ্জ চিভিল হস্পিতালত ৫ জন প্ৰসূতি বিশেষজ্ঞ আছে, ২ জন Orthopedic Doctor আছে মানে গোটেই স্পেচিলেইষ্ট ডাক্তৰ আছে, কাৰণটো হৈছে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন কৰক।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** কথাটো হৈছে এনেকুৱা অধ্যক্ষ মহোদয়, আমাৰ কৰিমগঞ্জ বা প্ৰত্যেক চিভিল হস্পিতাল দেখিবলৈ পোৱা যায় যে বাৰম্বাৰ ৰোগী বিলাকক ৰেফাৰ কৰা হয়। শিলচৰ মেডিকেল কলেজৰ অধ্যক্ষ গৰাকীজনে কলে যে ইমান ৰোগী ৰেফাৰ কিয় হয়। প্ৰধান কথাটো হ'ল যে কৰিমগঞ্জ চিভিল হস্পিতালৰ নাৰ্চ আৰু ডাক্তৰৰ কোৱাটাৰ কেইটা সুন্দৰ সুন্দৰ কৈ বনোৱা হৈছে। কিন্তু তাতে ডাক্তৰ আৰু নাৰ্চ নাথাকে, NHM staff বিলাক থাকে। সেই হস্পিতালখনত ৰোগী ৰাতি আহে যেতিয়া ডাক্তৰ নাপায়। সেইটো কাৰণে মই মন্ত্ৰী মহোদয়ৰ পৰা আপোনাৰ জৰিয়তে জানিব বিচাৰিছো, Gynaecologist এজন, MD এজন, Orthopedic এজন অন্তত এই কোৱাৰ্টাৰ বিলাকত থাকিব লাগে, নহ'লে তাত ভয়ংকৰ পৰিবেশৰ সৃষ্টি হয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মন্ত্ৰী মহোদয়।

**শ্ৰীকেশৱ মহন্ত (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কৰিমগঞ্জ হস্পিতালৰ কথা যিখিনি কৈছে, মই সেই হস্পিতালখনলৈ গৈছিলো, সদস্য গৰাকী জনেও মোৰ লগত উপস্থিত আছিলে। তেতিয়া আমি যিটো দেখিছিলো staff আছে, সেই সময়ত কোৱাৰ্টাৰত ডাক্তৰ নাই এই কথাটো তাতে গম পোৱা নাছিলো বা কোনো অভিযোগ পোৱা নাছিলো। আজি সদনত যিহেতু সদস্য গৰাকীয়ে কোৱাৰ্টাৰত ডাক্তৰ নথকা কথাতো কৈছে, গতিকে এই বিষয়ত নিশ্চয় ব্যৱস্থা গ্ৰহণ কৰিম,ডাক্তৰ কিয় নাই বা নাথাকে, কি অসুবিধা আছে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। Question No. 182, মাননীয় সদস্য শ্ৰীনিজানুৰ ৰহমান।

**শ্ৰীযোগেন মহন, ৰাজহ বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীনিজানুৰ ৰহমান (গৌৰীপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰত দিছে গৌৰীপুৰ ৰাজহ চক্ৰৰ বিষয়ে। আজি পাচঁ ছয় বছৰ হৈ গ'ল চাৰ্কোল অফিচ এতিয়ালৈকে ধুবুৰী জিলাৰ পৰা shift কৰি গৌৰীপুৰ অহা নাই। আমি ঘৰৰ ব্যৱস্থা কৰি দিছিলো Irrigation Executive Office ত। ইয়াত উত্তৰত কোৱা হৈছে যে এতিয়ালৈকে ঠাইৰ ব্যৱস্থা কৰা হোৱা নাই। পাচঁ বছৰ উকলি যোৱাৰ পিছত চাৰ্কোল অফিচ যদি shift নহয়, স্থানীয় ভাৱে মানুহখিনি বহুত জলাকলা খাই আছে। মই বিভাগীয় মন্ত্ৰীৰ পৰা আপোনাৰ জৰিয়তে জানিব বিচাৰিছো যে ইয়াৰ স্থায়ীভাৱে

ব্যৱস্থা কিমান দিনৰ ভিতৰত কৰি দিব।

**শ্ৰীযোগেন মহন (ৰাজহ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে ধুবুৰী জিলাৰ আৰু গৌৰীপুৰ Revenue Circle Office ৰ কথা জানিব বিচাৰিছে। **২০১৬** চনৰ নিৰ্বাচনৰ আগে আগে সেই সময়ৰ চৰকাৰে **১৩** টা Revenue Circle Office sanction দিছিল, তাৰ ভিতৰত গৌৰীপুৰ Revenue Circle Office তো সন্নিবিষ্ট আছে। ইতিমধ্যে ধুবুৰী জিলাৰ এই চাৰ্কোল অফিচতো ধুবুৰী চাৰ্কোলত attach কৰি সকলো কাম কাজ চলি আছে। এটা Revenue Circle Office নতুনকৈ স্থাপন কৰিবলৈ বহুখিনি প্ৰক্ৰিয়াৰ মাজেৰে যাব লগীয়া হয়। প্ৰথমতে সেই অফিচতোৰ পদ বিলাক অনুমোদন কৰিব লাগে। ইয়াৰ কাৰণে process চলি আছে, ফাইল DLR অফিচত sanction ৰ পৰ্য্যায়ত আছে। এটা অফিচত অস্থায়ীভাৱে কাম কৰিম বুলি কথা চলি আছিলে, কিন্তু কামটো নহ'ল। এটা নতুনকৈ চাৰ্কোল অফিচ গঠন কৰিবলৈ হ'লে মাটিৰ প্ৰায়োজন। DC ৰ পৰা ৰিপোৰ্ট অহা মতে খুদিমাৰী দুই নং খণ্ডত প্ৰায় **১০** লেছা মাটি আৱন্টন ৰাখিছে। কিন্তু **১০** লেছা মাটিত এটা চাৰ্কোল অফিচ সম্ভৱ নহয়। মই অনুৰোধ কৰিছিলো প্ৰায় ডেৰ বা দুই বিঘা যদি মাটি হয়, কাৰণ অফিচৰ লগত অফিচাৰৰ কোৰাটাৰ, Gr. IV ৰ কোৰাটাৰ লাগিব। তেনেকুৱা ধৰণৰ অফিচ কৰিব বিচাৰিছো। **১০** লেছাত যিহেতু সম্ভৱ নহয়, মাননীয় সদস্য গৰাকীয়ে মাটি ক'ত আছে যদি আমাক জনাই নতুন অফিচ গঠনৰ কাম আৰম্ভ কৰিব পাৰিম।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। ইয়াৰ পিছত 2nd Supplementary.

**শ্ৰীনিজানুৰ ৰহমান (গৌৰীপুৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ঠিক আছে মাটিৰ ব্যৱস্থা আমি কৰি দিম। কিন্তু মাটিলৈ সমস্যাটো হোৱা নাছিল। মই DC ৰ লগত যোগাযোগ কৰিছিলো, মাটি আমাৰ যথেষ্ট আছে, তাৰ ব্যৱস্থা কৰি দিয়া যাব।

দ্বিতীয় supplementary তো হৈছে বিভাগীয় মন্ত্ৰী মহোদয়ে যোৱা কাৰ্য্যকালত আমাক চিঠি দিছিল চাৰ্কোল অফিচ bifurcation কাৰণে। তেতিয়া আমি proposal বিলাক Web site ত upload কৰিছিলো। মোৰ এটা অঞ্চল পৰ্বজোৱা sub-division তাৰে **৯০** শতাংশ এৰিয়া মোৰ সমষ্টিতে হয়। তাতে আমি দুটা চাৰ্কোল অফিচৰ কাৰণে প্ৰস্তাৱ প্ৰেৰণ কৰিছিলো। এইখিনিৰ অগ্ৰগতি কিমান মই জানিব খুজিছো।

**শ্ৰীযোগেন মহন (ৰাজহ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰ প্ৰতিজন সন্মানীয় বিধায়কলৈ চিঠি দিয়া হৈছিলে, ক'ত চাৰ্কোল অফিচ গঠন হ'ব লাগে। তেওঁলোকৰ পৰা proposal আহিছে জিলা উপাযুক্তৰ যোগেদি, প্ৰায় **৪২** টা proposal আহিছে। গোটেইখিনি DLR office ত জমা দিছো আৰু গোটেই proposal বিলাকৰ পৰীক্ষা-নিৰীক্ষা চলি আছে। আমি DLR ৰ লগত বিধানসভাৰ অধিবেশনৰ পিছত আকৌ বহিম, ক'ত ক'ত হুguideline মতে কৰিব পাৰি, তাৰ আমি ব্যৱস্থা কৰিম। তাৰ কাৰণে আমাৰ বিভাগীয় ভাৱে ব্যৱস্থা চলি আছে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া মাননীয় সদস্য শ্ৰীজাকিৰ হুছেইন সিকদাৰ।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (বৰপেটা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়া বক্তব্যত কৈছে যে প্ৰত্যেকজন বিধায়কৰ পৰা নতুন Revenue Circle অফিচ লাগে নেকি বা তাৰ সম্পৰ্কে কিবা চিন্তা ধাৰা আছে নেকি, তাৰ কাৰণে proposal বিচাৰিছিলে। আমি সেই মতে প্ৰস্তাৱ দিছিলো। তেখেতে উত্তৰত কৈছে পৰীক্ষা-নিৰীক্ষা চলি আছে। মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাম যে যিহেতু প্ৰায় দুই তিনি বছৰৰ ভৰি দিব এই পৰীক্ষা-

নিৰীক্ষাৰ কাম-কাজখিনি অতি নিয়াৰিকৈ কৰাৰ কাৰণে ব্যৱস্থা লব। আৰু যিসমুহ সমষ্টিৰ পৰা প্ৰস্তাৱ আহিছে সেই সমুহ সমষ্টিৰ সন্মানীয় বিধায়কক জড়িত কৰি প্ৰস্তাৱ সমূহ বিবেচনা কৰাৰ কাৰণে অফিচাৰ সকলক নিৰ্দেশ দিয়ে যেন, তাৰ কাৰণে অনুৰোধ জনালো।

**শ্ৰীযোগেন মহন (ৰাজহ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, proposal সেই কাৰণে বিধায়কৰ পৰা বিচৰা হৈছে, যিবিলাক জিলা উপায়ুক্ত জড়িয়তে আহিছে। পৰবৰ্তী সময়ত আমি বিধায়কসকলৰ লগত আলোচনা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া মাননীয় সদস্য শ্ৰীগনেশ কুমাৰ লিম্বু।

**শ্ৰীগণেশ কুমাৰ লিম্বু (বৰছলা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ চাৰ্কোল অফিচৰ বিষয়ে মই ক'ব বিচাৰিছো। মই ৫ টা চাৰ্কোল অফিচৰ কাম কৰিব লগা হয়। কিন্তু এটাও চাৰ্কোল অফিছ মোৰ সমষ্টিৰ অন্তৰ্গত নহয়। মই বিচাৰিছো অন্ততঃ দুটা চাৰ্কোল মোৰ সমষ্টিকেন্দ্ৰীক হওক। মই অনুৰোধ জনাইছো যাতে দুটা চাৰ্কোল ব্যৱস্থা মোৰ সমষ্টিত মন্ত্ৰী মহোদয়ে কৰি দিয়ে।

**শ্ৰীযোগেন মহন (মন্ত্ৰী, ৰাজহ ও দুৰ্যোগ প্ৰশমন ইত্যাদি)** ঃ ধন্যবাদ, মই বিধায়কগৰাকীক কৈছো ডিলিমিটেশ্যন বা আকৌ ৰি ক্ৰিয়েশ্যনৰ প্ৰপোজেল আপুনি দিব পাৰে জিলা উপায়ুক্তৰ যোগেদি। আমাৰ ৰেভিনিউ ডিপাৰ্টমেন্টলৈ পঠিয়াই দিব। আমি গোটেই বিষয়বিলাক এতিয়া একজামিন কৰি আছো।

**মাননীয় অধ্যক্ষ** ঃ কোৱেশ্যন নং **১৮৩** , অজয় কুমাৰ ৰায়- চাপ্লিমেন্টৰী

**শ্ৰীঅশোক সিংঘল (মন্ত্ৰী, নগৰ উন্নয়ন ইত্যাদি)** ঃ অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীঅজয় কুমাৰ ৰায় (বিজনী)** ঃ মাননীয় অধ্যক্ষ মহোদয় , প্ৰথমবাৰৰ বাবে মই বিধান সভালৈ আহিছো আৰু আপুনি ক'বলৈ সুযোগ দিয়াৰ বাবে প্ৰথমে আপোনাক ধন্যবাদ দিছো। অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে, বিজনী সমষ্টিৰ প্ৰাণ কেন্দ্ৰ হিচাপে বিজনী চহৰখন। এই চহৰখনৰ মাজমজিয়াত এজাক বৰষুণ দিলে কৃত্ৰিম বানৰ সৃষ্টি হয়। বানৰ বাবে এই চহৰৰ মানুহ ঘৰৰ পৰা ওলাব নোৱাৰা অৱস্থা হয়। সেই কাৰণে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে বিজনী চহৰখনত অত্যাধুনিক নলা- নৰ্দমাৰ ব্যৱস্থা কৰি সমস্যাটো সোনকালে সমাধান কৰি দিয়ে যেন।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী মহোদয়ৰ উত্তৰ।

**শ্ৰীঅশোক সিংঘল (মন্ত্ৰী, নগৰ উন্নয়ন ইত্যাদি)** ঃ অধ্যক্ষ মহোদয়, প্ৰত্যেকখন নগৰ নিগম এলেকাত ষ্ট্ৰম ৱাটাৰ ড্ৰেনেজ - এটা বৃহৎ পৰিকল্পনা হাতত লোৱাৰ কাৰণে চিন্তা চৰ্চা চলি আছে। এই পৰিকল্পনাৰ অধীনত বিজনী চহৰতো নলা বা বানমুক্ত কৰাৰ কাম কৰা হ'ব গতিকে মই ভাবো তেতিয়া বিজনী চহৰ কৃত্ৰিম বানৰ পৰা মুক্ত হ'ব।

**মাননীয় অধ্যক্ষ** ঃ কোৱেশ্বন নং- ১৮৪, তেখেত এবচেন্ট এতিয়া ১৮৫, চাপ্লিমেন্টৰী কৰক।

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী, স্বাস্থ্য ও পৰিয়াল কল্যাণ)** ঃ অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীবসন্ত দাস (মঙ্গলদৈ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো অসমৰ ৭ খন অসামৰিক চিকিৎসালয়ত শিশু আই চি ইউৰ ব্যৱস্থা আছে। সেই ৭ খন ক'ত ক'ত আৰু বাকী যিখিনি নাই কেতিয়াকৈ কৰা হ'ব?

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰ

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী, স্বাস্থ্য ও পৰিয়াল কল্যাণ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ যিটো প্ৰশ্ন আছিল সেইটো আমি উত্তৰটো দিছো। এতিয়া ৭ খন ক'ত ক'ত আছে মই কৈ দিছো। পেড্ৰিয়াটিক আই চি ইউ আছে- মঙ্গলদৈ চিভিল হস্পিতেল, ধেমাজি চিভিল হস্পিতেল, ধুবুৰী চিভিল হস্পিতেল ,গোৱালপাৰা চিভিল হস্পিতেল, কুশল কোঁৱৰ চিভিল হস্পিতেল, গোলাঘাট, ভোগেশ্বৰী ফুকননী চিভিল হস্পিতেল তাৰ পিছতে শিৱসাগৰ চিভিল হস্পিতেল। কথাটো এনেকুৱা পেডিয়েট্ৰিক আই চি ইউ আগৰে পৰা আছিল। কিন্তু ক'ভিড অহাৰ পিচত প্ৰতিখন ডিষ্ট্ৰিক্ট হস্পিতেল আৰু প্ৰতিখন মেডিকেল কলেজত আমি পেডিয়াট্ৰিক আই চি ইউ ৰ কাম আমি ইতিমধ্যে কৰি আছো। ক'ৰবাত অলপ আগবাঢ়িছে, ক'ৰবাত সম্পূৰ্ণ হোৱাৰ পথত। এতিয়া ডিষ্ট্ৰিক্ট হস্পিতেল আৰু প্ৰতিখন মেডিকেল কলেজত পেডিয়াট্ৰিক আই চি ইউ ৰ কাম হয়তো ২ মাহত সম্পূৰ্ণ হ'ব।

**মাননীয় অধ্যক্ষ ঃ** চেকেণ্ড চাপ্লিমেন্টৰী

**শ্ৰীবসন্ত দাস (মঙ্গলদৈ) ঃ** অধ্যক্ষ মহোদয়, মোৰ ভেকচিন সম্পৰ্কত এটা কোৱেশ্যন আছিলে। এতিয়া যিবিলাক চাব চেন্টাৰত ভেকচিন দিছে তাতে মানুহ যথেষ্ট ভিৰ হয়। তাত আমাৰ পঞ্চায়ত বডিবিলাক আছে- ১০ টা ৱাৰ্ড থাকে এটা পঞ্চায়তত। দুটা ৱাৰ্ড মিলাই এটা যদি ভেকচিন চেন্টাৰ দিব পাৰি তেতিয়া হ'লে যথেষ্ট সুবিধা হব, তেনে ব্যৱস্থা কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী, স্বাস্থ্য ও পৰিয়াল কল্যাণ) ঃ** অধ্যক্ষ মহোদয়, ভেকচিন চেন্টাৰ সমূহ আমি কিছু কথা চাই পেলাই দিছো। ক'ৰবাত আমাৰ মিনি পি এইচ চি আছে। ব্লক পি এইচ চি আছে, ক'ৰবাত শিক্ষানুষ্ঠানত দিছো। ৰাইজৰ সুবিধামতে চাই মেলি দিয়া হৈছে। এনেকুৱা কথা নহয় যে আমি একে ঠাইতে দি থাকিলে হয়তো ২-৩ দিনত ৰাইজৰ লোৱা হৈ যাব। আমাৰ নিৰ্দ্দেশ আছে এইখিনি ৰাইজৰ ওচৰত বা গাঁৱত চপাই নিবৰ বাবে কোনো কাৰ্য্যালয় , শিক্ষানুষ্ঠান বা কোনো পঞ্চায়তত দিয়াত কোনো অসুবিধা নাই। সেইটো মাননীয় বিধায়কে নিজে কৈ ঠিক কৰি ল'ব পাৰিব। আপুনি কৈছে যেতিয়া আজি মই কোৱেশ্যন আৱাৰৰ পিচত কৈ দিম এইখিনি কথা।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয় ভেকচিন ক'ত দিব এইটো লৈ আমি কনচাৰ্ণ নহয়। অধ্যক্ষ মহোদয় কথাটো হৈছে এনেকুৱা, ৩ আগষ্ট এডিশ্যনেল চীফ মেডিকেল হেল্থ অফিচাৰ, কৰিমগঞ্জ তেখেতে এখন চিঠি চুপাৰিনটেনডেন্টলৈ লিখিছে । এই ৫ টা চেন্টাৰত ৫ টকাকৈ কুপন লোৱা হৈছে। এইটো কিয় লোৱা হৈছে, য'ত ফ্ৰি ভেকচিন দিব লাগে তাত ৫ টকাকৈ লৈছে। ইয়াৰ ওপৰত মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা ল'ব নেকি মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী, স্বাস্থ্য ও পৰিয়াল কল্যাণ) ঃ** ঠিক আছে যিহেতু আপুনি আমাৰ দৃষ্টিগোচৰ কৰিছে আমি এইটো এনকোৱাৰী কৰিম আৰু যিটো ব্যৱস্থা ল'ব লাগে আমি ল'ম।

**মাননীয় অধ্যক্ষ ঃ** কোৱেশ্যন নং-১৮৬

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী, স্বাস্থ্য ও পৰিয়াল কল্যাণ) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীজয়ন্ত বসুমতাৰী (চিডলী) ঃ** অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিম যে ২০০৩ চনত সম্পাদিত বি টি চি চুক্তিৰ আধাৰত চিৰাং জিলাৰ সদৰ স্থান

কাজলগাঁৱত এখন হস্পিতেল বনোৱা হৈছিল আৰু চুক্তি মতে চুপাৰ স্পেচিয়েলিটি হস্পিতেল হ'ব লাগিছিল কিন্তু বৰ্ত্তমান সেইখন চিভিল হস্পিতেল বুলি নামাকৰণ কৰা হৈছে। মই সুধিব বিচাৰিছো- এই চিভিল হস্পিতেল আৰু চুপাৰ স্পেচিয়েলিটি হস্পিতেলৰ মাজত পাৰ্থক্যটো কি? চুক্তিমতে চুপাৰ স্পেচিয়েলিটি হস্পিতেল হ'ব লাগিছিল কিন্তু নহ'ল এতিয়া চুক্তিৰ স্পিৰিটটো ভঙ্গ কৰা হৈছেনে নাই? সেইখিনি কথা মাননীয় মন্ত্ৰীৰ পৰা জানিব বিচাৰিম। মোৰ প্ৰশ্নৰ উত্তৰত ডাক্তৰ, নাৰ্চ, ষ্টাফৰ তথ্য দিয়া হৈছে। মই জনাত চিৰাং জিলাত দুটা মডেল হস্পিতেল আছে, টেম্প'ৰাৰী ডাক্তৰ তাত দিয়া হৈছে। আৰু মডেল হস্পিতেল দুখনৰ অৱস্থা বেয়া- ডাক্তৰ নাই, ষ্টাফ নাই। কাশিকোত্ৰা মডেল হস্পিতেল এখন আছে। তাত এজনেই মাত্ৰ ডাক্তৰ আছে। ডেপুটি চুপাৰিনটেনডেন্ট। মডেল হস্পিতেলখনো ফাংশ্যন হোৱা নাই। চুপাৰ স্পেচিয়েলটী হস্পিতেলৰ চুক্তিৰ স্পিৰিটটোও ৰখা হোৱা নাই। আপোনাৰ জৰিয়তে মন্ত্ৰীমহোদয়ৰ পৰা ইয়াৰ এটা সদুত্তৰ বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, BTC ৰ যেতিয়া Accord হৈছিল তেতিয়া চিৰাং জিলাৰ কাজলগাঁৱত এখন Superspeciality Hospital হ'ব বুলি এটা সিদ্ধান্ত লোৱা হৈছিল। এতিয়ালৈকে এই Hospital খন Superspeciality Hospital হৈ উঠা নাই। কিন্তু এই ক্ষেত্ৰত আমাৰ চৰকাৰৰ ফালৰ পৰা কিছু ব্যৱস্থা গ্ৰহণ কৰা হৈছিল যদিও ইয়াত কিছু কথা বাকী আছে। কাৰণ তেখেত সকলৰ Accord ত BTAD মানে বৰ্তমান BTR ৰ বা ৰাজ্যচৰকাৰৰ কেনেকুৱা ৰোল হ'ব, এই বিষয়টো মাননীয় অধ্যক্ষ মহোদয় আপুনিও যানে যে অলপ আলোচনাৰ প্ৰয়োজন আছে আৰু তেখেতসকলৰ লগত আলোচনা কৰিহে আগবাঢ়িবলৈ সুবিধা হ'ব। তেখেত সকলে যি Superspeciality Hospital ৰ কথা কৈছে আমাৰ মেডিকেল কলেজত ইয়াৰ আৰম্ভণি কৰিছো। কিন্তু তাত যিমানখিনি বিশেষজ্ঞ বা Medical Equipment প্ৰয়োজন হ'ব, সেইটো অতি সোনকালে এটা অঞ্চলক কৰা সম্ভৱ নহয়। কিন্তু ইয়াত যিহেতু এটা চুক্তি কৰা হৈছে সেয়েহে এই ক্ষেত্ৰত আমি কিছু আলোচনা কৰিম আৰু আগবাঢ়িম আৰু যিকেইখন মডেল হস্পিতালৰ কথা কৈছে তাত আমি খালী পোষ্টসমূহ আনিছো আৰু যেতিয়া নিযুক্তি দিয়া হ'ব তেতিয়া আপোনালোকে পাব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া দ্বিতীয় পৰিপূৰক প্ৰশ্ন।

**শ্ৰী জয়ন্ত বসুমতাৰী (চিডলী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কোৱাৰ দৰে মই আশা কৰিম যে হস্পিতালখন ভালকৈ চলিব। মোৰ দ্বিতীয় প্ৰশ্নটো হ'ল যে মোৰ চিডলী সমষ্টিত এটাই মাত্ৰ মিউনিচিপাল বোৰ্ড আছে, সেইখন হৈছে বাসুগাওঁ। তাত ২০০৪ চনতে এখন ত্ৰিশ খন বিছনাযুক্ত হস্পিতালৰ বাবে ভৱন নিৰ্মাণ কৰা হৈছিল। হয়তো দুবছৰৰ ভিতৰতে ঘৰটো নিৰ্মাণ কৰা হৈছে। কিন্তু আজিলৈকে সেইখন ত্ৰিশ খন বিছনাযুক্ত হস্পিতাল হৈ উঠা নাই আৰু বাসুগাওঁ চহৰত এটা Mini PHE আছে। সেই PHE খন Upgrade কৰিব লাগিব। বাসুগাঁৱত যে এখন ত্ৰিশ খন বিছনাযুক্ত হস্পিতালৰ বাবে ভৱন নিৰ্মাণ কৰা হৈছিল, সেই বিষয়ে চৰকাৰ জ্ঞাত হয়নে নহয় সেই কথা মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী, স্বাস্থ্য ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তাত যে এখন হস্পিতালৰ বাবে ভৱন নিৰ্মাণ কৰা হৈছে সেই বিষয়ে চৰকাৰ অৱগত আৰু Mini PHE খনৰ কথাও কৈছে। এইবাৰ আমি সকলো খালী হৈ থকা পদসমূহৰ বাবে Requirement আনিছো আৰু দহ হাজাৰটা খালী হৈ থকা পদ আমি ইণ্টাৰভিউ পাতি পূৰণ কৰিম। আপোনালোকৰ তাত যদি ডাক্তৰ বা

স্বাস্থ্যকৰ্মী নাই, এই ধৰণে আমি পদসমূহ পূৰণ কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অজয় কুমাৰ ৰায় ডাঙৰীয়াই ক'ব।

**শ্ৰী অজয় কুমাৰ ৰায় (বিজনী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চিৰাং জিলাৰ ভিতৰত মোৰ সমষ্টিটোও পৰে আৰু মোৰ সমষ্টিৰ ভেটাগাঁৱত এখন ত্ৰিশ খন বিছনাযুক্ত হস্পিতাল আছে। কিন্তু সেই হস্পিতাল খনত চাফাই কৰ্মী নাই আৰু এখন হস্পিতাল আছে তাত শিশুৰোগ বিশেষজ্ঞ, স্ত্ৰী-ৰোগ বিশেষজ্ঞৰ ডাক্তৰ নাই। যদিও হস্পিতালখন আছে তাত চিকিৎসা কৰ্মীৰ অভাৱ হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** হস্পিতালখনৰ নাম কি?

**শ্ৰী অজয় কুমাৰ ৰায় (বিজনী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভেটাগাওঁ ত্ৰিশ খন বিছনাযুক্ত হস্পিতাল।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী, স্বাস্থ্য ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ সমস্যাখিনি একেই। গতিকে তেখেতে যিটো বিষয় দিছে সেই বিষয়ে আমি বিবেচনা কৰিম আৰু তেখেতৰ লগতো আলোচনা কৰি লম। মই আৰু এটা কথা এই প্ৰশ্নটোৰ লগত ক'ব বিচাৰিছো যে কাজল গাঁৱৰ লগতে বঙাইগাঁৱত এখন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ কৰাৰ কথা আমাৰ Propose কৰা হৈছে। সেয়েহে এই কথাখিনি আমি সদনৰ মজিয়ালৈ আগবঢ়াইছো আৰু Superspeciality Hospital ৰ কথা কিছু পাতি লোৱাৰ প্ৰয়োজন আছে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং-১৮৭।

**শ্ৰী অশোক সিংঘল (মন্ত্ৰী, জলসিঞ্চন ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী (ওদালগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধনশিৰি প্ৰজেক্ট সম্পৰ্কে কেইটামান প্ৰশ্ন উত্থাপন কৰিছিলো। মাননীয় মন্ত্ৰী মহোদয়ে তাৰ লিখিত উত্তৰ দিছে কিন্তু তেখেতৰ লিখিত উত্তৰত মই সন্তুষ্ট হ'ব পৰা নাই। সেয়েহে মই প্ৰশ্ন কৰিব বিচাৰিছা যে যিহেতু ধনশিৰি প্ৰজেক্টৰ লগত হাইডেল প্ৰজেক্টৰ প্ৰশ্ন আছিল, কিন্তু কিয় হাইডেল প্ৰজেক্টটো আউট চাইড কৰা হ'ল। তাৰ কাম কিয় আৰম্ভ কৰা নাই বুলি প্ৰশ্ন কৰোতে তাৰ উত্তৰ দিছে যে Environmental Department ৰ পৰা Clearance নহাৰ বাবে এইখিনি থৈ দিয়া হ'ল। মই এই উত্তৰত সন্তুষ্ট হ'ব পৰা নাই। যিহেতু জলসিঞ্চন প্ৰজেক্টৰ কাম প্ৰায় সমাপ্ত হোৱাৰ উপক্ৰম হৈছে, এই ক্ষেত্ৰত যদি Clearance ৰ প্ৰয়োজন নহয় তেন্তে হাইডেল প্ৰজেক্টৰ ক্ষেত্ৰত কিয় Clearance ৰ প্ৰয়োজন হ'ল? ২০১৭ চনত যেতিয়া অতিৰিক্ত মুখ্য অভিযন্তাই পৰিদৰ্শনৰ কাৰণে গৈছিল, মই তেতিয়া তেওঁক একেই প্ৰশ্ন কৰিছিলো যে হাইডেল প্ৰজেক্টটো কিয় কৰা নহ'ল? তেখেতে কৈছিল যে প্ৰজেক্টটো পুনঃউজ্জীৱিত কৰা হ'ব। তাৰ কাৰণে Seal Ejector বুলি এটা ব্যৱস্থা কৰা হ'ল আৰু এইটো বনাই কোটি কোটি টকা খৰচ কৰা হ'ল, কিন্তু একো লাভ নহ'ল। যদি হাইডেল প্ৰজেক্ট বনোৱাই নহয় তেনেহ'লে Seal Ejector বনাই কিয় ইমান টকা খৰচ কৰা হ'ল। মই এতিয়া দ্বিতীয় পৰিপূৰক প্ৰশ্নটো কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি দ্বিতীয় পৰিপূৰক প্ৰশ্নটো পিছত কৰিব। এতিয়া মন্ত্ৰী মহোদয়ে উত্তৰ দিব।

**শ্ৰী অশোক সিংঘল (মন্ত্ৰী, জলসিঞ্চন ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে হাইডেল পাৱাৰ প্ৰজেক্টৰ কথা ধনশিৰি জলঞ্চিন প্ৰজেক্টৰ লগত কৈ আছে, তাৰ উত্তৰত

আমি ক'লো যে ধনশিৰিৰ প্ৰকল্প ১৯৭৫ চনত আৰম্ভ হৈছিল আৰু আজিলৈকে সম্পূৰ্ণ হোৱা নাই। এই যিটো হাইডেল পাৱাৰ প্ৰজেক্ট আছিল সেইটো পাৱাৰ ডিপাৰ্টমেণ্টৰ আছিল। জলসিঞ্চন বিভাগৰ নাছিল। এইটো যদিও পাৱাৰ ডিপাৰ্টমেণ্টৰ আছিল মই নিজেই ধনশিৰি প্ৰজেক্টলৈ গৈছিলো আৰু তাত যিটো মই অৱস্থা দেখিলো সেইটো পুনঃউজ্জীৱিত কৰা অৱস্থাত নাই। কাৰণ মামৰে খাই গোটেই যন্ত্ৰপাতি নষ্ট হৈ গৈছে। জুৰাছিক পাৰ্কৰ নিচিনা তাত এতিয়া অৱস্থা হৈছে। তথাপিতো চৰকাৰে সিদ্ধান্ত লৈছে যে ধনশিৰি জলসিঞ্চন প্ৰকল্পটো এই বিত্তীয় বৰ্ষৰ ভিতৰত শেষ কৰিব আৰু ১৯৭৫ চনত যিটো প্ৰকল্পৰ কাম আৰম্ভ হৈছিল, ২০২২ ৰ মাৰ্চ মাহত তাক আমি ফাইনেলি সমাপ্ত কৰিব বিচাৰিছো আৰু তাৰ বাবে যি ব্যৱস্থা ল'ব লাগে আমি লৈ আছো। মই ইতিমধ্যে দিল্লী w÷í ßÁ1 öÂ1î ÂäÂßÂ1 1 ¡û PSU আছে, সেই PSU কো কৈছো যে আমি সেইটো সমাপ্ত কৰিম। কিন্তু তাত আমাক খৰালি মাহত যিমান পানী লাগিব সেইখিনি আমি নাপাওঁ। কিন্তু জলসিঞ্চনে যদি খৰালি মাহত পানী নিদিয়ে তেতিয়াহ'লে জলসিঞ্চনটো সঠিক হোৱা নাই বুলি মই ভাৱো আৰু আপোনালোক বিধায়ক সকলৰো ধাৰণা হ'ব। জলসিঞ্চনৰ পানী শীতকালত পাব লাগে আৰু বৰষুণৰ দিনত পানী দিয়াটো জলসিঞ্চন নুবুজায়। ধনশিৰিৰ ক্ষেত্ৰত খবৰ লওঁতে মোক জনালে যে খৰালি তাত পানী নাপায় আৰু তাৰ কাৰণে Expert Consultation ৰ প্ৰয়োজন আছে। ভাল PSU WAPCOS ৰ যি ভাল Consultant আছে, তেওঁলোকৰ লগত যোগাযোগ কৰা হৈছে আৰু তেওঁলোকে ইয়ালৈ আহি এইবোৰ চাব। তেলেংগানাৰ যিটো প্ৰকল্প হ'ল, গোটেই নদীখনক lift Irrigation ৰ জৰিয়তে প্ৰায় পাঁচ শ মিটাৰ তেখেতসকলে উঠালে আৰু প্ৰায় ডেৰ লাখ হেক্টৰ মাটিত পানী যোগান ধৰি আছে। চাৰি বছৰত আশী হাজাৰ কোটি টকাৰ প্ৰকল্প সম্পূৰ্ণ কৰাৰ অভিলেখ সৃষ্টি কৰা Consultant ক আমি আনি আছো। মই ভাৱো যে অসমৰ জলসিঞ্চনৰ ক্ষেত্ৰত ব্যতিক্ৰমী চিন্তাৰে মাননীয় মুখ্যমন্ত্ৰীৰ নিৰ্দেশনা আৰু মাৰ্গ দৰ্শনেৰে আমি কাম কৰি আছো। মই ভাৱো যে ধনশিৰিৰ নিচিনা প্ৰকল্প অসমত আৰু নহওঁক, যাৰ কাম পঞ্চল্লিশ বছৰ কৰাৰ পিছতো সম্পূৰ্ণ নহ'ল। আগন্তুক দিনবোৰত প্ৰকল্পসমূহ ভাল হ'ব লাগে, খেতিয়কে পানী পাব লাগে, অসমৰ কৃষি ভাল হ'ব লাগে আৰু গাওঁ অঞ্চলত অৰ্থ ব্যৱস্থা ভাল কৰাৰ বাবে আমি ব্যৱস্থা লম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** Second supplementary.

**শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী (ওদালগুৰি)ঃ** অধ্যক্ষ মহোদয়, তেখেতে যিখিনি উত্তৰ দিলে, বিশেষকৈ, খৰালি মাহত পানী নোপোৱা কথাটো সঁচা নহয়। খৰালি মাহত, আচলতে যেতিয়া তাত কাম নাথাকে, কোনো বিষয়াই তাত নাথাকে। সকলো বিষয়া গুৱাহাটীত থাকে। গুৱাহাটীৰ পৰা তিনি মাহৰ মূৰত এবাৰ গৈ পৰিদৰ্শন কৰি গুছি আহে। তাত পানী চলে নে নাই বিষয়াসকলৰ খবৰেই নাথাকে। মই তাৰে বাসিন্দা, সৰুৰে পৰা তাত ডাঙৰ হৈছো। গতিকে, বিভাগে যদি কিবা ব্যৱস্থা গ্ৰহণ কৰি ঠিক মতে পানীৰ যোগান ধৰে, তেন্তে খৰালি কালতো পানী পোৱা যাব। সেইকাৰণে, আমাৰ মন্ত্ৰী মহোদয়ক এই কথাখিনি নিজেই অলপ অনুধাৱন কৰি চাই বিষয়াসকলক ঠিক মতে নজৰ দিবলৈ অনুৰোধ কৰিলো। আনহাতে, তেখেতে কৈছে যে কামটো ২০২২ চনৰ মাৰ্চ মাহৰ ভিতৰত শেষ হ'ব, কিন্তু বৰ্তমানলৈ যিখিনি কাম কৰা হ'ল, তাৰে বহুতো কামত crack হোৱা দেখিবলৈ পাইছো। গতিকে, সেইবোৰ মেৰামতি কৰাৰ বাবে কি চিন্তা কৰিব?

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী অশোক সিংহল (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, সদস্যগৰাকীয়ে বিষয়া নথকাৰ যিটো কথা ক'লে, সেই সন্দৰ্ভত মই জনাওঁ যে জলসিঞ্চন বিভাগটো ইতিমধ্যে reorgainze আৰু reconstitute কৰা হৈছে। লগতে, প্ৰত্যেক সমষ্টিতে এজনকৈ S.D.O., দুটা বা তিনিটা সমষ্টি মিলাই Executive Engineer আৰু এখন বা দুখন জিলা মিলাই, জিলাখনৰ আকাৰ অনুসৰিCircle Office ৰখাৰ ব্যৱস্থা কৰাৰ বাবে ইতিমধ্যে Notification issue কৰা হৈছে। আগন্তুক দিনত, restructuring হোৱাৰ পিছত, মই ভাৱো যে আমি প্ৰকল্পবোৰ ভালকৈ চলাব আৰু নিয়ন্ত্ৰণ কৰিব পাৰিম। লগতে, যিবোৰ ডাঙৰ প্ৰকল্প থাকিব, তাত বিশেষভাৱে বিষয়া নিয়োগ কৰা হ'ব আৰু প্ৰকল্পবোৰৰ output ৰ ক্ষেত্ৰত তেওঁলোকক দায়িত্ব দিয়া হ'ব। আনহাতে, যিখিনি crack হৈছে, য'ত য'ত মেৰামতিৰ প্ৰয়োজন আছে, সেই সন্দৰ্ভত যেতিয়াই ৰিপৰ্ট আহিব, চৰকাৰে খৰচ কৰি প্ৰকল্পটো জীয়াই ৰখাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**মাননীয় অধ্যক্ষঃ** সিংহল ডাঙৰীয়া আপুনি মন্ত্ৰী আৰু সদস্য গৰাকী Deputy Chief। গতিকে, মই ভাৱো দুয়োটা administration মিলিলে ধনশিৰিৰ প্ৰকল্পটো অতি সোনকালে কাৰ্য্যক্ষম হৈ commissioning কৰিব পৰা যাব। সেয়েহে, আপোনালোক দুয়ো কথা পাতি ঠিক কৰক।

**শ্ৰী অশোক সিংহল (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) ঃ** হ'ব দিয়ক। অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষঃ** দুৰ্গা দাস বড়ো।

**শ্ৰী দুৰ্গা দাস বড়ো (কলাইগাওঁ) ঃ** অধ্যক্ষ মহোদয় আৰু সদন, আমি শিশুৰ পৰা ডেকা, ডেকাৰ পৰা বুঢ়া হ'লো, কিন্তু এই প্ৰকল্পটো সম্পূৰ্ণ নহ'ল। এই প্ৰকল্পটোৰ পৰা এটা community ধনী হৈ গ'ল, তেওঁলোকৰ ঘৰ-বিল্ডিং সকলো হ'ল। সন্মানীয় সদনে মন কৰা উচিত যে ১৫ কোটি টকাৰে আৰম্ভ কৰা প্ৰকল্পটোত ৫০০ কোটি টকা খৰচ হ'ল। কিন্তু, ইমান টকা খৰচ হোৱাৰ পিছতো কিমানখিনি পানী এই মুহূৰ্তত পাইছে সেয়া মন্ত্ৰী মহোদয়েও কৈছে আৰু আমি নিজেও দেখি আহিছো। আমি তাত প্ৰায়ে যাওঁ, ফুৰিবলৈ যাওঁ, বনভোজ খাবলৈ যাওঁ। মই আমাৰ অভিভাৱক মন্ত্ৰী সিংহল ডাঙৰীয়া যেতিয়া তালৈ গৈছিল, তেতিয়া মই তেওঁৰ লগত এই সম্পৰ্কত কথা পাতিছিলো আৰু তেখেতৰ আজি যি উত্তৰ, সেই একেই উত্তৰ মই সেইদিনাও পাইছিলো। মোক সেইদিনা দিয়া উত্তৰ আৰু আজিৰ উত্তৰৰ মাজত কোনো পাৰ্থক্য নাই। তেওঁৰ ইচ্ছাটো আমি বুজি পাইছো। কিন্তু, গোবিন্দ চন্দ্ৰ বসুমতাৰী ডাঙৰীয়াই crack ওলোৱাৰ কথা কৈছে। আপোনালোকে জানে যে ১৯৮৬ চনত বিজুলী বিভাগে ৫ কোটি টকাৰ ৩-৪ টা Hydraulic Project ত হাতত লৈছিল। এই প্ৰকল্পবোৰৰ নামত যিবোৰ বস্তু-বাহানি লোৱা হৈছিল, সেইবোৰ এতিয়া ভালে আছে নে নাই সকলোৰে গম পায়। গতিকে, মই বিচাৰো যে মাননীয় মন্ত্ৰী মহোদয়ে বিজুলী বিভাগৰ লগত যোগাযোগ কৰি সেই সৰু সৰু প্ৰকল্পকেইটা পুনৰুজ্জীৱিত কৰিব নেকি, সেই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী অশোক সিংহল (মাননীয় জলসিঞ্চন মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে ১৫ কোটিৰ পৰা ৫০০ কোটি টকা খৰচ কৰাৰ কথা কৈছে। এই প্ৰকল্পটো ১৯৭৫ চনত প্ৰায় ১৫ কোটি টকাৰে আৰম্ভ হৈছিল। ১৯৯১-৯২ চনত এইটো দহগুণ বাঢ়ি ১৫৮ কোটি টকা হ'ল, আকৌ ১৪ বছৰ পিছত ইয়াৰ মূল্য ৪০০ কোটি, ১৬ বছৰ পিছত আকৌ ইয়াৰ মূল্য ৫৭০ কোটি হৈ গ'ল। এই প্ৰকল্পৰ estimate কিয় বাঢ়িলে, কি কাম কৰিবৰ বাবে বাঢ়িলে, এই সকলো কথাৰ উত্তৰ ৫-১০ মিনিটৰ ভিতৰত দিব নোৱাৰি। কিন্তু, ২০০৪ বা ২০১১ চনত এই প্ৰকল্পৰ যেতিয়া পৰিকল্পনা কৰিছিল, তেতিয়া হয়তো কিবা ভুল ৰৈ গৈছিল আৰু APDCL ৰ

প্ৰকল্পটোত বন বিভাগৰ clearance নাই বুলি তথ্য এটা মই পাইছিলো। গতিকে, এই প্ৰকল্পকেইটা পুনৰুজ্জীৱিত কৰা পৰ্যায়ত নাই, নতুনকৈ কৰিব লাগিব। Consultant আনি চাব লাগিব আৰু Hydraulic Project কৰিবলৈ হ'লে ১২ মাহে তাত পানী আহিব লাগিব। ধনশিৰি প্ৰকল্পত water storage ৰ কোনো ব্যৱস্থা নাই। বাৰিষাত পানী বেছি থাকে আৰু খৰালি পানী নাথাকে। গতিকে, Hydraulic Project কৰাটো তেতিয়ালৈ সম্ভৱপৰ নহয় যেতিয়ালৈ তাত water reservoir নহয়। বৰষুণৰ পানী নথকাৰ পিছতো যেতিয়া turbine এ পানী পাই থাকিব, তেতিয়াহে ১২ মাহে বিদ্যুৎ উৎপাদন কৰিব পৰা যাব। তথাপিও, অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মই বিধায়ক ডাঙৰীয়াক জনাব বিচাৰিছো যে তেওঁৰ প্ৰস্তাৱটো আমি নিশ্চয় চালি-জাৰি চাম। যদি হয়, সেইখিনি কৰাৰ বাবে চেষ্টা কৰিম আৰু শক্তি বিভাগৰ লগত কথাও পাতিম।

**মাননীয় অধ্যক্ষঃ** প্ৰদীপ হাজৰিকা।

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো হ'ল- এই যে ঘটনাবিলাক হৈছে, তাৰ বাবে দুজন মান দোষীক শাস্তি দিব নেকি? ইয়াৰ জৰিয়তে অসমত যাতে উদাহৰণ থাকি যায় যে এনে কাম কৰাৰ বাবে দোষীয়ে কেনেধৰণৰ শাস্তি পায়। লগতে, এই কামবোৰৰ কোনো proper planning নহয় নেকি? অসমত অকল এইটোৱেই এটা প্ৰকল্প নহয়, এনেধৰণৰ বহুত প্ৰকল্প আছে য'ত ৰাইজৰ হাজাৰ হাজাৰ কোটি টকা খৰচ হৈছে কিন্তু তাৰ পৰা কোনো output নাই। সেয়েহে, এনেবোৰ কাম কৰা লোকক এনে এক নিদৰ্শনমূলক শাস্তি দিব লাগে যাতে ভৱিষ্যতলৈ পৰিকল্পনা কৰোতেও কোনো খেলি-মেলি নহয়, ঠিকাদাৰেও কোনো খেলি-মেলি নকৰে আৰু ইয়াত আহি কাম কৰা কোম্পানীয়েও যাতে খেলি-মেলি নকৰে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়, এইটো খুব গুৰুত্বপূৰ্ণ কথা।

**শ্ৰী অশোক সিংহল (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, শাস্তি দিয়া ব্যৱস্থাটো জলসিঞ্চন বিভাগে কৰিব নোৱাৰে। এইটো আমাৰ আওঁতাত নপৰে। যদি তদন্ত কৰাত আমাৰ বিভাগৰ বিষয়া বা ঠিকাদাৰ দোষী হয়, তেন্তে আমি শাস্তি দিব পাৰো। কিন্তু, এতিয়া কবৰত যোৱা মানুহক কেনেকৈ শাস্তি দিম? এইয়া চিন্তা কৰিবলগীয়া কথা, কাৰণ ইয়াৰ কাম ১৯৭৫ ত আৰম্ভ হৈছিল। ১৯৭৫ ত মই মেট্ৰিকেই দিয়া নাই আৰু মোৰ লগতে ইয়াত বহি থকা আন বহু বিধায়কে হয়তো সেই সময়ত মেট্ৰিক দিয়া নাই। অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে খুব ভাল আৰু সঁচা কথা কৈছে যে কিছুমান ভুল পৰিকল্পনাৰ বাবে ৰাজহুৱা টকাবোৰ নষ্ট হয়। যি উদ্দেশ্যেৰে প্ৰকল্পবোৰ কৰা হয়, সেই উদ্দেশ্য সম্পূৰ্ণ নহয় বা সময়মতে পূৰ্ণ নহয়। গতিকে, জলসিঞ্চন বিভাগত এইবাৰ সিদ্ধান্ত লোৱা হৈছে যে আগতে যি পৰিকল্পনা আৰু চিন্তাৰে চলি আছিল, সেই গোটেই বিভাগটো revamp আৰু reorganize কৰা হৈছে। বাহিৰা ৰাজ্যবোৰে যিদৰে জলসিঞ্চনৰ ডাঙৰ ডাঙৰ প্ৰকল্প লয়, তেনে প্ৰকল্প লোৱাৰ বাবে মুখ্যমন্ত্ৰীয়ে আমাৰ লগত দুবাৰকৈ মিটিং কৰিছে। আমিও দিল্লীত গৈ Consultant আনি আছো । এটা দুখৰ কথা যে অসমত আগতে বাৰিষা কালত অন্ততঃ পানীৰ নাটনি হোৱা নাছিল, খেতিৰ মাটিত পানী ঠিকেই পাইছিল, কিন্তু এইবাৰ বৰষুণৰ হাৰ বহুত কমি গৈছে। তথ্য মতে তাত এইবাৰ ৩৫% বৰষুণ কম হৈছে। এনেধৰণেৰে যদি চলি থাকে, তেন্তে পানীৰ বহুত নাটনি হ'ব। সেয়েহে, এইক্ষেত্ৰত জলসিঞ্চন বিভাগে গুৰুত্ব দিব লাগে বুলি মুখ্যমন্ত্ৰী ডাঙৰীয়াইও কৈ আছে, আমিও লাগি আছো। অধ্যক্ষ মহোদয়, শাস্তিমূলক ব্যৱস্থাটো নিশ্চয় কৰিব লাগে। লগতে, যিজন মন্ত্ৰীৰ কাৰ্য্যকালত ভুল সিদ্ধান্ত লোৱা হৈছিল সেই মন্ত্ৰী গৰাকীকো দায়ী কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** দিগন্ত বৰ্মন।

**শ্ৰী দিগন্ত বৰ্মন (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধনশিৰিৰ প্ৰকল্পৰ কথাটো মই সৰুৰে পৰা শুনি আহিছো আৰু আমাৰ মাননীয় জলসিঞ্চন মন্ত্ৰী ডাঙৰীয়াই এটা ভাল সিদ্ধান্ত লৈ এই প্ৰকল্পটো চলোৱাৰ ব্যৱস্থা কৰিলে সুখী হম। এই ক্ষেত্ৰত মই এটা কথা ক'ব বিচাৰিছো যে মোৰ বৰক্ষেত্ৰী সমষ্টিত -- interuption----

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ সমষ্টিৰ কথা ইয়াত কেনেকৈ আহিল? প্ৰশ্নটো specific কৰক।

**শ্ৰী দিগন্ত বৰ্মন (বৰক্ষেত্ৰী) ঃ** মই refernce ত কৈছো যে আমাৰ তাত irrigation ৰ কেইটামান project আছে। তাৰে দৌলাশালৰ scheme টো চলি আছে কিন্তু বাকী প্ৰায়বিলাক বন্ধ হৈ আছে। আপুনি এটা কথা জানিব যে অমি সৰু থাকোতে বহুত পাইপ বহাইছিলে আৰু সেইবিলাক যদি এতিয়াও repairing কৰে মানুহে পানী পাব। Irrigation ৰ project বিলাক সৰুৰে হওঁক বা ডাঙৰে হওঁক ৰাইজে পানী পাব লাগে আৰু খেতি কৰিব পাৰিব লাগে। মই জানো যে মাননীয় মন্ত্ৰী মহোদয়ে খুব ভাল কাম কৰি আছে। আমাৰ মুকালমুৱাতো এটা sub-division দিছে, যাৰবাবে মই তেখেতক ধন্যবাদ জনাইছো। কিন্তু মই কৈছো যে বৰক্ষেত্ৰী সমষ্টিত SOPD ৰ পৰা যদি কিছু পইচা আমাক দিয়ে তেতিয়া নিশ্চয় আমাৰ সেই পুৰণি প্ৰকল্পবিলাক আৰম্ভ কৰিব পৰা যাব।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী অশোক সিংহল (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰস্তাৱ দিছে সেইটো চালিজাৰি চাই তাৰ ওপৰত কাম কৰাৰ বাবে আমি ব্যৱস্থা লম। লগতে মই আপোনাৰ জৰিয়তে সন্মানীয় বিধায়ক গোবিন্দ বসুমতাৰী ডাঙৰীয়াকো ধন্যবাদ জনাব খুজিছো কাৰণ তেখেতে এটা যথেষ্ট গুৰুত্বপূৰ্ণ বিষয় প্ৰশ্নকালত বিধান সভাৰ মজিয়াত আনিছে। বহু মানুহৰ এইটো চিন্তা আছিল যে ধনশিৰি প্ৰকল্পটো কেতিয়া সম্পূৰ্ণ হ'ব বা এইটো কি প্ৰকল্প? আমাৰ চৰকাৰে এটা সিদ্ধান্ত লৈছে আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা নিৰ্দেশ দিছে যে এই বিত্তীয় বৰ্ষত এই প্ৰকল্পটো সম্পূৰ্ণ কৰিব লাগে আৰু তাৰ পিছত যদি কিবা কৰিবলগীয়া থাকে সেয়া পিছত কৰিম। কিন্তু এবাৰ এই প্ৰকল্পটো সম্পূৰ্ণ কৰা হ'ল বুলি ঘোষণা কৰিব লাগে। ১৯৭৫ চনৰ পৰাই ৬০০ কোটি টকা গ'ল প্ৰকল্পটোৰ কাৰণে। আজিৰ দিনত ইয়াৰ মূল্য কমেও ৫০০০ কোটি টকা হ'ব। সেইকাৰণে মই ভাৱো যে প্ৰকল্পবোৰ লওঁতে আমাৰ হাজৰিকা ডাঙৰীয়াই কোৱাৰ দৰে চালিজাৰি চাই ল'ব লাগে। ভাল consultant, ভাল technically feasible project, time bound project কৰিলেহে প্ৰকল্পবোৰ সময়মতে সম্পূৰ্ণ হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ১৮৮। শ্ৰী ফণীধৰ তালুকদাৰ।

**শ্ৰী ফণীধৰ তালুকদাৰ (ভবানীপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০১৭ চনতে আমাৰ ৰাজহ বিভাগে এটা অধিসূচনা জাৰি কৰিছে। ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা আধা কিঃমিঃ এৰি তাৰ পিছত এক কিঃ মিঃ Industrial Corridor কৰিলে। আমিনগাওঁৰ পৰা টিহুলৈকে ৰাষ্ট্ৰীয় ঘাইপথ হ'ব বুলি ক'লে। এই Corridor টোত Industrial potentiality থকা ঠাইডোখৰে হ'ল নামনি অসমৰ এখন ডাঙৰ চহৰ বৰপেটা ৰোড। গতিকে এই corridor টো বৰপেটা ৰোডলৈকে কিয় দিয়া নহ'ল আৰু যি ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা আধা কিঃমিঃ মাটি ৰাখিছে তাৰ পিছত এক কিঃ মিঃ Industrial Corridor কৰিলে, এই আধা কিঃমিঃ মাটিৰ status কি? এই কথা কিন্তু এই অধিসূচনা খনত স্পষ্টকৈ উল্লেখ নাই। এতিয়া মই অধ্যক্ষ মহোদয়ক ক'ব বিচাৰিছো যে এই আধা

কিঃমিঃ মাটিখিনিও Industrial Corridor ল'ব লাগে। নহ'লে তাত সুনির্দিষ্ট অধিসূচনা জাৰি কৰিব লাগে আৰু বৰপেটা ৰোডলৈকে Industrial Corridor কেতিয়া ঘোষণা হ'ব আৰু এই আধা কিঃমিঃ মাটিখিনি কি হ'ব সেয়া ঘোষণা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী যোগেন মহন (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০১৭ চনতে এই Industrial Corridor ঘোষণা কৰা হৈছিল আৰু ৮ মাৰ্চ ২০১৮ তাৰিখে চৰকাৰৰ এখন notification আহিছে আৰু এই notification ত আধা কিঃ মিঃ মাটি এৰি এক কিঃ মিঃ পথ Industrial Corridor হিচাপে ঘোষণা কৰা হৈছিল। ৰাস্তাৰ কাষত আধা কিঃ মিঃ মাটি এই কাৰণেই এৰি দিয়া হৈছে যাতে two line বা four line ৰাস্তা বনালে এই মাটিখিনি reserve ত লাগিব। Industrial Corridor যদি ৰাস্তাৰ কাষৰ পৰাই ঘোষণা কৰা হয়, তেতিয়াহ'লে ভৱিষ্যতে কিছু অসুবিধাৰ সৃষ্টি হ'ব। লগতে আপুনি যিটো extension ৰ কথা কৈছে তাৰ কোনো proposal অহা নাই। বিভিন্ন জিলা উপায়ুক্তৰ পৰা পোৱা তথ্যমতে VGR /PGR/Wet land বিলাক ৰাখি বাকীখিনি ক্ৰয় বিক্ৰয় agreement কৰি, sell deed, registration কৰি বিভিন্ন সৰু সুৰা উদ্যোগ ইয়াত গঢ়ি উঠিছে। আপোনালোকে জানে যে ease of doing business, নিবনুৱা সমস্যা সমাধান এই গোটেই কথাবিলাক চাই চৰকাৰে Industrial Corridor টো ঘোষণা কৰিছে। এইটো যদি আগলৈ আৰু extension হ'ব লাগে তাৰবাবে proposal টো আহিব লাগিব জিলা উপায়ুক্তৰ পৰা। এইটো এটা দীঘলীয়া প্ৰক্ৰিয়া। সদ্যহতে এনেকুৱা কোনো ধৰণৰ extension ৰ বাবে proposal অহা নাই। ভাৰতীয় সংবিধানে যিকোনো ভাৰতীয় নাগৰিককে এই Industrial Corridor ত উদ্যোগ গঢ়িবৰ কাৰণে অধিকাৰ দিছে । গতিকে এই Industrial Corridor টো যদি আৰু extension কৰিব লাগে এইবিলাক জিলা উপায়ুক্তৰ যোগেদি formally আহক। চৰকাৰৰ ওচৰত proposal আহিলে এইটো বিবেচনা কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** 2nd supplementary. সময় যিহেতু কম চিধাকৈ প্ৰশ্ন কৰক।

**শ্ৰী ফণীধৰ তালুকদাৰ (ভবানীপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, reserve land কৰি যিটো আধা কিঃ মিঃ মাটি ৰাখিলে তাতে নতুনকৈ বেচা কিনা কৰি কিছুমান উদ্যোগ গঢ়ি উঠিছে সেইবিলাক বন্ধ হ'ব নেকি? দ্বিতীয়তে, আটাইতকৈ বেছি ৰাজহ আহে land revenue ৰ পৰা। কিন্তু কিছুমান অঞ্চলত মাটি বেচা কিনা বন্ধ আছে চৰকাৰৰ কিছুমান verbal বা চৰকাৰী order মতে। সেইখিনি কেতিয়া খোলা হ'ব? যেনে-সোনাপুৰ অঞ্চল। এই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী যোগেন মোহন (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাটি বেচা কিনাৰ ক্ষেত্ৰত চৰকাৰৰ নিয়ম আছে। ১৮৮৬ ৰ পৰা আদি কৰি ২০১৯ লৈকে বহু policy ammendment হৈ আছে। আপোনালোকে নিশ্চয় জানে যে আমি VGR/PGR/Wet land কে আদি কৰি কিছুমান মাটি হাত দিব নোৱাৰো। The Assam Agricultural Land (Regulation of Reclasificaton and Transfer for Non-Agricutural Purpose Act ২০১৫ চনতে pass হৈ গৈছে। এই Act ৰ অনুসৰি কোনো ভাৰতীয় নাগৰিকে যদি কৃষিভূমিত যদি কিবা উদ্যোগ গঢ়ি তুলিব বিচাৰে এইবিলাকো আমি Industrial land লৈ convert কৰি

Industr y গঢ়াৰ বাবে চৰকাৰৰ এখন আইন আছে। এনে আইনৰ যোগেদি আমি এই গোটেই কামবিলাক কৰিব লাগিব। আমি কৈছো যে এই আধা কিঃ মিঃ ভিতৰত Industry কৰিব নোৱাৰে। আধা কিঃ মিঃ পাছতহে Industry কৰিব দিয়া হৈছে। যদি এই আধা কিঃ মিঃ ভিতৰত তেনেকুৱা কিবা উদ্যোগ গঢ়ি উঠিছে আমি সেইটো তদন্ত কৰিব লাগিব। আপুনি তেনেকুৱা তথ্য থাকিলে জনাব। আমি জিলা উপায়ুক্তৰ যোগেদি বিষয়টো বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ Question Hour is over,** এতিয়া cut motion আছে। শিক্ষাৰ ওপৰত। শ্ৰী ভৰত নৰহ।

**শ্ৰী ভৰত নৰহ (নাওঁবৈচা) ঃ** চাৰ, যোৱা **১৯** জুলাই তাৰিখে Director (SCERT)য়ে জন-জাতীয় সাহিত্যসভা সমূহক নিমন্ত্ৰণ কৰিছিল আৰু তাত বড়ো, কাৰ্বি, মিচিং, গাড়ো, তিৱা, দেউৰী সকলো আছিল। এই মিটিংত বিশেষকৈ কাৰ্বি সাহিত্যসভাই কৈছিল যে অষ্টম শ্ৰেণীলৈকে কাৰ্বি ভাষাটো শিক্ষাৰ মাধ্যম কৰিব লাগে। আৰু গাড়ো সাহিত্যসভাই কৈছিল যে অষ্টম শ্ৰেণীলৈকে শিক্ষাৰ মাধ্যম গাড়ো ভাষা হ'ব লাগে। বাকী মিচিং, তিৱা, দেউৰী আৰু ডিমাচা সকলে কৈছিল যে পঞ্চম শ্ৰেণীলৈকে শিক্ষাৰ মাধ্যম মাতৃভাষাত হ'ব লাগে। মিটিংৰ পাছতে Director (SCERT) য়ে যিটো minutes উলিয়ালে, তাত (সেইটো মাননীয় শিক্ষা মন্ত্ৰীয়ে পঢ়ি চাব যে কাৰ্বি, মিচিং, গাড়ো, ৰাভা, তিৱা, দেউৰী আদি সাহিত্যসভা সমূহে কি কৈছে) Director (SCERT) য়ে minutes ত ক'লে, অকল foundation অৰ্থাৎ প্ৰথম শ্ৰেণী আৰু দ্বিতীয় শ্ৰেণীতে মাধ্যমটো হব পাৰে, বাকী তৃতীয়, চতুৰ্থ , পঞ্চম শ্ৰেণীত নহ'ব। কিন্তু সকলোবোৰ জন-জাতীয় সাহিত্যসভাই দাবী কৰিছে যে শিক্ষাৰ মাধ্যমটো জন-জাতীয় ভাষাত হ'ব লাগে। প্ৰথম ১৯৮৬ যেতিয়া বৃন্দাবন গোস্বামী ডাঙৰীয়া শিক্ষামন্ত্ৰী হৈছিল, তেতিয়া মিচিং, আবাং-খেবং ৰ লগত বুজাবুজিৰ আলোচনাৰ যিটো minutes হয়, তাত বৃন্দাবন গোস্বামী ডাঙৰীয়াই প্ৰথম মিচিং ভাষাত ২৩০ জন Language Teacher create কৰিছিল আৰু তেওঁলোকক নিযুক্তি দিছিল। আৰু ৰাভাৰ কাৰণে ৭০ খন school ত ৭০ জন ৰাভা শিক্ষকক নিযুক্তি দিছিল। আৰু সেই আলোচনা বা minutes ত শিক্ষামন্ত্ৰী বৃন্দাবন গোস্বামী ডাঙৰীয়াই কৈছিল যে ৩ বছৰ Subject Teacher হ'ব আৰু ৩ বছৰৰ পাছত এইটো আমি শিক্ষাৰ মাধ্যম কৰিম। চাৰ, কাৰ্বি Autonomous District Council লে কাৰ্বি ভাষাটোক নিজাববীয়াকৈ ৩০ খন school ত চলাই আছে। কিন্তু অসম চৰকাৰে এতিয়াও কাৰ্বিভাষাটো medium instruction কৰা নাই, মিচিঙক কৰা নাই, দেউৰীক কৰা নাই, ডিমাচাক কৰা নাই । সেয়েহে মই মাননীয় শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে, আপুনি সেইদিনা মিটিংত যিটো ক'লে যে breezing হ'ব বা material হ'ব বা সংযোগী ভাষা হব, সেইটো কিন্তু কাৰ্বি, মিচিং, গাড়ো, দিমাচা, দেউৰী আদি সকলো জনগোষ্ঠীয়ে সেইটো বিচৰা নাই। সেইটো আপুনি কৰিব পাৰে কেৱল upper primary level ত হে, class VI ৰ পৰা, four language policy যে সেইটো মানি লৈছে যে আপুনি class VI পৰা Upper primary কৰক। কিন্তু lower primary ত class V লৈ শিক্ষাৰ মাধ্যমটো মিচিং কৰক, দেউৰী আদি বিভিন্ন জনগোষ্ঠীৰ কৰক, গাৰো আৰু টাই ভাষাৰ ইতিমধ্যে আছেই। মাননীয় শিক্ষামন্ত্ৰী তেখেতে এটা জনগোষ্ঠীয় আন্দোলনৰ পৰা ৰাজনীতিলৈ আহিছে। অসমীয়াত কথা এষাৰ আছে যে শুকক বেদ পঢ়াব নালাগে। ডাঃ ৰণোজ পেগু শিক্ষামন্ত্ৰী হিচাবে আছে যেতিয়া মই বহলাই ক'ব নোখোজো, যিহেতু তেখেতে এই বিষয়ে ভালকৈ জানে। বেলেগ শিক্ষামন্ত্ৰী হোৱা হ'লে মই ক'লোহেতেন। আপুনি শিক্ষামন্ত্ৰী হোৱাৰ পাছত মই যিটো

information পাইছো যে জনজাতীয় ভাষাত শিক্ষাৰ মাধ্যম হ'ব নালাগে, এনেকুৱা step এটা আপুনি লৈছে। জনজাতীয় সাহিত্য সভাত থাকি আপুনি এই কথাটো কৈছে বুলি শুনিছো। কিন্তু আপোনাৰ মুখ্যমন্ত্ৰীয়ে ১৭ জানুৱাৰীত জ্যোতি দিৱসৰ দিনা যেতিয়া জোনাইত TMPK ৰ সোণালী জয়ন্তী হৈছিল, তেতিয়া তেখেতে বক্তব্য ৰাখিছিল যে সকলো জনজাতীয় ভাষা শিক্ষাৰ মাধ্যম হ'ব আৰু জনজাতীয় ভাষা সমূহ class V লৈকে শিক্ষাৰ মাধ্যম হ'লে ৪৩ হাজাৰ ভাষা শিক্ষক নিযুক্তি দিব পৰা যাব। আপোনাক যদি recordingটো লাগে তেন্তে মই video টো পঠাই দিব পাৰিম। তাৰ পাছত ১৫ আগষ্টৰ স্বাধীনতা দিৱসত তেখেতে মৰিগাঁৱত যেতিয়া ভাষণ দিছিল তেতিয়া তেখেত শিক্ষামন্ত্ৰী আছিল, তেখেতে তাত আকৌ পুনৰাই কৈছিল যে National Education Policy, 2020 মতে তিৱা, ৰাভা মিচিং এই বিলাকৰ শিক্ষাৰ মাধ্যম upto class V লৈ মাতৃভাষাত হ'ব। তেতিয়া তেখেত শিক্ষামন্ত্ৰী আছিল, এতিয়া মুখ্যমন্ত্ৰী হৈছে । তেতিয়াৰ শিক্ষামন্ত্ৰীৰ লগত এতিয়াৰ শিক্ষামন্ত্ৰীৰ কথাটোৰ মিল নাই। সেই কাৰণে অতি সোনকালে চৰকাৰে ঘোষণা কৰিব লাগে যে National Education Policy মতে class V লৈকে জনজাতীয় সকলৰ মাতৃ ভাষাটো শিক্ষাৰ মাধ্যম হব লাগে আৰু এইটো ৰাইজেও বিচাৰিছে। কালি আপোনাক মই কৈছিলো যে আমাৰ বিশেষকৈ মিচিঙৰ, মিচিং আবাং তাকাম, মিচিং কৰিম কেবাং, মিচিং ৰিবি কেবাং, তাকাম মিচিং মিমে কেবাং, মিচিং, মিচিং বামে কেবাং এই সকলো যোৱা ২২জানুৱাৰীত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াক এখন মেমোৰাণ্ডাম দিছিল, তাতে এই কথাটো লিখা আছিল। আগতে মুখ্যমন্ত্ৰী তৰুণ গগৈ দেৱেও মেমোৰাণ্ডাম দিছিল। এই কাৰণে যিটো breezing language কৰিব সেইটো আপুনি class VI পৰা কৰক। এতিয়া National Education Policy, 2020, এইটো যেতিয়া জুলাই মাহত কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰিলে তেতিয়াৰ অসম চৰকাৰৰ শিক্ষামন্ত্ৰীয়ে প্ৰধান সচিবৰ নেতৃত্বত আগষ্ট মাহত এখন ৪০ জনীয়া কমিটি ঘোষণা কৰিছিল। আৰু এই ৪০ জনীয়া গ্ৰুপটোক চাব গ্ৰুপ বনাই ৭টা গ্ৰুপ বনাইছিল আৰু তেতিয়াৰ শিক্ষামন্ত্ৰীয়ে কৈছিল যে ৩১ ডিচেম্বৰৰ ভিতৰত প্ৰতিবেদন জমা কৰিব আৰু জানুৱাৰীৰ ভিতৰত ব্লু-প্ৰিন্ট বনাম অসমত National Education Policy, 2020 ৰূপায়ণ কৰাৰ বাবে। কিন্তু চাৰ অন্যান্য ৰাজ্যৰ মুখ্যমন্ত্ৰী সকলে ইতিমধ্যে এই National Education Policy, 2020 ৰূপায়ণ কৰিবৰ কাৰণে কাম আৰম্ভ কৰিছে। কিন্তু আপোনালোকৰ প্ৰতিবেদন কেতিয়া দিব, ৩১ ডিচেম্বৰত প্ৰতিবেদন দিয়াৰ কথা আছিল, জানুৱাৰীত ব্লু-প্ৰিন্ট বনোৱাৰ কথা আছিল Road Map ৰূপায়ণ কৰিবৰ কাৰণে। আজিটো এবছৰ পাৰ হৈ গল, এতিয়ালৈকে টো ব্লু-প্ৰিন্ট বনোৱা নাই, প্ৰতিবেদন জমা কৰা নাই , আপোনালোকে ৭টা গ্ৰুপ বনাইছিল আৰু প্ৰধান সচিবৰ নেতৃত্বত ৪০ জনীয়া চাব গ্ৰুপ বনাইছিল। তাৰ পাছত ৭ চেপ্তেম্বৰ, ২০২০ আমাৰ সন্মানীয় ৰাষ্টপতি, সন্মানীয় প্ৰধানমন্ত্ৰী তেওঁলোকে video conference ৰ যোগেদি ৰাজ্যপাল সমূহৰ পৰা মতামত লৈছিল যে National Education Policy, 2020 কিদৰে ৰূপায়ণ কৰিব পৰা যায়। তেতিয়া আমাৰ অসমৰ মাননীয় ৰাজ্যপাল জগদীশ মুখী ডাঙৰীয়াই video conference ত কৈছিল যে National Education Policy, 2020 ৰূপায়ণ কৰিবৰ কাৰণে ৰাজ্যত অতি সোনকালে আমি ৰাজ্যিক শিক্ষা আয়োগ গঠন কৰিম। আজি এবছৰ হৈ গ'ল ৰাজ্যিক শিক্ষা আয়োগ আপোনালোকে গঠন কৰিলে নে নাই। মুখ্যমন্ত্ৰীয়ে মহোদয়ে video conference যোগেদি কথাটো ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰী মহোদয়ক কৈছিল আৰু ৰাজ্যপাল মহোদয়ে আনকি কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰিছিল যে অসমত multidisciplinary edu-

cation and research university এখন গঠন কৰিব লাগে আৰু কৈছিল যে Indian Institute of translation and interpretation স্থাপন কৰিব লাগে। তাৰ পাছত শিক্ষা বিভাগে বা অসম চৰকাৰে ৰাজ্যপালে কোৱাৰ পাছত এইটো follower action ল'লে নে নাই। কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি follower action এটা ল'ব লাগিছিল, যিহেতু ৰাজ্যপালে ভাল এটা প্ৰস্তাৱ ৰাখিছিল। মই মাননীয় শিক্ষামন্ত্ৰীক সেই কাৰণে ক'ব বিচাৰিছো যে অসম চৰকাৰে যো ৱা পাঁচ আৰু এই বছৰকে ধৰি ছয় বছৰে আটাইতকৈ বেছি বাজেট allocation দিছে শিক্ষা বিভাগক। এই বছৰ শিক্ষা বিভাগক দিছে ১৯.৩ শতাংশ । PWD ক দিছে 9%, Health Department ক দিছে 7%, Agriculture ক দিছে 5.4%, Rural Development ক দিছে 5.1%, Police Department ক দিছে 5.0% । ভাৰতৰ ভিতৰত ৩০ খন ৰাজ্যৰ ভিতৰত আমি তেওঁলোকৰ শিক্ষা বিভাগৰ বাজেটৰ লগত compare কৰিছো, তেওঁলোকৰ শতাংশ total Budget ৰ মাত্ৰ ১৫ শতাংশ। গতিকে শিক্ষা বিভাগকে আটাইতকৈ বেছি টকা দিয়া হৈছে। কিন্তু কেন্দ্ৰীয় চৰকাৰে যিটো গ্ৰেডিং লিষ্ট তেতিয়া উলিয়াইছিল, শিক্ষা মন্ত্ৰীৰ শিক্ষা বিভাগত এইবাৰ যিটো গ্ৰেডিং লিষ্ট আছিল, তিনি বছৰত তিনিবাৰ হ'ল Level 1, Level 2, Level 3, Level 4 , Level 6. Assam আহি গৈছিল Level 6 ৰ 3rd position. Level 1 ত কোনো ষ্টেট নাই এইবাৰ। Level 2, Level 3, Level 4 , Level 5, Level 6 ৰ 3rd position ত Assam আছিল আৰু আগৰ নীতি আয়োগত আপোনালোক সকলোৱে জানে ২৬ নং পজিশ্যনত আছিল। কিন্তু এই গোটেই ব্যৱস্থাটো চাৰ কিয় হৈছে যে, আমাৰ শিক্ষা বি ভাগটো হৈছে মানৱ সম্পদ গঢ়িবৰ কাৰণে। কিন্তু মানৱ সম্পদ গঢ়া বিভাগটোত মানৱ সম্পদেই নাই জিলা বিলাকত। মই এটা উদাহৰণ দিব বিচাৰিছো, লক্ষীমপুৰ জিলাত ১০০ খন এল পি স্কুল আছে, তাত এজনো শিক্ষক নাই। কাষৰ স্কুলৰ পৰা শিক্ষক ধাৰলৈ লৈ চোৱা-চিতা কৰি থাকে। ২৫০ খন এল পি স্কুল আছে য'ত মাত্ৰ এজনীয়া শিক্ষক আছে। য'ত দুজনীয়া শিক্ষক থাকিব লাগে। লক্ষীমপুৰ জিলাৰ হাইস্কুলত ১৯৭০ জন শিক্ষক কৰ্মচাৰী নাই, খালী হৈ আছে আৰু বিভিন্ন এল পি স্কুলত, লক্ষীমপুৰ জিলাত যিমান এল পি স্কুল আছে তাত ১২০০ জন শিক্ষকৰ পদ খালী আছে আৰু ৬ টা আমাৰ তাত permanent block elementary education. আছে। এই ৬ টাৰ ভিতৰত মাত্ৰ ৩ টাতে permanent block elementary education officer আছে। তিনিখনৰেই নাই। নাৰায়ণপুৰ, নাওঁবৈচা, লক্ষীমপুৰত আছে permanent block elementary education officer কিন্তু বিহপুৰীয়া, ঢকুৱাখানা, বৰদলনি ইন্‌চপেক্টৰে চলাই আছে। চাৰ, লক্ষীমপুৰত ১২ জন এচ আই থাকিব লাগে। এতিয়া মাত্ৰ তিনিজন এচ আই আছে। মানৱ সম্পদ লাগে, এতিয়া লক্ষীমপুৰত মানৱ সম্পদ গঢ়িবৰ কাৰণে মানৱ সম্পদ নাই। এই গোটেই শিক্ষা বিভাগটো হয়তো শিক্ষা মন্ত্ৰীয়ে, মুখ্যমন্ত্ৰীয়ে শিক্ষা বিভাগটো আগলৈ লৈ যাব বিচাৰিছে। কিন্তু আপোনাৰ শিক্ষা বিভাগে আপোনালোকক পিছলৈ টানি আছে। Budget allocation মতে আপোনালোকে যিখিনি পইচা দিছে, সেইমতে আপোনালোকৰ ৰিজাল্ট পাৰৰ্ফমেঞ্চ ভাল নহয়।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। পিছৰজন এ আই ইউ ডি এফৰ বক্তা শ্ৰী ৰফিকুল ইছলাম। আপোনালোকৰ মুঠ সময় ৩২ মিনিট, সময়টো চাব। আপোনালোকৰ ৫ গৰাকী বক্তা ইয়াত দিছে। গতিকে সময়টো যদি ইয়াত দিয়া মতে হয়, make up হ'ব। আপোনাক ২০ মিনিট সময় allot কৰিছে।

**শ্ৰীৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত মই দু-ষাৰ কম। বাজেট এডুকেশ্যনৰ কাৰণে যিখিনি দিয়া হৈছে, হয় মুঠ বাজেটৰ ভালেখিনি পইচা দিয়া হৈছে। প্ৰয়োজন হ'লে আৰু বেছি বাজেট দিলেও আমি ভাল পাওঁ আৰু প্ৰয়োজন আছে বুলিও মই অনুভৱ কৰো। কিন্তু ইতিমধ্যে আমাৰ মাননীয় সদস্যই কোৱাৰ দৰে ঠিক থাক মতে কিন্তু বিভাগ চলি থকা নাই। এইটো মই অকল এই চৰকাৰক নকওঁ। এইটো এটা continue process. আজি এডুকেশ্যনৰ আমাৰ যি অৱস্থা, যি অৱস্থানত আমি অসম আছো, মাননীয় অধ্যক্ষ মহোদয়, গোটেই ভাৰতবৰ্ষৰ ভিতৰত আমাৰ ইচ্ছা, আমি সকলো ১২৬ জন বিধায়কে বিচাৰো top 5 ৰ ভিতৰত আমাৰ State খন আহক। তাৰ কাৰণে আমি সকলো ডিপাৰ্ট মেণ্টতকৈ বেছি এডুকেশ্যনত দিব লাগিব। সকলো ডিপাৰ্ট মেণ্টৰ কাম আমি কৰিব লাগিব। কিন্তু এডুকেশ্যন আমি যদি educated নহওঁ, শিক্ষা যদি নাথাকে এতিয়াও যদি ২৬ নম্বৰ position ত ভাৰতবৰ্ষৰ ভিতৰত আমি থাকিব লগা হয়, তেতিয়া top 10 লৈকে যাবলৈ হ'লে এই ২৬ ৰ পৰা অতিক্ৰম কৰিবলৈ হ'লে, দিল্লী বহুত দূৰত আছে। গতিকে এইখিনি অতিক্ৰম কৰাৰ কাৰণে মই ভাবো ডিপাৰ্টমেণ্ট বহুত active হ'ব লাগিব। আমাৰ যিখিনি দুৰ্বলতা আছে, seriously সেইখিনি analysis কৰি সেইখিনি আপোনাক address কৰাৰ কাৰণে চৰকাৰ আৰু মাননীয় মন্ত্ৰীয়ে গুৰুত্ব দিব লাগিব। মাননীয় উপাধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ Literacy rate এইটো 2011 চনৰ পিছত আৰু নতুন চেনচাচৰ ৰিপোৰ্ট আমাৰ হাতত নাই যদিও individully আছে, কিন্তু তেনেকুৱা চৰকাৰীভাৱে 72.99% গোটেই ভাৰতবৰ্ষত। আমি অসম ওচৰা-ওচৰি আছো as a whole ভাৰতবৰ্ষত যদি লয়, 72.19% আমি অসমৰ আছো। কিন্তু অসম খনৰ ছবি যদি আমি বিচাৰো, ভাৰতবৰ্ষৰ ভিতৰত এই ২৬ নম্বৰ position ৰ পৰা মই কৈছো ৫ নম্বৰত আমি যাব লাগিব। আমি তিনি চাৰি নম্বৰত যাব লাগিব। কিন্তু অসমৰ ভিতৰতো ধুবুৰীৰ যদি Literacy rate চায়, 58%, কামৰূপ মে ট্ৰোৰ 88% ভাল কথা। 88% নহয় আমি 90%, 95% লৈকে কামৰূপ মেট্ৰোক লৈ যাব লাগিব। শিৱসাগৰ 82% , যোৰহাট 82% মোটামোটি এটা Literacy rate আমাৰ ভাল। কিন্তু বৰপেটা জিলাৰ Literacy rate 63%, চিৰাং জিলাৰ 63%, দৰং জিলা 63%, কোকৰাঝাৰ, ওদালগুৰি 65%, আমাৰ অসমৰ যিটো স্বাক্ষৰতাৰ হাৰ Literacy rate তাতকৈ আমি চিৰাং, ওদালগুৰি, কোকৰাঝাৰ, বৰপেটা, দৰং, ধুবুৰী বহুত তলত। এতিয়াও 10 point আমি তলত আছো। গতিকে এইখিনি অতিক্ৰম কৰিবলৈ হ'লে নিশ্চয় আমি এই জিলাবিলাকত concentration দিব লাগিব আৰু ইয়াৰ যি সমস্যা আছে, সেই সমস্যাখিনি সমাধান কৰিব লাগিব। মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীয়ে কেইদিনমান আগতে বিধান সভাত যিটো ডাটা দিছে, শিক্ষা বিভাগত grade 1 ৰ পৰা grade 4 লৈকে ৫০ হাজাৰ ৪ শ ৬৫ টা পদ খালী আছে। এইটো এদিনত খালী হোৱা নাই। চৰকাৰ গঠন হোৱা দুমাহ হৈছে, মই নকওঁ যে, এই চৰকাৰৰ কাৰ্য্যকালত ৫০ হাজাৰ পদ খালী হৈছে। কিন্তু শিক্ষা বিভাগত কিয় ৫ বছৰে পদ খালী হৈ আছে। একেলগে ৫ বছৰত খালী হ'ব, তাৰ পাছত আমি পদখিনি পুৰণ কৰিম। এনেকুৱা যদি কৰিবলগীয়া হয়, তেতিয়াহ'লে আমাৰ শিক্ষা অৱস্থা কি হ'ব মাননীয় উপাধ্যক্ষ মহোদয়। গতিকে শিক্ষা বিভাগত এই যে ৫০ হাজাৰ পদ খালী হৈ আছে, মই ভাৱো যদি নিয়মীয়াভাৱে ইয়াৰ vacancies বিলাক পুৰণ কৰি থকা হয়, তেতিয়াহ'লে এনেকুৱা ধৰণৰ পদ খালী নহ'ব। অনাগত দিনত এই কথাটো গুৰুত্ব সহকাৰে লব লাগে যে শিক্ষকৰ পদ খালী হোৱাৰ লগে লগে যেনেকৈ কলেজত এটা চিষ্টেম আছে যে পদ খালী হ'লে Governing body

ক power দিয়া আছে যে তেখেত সকলে গভৰ্ণমেণ্টৰ লগত take up কৰিব এডভাৰটাইজ কৰিব within short time ত তেখেত সকলে teacher পায়। যদিও বহুত দিনৰ পৰা কলেজত হৈ থকা নাই। কিন্তু এই চিষ্টেমটো আছে। কিন্তু এল. পি, এম. ই, হাইস্কুল, হাইয়াৰ চেকেণ্ডাৰী, জুনিয়ৰ কলেজ বিলাকত আমি এইটো FTR দিয়া নাই। একেলগে খালী হ'ব দুই-তিনি বছৰ পিছত মেলাৰ নিচিনা হ'ব আমি কিছু শিক্ষক নিযুক্তি দিম আৰু দুই-তিনিবছৰ শিক্ষক থাকক নাথাকক যেনেতেনে চলিব। মাননীয় উপাধ্যক্ষ মহোদয়, এনেকৈ যদি থাকে তেতিয়াহ'লে আমি top 5 ৰ ভিতৰত কেতিয়াও যাব নোৱাৰো। নৰহ ডাঙৰীয়াই কোৱাৰ দৰে, হাইস্কুল বিলাক পুৰণি। যি হাইস্কুল ৫০,৬০,৭৫, ১০০ বছৰ অতিক্ৰম কৰিছে, এই হাইস্কুল হায়াৰচেকেণ্ডাৰী স্কুল বিলাকত ১০, ১২, ১৪, ১৫ জন শিক্ষকৰ পদ খালী। মোৰ কে কে পাঠক কলগাছিয়া হাইস্কুলত ৮-১০ টা পদ খালী, গুণীয়ালগুৰী হাইয়াৰ চেকেণ্ডাৰী স্কুলত ৯ টা পদ খালী, লাঙলা মডেল হাইস্কুলত ১৩ টা পদ খালী, জনীয়া, কাদং, বালিকুৰি, খৰিছালা প্ৰত্যেকখন হাইস্কুলত ৮, ১০, ১২ টা পদ খালী আছে। মই ভাৰো, গোটেই গোটেই অসমত আমাৰ মাননীয় সদস্য সকলে যদি স্কুল বিলাকৰ অৱস্থা চায় কিছুদিন আগতে। দুই এজন দিছে কিন্তু এতিয়া ৭ জন, ৮ জন, ৫ জন, ১০ জনৰ পদ হাইস্কুল বিলাকত খালী হৈ আছে। হাইস্কুল বিলাকত যদি অংকৰ শিক্ষক নাথাকে, বিজ্ঞানৰ শিক্ষক যদি নাথাকে, হিন্দী বা অন্যান্য বিষয়ৰ শিক্ষক যদি নাথাকে এই ছাত্ৰ জনক কোনে পঢ়াব। এতিয়া এইটো কি হৈছে যে এক ডেৰ বছৰৰ পৰা স্কুল বিলাক বন্ধ হৈ আছে। ক'ৰণাৰ কাৰণে স্কুল বন্ধ, শিক্ষক নাই ছাত্ৰও নাই, যোৱা নাই এইটো এটা বেলেগ কথা otherwise যদি আমি অলপ পিছত গৈ চাও যে ডিপাৰ্টমেণ্টৰ শিক্ষক নোহোৱাকৈ কেনেকৈ এই স্কুলবিলাক চলিছে। প্ৰাইমাৰী স্কুলৰ কথা কৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় শিক্ষামন্ত্ৰী আছে, মই কৈ আছিলো যে বৰপেটাৰ Literacy rate 63%. কিন্তু ৰূপচী ডেভেলপমেণ্ট ব্লক, মোৰ জনীয়া সমষ্টি তাতো যদি যায়, 45% Literacy rate চেঙা ডেভেলপমেণ্ট ব্লক 47%, মন্দিয়া ডেভেলপমেণ্ট ব্লকৰ 38% Literacy rate.হয় বজালীত অলপ বেছি। তাতে হয়তো 75%, বৰপেটা সদৰত 70% হ'ব আকৌ আমাৰ তাতে 40%-45% এই গৈ 63%. গতিকে এতিয়াও স্বাধীনতাৰ এই ৭৪ বছৰৰ পিছত যদি একোটা ডেভেলপমেণ্ট ব্লকত স্বাক্ষৰতাৰ হাৰ যদি আমাৰ ৩৫, ৪০, ৪৫, ৫০ হয়, ৫০ শতাংশ মানুহ যদি এতিয়াও নিৰক্ষৰ হয়, সচাঁকৈ কিন্তু ভাবিবলগীয়া। পইচা ডিপাৰ্টমেণ্টত ধাৰ্য্য কৰা হৈ আছে, কামো হোৱা নাই বুলি মই নকওঁ, কিছু হৈছে। কিন্তু যথেষ্ট অভাৱ বিভাগটোত আছে। মাননীয় শিক্ষামন্ত্ৰী মহোদয়, তেখেতে নতুন দায়িত্ব লৈছে। তেখেতে এই কথাখিনি চায় মই ভাৰো কিছু পৰিমাণে ইয়াৰ সমস্যাবিলাক সমাধান হ'ব। মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়া হয়তো মন্ত্ৰী মহোদয়ে এইটো ক'ব ২২ হাজাৰ শিক্ষক নিযুক্তি দিব বুলি তেখেতসকলে সিদ্ধান্ত লৈছে। চৰকাৰে সিদ্ধান্ত লৈছে, কেবিনেটত ২২, ২৩ হাজাৰ শিক্ষকৰ পদ পূৰণ কৰা হ'ব। কিন্তু মই ভাবো এতিয়াও ২২, ২৩ হাজাৰ শিক্ষকৰ পদ পূৰণ কৰাৰ পাছতো বহুত পদ খালী থাকিব আৰু অকল শিক্ষক নহয় এই শিক্ষক সকলক চোৰা-চিতা কৰাৰ কাৰণে grade 1 ৰ পৰা যিবিলাক দায়িত্বশীল ব্যক্তি সেইবিলাক পদো যাতে পূৰণ কৰা হয়, সময় মতে চোৱা হয় মই তাৰ এটা উদাহৰণ এটা দিছো আপোনাক। মাননীয় উপাধ্যক্ষ মহোদয়, চৰকাৰে দিয়া আমাৰ এই ডি আৰ এচ চি ৰিপোৰ্ট দিয়ে তথ্য হিচাপে এটা ৰিপোৰ্ট আপুনি চাওঁক। ইয়াতে Joint Director Nil, Inspector of Colleges Nil, থাকিব লাগে আপোনাৰ Assistant Director of Educational Planning and Coordinator Nil, Re-

search Officer এজন লাগে Nil, Registrar এজন লাগে Nil, Accountant এজন লাগে Nil. Junior Assistant ২৪ জন লাগে, ৯ জন আছে। ঠিক nil nil, এইবিলাক যদি খালি থাকে  কোনে চোৰা-চিতা কৰিব। গতিকে মই এটা উদাহৰণহে দিছো। গতিকে এই ২৩ হাজাৰ যথেষ্ট নহয়। শিক্ষা বিভাগত যিমান পদ খালী আছে, মই ভাবো চৰকাৰে গুৰুত্ব সহকাৰে লৈ গোটেইখিনি পদ অতি সোনকালে পূৰণ কৰিব লাগে আৰু ইয়াৰ পাছত আৰু ৫ বছৰৰ কাৰণে অপেক্ষা কৰিব নালাগে মাননীয় উপাধ্যক্ষ মহোদয়। এই পদ পূৰণ কৰাৰ তিনি মাহৰ পাছত আকৌ শিক্ষকৰ পদ খালী হ'ব। শিক্ষক লাইনত আছে। Retire হ'ব তেখেত সকলে। তিনি মাহ, তিনি মাহৰ পাছত যাতে appointment দিব পৰা যায় যে পদ খালী হোৱাৰ লগে লগে যাতে নিযুক্তি দি ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ প্ৰতি লক্ষ্য ৰাখি যাতে নিযুক্তি দিয়া হয়, এই কথা বতৰা বিলাক যদি আমি লক্ষ্য নকৰো মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ এই শিক্ষা বিভাগ কিন্তু ঠিক নহয়। ইতিমধ্যে মই নিযুক্তিৰ কথা কৈছো মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ চুবুৰীয়া ৰাজ্য আমি অসম, অৰুণাচল বাদ দি বাকী গোটেইকেইখন ৰাজ্য আমাতকৈ শিক্ষাৰ ফালৰ পৰা আগবঢ়া। কি আমাৰ নাই, গোটেইখিনি ৰিচোৰ্চ আমাৰ থকাৰ পিছতো আজি মেঘালয় আমাতকৈ আগবাঢ়ি আছে, ত্ৰিপুৰাও নিশ্চয় আমাতকৈ আগবাঢ়ি আছে, নাগালেণ্ড, মিজোৰাম আমাতকৈ আগবাঢ়ি আছে, ইয়াৰোপৰি ৱেষ্টবেংগলো আমাতকৈ আগত, চিকিম আমাতকৈ আগত, চাৰিওফালে ঘেৰি থকা গোটেইকেইখন ৰাজ্য শিক্ষাৰ ক্ষেত্ৰত আমাতকৈ আগবঢ়া। আমি কিন্তু তেখেত সকলতকৈ পিছত। গতিকে মাননীয় উপাধ্যক্ষ মহোদয়, এই যিখিনি পদ খালী আছে সেইখিনি পূৰণ কৰিব, ইয়াৰ লগত কিছু পদ ক্ৰিয়েট কৰিব লাগিব। আজি বিশ্ববিদ্যালয় বোৰত চাওঁক বহুত বিভাগ দুজন তিনিজন শিক্ষকেৰে চলি আছে। এটা বিভাগত কমচে কম ৭ জন শিক্ষক লাগে। ৪ জন এচিষ্টেন্ট প্ৰফেচাৰ, ২জন এছোচিয়েট আৰু এজন প্ৰফেচাৰ, ৭ জন অতি কমেও এটা বিভাগত থাকিব লাগে। কিন্তু গুৱাহাটী বিশ্ববিদ্যালয়ত যদি আপুনি চাই বিভাগ ওমেন ষ্টাডিছ তাত মাত্ৰ দুই তিনিজনে কাম কৰি আছে। মাচকমিউনিকেচনৰ দৰে গুৰুত্বপূৰ্ণ বিভাগ গুৱাহাটী বিশ্ববিদ্যালয়ৰ, তাত ৭ জন নাই, দুই তিনিজনে তাত কাম কৰি আছে। মনোবিজ্ঞান বিভাগত আপুনি গুৱাহাটী বিশ্ববিদ্যালয়ৰ যদি ৰিপোৰ্ট লয়, চাব দুই তিনিজনে কাম কৰি আছে। পাৰ্চী, আৰাৱীক এইবিলাক বিষয়ত  দুজন, তিনিজন শিক্ষকে কাম কৰি আছে। আকৌ পাৰ্ট টাইম শিক্ষক যি সকল আছিল সেই সকলক মাননীয় ৰাজ্যপালে অৰ্ডাৰ দিয়ে যে এতিয়া পাৰ্ট টাইম কোনো শিক্ষক বা গেষ্ট লেক্‌চাৰাৰ থাকিব নোৱাৰিব, এনেকুৱা এটা অৰ্ডাৰ দিয়া হ'ল। গতিকে বিভাগ বোৰত ৭ জন শিক্ষক লাগে তাতে যদি তিনি চাৰিজন থাকে বিশ্ববিদ্যালয়ে বাৰে বাৰে লিখি আছে যে পোষ্ট ক্ৰিয়েট কৰিব লাগে। কিন্তু নতুনকৈ ক্ৰিয়েট কৰা হোৱা নাই। খালী পদবোৰ হয়তো এতিয়া পূৰণ কৰা হ'ব। কিন্তু লগে লগে একোটা বিভাগত যিমান পদ লাগে সেইখিনি যাতে ক্ৰিয়েট কৰা হয় ইয়াৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছোঁ। অকল গুৱাহাটী বিশ্ববিদ্যালয় নহয়, গুৱাহাটী বিশ্ববিদ্যালয়ত আমাৰ প্ৰতিটো বিভাগ আছে। ডি এইচ ইউ ত ১৪০ বিভাগ আছে, ডি ইউ ৰ অধীনত মোৰদেন ৮০ বিভাগ আছে, গতিকে আমি শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো, বেনাৰস হিন্দু বিশ্ববিদ্যালয়ত ১৪০ বিভাগ আছে। আমি ৪০-৪২ টা বিভাগ অতদিনে লৈ আছো, তথাপি আমাৰ বিভাগৰ যি অৱস্থা শিক্ষক নাই, আঁন্তঃগাঁথনি যি লাগে সেইখিনি নাই আৰু সময়ৰ লগত, যুগৰ লগত মই আগতে কৈছো, সাউতকৈ আমি এই বিশ্ববিদ্যালয় বিলাক ষ্টাডি কৰিব লাগে। নেহেৰু বিশ্ব বিদ্যালয়, ডি ইউ, আৰু যি বিশ্ববিদ্যালয় ভাৰতবৰ্ষত আছে কি কি বিভাগ আমি আৰু নতুনকৈ ইন্ট্ৰ'দিউজ কৰিব পাৰো এই

কথাবাৰ্তা বোৰো চৰকাৰে চিন্তা কৰিব লাগিব, যদি আমি টপ ৫ ৰাজ্যৰ ভিতৰত আমাৰ ৰাজ্যখনক লৈ যাব বিচাৰো। অন্যহাতে মুখতে কৈ থকা হে হ'ব। কিন্তু কাম নহ'ব। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা আৰম্ভ কৰি নতুন আৰু কিছু বিশ্ববিদ্যালয় ঘোষণা কৰি, ডিব্ৰুগড় বিশ্ববিদ্যালয়টো পুৰণা। কটন বিশ্ববিদ্যালয়, কেইটা বিভাগ তাত আছে? গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমকক্ষ হিচাপে লৈ যোৱাৰ কাৰণে বাকী বিভাগ বোৰ যাতে তাতে ইন্ট্ৰ'দিউজ কৰা হয়, এইটো চৰকাৰৰ ওচৰত মোৰ আৱেদন থাকিল। ইয়াৰ লগত ভট্টদেৱ বিশ্ববিদ্যালয় আমাৰ বজালীত, টেগৰ বিশ্ববিদ্যালয় হোজাইত আৰু কিছু নলবাৰীৰ পৰা আৰম্ভ কৰি কাজিৰঙা বিশ্ববিদ্যালয়, নতুন কিছু বিশ্ববিদ্যালয় আমি দিক্লায়াৰ কৰিছোঁ। বিশ্ববিদ্যালয় দিক্লায়াৰ কৰি পইচা কিছু দি দি বাজেটত ধাৰ্য্য কৰি বিল্ডিংটো বনাই দিয়াটো যথেষ্ট নহয়। বিশ্ববিদ্যালয় অকল বিল্ডিঙৰ নাম নহয়, তাত বিভাগ থাকিব লাগিব, তাত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী থাকিব লাগিব, গতিকে আমাৰ এই নতুন ঘোষণা কৰা বিশ্ববিদ্যালয় বিলাকতো যাতে বিভাগবোৰ খোলা হয় পোষ্ট ক্ৰিয়েট কৰা হয়, সেই অঞ্চলৰ ছাত্ৰ-ছাত্ৰী পঢ়াৰ যাতে এটা সুবিধা পায়। গতিকে নতুনকৈ ঘোষণা কৰি বিল্ডিং বনাই দিয়াটো যথেষ্ট নহয়। মই সেইটো মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছোঁ। এই বিষয়ে গুৰুত্ব দিব লাগে। ইয়াৰ লগত আমাৰ কলেজ বিলাক, বিশ্ববিদ্যালয়ৰ অধীনত যি ডিগ্ৰী কলেজ আছে এই কলেজবোৰত যদি আমি লক্ষ্য কৰো সেইকেইটা বিভাগে আমাৰ। আনকি ভূগোল বিভাগ ইমান গুৰুত্বপূৰ্ণ, কেইখন কলেজত আমাৰ আছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত ভূগোল বিভাগত যদি কোনোৱা লৰা-ছোৱালীয়ে পঢ়িব খোজে বিচাৰি ফুৰিব লাগে, বোলে তুমি তাতে যোৱা ভূগোল বিভাগ আমাৰ নাই। এনেকুৱা বহুত বিভাগ আমাৰ হাতত নাই। মই এটা উদাহৰণহে দিছো। গতিকে অসমীয়া, ইংৰাজী, হিন্দী, শিক্ষা, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি বিজ্ঞান, ৰসায়ন বিজ্ঞান, পদাৰ্থ বিজ্ঞান, জীৱ বিজ্ঞান, উদ্ভিদ বিজ্ঞান, গণিত এইকেইটা আৰু দুই এটা বিষয় এইখিনি বিষয়েই আমাৰ কলেজ বোৰত আছে। গতিকে আমি বেলেগ যি টপ ৫ ত থকা ৰাজ্য বিলাকৰ কলেজ বোৰত যি বিভাগ চলে সেইখিনি আমাৰ শিক্ষা বিভাগৰ বিষয়া সকলক তাত পঠাই তাত অধ্যয়ন কৰি তেনেকুৱা ধৰণৰ মাননীয় মন্ত্ৰী মহোদয় মই অনুৰোধ কৰিছোঁ আমাৰ কলেজ বোৰতো তেনেকুৱা পদ ইন্ট্ৰ'দিউজ কৰিব লাগে। দুখেৰে ক'ব লাগে, এই যুগ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ যুগ, কিন্তু কম্পিউটাৰ শিক্ষা আমাৰ কি অৱস্থাত চলিছে, কলেজবোৰত, স্কুলবোৰত। আমাৰ হাইস্কুল বিলাকত ঠিকাভিত্তিক হিচাপে কম্পিউটাৰ শিক্ষকক নিযুক্তি দিছিলোঁ যদিও এতিয়াও বহুত হাইস্কুলত সেই শিক্ষকক নিযুক্তি দিয়া হোৱা নাই। সেই সময়ত কিছু শিক্ষকক অৰ্হতাৰ ভিত্তিত নিযুক্তি দিয়া হৈছিল আৰু কিছু শিক্ষক যি সকলৰ অৰ্হতা নাই বুলি নিযুক্তি দিয়া হোৱা নাছিল এতিয়া তেখেতসকলে অৰ্হতা সম্পন্ন হৈছে। সেয়েহে মই ভাৱো যে, সেই শিক্ষক সকলক নিযুক্তি দি কম্পিউটাৰ শিক্ষাৰ ওপৰত গুৰুত্ব দিব লাগে। আজি কেৰেলাৰ নিচিনা ৰাজ্যত প্ৰাথমিক স্কুলতে কম্পিউটাৰ শিক্ষক নিযুক্তি দিয়া হৈছে আৰু আমাৰ অসমৰো ব্যক্তিগত বহু বিদ্যালয়ত যেনে ডি পি এচ, এন পি এচ, আদি স্কুল বোৰেও কম্পিউটাৰ শিক্ষাৰ ব্যৱস্থা আৰম্ভ কৰিছে। ইয়াৰোপৰি আন কিছুমান বিদ্যালয়ত প্ৰথম শ্ৰেণীৰ পৰাই কম্পিউটাৰ শিক্ষাদান কৰি থকা হৈছে। কিন্তু আমাৰ চৰকাৰী স্কুলৰ ক্ষেত্ৰত হাইস্কুল বা কলেজৰ ক্ষেত্ৰতে হওঁক এই শিক্ষাৰ চিন্তাটো কৰিব পৰা নাই। যদিও আছে সেইখিনি আমি ঠিকমতে আগবঢ়াই নিব পৰা নাই। গতিকে মোৰ মন্ত্ৰী মহোদয়ৰ প্ৰতি অনুৰোধ থাকিল যাতে এই বিষয়বোৰৰ প্ৰতি গুৰুত্ব দিয়ে। গতিকে শিক্ষাৰ ক্ষেত্ৰত মই কৈছো যে চৰকাৰে কোৱা মতে ২৩ হাজাৰ নিযুক্তি দিব স্কুল বোৰত, কিন্তু আমাৰ এই শিক্ষক সকল প্ৰশিক্ষণ

প্ৰাপ্ত হ'ব লাগিব। লগতে বি এড থাকিব লাগিব। তাৰ বাবে আমাৰ বি এড কলেজ আছে, কিন্তু ইয়াৰ সংখ্যা ১০-১২ খন মানহে হ'ব। গোৱালপাৰা বি এড কলেজ খনৰ শিক্ষকৰ অভাৱত স্বীকৃতি বাতিল কৰা হৈছে। এইটো মই দুখৰে কৈছো যে আমাৰ মাত্ৰ ১০-১২ খনহে বিএড কলেজ আছে আৰু এইটো এতিয়া বাধ্যতামূলক কৰা হৈছে যে শিক্ষক সকল বিএড ডিগ্ৰীধাৰী হ'ব লাগিব। কলেজ আমাৰ বেছি নাই, সেই অনুপাতে আমাৰ ছাত্ৰ-ছাত্ৰী বহুত। সেয়েহে শিক্ষক সকলে প্ৰশিক্ষণ লোৱাৰ বাবে লাইনত থাকিব লগীয়া হৈছে। কিন্তু শিক্ষকৰ অভাৱত আমাৰ গোৱালপাৰা বিএড কলেজ যোৱা তিনি বছৰৰ পৰা বন্ধ হৈ আছে। কিন্তু আমি শিক্ষক নিযুক্তি দিব পৰা নাই। এই কথাটো মই কৈছিলো যে প্ৰত্যেক তিনি  মাহত যদি আমি পুনৰীক্ষণ বৈঠকত বহি ক'ত ক'ত শিক্ষকৰ পদ খালী আছে আৰু তাত যদি আমি নিযুক্তিৰ ব্যৱস্থা কৰো তেতিয়াহলে গোৱালপাৰা বিএড কলেজখন বন্ধ নহ'লহেঁতেন। এইটো অতি লাজৰ কথা যে য'ত আমাৰ ১২৬ খন বিএড কলেজ লাগে তাত আছে মাত্ৰ ১০-১২ খন। তাৰ ভিতৰতো আৰু শিক্ষকৰ অভাৱৰ বাবে কিছু কলেজৰ স্বীকৃতি বাতিল হৈ বন্ধ হৈ আছে। গতিকে মন্ত্ৰী মহোদয়ে এই কথাটো লক্ষ্য কৰিব লাগে আৰু লগতে যিহেতু বিএড ডিগ্ৰীটো শিক্ষকৰ কাৰণে বাধ্যতামূলক কৰা হৈছে সেয়েহে ১২৬ টা সমষ্টিত ১২৬ খন বিএড কলেজৰ ব্যৱস্থা কৰিব লাগে। এইটো মোৰ ফালৰ পৰা এটা পৰামৰ্শ। চৰকাৰে কৈছিল যে আমাৰ ডিগ্ৰীকলেজ বোৰত বিএড বিষয়টো আৰম্ভ কৰিব য'ত আন্তঃগাঁথনিৰ সুবিধা আছে। ঠিক আছে, যদি তেনেকৈ পাৰে ভাল হয়। নতুনকৈ কলেজ পাতিবলৈ হলে বহুত টকা খৰচ হ'ব, পদ সৃষ্টি কৰিব লাগিব। হয় যদি এই বিএড বিষয়টো কোনোবা এখন চলি থকা কলেজত আৰম্ভ কৰা যায় তেতিয়াহ'লেও নতুনকৈ পদ সৃষ্টি কৰিব লাগিব। কিন্তু আমাৰ বেছিভাগ ডিগ্ৰী কলেজত যিহেতু আন্তঃগাঁথনিৰ সুবিধা আছে গতিকে সেইবোৰ কলেজত যদি এই বিভাগটো দিয়া হয় তেতিয়া আন্তঃগাঁথনিৰ নামত টকাপইচা খৰচ কৰিবলগীয়া নহ'ব। অকল পদ সৃষ্টিৰ বাবে খৰচ কৰিলে আমি কামখিনি চলাই নিব পাৰিম। ইয়াৰোপৰি বিজ্ঞান মহাবিদ্যালয়ৰ ক্ষেত্ৰত আমাৰ আগৰ শিক্ষামন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য ডাঙৰীয়া ইয়াত আছে, তেখেতে সেই সময়ত ঘোষণা কৰিছিল যে অসমত নতুনকৈ যথেষ্ট পৰিমাণে বিজ্ঞান শাখাৰ ব্যৱস্থা কৰা হ'ব আৰু মই ভাৱো যে তেখেতে ৫০ খনতকৈ বেছি বিজ্ঞান মহাবিদ্যালয়ৰ কথা ঘোষণা কৰিছিল। কিন্তু সেইবোৰ কলেজ ঘোষণাতে থাকি গ'ল। বিজ্ঞান শাখা যিটো ঘোষণা কৰিছিল সেইটো ভালকৈ আৰম্ভ হোৱা নাই। কিন্তু সেইটো এটা ভাল সিদ্ধান্ত আছিল। গতিকে মই চৰকাৰক অনুৰোধ কৰিম যে যিখিনি অৰ্থাৎ ৫৬ বিজ্ঞান মহাবিদ্যালয়ৰ কথা ঘোষণা কৰিছিল আৰু ইয়াৰ লগতে বাকী ১২৬ টা সমষ্টিত ১২৬ খন বিজ্ঞান মহাবিদ্যালয় আৰম্ভ কৰাৰ যি কথা আছিল সেইখিনিও যাতে চৰকাৰে গুৰুত্বসহকাৰে লয় সেই বাবে মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰত মই মোৰ আৱেদন দাখিল কৰিলো যে বিজ্ঞান শাখা গোটেই ১২৬ টা সমষ্টিত যাতে হয়। ঘোষণা কৰা খিনি ঠিকেই আছে, বাকী থকা সমষ্টিবোৰতো বিজ্ঞান শাখা ঘোষণা কৰিব লাগে আৰু বিজ্ঞান শিক্ষাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইয়াৰ পিছত মই যোৱা কালি আলোচনা হোৱা এটা বিষয়ৰ ওপৰত দুষাৰ কম বুলি ভাৱিছিলো, কিন্তু মাননীয় উপাধ্যক্ষ মহোদয়ে ৰুলিঙে দিব এতিয়া যিহেতু সময় হৈছে। মই ভেন্সাৰ স্কুলৰ বিষয়ে যি কথা ক'ম মাননীয় মহাশয় আমাৰ অসমত  যিটো ভেন্সাৰ স্কুলৰ ব্যৱস্থা আছে ভাৰত বৰ্ষৰ আন কোনো ঠাইত এনে ব্যৱস্থা নাই। কিন্তু অসমত এই শিক্ষক সকল বা আমাৰ ৰাইজে স্কুল পাতিছে তেখেতসকলে নিজে মাটি দিছে, মূৰৰ ঘাম মাটিত পেলাই তেখেত সকলে স্কুলবিলাক অনুষ্ঠিত কৰি দিছে আৰু তেখেত সকলৰ লৰা-ছোৱালীক শিক্ষা দিয়াৰ কাৰণে শিক্ষিত যুৱকসকলক তাত নিযুক্তি দিছে। সেইটো

১৯৯০ ৰ পৰা চলি আছে, আগৰ পৰাও চলি আছে। স্কুল বিলাক time to time provincialize হৈছে, **১৯৯৬** চনতো হৈছে। বহু বছৰ ধৰি মাজতে হোৱা নাছিল, আকৌ **২০১১** চনত আৰম্ভ কৰি **২০১৩** চনৰ প্ৰাদেশীকিকৰণ কৰা হ'ল। স্কুল কলেজ নহয় এতিয়া লাহে লাহে পদ বিলাক প্ৰাদেশীকিকৰণ কৰা হ'ল, Tutor হিচাপে বা অন্য ধৰণে কিছু নিযুক্তি দিয়া হ'ল।

মাননীয় উপাধ্যক্ষ মহোদয়, ভেন্সাৰ স্কুল কলেজ primary ৰ পৰা আৰম্ভ কৰি এম ই, হাইস্কুল, হায়াৰ চেকেণ্ডাৰী, Jr. college আৰু Degree কলেজ আদিত লক্ষ্য কৰা যায় almost 50 % লৰা-ছোৱালীক তেখেতসকলে service দি আহিছিল। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম এইটো যাতে অলপ বহল মনোভাৱেৰে কথা বতৰাখিনি গুৰুত্ব দিয়ে। তেখেতসকলে service দি আমাৰ লৰা-ছোৱলীক শিক্ষা দিছে। মই নিজে ভেন্সাৰ স্কুলৰ ছাত্ৰ আছিলো আৰু আমাৰ হয়তো বহুতো বিধায়ক আছে, যিসকলে ভেন্সাৰ স্কুলত শিক্ষা গ্ৰহণ কৰি আহিছে। 50 % ভেন্সাৰ স্কুলৰ লৰা-ছোৱালীক শিক্ষা দিয়া যিসকলৰ অৰদান আছে, সেই সকলক যি ভাৱে ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল, মাননীয় উপাধ্যক্ষ মহোদয় মই অতি দুখৰে কব লাগিব যে প্ৰত্যেক চৰকাৰে যেনেদৰে গুৰুত্বসহকাৰে এই শিক্ষক, ছাত্ৰ বা ভেন্সাৰ স্কুলখিনিৰ সমস্যা গ্ৰহণ কৰিব লাগিছিল, তেনেকৈ কিন্তু কৰা নাই। সময়ে সময়ে কিছু কৰা হৈছে যদিও ইয়াৰ পিছতো বহু সমস্যা ৰৈ গৈছে।

মই কিছুমান সমস্যাৰ কথা কম - প্ৰাইমেৰী স্কুল কিছুমান genuine স্কুল, তেখেতসকলে বহু বছৰ ধৰি পঢ়াই আছে। কিন্তু অলপ DISE ৰ problem। DISE তেতিয়া সিমান গুৰুত্ব নাছিল। DISE code তো DO অফিচৰ পৰা কেতিয়াবা দিয়ে, কেতিয়াবা নেদিয়ে। Provincialization Act ত এই কথাটো লগাই দিয়া হব বুলি এই কথাটো তেতিয়া নাছিল। গতিকে এই DISE ৰ কাৰণে কিছুমান genuine স্কুল left out হৈ আছে, এইখিনিৰ যাতে গুৰুত্ব দিয়া হ'য়।

ME school বিলাক **১.১.২০০৬** চনৰ আগত যিখিনি recognization হৈছে, সেইখিনি Provincialization Act তৰ আওতালৈ আনিলে। মন্ত্ৰী মহোদয়ক মই জনাইছো যে **১.১.২০০৬** চনৰ আগত recognization হৈছে, কিন্তু এই recognization letter তো issue কৰোতে **২০০৭** চনৰ জানুৱাৰী বা ফেব্ৰুৱাৰী মাহত পৰিছে। গতিকে issue date ৰ কাৰণে বহু স্কুল ইয়াৰ পৰা বঞ্চিত কৰা হ'ল। এই স্কুল বিলাক শিক্ষক সকলে কিছুমানে **২০** বা **২৫** বছৰ শিক্ষকতা কৰিলে, সেই সকলক বঞ্চিত কৰা হৈছে। মই ভাৱো চৰকাৰে এইটো গুৰুত্বসহকাৰে লৈ এই সমস্যাটো যাতে সমাধান কৰে আৰু তেখেতসকলক consider ত লয়।

ইয়াৰ পিছত মাননীয় উপাধ্যক্ষ মহোদয়, **২০১৩** চনত যিবিলাক স্কুল প্ৰাদেশীকিকৰণ কৰা হ'ল, ME school বিলাক তেতিয়া 5+ আৰু ME school Madrassa ত 6 + আছিল, শিক্ষক নিযুক্তি দিয়া হৈছিল। কিন্তু আকৌ যেতিয়া আমি latest স্কুল ললো, ইয়াতে 3+ কৰা হ'ল। এই শিক্ষক সকলে **২০০০** চনৰ আগৰ পৰাই স্কুল স্থাপন কৰিছে। তেখেতসকলক 5+ আৰু 6 + হিচাপে অনুমোদন দিয়া হৈছে। সেই হিচাপে তেখেতসকলে এটা সময়ত Financial assitant পাইছে। যিহেতু **২০১৩** চনত স্কুল প্ৰাদেশীকিকৰণত 5+ , 6 + কৰি শিক্ষক নিযুক্তি দিয়া হৈছিল, এতিয়া 3+ যিটো কৰা হ'ল, দুজন, তিনিজন শিক্ষক বঞ্চিত হ'ল, এইটো যাতে consider কৰা হয় আৰু **২০১৩** চনত স্কুল প্ৰাদেশীকিকৰণ যিধৰণে কৰা হৈছিল, তেনেকুৱাকৈ যাতে লোৱা হয়।

২০১৩ চনত হিন্দী আৰু আৰবিক শিক্ষকক লৈছিলে। এতিয়া আমি হিন্দী আৰু আৰবিক শিক্ষক বাদ দিছো। অথচ ME ত হিন্দী complusory । ME Madrassa ত আৰবিক complusory। গতিকে হিন্দী আৰু আৰবিক শিক্ষকক নিযুক্তি যাতে দিয়া হয়, অৰ্থাৎ 5+, 6 + হ'লে এই সমস্যাটো নাইকিয়া হ'ব।

মাননীয় উপাধ্যক্ষ মহোদয়, হাইস্কুল বিলাকত বিশেষভাৱে sactional বা additional teacher বাদ পৰিল। হায়াৰ চেকেণ্ডাৰী স্কুলত আছে, Jr. college ত আছে। Jr. college ত ৮ জন শিক্ষক ল'লো। এইবাৰ আমি অলপ ব্যতিক্ৰম কৰিলো। সেইসকল শিক্ষকে ২০, ২৫ বছৰ কাম কৰিছে, হাইস্কুল বা হায়াৰ চেকেণ্ডাৰী স্কুল বা Jr. college ত অতিৰিক্ত শিক্ষক হিন্দী আৰু আৰবিক শিক্ষকো আছে, সেইখিনিক আমি বাদ দিলো। সেইখিনি অলপ গুৰুত্বসহকাৰে ল'ব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, আৰু এটা সমস্যা আছে, এটা সময়ত অষ্টম, নৱম আৰু দশম শ্ৰেণীৰ ক্লাছ হাইস্কুলত আছিল। কিন্তু অষ্টম শ্ৰেণীতো যেতিয়া আমি এম ই স্কুলত আনিলো, permission & recognization এইটো provincialization ৰ সময়ত লোৱা হৈছিল যে first class তো permission & recognization 1.1.2016 চনৰ আগত হ'লে, সেই স্কুলতো লোৱা হ'ব। এই স্কুল 1.1.2016 চনৰ আগতে permission & recognization হৈছে। কিন্তু অষ্টম শ্ৰেণীতো যেতিয়া এম ই স্কুললৈ আহিল, নৱম শ্ৰেণীটো প্ৰথম ক্লাছ হৈ গ'ল। ইয়াৰ কাৰণে কিছুমান স্কুলত নৱম শ্ৰেণী হয়তো ২০০৭ চনত permission & recognization হৈছিল, যাৰ কাৰণে স্কুলখিনি বাদ পৰিল। অথচ এই স্কুলৰ ক্লাচ অষ্টম ২০০৬ চনত permission & recognization হৈছিল। এনেকুৱা বহুত স্কুল বাদ পৰিছে, তাৰ প্ৰতি গুৰুত্ব দিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, যিখিনি কলেজ প্ৰাদেশীকিকৰণ কৰা হৈছে, এখন এখন কলেজত ১২ ৰ পৰা ১৫ জন শিক্ষকৰ পদ হৈছে, কিন্তু বাকী পদ এতিয়ালৈকে হোৱা নাই। কলেজ বিলাকতো চলি আছে, আমি চলাব দিছো। ছাত্ৰ বিলাকৰ জীৱনতো কি হৈ আছে। গতিকে আমি সিদ্ধান্তত আহিব লাগিব, মই অনুৰোধ কৰিম এই শিক্ষকখিনিক লব লাগে। ২০, ২৫ বছৰৰ পৰা এই কলেজসমূহত শিক্ষকসকলে কাম কৰিছে। কিছুমান বিভাগ less enrolment ৰ কাৰণে হোৱা নাই। শেষৰ ক্লাচত ১৫ জন ছাত্ৰ লাগে, ১৪ জন বা ১৩ জন ছাত্ৰ আছে, এই বিভাগতো বাদ পৰিছে। এজন দুইজনৰ কাৰণে বাদ পৰিছে। আমি যেতিয়া guideline বনাইছিলো, আগতে তেতিয়া এই কথাখিনি নাছিলে। এতিয়া আমি Act বনাইছো হয়, কিন্তু সিহঁতক জনাব লাগিছিলে যে পদটো লোৱা হ'ল আৰু অহা বছৰৰ পৰা ক্লাচত ১৫ জনকৈ কম ছাত্ৰ নহয়। এইটো আমি দিব লাগে, কিন্তু সেইটো নকৰি ১৩ জন, ১৪ জন ছাত্ৰ থকাৰ কাৰণে কিছুমান বিভাগ বাদ পৰিল। Geography, Economy, Maths ত সাধাৰণতে ছাত্ৰ-ছাত্ৰী কম হয়। এই বিভাগ বিলাকো বাদ পৰিছে, শিক্ষক বিলাক হোৱা নাই। এতিয়া department concurrence ৰ কথা আহিছে যে department concurrence নাথাকিলে শিক্ষকৰ পদ লোৱা নহয়। আগতে এই কথা নাছিলে। ২০১৩ চনত যেতিয়া প্ৰাদেশীকিকৰণ কৰিলো তেতিয়া এই condition নাছিল। মই অনুৰোধ কৰিম থুলমুল ভাৱে যে ২০১৩ চনত যিটো Provincilization Act কৰা হ'ল, তাতে মোতামুতি ভাৱে শিক্ষক বিলাকক সাঙুৰি লৈছিলো। কিন্তু ২০১৭ চনত যিটো সংশোধনী কৰিলো, ইয়াত কেনেকৈ আমি শিক্ষক বাদ দিব পাৰিম, এনেকুৱা এটা ধাৰণাৰ অনুভৱ হয়, হয়তো

কৰা নাই। কিন্তু তেনেকুৱা হ'ব নালাগে। যিহেতু তেওঁলোক বহু বছৰ ধৰি কাম কৰিছে, sacrifice কৰিছে, আমাৰ লৰা-ছোৱালীক পাঠদান দি আহিছে। পাঁচজন বা সাতজন ছাত্ৰ হ'লেও এই শিক্ষক সকলে নিয়মীতভাৱে আহিছে। আমি যে পাঁচজন বা সাতজন ছাত্ৰ হলে নহলও, DISE Code নহলে নলওঁ, এইবিলাক আমি Act অনাৰ পিছতহে ক'লো। এই কথাখিনি যিদিনাখন স্কুল পাতিছিল, যিদিনাখন অনুমতি দিছিল, সময়ে সময়ে পৰীক্ষা-নিৰীক্ষা কৰিছিল, সেই শিক্ষক বিলাকক বিভিন্ন চৰকাৰী কামত লগাইছিল, সেই সময়ত যদি আমি guideline দিলোহেতেন, ইয়াৰ পিছত কোনোবা আহিলে সেই সকলৰ কাৰণে আমি নামাতিলোহেতেন। কিন্তু যিহেতু আমি তেতিয়া কোনো guideline দিয়া নাছিলো, কোনো পৰামৰ্শ দিয়া নাছিলো, আমাৰ লৰা-ছোৱালী পঢ়োৱাৰ স্বাৰ্থত আমি সহযোগ কৰি আহিছিলো শিক্ষক সকলক, এই শিক্ষক সকলৰ ৫০, ৬০ বছৰ বয়স হৈ গৈছে, অৱসৰ গ্ৰহণ কৰিব। তেখেতসকলৰ বয়স নাই। গতিকে মই ভাৱো তেখেতসকলৰ right আছে, এই কথা লক্ষ্য কৰিব বুলি মোৰ অনুৰোধ।

যিখিনি শিক্ষক আমি tutor হিচাপে ললো। MGNREGA কাম কৰিলে যদি আপুনি মাহেকীয়া হিচাপ লগাই, চাহ বাগানৰ শ্ৰমিক সকলৰ মাহৰ হিচাপ লগালে সিহঁতৰ যি মজুৰী, এই tutor যিবিলাক নিযুক্তি দিছো, তেখেতসকলতকৈ বেছি পইচা পাই। এই শিক্ষক সকলক tutor বনোৱা justice হোৱা নাই। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো, এই সকলক upgrade কৰি full-fledged teacher ৰ মৰ্য্যাদা দিব লাগে।

কলেজ বা স্কুলত B.Ed. লাগে, কলেজত NET, SLET লাগে। বহুতে এইবিলাক পূৰণ কৰি certificate বিভাগত জমা দিছে। কিন্তু বছৰ বছৰ হৈ গৈছে, তেখেতসকলৰ চাকৰি নিয়মীত হোৱা নাই। যিটো পইচা পাব লাগে পোৱা নাই। certificate বিভাগত জমা দিয়া এসপ্তাহ পিছত বা এক মাহৰ পিছত হৈ যাব লাগিছিলে, কিন্তু হোৱা নাই। এইটোৰ কাৰণে ব্যৱস্থা লাগে বুলি মই অনুৰোধ কৰিলোঁ।

মাননীয় উপাধ্যক্ষ মহোদয়, স্কুল কলেজত 3rd grade, 4th grade ৰ মানুহ লোৱা নাই। process কৰিছে যদি মই নাজানো, সেই বিলাকো লব লাগিছিল। 3rd grade, 4th grade, Librarian, Clark ৰ কাৰণে B.Ed, NET, SLET নালাগে। UGC ৰ norms মতে সিহতে সম্পূৰ্ণ দৰমহা পাব লাগে। গতিকে এই সমস্যাটো সোনকালে সমাধান কৰাৰ বাবে মই অনুৰোধ কৰিলোঁ।

মাননীয় অধ্যক্ষ , থাৰ্ড গ্ৰেড, ফোৰ্থ গ্ৰেড লাইব্ৰেৰিয়ান বা ক্লাৰ্ক এই সকলৰ এপইন্টমেন্টৰ ক্ষেত্ৰততো কোনো নেট , শ্লেট নালাগে। এই সকলকতো ৫০ শতাংশ মাৰ্কচ নালাগে । গতিকে যেটো ৰুল আৰ টি এ এক্ট হিচাপে বা ইউ জি চি নৰ্মচ হিচাপে প্ৰাইমেৰী স্কুলৰ পৰা কলেজলৈকে নিযুক্তি দিলে, তেখেতসকলে সম্পূৰ্ণ দৰমহা পাব লাগে। মই ভাবো এইটো তেখেতসকলৰ প্ৰাপ্য । গতিকে এই প্ৰাপ্যটো নিদিলে তেওলোক কেনেকৈ শিক্ষকতা কৰিব। হয়তো আপুনি ক'ব পাৰে যে শিক্ষকসকলৰ দৰ্মহা ৮০০০ গতিকে ১৬০০০ এখেতসকলক কেনেকৈ দিম বা ২২০০০ কেনেকৈ দিব পাৰো , চৰকাৰে যদি ইচ্ছা কৰে দিবলৈ, তেন্তে দিব পাৰে। যিমানদুৰ সম্ভৱ মোৰ যদি ভূল হোৱা নাই ১৯৯৬-৯৮ ৰ সময়ৰ পৰাই নেট, শ্লেট নাছিল । খুৱ সম্ভৱ ২০০৪ লৈকে বি এড টো কমপালচৰি নাছিল। ২০০৪ৰ আগতে ভেন্সাৰ স্কুলত যিসকল শিক্ষক কাম কৰি আছে বা ২০০০ ৰ আগত যিসকল শিক্ষকে কাম কৰি আছে তেখেতসকলৰ ক্ষেত্ৰত কোনো ৫০ শতাংশ কনডিশ্যন হ'ব নালাগে। যিহেতুকে আগতে নাছিল গতিকে এই শিক্ষকজনে ৫৪ বছৰ বয়সত

কেনেকৈ বি এড  কৰিব। তেখেতে ৮০০০ দৰ্মহা লৈ কাম কৰি আছে আৰু ২ বছৰ পিছত ৰিটায়াৰ কৰিব। তেওলোকে ফুল ফ্লেজড  হিচাপে নিযুক্তি নাপাব গতিকে এই মেটাৰটো মই মাননীয় মন্ত্ৰী মহোদয়ক অৱগত কৰিলো  যাতে এই বিষয়টো তেখেতে গুৰুত্বসহকাৰে চায়, তাৰ বাবে মই অনুৰোধ কৰিছো। আমাৰ এগৰাকী সদস্যই কৈছিলে পাঁচগ্ৰাম কাগজ কলৰ কথা। আমিতো সেই কাগজ কলটো জীয়াই তুলিব নোৱাৰো,  কিন্তু তাত এখন  চেন্ট্ৰেল স্কুল আছিলে উপাধ্যক্ষ মহোদয়। তেওঁলোকেৰ লৰা ছোৱালীয়ে তাত পঢ়িছিলে। কলটো বন্ধ হৈছে কিন্তু মানুহখিনিতো তাতে আছে। সেই বিদ্যালয়খন বন্ধ হোৱাৰ ফলত তাত ল'ৰা-ছোৱালী আজি পঢ়াৰ পৰা বঞ্চিত হৈছে । গতিকে সেই বিদ্যালয়খন খোলাৰ যাতে ব্যৱস্থা কৰে। যদি দিল্লীৰ লগত যোগাযোগ কৰিবলগীয়া হয় তাৰ এটা ব্যৱস্থা কৰিব লাগে। যিহেতু শিক্ষা সকলোৰে মৌলিক অধিকাৰ । এখন নিৰ্ব্বাচিত চৰকাৰৰ কৰ্ত্তব্য যে সকলোকে শিক্ষিত কৰিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ গৌৰীপুৰৰ বিধায়কগৰাকীয়ে কৈছিল যে তেখেতৰ তাতে এখন চাইন্স কলেজ স্থাপনৰ ঘোষণা কৰিছিল কিন্তু এতিয়াও আৰম্ভ হোৱা নাই। আৰু বহুতো বিধায়কৰ সমষ্টিত  চাইন্স ষ্ট্ৰিম কলেজ ঘোষণা কৰিছে কিন্তু এতিয়াও আৰম্ভ হোৱা নাই। লগতে বহুকেইখন বি এড কলেজৰ ঘোষণা কৰা হৈছিল, হোৱা নাই। মাননীয় উপাধ্যক্ষ মহোদয়,  সময় কম হোৱাৰ বাবে  গোটেই খিনি ক'ব পৰা নাযাব। চাহ বাগান আৰু সংখ্যালঘু  আধ্যুষিত অঞ্চলৰ কথা কৈছো। চাহ বাগান অঞ্চলতো  চৰ অঞ্চলতকৈ ব্যতিক্ৰম নহয়। তাতেও কিছু সংখ্যক মালিকে  স্কুল পাতিছে। চৰকাৰে কিছু বিদ্যালয় নিৰ্মান কৰিছে । বিদ্যালয়ৰ বাবে  কেৱল বিল্ডিং যথেষ্ট নহয়। শিক্ষক যথেষ্ঠ দিব লাগিব। অসমৰ য'ত সাক্ষৰতাৰ হাৰ ৭২ শতাংশ তাক আমি কেনেকৈ ৮০-৮৫ শতাংশ লৈ যাবলৈ হ'লে যিবিলাকক, ওডালগুৰি, কোকৰাঝাৰ, বঙাইগাও, চিৰাং, ধুবুৰী, গোৱালপাৰা, বৰপেটা এই জিলাত থকা চৰ- চাপৰিবিলাক তাৰ পৰা উঠাই আনিব লাগিব। ইয়াত যিটো শিক্ষাৰ হাৰ ৩০-৩৫ শতাংশ বা ৪০ শতাংশ এইটো যদি ৮০ শতাংশলৈ বৃদ্ধি নকৰো তেনেহ'লে অসম শিক্ষিত অৰ্হতাত আগুৱাই নাযায়। ওৱান থাৰ্ড পপুলেশ্যন টি ট্ৰাইৰচ বা এচ চি, এচ টি, মাইনোৰিটিৰ মানুহখিনি বাদ আপুনি সোনৰ অসম গঢ়াৰ পক্ষে আগুৱাই যাব নোৱাৰে গতিকে আমি গোটেই অসমত থকা সকলোৰে প্ৰতি সমানে গুৰুত্ব দি যিটো শ্লোগান 'চব কা সাথ চব কা বিকাশ ' ইয়াৰ প্ৰতি লক্ষ্য ৰাখি এই অঞ্চলবোৰত শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। মাননীয় উপাধ্যক্ষ মহোদয় এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ , এতিয়া শ্ৰীমৃনাল শইকীয়া ডাঙৰীয়া।

**শ্ৰীমৃনাল শইকীয়া (খুমটাই) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষা বিভাগত বিৰোধীয়ে অনা কৰ্ত্তণ প্ৰস্তাৱৰ বিৰোধীতা কৰি মই মোৰ বক্তব্য ৰাখিব বিচাৰিছো। শিক্ষা বিভাগৰ গ্ৰান্ট নং ২৬ ত ৩০১৮৩১.১৮ লাখ পুঁজি ধাৰ্য্য কৰা হৈছে। গ্ৰান্ট নং ৭১ ত ১৪৫২৩০.১৪ লাখ টকা বাজেটত ধাৰ্য্য কৰা হৈছে। মই ভাবো যে এই ধাৰ্য্য কৰা পুঁজি দুগুণ কৰিব লাগিব। যিটো বিৰোধী পক্ষও বিচাৰে। আমিও বিচাৰো যে শিক্ষা ক্ষেত্ৰত আগুৱাই নিবলৈ আমি গ্ৰান্টটো বঢ়াব লাগে। প্ৰত্যেক্ষভাবে লিখা বুলি ক'বলৈ হ'লে তাত তিনিটা পক্ষ জড়িত হৈ আছে। ছাত্ৰ-ছাত্ৰী, শিক্ষক শিক্ষয়িত্ৰী আৰু অভিভাৱকসকল। আৰু চতুৰ্থ পক্ষ এটা থাকে সেইটো হ'ল শিক্ষা বিভাগৰ চাকৰিয়াল, বিষয়া-কৰ্মচাৰীসকল। আমাৰ যিটো গ্ৰান্ট সেইটো চৰকাৰী শিক্ষা বিভাগক লৈয়ে এতিয়া আমি গুৰিলৈ যাব লাগিব। শিক্ষা বিভাগৰ প্ৰধান সমস্যাটো হৈছে যে আমাৰ চৰকাৰী শিক্ষা হাইস্কুলেই হওঁক বা কলেজেই হওঁক সেইবোৰৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ অনুৰাগটো কমিছে।

তেওলোকে যিটো ব্যক্তিগত খণ্ডৰ বিদ্যালয়- মহাবিদ্যালয় স্থাপন হৈছে তাৰে ৰাওঁণা হৈছে। আমাৰ আচলতে চৰকাৰী স্কুলত ১৯৮০-৮১-৮২ চনত যেতিয়া আন্দোলন আৰম্ভ হৈছিল তেতিয়াৰে পৰা চৰকাৰী খণ্ডৰ স্কুলবিলাকৰ মৰ্য্যদাটো কমি আহিছে। যিটো আগৰ গৌৰৱ আছিল সেইটো কমি আহিছে। ইয়াত যিমানজন বিধায়ক আছে তাৰে নতুনকৈ অহা দুই এজন বিধায়কৰ বাহিৰে সকলোৱে চৰকাৰী স্কুলত পঢ়ি অহা। আমাৰ অলপ আগতে বিধায়ক এগৰাকীয়ে কৈছে, কোনো কোনোয়ে ভেন্সাৰ স্কুলত পঢ়ি আহিছে। তেতিয়া স্কুলবিলাকৰ ইমানেই মৰ্য্যদা আছিল যে এখন প্ৰাইমেৰী স্কুলৰ চৌহদত সোমালে এটা মৌমাখিৰ দৰে গুণ-গুণনি শব্দ শুনিবলৈ পোৱা গৈছিল। ৩০০-৪০০ লৰা ছোৱালী একেলগে পঢ়িছিল। হাইস্কুল বিলাকত, কলেজবিলাকত জাকে জাকে ছাত্ৰ-ছাত্ৰী আছিল। তেওলোকে জাক পাতি ৰাস্তাইদি যোৱা দৃশ্যটো অতি মনোমোহা আছিল। কিন্তু সেই পৰিবেশটো লাহে লাহে নোহোৱা হৈ গ'ল। ইয়াৰ পিছত দেখা যায় যে কিবা এটা আন্দোলন হ'লেই স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰীক উলিয়াই আনে। আন্দোলনৰ নামত এটা দিন নষ্ট হৈ যায়। যিসকল অভিভাৱক আৰ্থিকভাবে অৱস্থাপন্ন তেওলোকে নিজৰ লৰা ছোৱালীক বিদ্যালয়ৰ পৰা উলিয়াই লৈ যায়। এই যাত্ৰাটো ২০১৬ চনলৈকে অব্যাহত আছিল। কিন্তু মাজত ২০১২ চনত এতিয়াৰ মাননীয় মুখ্যমন্ত্ৰী তেতিয়া শিক্ষামন্ত্ৰী আছিল আৰু টেট শিক্ষক নিযুক্তি দিলে। ৮৮৬৬ জন শিক্ষকক ২০১৩ চনত নিযুক্তি দিলে। তেতিয়া কিন্তু এটা Foundation গঢ় লৈ উঠিল। সেই বিদ্যালয়বোৰত ছাত্ৰ-ছাত্ৰীসকল ৰৈ গ'ল। টেট শিক্ষক অহা কাৰণে বিদ্যালয়খন বাছি গ'ল। মাজৰ ছোৱাত কি হৈছে যে বিষয়াই হওঁক বা বিধায়ক হওংক বা মন্ত্ৰীয়েই হওক তেওলোকৰ লগা ভগা মানুহ, মাটিৰ মানুহ তেওলোকক নিযুক্তি দিয়াৰ এটাই স্থান আছিল, এই বিদ্যালয়বোৰ। এনেকুৱা এটা পৰিবেশ আছিল যে একো কৰিব নোৱাৰিলেও স্কুলত মাষ্টৰি কৰিব লাগে। এই মাষ্টৰৰ চাকৰিটো ইমান ডিগ্ৰেডেশ্যন হৈ আহিল যে এতিয়া ৰিটায়াৰমেন্টত যাবলৈ হ'ল এখন সাধাৰণ এপ্লিকেশ্যন লিখিব নাজানে। সেই কাৰণে টকা পইচা থকা অভিভাৱকসকলে নিজৰ লৰা ছোৱালীক প্ৰাইভেট স্কুললৈ নিবলৈ ধৰিলে। শিক্ষকসকলৰ একাউন্টিব্লিটিও নোহোৱা হ'ল যে দৰ্মহাটো সময়ত পাই থাকিলে হ'ল, বাকী যি হয় হওক। লৰা ছোৱালী কি পঢ়িছে , কি শিকিছে কোনো খবৰ নাই। মই বিধায়ক হোৱাৰ পিচত মোৰ ঘৰৰ কাষৰ স্কুলখনত গ'লো। দেখিলো কেইজনমান ল'ৰা-ছোৱালী এনেয়ে ইটো সিটো কৰি আছে। শিক্ষকজনে মোক দেখি মুখেৰে মাতিব পৰা নাই, মুখেৰে তামোল চোবাই আছে। স্কুলৰ বাৰান্দাৰ পৰাই তামোলৰ পিক পেলাই আহিহে মোক মাতষাৰ দিলে, মানে স্কুলৰ অৱস্থা এই পৰ্য্যায় পাইছিলগৈ। টেট শিক্ষক দিয়াৰ পৰা শিক্ষাৰ মান অলপ অলপকৈ বাঢ়ি বহুখিনি উন্নত হৈছে। কাৰণ ২০১৬ চনত আমাৰ শিক্ষামন্ত্ৰীয়ে বিদ্যালয়ত গুনোৎসৱ পতাৰ পৰাই স্কুলবিলাক আকৌ আগৰ মৰ্য্যদালৈ লাহে লাহে গতি কৰিবলৈ ধৰিছে।
নিজৰ ল'ৰা ছোৱালী পঢ়াবলৈ বুলি গাঁৱৰ মানুহ বহুতে গৈ টাউনত ভাড়া ঘৰত থাকিবলৈ ল'লে। বহুতো মহিলাই আকৌ শাহু-শহুৰৰ জঞ্জালত থকাতকৈ ল'ৰা পঢ়াব লাগে বুলি টাউনত থাকে গৈ। স্কুলৰ যিখিনি শিক্ষক তেওঁলোক যথেষ্ট অৱস্থা সম্পন্ন মানুহ। তেওঁলোকে নিজৰ ল'ৰা জনক ৯ বজাত স্কুললৈ থ'বলৈ যাব আৰু যিখন স্কুলৰ পৰা দৰমহা পাই সেই স্কুলতখনত ১ঘণ্টা দেৰীকৈ আহে আৰু স্কুল ছুটীৰ ১ ঘণ্টা আগতে আকৌ ল'ৰা স্কুলৰ পৰা আনিব লাগে বুলি যায়। সেয়ে মই কওঁ যে এইক্ষেত্ৰত এখন আইন আনিব লাগে যে যদি গাঁৱৰ শিক্ষক এজনে তেওঁৰ ঘৰৰ ওচৰৰ কোনো এখন স্কুলত শিক্ষকতা কৰি আছে, তেওঁৰ ল'ৰা-ছোৱালীক সেই স্কুলখনতেই পঢ়ুৱাব লাগে নহ'লে নিজৰ ল'ৰা-ছোৱালী অন্য স্কুলত পঢ়ুৱাই আমি সেই স্কুলখনৰ কি নমুনা দেখুৱাম। সেয়ে

গাঁৱৰ দুখীয়া ছাত্ৰ-ছাত্ৰীসকল এই মাজৰ সময়ছোৱাত প্ৰায় ১৫ বছৰ মানৰ ভিতৰত বহুত পিছ পৰি গ'ল কাৰণ বে-চৰকাৰী বিদ্যালয়লৈ তেওঁলোক যাব নোৱাৰে কিয়নো তাত বহুতো পইচাৰ প্ৰয়োজন হয়। গতিকে তেওঁলোক চৰকাৰী বিদ্যালয়লৈকে যাব লাগিব। কিন্তু তাত একাউণ্টেবিলিটি নোহোৱাৰ বাবে বহুত পিছ পৰি যাবলগীয়া হ'ল। এতিয়া গুণোৎসৱ হোৱাৰ পিছত আকৌ উভতনি যাত্ৰা হৈছে। টেট শিক্ষক সকলক নিযুক্তি দিয়াৰ পিছত বে-চৰকাৰী স্কুলৰ পৰা আকৌ চৰকাৰী স্কুললৈ অভিভাৱক সকলে তেওঁলোকৰ ল'ৰা-ছোৱালীক ওভতাই অনা দেখিবলৈ পোৱা গৈছে। মই শিক্ষক সকলৰ লগত এই বিষয়ে কথা পাতি গম পাইছো। সেয়ে আমাৰ প্ৰায় ভগ্নপ্ৰায় শিক্ষা ব্যৱস্থাটো উন্নত মানদণ্ডৰ কৰিবৰ কাৰণে আমাক আৰু পুঁজিৰ প্ৰয়োজন আছে। বৰ্তমানৰ চৰকাৰে যোৱাটো কাৰ্য্যকালত বাগান বিলাকত প্ৰায় ১১৯ খন মডেল হাইস্কুল বনাবৰ বাবে সিদ্ধান্ত লৈছিল। মোৰ সমষ্টিত মই দুখন হাইস্কুল পাইছিলো। তাৰে এখন সম্পূৰ্ণৰূপে কমপ্লিট হ'ল আৰু এখন প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত আছে। আমাৰ চৰকাৰে ৫খন সৈনিক স্কুল বনাম বুলি বাজেটত ধাৰ্য্য কৰিছে আৰু মোৰ সমষ্টিত এখন সৈনিক স্কুল আগতেই উত্তৰণ আঁচনিৰ অধীনত ধৰা আছে। মই মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াকো কৈছো যে MoU সোনকালে চহী কৰি এই সৈনিক স্কুলবিলাক আৰম্ভ কৰিব লাগে কাৰণ সৈনিক স্কুলবিলাক হৈছে পাব্লিক স্কুল আৰু ইয়েই গোটেই অসমতেই শিক্ষাৰ এটা নতুন পৰিৱেশ আনি দিব। যিবিলাক বিদ্যালয়ত এতিয়াও শিক্ষক বা শিক্ষয়ত্ৰী নাই তাত টেট উত্তীৰ্ণসকলৰ মাজৰ পৰা অনতিপলমে শিক্ষক নিযুক্তি দিব লাগে আৰু CTET উত্তীৰ্ণ ল'ৰা-ছোৱালীবিলাককো ষ্টেটৰ চাকৰি এপ্লাইৰ বাবে সুবিধা দিব লাগে। বহুতো নতুন কলেজ এতিয়া চেংচন হ'ল, পোষ্ট প্ৰভিঞ্চিয়েলাইজ হ'ল কিন্তু তাত দেখা গ'ল যে যদি ১৫ জন ছাত্ৰ-ছাত্ৰী আছে তাত থাৰ্ড পোষ্ট এটা চেংচন কৰা হৈছে। কিন্তু ফ'ৰ্থ পোষ্টৰ বাবে আকৌ ধাৰ্য্য কৰিছে ১৫০ জন ছাত্ৰ-ছাত্ৰী। গতিকে এইটো সম্ভৱ নহয় কিয়নো আমি যেতিয়া বি এ পঢ়ি আছিলো তেতিয়াও ১৫০ জন ছাত্ৰ-ছাত্ৰী নাছিল। সেয়ে মই ভাৱো যে ১৫ ৰ ডাব'ল ৩০ জনকৈ ছাত্ৰ-ছাত্ৰী এই ফ'ৰ্থ পোষ্ট টো চেংচন কৰিবৰ বাবে ধাৰ্য্য কৰিব লাগে কিয়নো ২০ জন ছাত্ৰ-ছাত্ৰীক পঢ়ুৱাবলৈ যদি এজন শিক্ষক লাগে এজনক পঢ়ুৱাবলৈও এজন শিক্ষকেই লাগিব। এইটো এটা অতি গুৰুত্বপূৰ্ণ বিষয় কাৰণ যিসকলে কলেজত শিক্ষকতা কৰি আছে তেওঁলোকে নিজেই ভেঞ্চাৰ কলেজ পাতি তাত পঢ়ুৱাই থকা নাই। তেওঁলোকক Governing body য়ে মাতি আনি কিবা এটা মাননী দি তাত পঢ়ুৱাবলৈ দিছে । সেয়ে মই ভাৱো যে ৩০ জন ছাত্ৰ-ছাত্ৰী থাকিলে এই ফ'ৰ্থ পোষ্টটো চেংচন কৰিব লাগে। আমাৰ সন্মানীয় বিধায়ক এজনে ইতিমধ্যে কৈ গৈছে যে প্ৰত্যেক জিলাতেই বি. এড. কলেজ হ'ব লাগে। হয়, এখন বি.এড. কলেজ হ'লে ভাল কিয়নো আজিকালি স্কুল-কলেজৰ চাকৰিৰ ক্ষেত্ৰত বি.এড.ৰ যথেষ্ট প্ৰয়োজনীয়তা আছে। মই ইতিমধ্যে কৈ গৈছো যে মাজৰ সময়খিনিত প্ৰাইভেট স্কুলবিলাক ইমান আগবাঢ়ি আহিল যে তেওঁলোকে গুৰু-গোঁসাই নমনা হ'ল আৰু ফিজৰ ক্ষেত্ৰত প্ৰাইভেট নাৰ্চিং হোমৰ নিচিনাকৈ যিকোনো মূল্য লগাব ধৰিলে। যিহেতু চৰকাৰৰ পাৰ্মিশ্যন লৈ এখন প্ৰাইভেট স্কুল খুলিছে গতিকে তাত ফিজৰ ক্ষেত্ৰত চৰকাৰে চকু দিব লাগে আৰু প'লিচি এখন বনাব লাগে যাতে নিজ ইচ্ছাৰে ফিজ ল'ব নোৱাৰে। আৰু লাহে লাহে গৈ এনেকুৱা এটা ব্যৱস্থা হ'ব লাগে যাতে কোনো ছাত্ৰ-ছাত্ৰীয়ে যাত প্ৰাইভেট স্কুললৈ যাবলগীয়া নহয়। আমি পঢ়াৰ দিনত স্কুলত ধনী-দুখীয়া বুলি কোনো শ্ৰেণী নাছিল। গাঁৱৰ আটাইতকৈ ধনী মানুহৰ ল'ৰা-ছোৱালী আৰু আটাইতকৈ দুখীয়া মানুহৰ ল'ৰা-ছোৱালী আমি সকলোৱে একেখন

স্কুলতেই পঢ়িছিলো কিন্তু এতিয়া ধনী-দুখীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত পাৰ্থক্য থকা দেখিবলৈ পোৱা গৈছে। সেয়ে মই ভাৱো প্ৰাইভেট ইনষ্টিটিউশ্যনবিলাকৰ ওপৰত লেকাম লগাব লাগে। আমি যদি চৰকাৰী স্কুলবিলাক উন্নত মানদণ্ডৰ কৰো এই প্ৰাইভোট স্কুলবিলাক অট'মেটিকেলি নোহোৱা হৈ যাব। এতিয়া কিন্তু বহু ছাত্ৰ-ছাত্ৰী প্ৰাইভেট স্কুলৰ পৰা আকৌ চৰকাৰী স্কুললৈ অহা দেখিবলৈ পোৱা গৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, সেয়ে মই কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰো আৰু বিৰোধীয়ে শিক্ষা বিভাগত কৰ্তন প্ৰস্তাৱ অনাৰ বাবে ধন্যবাদ জনাইছো যাৰ বাবে মই আজি এইখিনি কথা ক'ব পাৰিলো আৰু চৰকাৰে ভৱিষ্যতে আমাৰ চৰকাৰী স্কুলবিলাকৰ কাৰণে আৰু বহু কিবাকিবি কৰি যাব বুলি মই আশা ৰাখি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** সঁচাকৈয়ে গুণোৎসৱৰ পৰা বহুখিনি লাভৱান হোৱা দেখা গৈছে। আমাৰ প্ৰত্যেকজন বিধায়কে স্কুলৰ অৱস্থাৰ বিষয়ে গম পালে আৰু বহুতো বিধায়কে MLA-LAD Fund ৰ পৰা additional class room, laboratory আদি খোলাৰ বাবে বহুতো লাভ হৈছে। গতিকে মৃনাল শইকীয়া ডাঙৰীয়াই খুব ভাল বক্তব্য ৰাখিছে। এতিয়া মাননীয় বিধায়ক শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বিৰোধী দলে শিক্ষা বিভাগৰ ওপৰত যি কৰ্তন প্ৰস্তাৱ আনিছে মই তাৰ বিৰোধিতা কৰি শিক্ষা বিভাগৰ কিছু কথা মই আপোনাৰ জৰিয়তে মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। আমাক শিক্ষা লাগিবই কাৰণ শিক্ষাই জ্ঞান দিয়ে আৰু জ্ঞানে পোহৰ দিয়ে। গতিকে শিক্ষা বিভাগটো হৈছে আটাইতকৈ গুৰুত্বপূৰ্ণ এটা বিভাগ আৰু এই শিক্ষা বিভাগটো বিভিন্ন সমস্যাৰে জৰ্জৰিত হৈ আছে ।আজি আমাৰ নিম্ন প্ৰাইমাৰীৰ পৰা বিশ্ববিদ্যালয়লৈকে বিভিন্ন সমস্যা আছে আৰু এই সমস্যাবিলাক একেদিনাই সমাধান কৰিব পৰা সমস্যা নহয় কাৰণ এই সমস্যাবিলাক বহু বছৰৰ পৰাই স্তুপীকৃত হৈ আছে। এই সমস্যাবিলাক সমাধান কৰিবলৈ বিশেষকৈ চৰকাৰৰ মনত আন্তৰিকতা আছে নে নাই এই কথাটো আমি প্ৰথমতে চাব লাগিব। আমি কিন্তু বিগত চাৰে পাঁচ বছৰত বিজেপিৰ নেতৃত্বত মিত্ৰজোঁটৰ চৰকাৰ অহাৰ পিছত এই আন্তৰিকতাখিনি দেখিছো কাৰণ শিক্ষা বিভাগটো হৈছে এটা মহা সাগৰ। গতিকে এই সমস্যাবিলাক সমাধান কৰিবলৈ যাওঁতে আমাৰ চৰকাৰখনৰ পৰিকল্পনা আছে নে নাই আৰু পৰিকল্পনা অনুযায়ী কাৰ্য্য ব্যৱস্থা সময়ত লৈছে নে নাই, সেয়া হৈছে মূল কথা। বিগত দিনত আমি বিশেষকৈ লক্ষ্য কৰিছো যে আমাৰ কিছুমান ভুল নীতিৰ বাবে শিক্ষা বিভাগটোৱে যথেষ্ট আহুকালৰ সন্মুখীন হ'ব লগা হৈছে। বিভিন্ন ক্ষেত্ৰত নীতি নিৰ্ধাৰণ কৰোতে হয়তো কিছু নীতি বহিৰ্ভূত কাম কৰাৰ কাৰণেও আজি বহু সন্থা, বহু শিক্ষকে গৈ উচ্চ ন্যায়ালয়ত হাজিৰ হ'ব লগীয়া হৈছে। যাৰ ফলত যিটো সময়ত সুস্থিৰ সিদ্ধান্ত ল'ব লাগে, সেই সময়ত উচ্চ ন্যায়ালয়ত গোচৰ ৰুজু হৈ থকাৰ বাবে সিদ্ধান্তবোৰ গ্ৰহণ কৰিব নোৱাৰে। ইতিমধ্যে আমাৰ মাননীয় সদস্য মৃণাল শইকীয়া ডাঙৰীয়াই কৈ গৈছে যে গুণোৎসৱৰ জৰিয়তে আমি যথেষ্ট উপকৃত হৈছো। আমাৰ যিবোৰ শিক্ষানুষ্ঠান আছ, সেই শিক্ষানুষ্ঠানবোৰৰ আন্তঃগাঁথনি আৰু গুণগত শিক্ষাৰ মানদণ্ড যথেষ্ট উন্নত হৈছে। বিশেষকৈ, **২০১৬** চনৰ পিছত আৰু তৰ আগতো **২০১৩** চনত টেট পৰীক্ষা অনুষ্ঠিত কৰা হৈছিল। **২০১৩** চনত **৮,৮১৩** গৰাকী শিক্ষক নিযুক্তি দিয়া হৈছিল। কিন্তু, এই **৮৮১৩** গৰাকী শিক্ষককেই যে টেটৰ জৰিয়তে নিযুক্তি দিছিল এনে নহয়, ইয়াৰ পৰৱৰ্তী সময়তো **১৫** হাজাৰতকৈ অধিক টেট শিক্ষকক নিযুক্তি দিয়া হৈছিল ।মই ভাল পাইছো যে যিসকল শিক্ষকক নিযুক্তি দিয়া হৈছিল, তেওঁলোকৰ ওপৰত কাৰো হস্তক্ষেপ চলা নাই, ই ৰাজনৈতিক ভাবেই

হওঁক বা বিভিন্ন দিশেৰেই হওঁক। মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে টেট পৰীক্ষাত উত্তীৰ্ণ হৈ শিক্ষক হিচাপে নিযুক্তি লাভ কৰিবলৈ সক্ষম হৈছিল। সেই কাৰণে, ক্ৰমশ অসমীয়া মাধ্যমৰ বিদ্যালয় সমূহৰ গুণগত মানদণ্ড যথেষ্ট উন্নত হৈছে। মৃণাল শইকীয়াই কোৱা অনুযায়ী লাহে লাহে ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও বৃদ্ধি পাবলৈ ধৰিছে। এইটো আমাৰ বাবে এক সুখবৰ। এতিয়া, বিশেষ ভাৱে আমি এটা কথা লক্ষ্য ৰাখিব লাগিব যে আমাৰ **২০১৭** চনৰ প্ৰাদেশিকৃত আইন এখন আছে, তাৰে সংশোধিত আইনখন **২০১৮** চনৰ। তাৰ আওঁতাত যিখিনি স্কুল পৰিছে সেইখিনিক ইতিমধ্যে প্ৰাদেশিকীকৰণ কৰা হৈছে। বিশেষকৈ, আমাৰ শিক্ষক সকলক। অসমত বিভিন্ন আন্তঃৰাজ্যিক সীমা আছে। এই আন্তঃৰাজ্যিক সীমাসমূহত যিবোৰ বিদ্যালয় আছে, যি **২৫-৩০** বছৰ ধৰি চলি আছে, সেই বিদ্যালয় সমূহৰ কিছুমান এই আইনৰ আওঁতালৈ নহাৰ বাবে তাৰে শিক্ষকসকলৰ পদবোৰ প্ৰাদেশিকীকৰণ হোৱা নাই । গতিকে, এই সীমান্তৱৰ্তী বিদ্যালয়বোৰ যদিও আইনৰ আওঁতাত নপৰে, তথাপিও কিবা বিশেষ ব্যৱস্থাৰে, need base কৰি হ''লেও সেই বিদ্যালয় সমূহক প্ৰাদেশিকী কৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে । মই মোৰ সমষ্টিতে চাৰিখন প্ৰাথমিক বিদ্যালয় প্ৰাদেশিকীকৰণৰ পৰা বঞ্চিত হোৱা দেখিছো। আইনমতে যি **৩০** জন ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন হয়, সিমানখিনি ছাত্ৰ-ছাত্ৰী বিদ্যালয়খনত আছিল, কিন্তু কিদৰে সেই **৩০** জন ছাত্ৰ-ছাত্ৰী গৈ **২৯** জন কৰিলে, সেইয়া এতিয়াও সাঁথৰ হৈ আছে । সেয়েহে, আপোনাৰ জৰিয়তে মই মাননীয় শিক্ষা মন্ত্ৰীক অনুৰোধ জনাব বিচাৰিছো যে মোৰ অসম-মেঘালয় সীমান্তৰ, একেবাৰে পাহাৰৰ ওপৰত নতুন গড়ভাঙা, জালুকপাহাৰ, মদুকীৰ ওচৰত নগাওঁ, হেনাপাৰা এই চাৰিখন স্কুলৰ পদ প্ৰাদেশিকীকৰণৰ পৰা বঞ্চিত হৈছে । জনা মতে, তাত **৩০** জন ছাত্ৰ-ছাত্ৰীও আছিল আৰু মই নিৰ্বাচনৰ আগত শিক্ষা বিভাগৰ আয়ুক্তক তথ্য সহকাৰে সেইখিনি দাখিল কৰিলে, কিন্তু, আজিলৈকে সেই বিদ্যালয় সমূহৰ পদবোৰ প্ৰাদেশিকীকৰণ নহ'ল। গতিকে, ইয়াৰ তদন্ত কৰিবলৈ মই অনুৰোধ জনাইছো। কিয়নো, মই জনা মতে, সেই **৩০** জন ছাত্ৰ-ছাত্ৰীৰ এজন কমাই ২৯ জন কৰি সেই বিদ্যালয় সমূহ প্ৰাদেশিকীকৰণৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। গতিকে, এইখিনি আইনৰ আওঁতাত পৰিলেও বা নপৰিলেও need base হিচাবে লৈ প্ৰাদেশিকীকৰণ কৰিবলৈ মই বিশেষভাবে মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো । আনে আমাৰ সীমাৰ ভিতৰত আগুৱাই আহিও কিছুমান প্ৰাথমিক বিদ্যালয় কৰিছে । মেঘালয় চৰকাৰে সেইবোৰ চৰকাৰীকৰণো কৰিছে । গতিকে, আমাৰ ২৫-৩০ বছৰ হোৱা বিদ্যালয়বোৰ যদি প্ৰাদেশিকীকৰণ কৰা নহয়, তেন্তে সেই স্কুলবোৰ বন্ধ কৰি, মেঘালয় চৰকাৰে স্থাপন কৰা স্কুলত ছাত্ৰ-ছাত্ৰীবোৰ পঢ়িব যাবলৈ বাধ্য হ'ব। ফলত মেঘালয়ৰ যি আগ্ৰাসন, সি অসমৰ ফালে আগবাঢ়ি আহিব। মই ভাবো, এই বিষয়টো গুৰুত্ব সহকাৰে চোৱা উচিত। ঠিক তেনেদৰে, ৰাভা হাচঙৰ ক্ষেত্ৰতো দেখা গৈছে যে প্ৰায় **৭৩** খন প্ৰাথমিক, এম. ই., হাইস্কুল আৰু জুনিয়ৰ কলেজসমূহৰ প্ৰাদেশিকীকৰণ হোৱা নাই। এইবোৰ যদিও আইনৰ আওঁতাত নপৰে, need base কৰি হ'লেও বিশেষভাৱে প্ৰাদেশিকীকৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে । আপোনালোকে যদি মন কৰে এই অঞ্চলবোৰ অসম-মেঘালয় সীমান্তৱৰ্তী এলেকাৰ আৰু জনজাতীয় অঞ্চলৰ স্কুল .....interruption....

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য, আপোনালোকৰ দলৰ আন এগৰাকী ব্যক্তিৰ নাম দিছে । আপুনি তেওঁলৈ সময় ৰাখিব নে আপুনিয়ে কৈ শেষ কৰিব?

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা (পশ্চিম গুৱাহাটী)ঃ** মই কৈ শেষ কৰি দিম ।

মহোদয়, এতিয়া আমি যদি **২০১৭-১৮** চনত চাওঁ, বৰ্তমানৰ মুখ্যমন্ত্ৰী সেই সময়ত শিক্ষা মন্ত্ৰী তথা বিত্ত মন্ত্ৰী আছিল, সেই সময়তে, ১০ খন বি.এড কলেজ নিৰ্মাণৰ কাম আৰম্ভ কৰা বুলি আমি জানিব পাৰিছিলো । যদি ১০ খন বি.এড কলেজ নতুনকৈ স্থাপিত হয় তেনেহ'লে নিশ্চয় আমাৰ শিক্ষক শিক্ষয়িত্ৰী সকলে প্ৰশিক্ষণ লোৱাৰ ক্ষেত্ৰত যথেষ্ট সুবিধা হ'ব। আমাৰ এগৰাকী মাননীয় সদস্যই যিটো প্ৰস্তাৱ দিছে যে প্ৰতিটো সমষ্টিতে একোখন B.ed College হ'ব লাগে সেইটো পৰ্য্যায়ক্ৰমে হ'ব। আজি ১০ খন হৈছে, অহাকালি আৰু ১০ খন হ'ব আৰু তেনেধৰণে হয়তো প্ৰত্যেকখন সমষ্টিতে B.ed College স্থাপনৰ কথাও মই ভাৱো মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াই পৰিকল্পনা প্ৰস্তুত কৰিছে। ঠিক সেইধৰণে ৪ খন নতুন DIET ৰ বাবেও ১৯২ টা পদ, ১০ খন নতুন B.ed College ৰ বাবে ৩৯০ টা পদ আৰু ২ খন Institute of Advance Studies in Education ৰ বাবে ৩২ টা পদ সৃষ্টিৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰিছে। তাৰোপৰি, মই দেখিছো যে এইবাৰৰ বাজেটত আমাৰ প্ৰায় ২৮,০০০ ত কৈও অধিক যি খালী পদ আছে সেই সমূহ পূৰণ কৰাৰ ক্ষেত্ৰতো চৰকাৰে ২০২১-২২ চনত যি ১ লাখ পদ সৃষ্টি কৰিব তাত অন্তৰ্ভূক্ত কৰা হৈছে।

মই মাননীয় উপাধ্যক্ষ ডাঙৰীয়াৰ জৰিয়তে মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে আমাৰ বহু মহাবিদ্যালয়ত ভুৱা জালিয়াতিৰে P.hd Degree লৈছে। এই কথা মই বিগত বিধান সভাতো উল্লেখ কৰিছিলো আৰু সেই সময়ত এটা তদন্তও হৈছিল। দুজনমান অধ্যক্ষ নিলম্বিতও হৈছিল আৰু তাৰবাবে সেই সময়ত ৰাজ্য চৰকাৰে ঘোষণাও কৰিছিল যে এখন তদন্ত কমিটি গঠন কৰা হ'ব আৰু এই কমিটিয়ে সকলোবোৰ তদন্ত কৰি যিবিলাক লোকে ভুৱা P.hd Degree লৈছিল সেই সকলৰ ক্ষেত্ৰত ব্যৱস্থা ল'ব। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰিছো যে তেখেতসকলে তদন্ত কৰি যিটো report দাখিল কৰিলে সেই report অনুযায়ী যিবিলাক ভুৱা Phd ডিগ্ৰীধাৰী আছে তেওঁলোকৰ ওপৰত অতি শীঘ্ৰে শাস্তিমূলক ব্যৱস্থা ল'ব লাগে।

ঠিক তেনেদৰে আমাৰ IDOL তো এটা কেলেঙ্কাৰী সংঘটিত হৈছে। ২০১০-১১ ৰ পৰা ২০১৭-১৮ লৈকে এই কেলেঙ্কাৰীটো সংঘটিত হৈছিল। সেই সময়ত ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ে এটা দূৰ শিক্ষা পৰিষদ গঠন কৰি দিছিল আৰু এই পৰিষদে IDOL ৰ ৮ টা বিষয়ক অনুমোদন জনাইছিল। কিন্তু অনুমোদন জনোৱাৰ পিছত ২০১৭ চনত মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ৰ অধীনলৈকে আনে। দূৰ শিক্ষা পৰিষদটো বিলুপ্তি ঘটায় ২০১৩ চনত আৰু ২১ টা বিভাগ কোনো ধৰণৰ অনুমোদন নকৰাকৈ সেই সময়ৰ উপাচাৰ্য্য গৰাকীয়ে এই ২১ টা বিভাগৰ কাৰণে ৩৯ কোটি ৬০ লাখ টকা সংগ্ৰহ কৰিছিল। এতিয়া মোৰ প্ৰশ্নটো হ'ল মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ৰ অনুমোদন নোহোৱা ২১ টা বিভাগৰ কাৰণে যিটো ৩৯ কোটি ৬০ লাখ টকা সংগ্ৰহ কৰিছিল তাৰ ওপৰত জম্মু কাশ্মীৰৰ অৱসৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ শ্ৰী শইকীয়া ডাঙৰীয়াই এজনীয়া আয়োগ গঠন কৰি তদন্ত কৰিবৰ কাৰণে তিনি মাহৰ সময় দিছিল। সেই তদন্তৰ report গুৱাহাটী বিশ্ববিদ্যালয়ক দাখিল কৰা বুলি মই জানিব পাৰিছো। এতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ে ৰাজ্য চৰকাৰক সেই প্ৰতিবেদন দিছে নে নাই মই নাজানো। মই জনাত সেই কমিটিয়ে সেই সময়ৰ উপাচাৰ্য্যক দোষী সাব্যস্ত কৰিছিল। সেই সময়ত ৭৩,৯১২ গৰাকী ছাত্ৰ-ছাত্ৰীক তাত admission দিয়া হৈছিল। পিছত মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ে এখন letter দিছিল গুৱাহাটী

বিশ্ববিদ্যালয়ক যে এই ২১ টা বিভাগত যিসকল ছাত্ৰ-ছাত্ৰীয়ে admission ল'লে সেইসকলে কেন্দ্ৰীয় চৰকাৰৰ কোনো চৰকাৰী চাকৰিত নিযুক্তি পাব নোৱাৰে। এতিয়া এই ৭৩,৯১২ গৰাকী ছাত্ৰ-ছাত্ৰীক অন্ধকাৰত পেলাই দিয়া হৈছে। গতিকে মই আপোনাৰ জৰিয়তে আমাৰ মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো যাতে অতি সোনকালে যিটো তদন্তৰ report দাখিল কৰিছে সেই report অনুযায়ী যিসকল দোষী তেওঁলোকৰ ওপৰত তৎকালীনভাৱে শাস্তিৰ ব্যৱস্থা ল'ব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া গোবিন্দ চন্দ্ৰ বসুমতাৰী।

**শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী (ওদালগুৰি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদনত বিৰোধী পক্ষৰ পৰা যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ বিৰুদ্ধে কেইষাৰমান ক'ব বিচাৰিছো লগতে আমাৰ অসমৰ শিক্ষা বিভাগত যিখিনি সমস্যা আছে বিশেষকৈ আমাৰ BTR অঞ্চলত সেই সম্পৰ্কে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। শিক্ষা বিভাগটো এটা গুৰুত্বপূৰ্ণ বিভাগ। শিক্ষাৰ জৰিয়তে এখন দেশ উন্নতিৰ জখলাত আগবাঢ়ি যাব পাৰে। এনেকুৱা এটা গুৰুত্বপূৰ্ণ বিভাগৰ যি বাজেট কৰ্তনৰ কাৰণে প্ৰস্তাৱ দিয়া বিষয়টো অলপ চিন্তা কৰিবলগীয়া। মই অনুৰোধ কৰিব বিচাৰিছো যিসকলে কৰ্তন প্ৰস্তাৱ আনিছে তেখেতসকলে যাতে সেই দাবী উঠাই লয়। আমি যি দলেই নহওঁক ৰাইজে আমাক তেওঁলোকৰ প্ৰতিনিধি হিচাপে পঠাইছে আৰু আমাক নিৰ্বাচিত কৰি পঠোৱাৰ উদ্দেশ্য হৈছে যাতে আমি সমাজৰ কাৰণে, জাতিৰ বাবে, নিজৰ অঞ্চলৰ উন্নয়নৰ বাবে কাম কৰিব পাৰো। যিহেতু উন্নয়ণৰ কথা আহিছে সেয়েহে ক'ব বিচাৰিছো যে মানুহ যেতিয়া শিক্ষিত হ'ব তেতিয়াহে দেশৰ উন্নতি হ'ব। যিহেতু শিক্ষা বিভাগটো এটা অত্যন্ত গুৰুত্বপূৰ্ণ বিভাগ সেয়েহে এই বিভাগটোৰ বাবদ বৰ্তমান যি পুঁজি ধাৰ্য্য কৰা হৈছে সেইটো দুগুণ কৰিব লাগে। বিৰোধীসকলে অসমৰ গোটেই শিক্ষা বিভাগটোৰ সমস্যাৰ কথাটোহে কৈছে। গতিকে এই সমস্যা সমূহ বাজেট কৰ্তনেৰে নহয় বাজেট বৃদ্ধি কৰিলেহে সমাধান হ'ব। সেয়েহে তেখেতসকলৰ নিজৰ বক্তব্য আৰু দাবীৰ মাজতে contradictory হোৱা দেখা গৈছে। মই ক'ব বিচাৰিছো যে আমাৰ শিক্ষা বিভাগটো আগুৱাব লাগিব। এই বিভাগৰ সকলো সমস্যা সমাধান হ'ব লাগিব আৰু তাৰবাবে বাজেট বৃদ্ধি হ'ব লাগিব। দিল্লী, কেৰেলা বা অন্যান্য ৰাজ্যৰ তুলনাত আমাৰ অসমখন শিক্ষা বিভাগত যথেষ্ট পিছপৰি আছে। আমি তেওঁলোকৰ সমানে সমানে আগবাঢ়িব লাগিব আৰু তাৰবাবে আমি এটা পৰিৱৰ্তন আনিব লাগিব। আমাৰ বহুতো সদস্যই সদনত বক্তব্য দাঙি ধৰিছে যে আমাৰ কলেজ সমূহ উন্নত হ'ব লাগে, কলেজ সমূহত শিক্ষক নিযুক্তি দিব লাগে, নতুনকৈ স্কুল কলেজ স্থাপন কৰিব লাগে আৰু এই বিভাগৰ আমূল পৰিৱৰ্তন আনিব লাগে। তেখেতসকলৰ লগতে মইও ক'ব বিচাৰিছো যে আমাৰ ৰাজ্যত শিক্ষা বিভাগটো উন্নত হ'ব লাগিব। আমাৰ বহুত সমস্যা আছে। আমাৰ BTR অঞ্চলটো যথেষ্ট ডাঙৰ। ইয়াৰ জনসংখ্যাও যথেষ্ট বেছি। কিন্তু সেই হিচাপে আমাৰ অঞ্চলত যিমান শিক্ষানুষ্ঠান থাকিব লাগিছিল সিমান নাই। সেইকাৰণে মই এটা সংক্ষিপ্ত ছবি দাঙি ধৰিব বিচাৰিছো। পণ্ডিচেৰীত দিল্লীৰ বা চণ্ডীগড়ৰ নিচিনা উন্নত নহয়, অলপ পিচ্পৰাহে হয়, তথাপি আমি তাৰ সমকক্ষ হোৱাকৈ যাতে উন্নত কৰিব পাৰো তাৰ বাবে এই ছবিটোকে দাঙি ধৰিছো। পণ্ডিচেৰী হল কেন্দ্ৰীয় শাসিত এটা অতি ক্ষুদ্ৰ অঞ্চল। তেওঁলোকৰ মুঠ মাটিকালি হল ৪৮৩ বৰ্গ কিঃ মিঃ। আমাৰ বি, টি, এ, ডি অঞ্চলৰ মুঠ মাটি কালি হল ২৭,২১২ বৰ্গ কিঃ মিঃ। তুলনামূলক ভাৱে আমৰ ভূখণ্ডই এটা বৃহৎ অঞ্চল আৱৰি আছে। তেখেত সকলৰ মুঠ জনসংখ্যা হল ০৯,৫০,০০০ আৰু আমাৰ বি, টি, আৰ অঞ্চলৰ জনসংখ্যা

হ'ল প্ৰায় ৩১,৫১,০০০। গতিকে আমি যদি শিক্ষাৰ ক্ষেত্ৰত তেওঁলোকৰ লগত তুলনা কৰো তেতিয়া দেখা যায় যে - তেখেত সকলৰ বিশ্ববিদ্যালয় আছে ৭ খন আৰু আমাৰ বি, টি, এ, ডি অঞ্চলত মাত্ৰ কেইজনমান অধ্যাপক লৈ আৰু কেইটামান বিভাগ লৈ এখনেই বিশ্ববিদ্যালয় আছে, তাকো ভালদৰে চলা নাই। এতিয়ালৈ পূৰ্ণপৰ্য্যায়ত আহিব পৰা নাই। ইমান এটা বৃহৎ অঞ্চলত এক বৃহৎ জনসংখ্যা লৈ যদি এখনেই মাত্ৰ বিশ্ববিদ্যালয় থাকে, তেতিয়াহ'লে আমি কি দৰে শিক্ষাৰ ক্ষেত্ৰত আগ বাঢ়ি যাব পাৰিম। আমি কি দৰে উন্নতিৰ কথা ক'ম। গতিকে মই শিক্ষা বিভাগৰ দৃষ্টি আকৰ্ষণ কৰি জনাব বিচাৰিছো যে এই অঞ্চলৰ শিক্ষা ব্যৱস্থাটো উন্নত কৰিব লাগে আৰু বিশ্ববিদ্যালয় খনকো পূৰ্ণাংগ পৰ্য্যায়লৈ ৰূপান্তৰ কৰিব লাগে।

তাৰোপৰি পণ্ডিচেৰী হল এটা অতি ক্ষুদ্ৰ অঞ্চল, ইয়াৰ জনসংখ্যাও অতি কম। কিন্তু ইয়াত ৬ খন মেডিকেল কলেজ আছে। আমাৰ বি, টি, আৰ অঞ্চল এটা বৃহৎ অঞ্চল কিন্তু বৰ্তমানলৈকে ইয়াত কোনো মেডিকেল কলেজ নাই, দুখন মেডিকেল কলেজ স্থাপন কৰাৰ বাবে প্ৰস্তাৱ লৈছে, এতিয়া আন্তঃগাঁথনিৰ কাম হে চলি আছে। পণ্ডিচেৰী সৰু অঞ্চল যদিও তাত অভিযান্ত্ৰিক কলেজ ১২ খন আছে, আমাৰ বি, টি, আৰ অঞ্চলত এতিয়ালৈকে দুখন আছে বি, বি, ব্ৰহ্ম অভিযান্ত্ৰিক কলেজ আৰু এখন হল চি, আই, টি। চি, আই, টি, খন চলি আছে যদিও বি, বি, ব্ৰহ্ম অভিযান্ত্ৰিক কলেজ খন নগণ্য সংখ্যক অধ্যাপক আৰু কৰ্মচাৰী লৈ মাত্ৰ চাৰিটা মান বিভাগেৰে কোনোমতে চলি আছে। এনেকুৱা অৱস্থাত আমি শিক্ষাখণ্ডত কিদৰে আগবাঢ়ি যাম? সেয়েহে মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক শিক্ষা বিভাগটো উন্নীত কৰাৰ হেতু বিহীত ব্যৱস্থা গ্ৰহন কৰাৰ কাৰণে অনুৰোধ জনালো।

পণ্ডিচেৰীৰ শিক্ষিতৰ হাৰ হল ৮৫.২৩ শতাংশ। এইক্ষেত্ৰত আমি অসমেও গৌৰৱ কৰিব পাৰো যে ২০২১ চনৰ বেচৰকাৰী সমীক্ষা মতে সমগ্ৰ ভাৰতবৰ্ষত পঞ্চম স্থানত আছো, আমাৰ শিক্ষিতৰ হাৰ হল ৮৫.০৯ শতাংশ। আমাৰ বি, টি, আৰ অঞ্চলৰ শিক্ষিতৰ হাৰ হ'ল ৬১.০০ শতাংশ। ইয়াৰ পৰা বুজা যায় যে আমাৰ বি, টি, আৰ অঞ্চলটো শিক্ষাৰ ক্ষেত্ৰত বহু পিচপৰি আছে। সেই বাবে মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক বি, টি, আৰ অঞ্চলৰ লগতে সমগ্ৰ অসমৰে শিক্ষা বিভাগটো উন্নীত কৰাৰ কাৰণে বিহীত ব্যৱস্থা গ্ৰহণ কৰে তাৰ কাৰণে অনুৰোধ জনালো। বৰ্তমান আমাৰ বি, টি, আৰ অঞ্চলত প্ৰভিন্সিয়েলাইজ কলেজ ৩০ খন আছে, তাৰে এখন ছোৱালী কলেজ। আমাৰ সমগ্ৰ বি, টি, এ, ডি অঞ্চলত মাত্ৰ এখনেই ছোৱালী কলেজ। চৰকাৰী বি এড কলেজ এখনেই যিখন কোকৰাঝাৰত আছে, বাকী যি দুই-এখন কলেজ আছে সেই বিলাক বেচৰকাৰী কলেজ। মই জনা মতে দুখন বি এড কলেজৰ নিৰ্মাণ কাৰ্য্য চলি আছে। অসম চৰকাৰে ২০১৭ চনত এছ, আৰ, টিৰ অধীনত বি এড কলেজৰ নিৰ্মাণৰ যি ঘোষণা কৰিছিল সেইমতে দুখন বি এড কলেজ এখন চিৰাং আৰু আনখন বাক্সা জিলাত, বৰ্তমান সেই কেইখনৰ নিৰ্মাণ কাৰ্য্য চলি আছে। সমগ্ৰ বি, টি, এ, ডিৰ অন্তৰ্গত অঞ্চলত মাত্ৰ তিনিখন বি, এড কলেজেই যথেষ্ট নহয়, আমাক আৰু লাগিব।

আমাৰ তাত মাত্ৰ ৬৬ খন হায়াৰ চেকেণ্ডাৰী স্কুল আছে, আৰু হাইস্কুল প্ৰায় ৫০৯৭ খন। বি, টি, এ, ডি যিহেতুকে এটা বৃহৎ অঞ্চল গতিকে ইয়াত আৰু চৰকাৰী শিক্ষা প্ৰতিস্থান লাগিছিল। পলিটেকনিক মাত্ৰ এখন আৰু আই, টি, আই, চাৰিখন আছে কিন্তু এই কেইখন নামত হে আছে ভালদৰে চলা নাই। যিহেতুকে তাত পৰ্য্যাপ্ত অধ্যাপক আৰু অন্যান্য কৰ্মচাৰীৰো অভাৱ আছে, আন্তঃগাঁথনিটোও সিমান ভাল নহয়। বিশেষকৈ আই, টি, আই, কেইখনৰ ওপৰত গুৰুত্ব

দিব লাগে যিহেতুকে তাৰ পৰা পাচ কৰা শিক্ষাৰ্থী সকলে সোনকালে কৰ্মসংস্থাপন লাভ কৰিবলৈ সক্ষম হয়। গতিকে মই মন্ত্ৰী মহোদয়ৰ এই সমগ্ৰ বিষয়টোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিলো।

মই আৰু কেইটামান বিষয়ৰ প্ৰতি মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে - Right to education, 2009 গঠন কৰা হল, কিন্তু Right to education ৰ জৰিয়তে যিখিনি সা- সুবিধা শিশু সকলে পাব লাগিছিল সেইখিনি পোৱা নাই। বিশেষকৈ বনাঞ্চল সমূহত বসবাস কৰা বড়ো আৰু আদিবাসী লৰা-ছোৱালী বিলাকে কোনো ধৰণৰ সা-সুবিধা লাভ কৰিবলৈ সক্ষম হোৱা নাই যিহেতুকে এই এলেকা সমূহত বৰ্তমানলৈকে শিক্ষানুস্থান গঠন কৰিবৰ কাৰণে সুযোগ দিয়া নাই। Right to education ৰ ব্যৱস্থা কৰাৰ পাছতো আজিলৈকে বড়ো আৰু আদিবাসী ল'ৰা-ছোৱালী বিলাক শিক্ষা গ্ৰহণ কৰাৰ সুবিধাৰ পৰা বঞ্চিত হৈ আছে। Right to education ৰ ব্যৱস্থাৰ জৰিয়তে আকাশৰ ওপৰত বা পানীৰ তলত থাকিলেও লৰা-ছোৱালী বিলাকক শিক্ষা গ্ৰহণ কৰাৰ সুবিধাৰ পৰা বঞ্চিত কৰিব নোৱাৰি। শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়ায়ো তেখেতৰ বক্তব্যত কৈছে যে সীমামূৰীয়া অঞ্চলত থকা স্কুল বিলাকো প্ৰভিন্সিয়েলাইজ কৰি হ'লেও তাত শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিব লাগে। বিশেষকৈ মাজবাট, ঢেকিয়াজুলী, চতিয়া আৰু বিশ্বনাথ চাৰিআলি আদি সমষ্টিৰ অন্তৰ্গত যিখিনি Reserved Areas আছে তাত বসবাস কৰা আমাৰ জনজাতি সম্প্ৰদায়ৰ লোক সকল যাতে শিক্ষা গ্ৰহণ কৰাৰ পৰা বঞ্চিত নহয় তাৰ প্ৰতি যেন লক্ষ্য ৰাখে।

মোৰ অন্তিমটো অনুৰোধ হল - বৰ্তমান অসমৰ বহু ঠাইত Model School ৰ নামত বহুত ডাঙৰ ডাঙৰ Building নিৰ্মাণ কৰা দেখিবলৈ পাইছো, বৰ্তমান Building বিলাক এনেয়ে আছে। এই Model School Building বিলাক কি ব্যৱস্থাত গঠন কৰা হৈছিল, ইয়াত কি দৰে নাম ভৰ্তি কৰা যাব, পাঠদান কৰা যাব আৰু কোনে এইবিলাক পৰিচালনা কৰিব এই বিলাক কথা কোনেও নাজানে। আজি ৩/৪ বছৰে পৰিত্যক্ত হৈ পৰি থকা School Building বিলাকৰ যাতে সৎ ব্যৱহাৰ হয় তাৰ বাবে মোৰ অনুৰোধ থাকিল। আমাৰ বিৰোধী পক্ষই মঞ্জুৰী কৰ্তনৰ যি প্ৰস্তাৱ আনিছে তাৰ বিৰুদ্ধে মোৰ এই বক্তব্য খিনি ৰাখি মোৰ বক্তব্য সামৰণি মাৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** ইতিমধ্যে আমাৰ সময় যিহেতুকে হৈ আহিছে সেয়েহে মই সদনৰ অনুমতি সপক্ষে ১০/১২ মিনিট মান সময় বৃদ্ধি কৰিব বিচাৰিছো। সদনৰ সন্মতি আছে নিশ্চয়ঙ্গ (আছে) এতিয়া মাননীয় বিধায়ক অখিল গগৈ ডাঙৰীয়া। আপোনাক বক্তব্য ৰাখিবলৈ দুই মিনিট সময় দিয়া হল।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** শ্ৰদ্ধেয় উপাধ্যক্ষ মহোদয়, মই যিখিনি কথা ক'ম, সেইখিনি আচলতে আমাৰ সন্মানীয় বিধায়ক গোবিন্দ বসুমতাৰী দাদা আৰু সন্মানীয় বিধায়ক ৰফিকুল ইছলাম, এই দুয়োজনে ইতিমধ্যে দি যোৱা ভাষণ দুটাৰ extension মাত্ৰ। মই তেখেতসকলৰ দুইটা ভাষণ wholeheartedly support কৰিছো। মই ভাৱো যে, আমাৰ শিক্ষামন্ত্ৰী ডাঙৰীয়াই প্ৰথম যিটো বস্তুত আটাইতকৈ বেছি importance দিয়া দৰকাৰ, সেইটো হ'ল যে drop out. আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ যিটো drop out rate, এতিয়া শেহতীয়াকৈ ওলাইছে ২০২১ চনত। ২০১৯-২০ ত drop out rate unified district information system for education য়ে উলিয়াইছে, তাত secondary level ত drop out rate দেখা গৈছে class ix ৰ পৰা class x লৈকে all India ত যিসময়ত ১৬.১ শতাংশ, সেই সময়ত অসমৰ drop out rate অৰ্থাৎ অসমত স্কুল এৰি দিয়া ল'ৰা-ছোৱালীৰ সংখ্যা ৩২.৩ শতাংশ। অৰুণাচলৰ

পাছতে অসমৰ স্থান । অৰ্থাৎ আমি আটাইতকৈ বেছি drop out হোৱা এখন ৰাজ্য। upper primary ৰ ক্ষেত্ৰত অৰ্থাৎ class vi ৰ পৰা class viii ৰ ভিতৰত all India rate টো হ'ল ২.৬ আৰু আমাৰ rate টো হ'ল ৩.৪। আমি ভাৰতবৰ্ষত তলৰ পৰা ১২ নম্বৰত আছো। প্ৰাইমাৰী লেভেলৰ drop out অৰ্থাৎ এল পি স্কুলতে যিয়ে স্কুল এৰি দিয়ে, তেনেকুৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা all India level ত ১.৫ শতাংশ আৰু অসমত ৪.৩ শতাংশ। গোটেই ভাৰতবৰ্ষৰ ভিতৰত আমি এই ক্ষেত্ৰত তলৰ পৰা ৬ নম্বৰত। আমাৰ অৱস্থা অতি বেয়া। মই ভাৱো যে, মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে শিক্ষা বিভাগৰ জৰিয়তে আমাৰ এই drop out rate টো যাতে ইমান বেয়া নহয়, আমাৰ যাতে কোনো ল'ৰা-ছোৱালীয়ে আধাতে স্কুল এৰিবলগীয়া নহয়, তাৰ কাৰণে যি infrastructure তৈয়াৰ কৰিব লাগে, তাৰ কাৰণে শিক্ষক নিযুক্তিকে ধৰি বা অন্যান্য যিবিলাক programme আছে, সেই programme বিলাকৰ সফল ৰূপায়ণ কৰিব লাগে, সেই ক্ষেত্ৰত গুৰুত্ব দিব লাগে। দ্বিতীয়তে মই আপোনালোকক ক'ব খোজো যে, উপাধ্যক্ষ মহোদয়, এইবাৰ HSLC আৰু হাইয়াৰ চেকেণ্ডাৰীৰ যিটো ৰিজাল্ট হ'ল, ৯৩ শতাংশলৈকে পাছ কৰিছে। তাৰ পাছত আচলতে এইবাৰ ল'ৰা-ছোৱালী বিলাকে কেনেকৈ কলেজত স্থান পাব? নাম ভৰ্তিৰ কাৰণে সাধাৰণতে সাংঘাতিক ধৰণে ঠাইৰ অভাৱ ঘটিব। গতিকে এইক্ষেত্ৰত শিক্ষা বিভাগে যুদ্ধকালীন তৎপৰতাৰে ব্যৱস্থা ল'ব লাগে, যাতে আকৌ drop out হ'ব লগা নহয়। যাতে ল'ৰা-ছোৱালী যিসকলে পাছ কৰিছে, সকলোৰে যাতে কলেজত পঢ়াৰ স্থান পায় বা ডিগ্ৰীত পঢ়াৰ স্থান পায়, তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মই শিক্ষামন্ত্ৰী মহোদয়ক এইক্ষেত্ৰত আগভাগ লবৰ কাৰণে আহ্বান জনাইছো। তৃতীয়তে, মোৰ ক'বলগীয়া কথাটো হ'ল যে নতুন শিক্ষানীতি ২০২০, এইটো এটা transitional period.আমি নতুন শিক্ষানীতি গ্ৰহণ কৰিবলৈ গৈ আছো, implement কৰিবলৈ গৈ আছো। গতিকে এইটো যাতে effectively implement কৰিব পাৰো তাৰ কাৰণে শিক্ষা বিভাগে অতি সোনকালে বিধান সভাৰ এখন বিশেষ অধিবেশন অনুষ্ঠিত কৰি মাননীয় সকলো সদস্যৰ মতামত গ্ৰহণ কৰি কেনেকৈনো আচলতে এইটোৰ ক্ষেত্ৰত আগবাঢ়িব পৰা যাব, এই সম্পৰ্কত সিদ্ধান্ত গ্ৰহণ কৰিব লাগে নতুন শিক্ষানীতিত sports ক অৰ্থাৎ ক্ৰিয়াক অত্যন্ত গুৰুত্ব আৰোপ কৰা হৈছে। ইয়াত কোৱা হৈছে যে, শিক্ষানীতিৰ এটা integral part হ'ব ক্ৰিয়া। গতিকে ক্ৰিয়াৰ আন্তঃগাথনি নিৰ্মাণৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে মই ভাৱো যে, শিক্ষা বিভাগে যথেষ্ট গুৰুত্ব প্ৰদান কৰা উচিত। আনহাতে আমাৰ শিক্ষাবিভাগটো যথেষ্ট পৰিমাণে যদি আগবাঢ়িবলৈ হয়, তেতিয়া শিক্ষক নিযুক্তি একেবাৰে transparent হ'ব লাগিব। কোনোপধ্যেই স্বজন-পোষণ এনেকুৱা ধৰণে ঘোচ দি বা অন্য ধৰণে কোনো পধ্যেই শিক্ষক নিযুক্তি হ'ব নোৱাৰে। সেই কাৰণে মই ভাৱো যে শিক্ষা বিভাগে এইক্ষেত্ৰত সদায় যাতে নিয়ম পালন কৰে, তাৰ কাৰণে এটা পলিচি, নিযুক্তিৰ এটা পলিচি, তেওঁলোকে তৈয়াৰ কৰিব লাগে আৰু অসম বিধান সভাত এই পলিচি পাছ কৰোৱাব লাগে। মই ভাৱো যে শিক্ষা বিভাগটো যদি সচাঁকৈয়ে ভাল কৰিব লাগে, তেতিয়াহ'লে এল পি স্কুলৰ পৰা ইউনিভাৰচিটি পৰ্য্যন্ত সকলো শিক্ষকৰ প্ৰশিক্ষণ খুব প্ৰয়োজন আৰু সেই কাৰণে শিক্ষা বিভাগে এইক্ষেত্ৰত এখন আঁচনি গ্ৰহণ কৰিব লাগে, যাতে আমি গুণগত শিক্ষা লাভ কৰিব পাৰো।

**মাননীয় উপাধ্যক্ষ ঃ** গগৈ ডাঙৰীয়া, আপুনি লিখি আনিছে নেকি?

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** হয় মই লিখি আনিছো।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি চাবমিট কৰি দিয়ক। আমি add কৰি দিম।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** হয় মই আৰু দুটা পইণ্ট কৈ lay কৰি দিম। ক'ভিড ১৯ আৰু lock down ৰ পিছত আমাৰ শিক্ষাবিভাগটো degital learning ৰ দিশে গুচি গৈছে।গতিকে এইক্ষেত্ৰত মই ভাৱো যে শিক্ষা বিভাগে অসমত infrastructure গঢ়ি তুলিবৰ কাৰণে আৰু বিশেষকৈ ছাত্ৰ-ছাত্ৰী সকলৰ মোবাইল ফোন পৰ্য্যন্ত নাই, এইক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে অনুৰোধ জনাইছো আৰু প্ৰত্যেকটো ব্লকতে পাৰিলে গাৱেঁ গাৱেঁ আই টি আই স্থাপন কৰিব লাগে যাতে, আমাৰ প্ৰত্যেকজন ল'ৰা-ছোৱালীয়ে নিজকে নিয়োজিত কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। শেষত মই ক'ব খুজিছো যে যিহেতু আমাৰ শিক্ষাৰ এতিয়া প্ৰধান উদ্দেশ্যটো হ'ল নিযুক্তি, গতিকে নিযুক্তিৰ ক্ষেত্ৰত যাতে ১০০ শতাংশ শিক্ষিত নিবনুৱাক আমি নিযুক্তি দিব পাৰো, তাৰ কাৰণে এটা আলোচনা হ'ব লাগে। ভেঞ্চাৰ স্কুলৰ বিষয়ে ইতিমধ্যে আমাৰ ৰফিকুল ইছলাম ডাঙৰীয়াই ক'লে আৰু contractual teacher, গোটেই বিদ্যালয় বিলাকত contractual teacher সকলক নিয়োগ কৰা হৈছে। তেওঁলোকক অতি সোনকালে নিয়মীয়া কৰিব লাগে। মই এইখন lay কৰি দিছো।

(লিখিতখিনি মাননীয় উপাধ্যক্ষ মহোদয়ৰ হাতত জমা দিয়ে)

**মাননীয় উপাধ্যক্ষ ঃ** Thank you, Next speaker কমলাক্ষ্য দে পুৰকায়স্থ ।

**কমলাক্ষ দে পুরকায়স্থ (উত্তর করিমগঞ্জ)-** মাননীয় অধ্যক্ষ মহোদয়, শিক্ষিত হয়ে যদি সঠিক কে সঠিক, সত্যকে সত্য ন্যায়কে ন্যায়, ভুলকে ভুল.....

**উপাধ্যক্ষ ঃ-** আপনার টাইম ৮ মিনিট দিছে দলে। এটো মনত ৰাখিব।

**কমলাক্ষ দে পুরকায়স্থ (উত্তর করিমগঞ্জ) ঃ** দলে যিটো দিছে, সেইটো মানিব লাগিব স্যার। "মিথ্যাকে মিথ্যা, অন্যায়কে অন্যায়, প্রতারককে প্রতারক বলার সৎ সাহস যদি না থাকে তাহলে আপনি সমাজের বোঝা ছাড়া আর কিছুই না। আপনার সমস্ত শিক্ষা অর্জন মিথ্যা"-- স্বামী বিবেকানন্দ। অর্থাৎ অধ্যক্ষ মহোদয়, যে শিক্ষায় মানুষ বলতে শেখায় না সেই শিক্ষা আবার কিসের শিক্ষা?

আমাদের অনেক বক্তা অর্থাৎ মাননীয় বিধায়করা অনেক ভালো-ভালো কথা উপস্থাপন করেছেন। আমি কর্তন প্রস্তাব সমর্থন করে আমি দু-চারটি কথা বলতে যাচ্ছি। ২০১১ সালে যখন আমি বিধায়ক হই, একটি স্বপ্ন নিয়ে বিধায়ক হয়েছিলাম। সেই স্বপ্নটি ছিল যে অসমের একটি সুষ্ঠু-সুন্দর পরিবেশ, অসমের যুবকদের চাকরি এবং সেই ক্ষেত্রে ২০১১তে প্রোভিনশিয়েলাইজেশন অ্যাক্ট করা হয়। সেই মর্মে অনেককে চাকরি দেওয়া হয় শিক্ষক হিসাবে। সেটা একটা ঐতিহাসিক সিদ্ধান্ত ছিল। তখনকার শিক্ষামন্ত্রী বর্তমানের মুখ্যমন্ত্রী মাননীয় হিমন্তবিশ্ব শর্মা মহাশয়। পরবর্তী সময় ২০১৭ তে আবার আইন পরিবর্তন করা হয় এবং টিচারকে টিউটর করা হয়। এবং অনেকগুলো ক্লজ লাগিয়ে যাদের আগে প্রোভিনশিয়েলাইজ হওয়ার কথা ছিল এই ২০১৭-র অ্যাক্টে অনেক শিক্ষককে প্রোভিনশিয়েলাইজড করা হল না। এবং টিচার থেকে টিউটর করা হল। আমরা দেখেছি, ইলেকশনের আগেই তড়িঘড়ি একটা সিদ্ধান্ত নেওয়া হল। আমার মনে হলো, সেটা ভোটের জন্য নাকি? অধ্যক্ষ মহোদয়, বড় বিষয় হচ্ছে, যেগুলি স্কুল স্টেট স্ক্রুটিনি কমিটি থেকে অ্যাপ্রোভ করে সরকারের কাছে পাঠানো হয়েছিল আমরা দেখতে পারলাম সেই স্কুলগুলোকে অনুমোদন দেওয়া হল না। নিশ্চয় কোথাও একটা ভুল আছে। হয়তো বা স্টেট স্ক্রুটিনি কমিটির ভুল বা ডিস্ট্রিক্ট স্ক্রুটিনি কমিটির ভুল বা সরকারের আধিকারিকদের ভুল। কোথাও তো একটা ভুল নিশ্চয় আছে। কারণ, আইনে বলা হচ্ছে যে এই আইনের পরিপ্রেক্ষিতে ওদেরকে আপনি প্রোভিনশিয়েলাইজ

করতে পারবেন। যদিও টিচার থেকে টিউটর করা হল আমাদের কোনও আপত্তি নেই, যেহেতু অ্যাসেম্বলিতে সিদ্ধান্ত হয়েছে, যেহেতু অ্যাক্ট পাস হয়েছে, সেখানে আমার কিছু বলার নেই। কিন্তু স্টেট লেভেল স্ক্রুটিনি কমিটি যাদেরকে অনুমোদন দিল, যাদের নাম পাঠিয়ে দিল, ওদের নাম কেন দেওয়া হল না, ওদেরকে টিউটর হিসাবে কেন দেওয়া হল না? তাই আজকের দিনে আমার প্রশ্ন, যাদের নাম স্টেট লেভেল স্ক্রুটিনি কমিটি থেকে রিকমেন্ড করা হয়েছে, ওদেরকে যাতে প্রত্যেককে টিউটর হিসাবেই চাকরি দেওয়া হয়। আজ মন্ত্রী মহোদয়ের কাছে সেটাই আমি অনুরোধ করছি। আমি মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছোঁ যে, আপুনি সেইখিনি ব্যৱস্থা ইমপ্লিমেন্ট কৰক টকা দিবলৈ আমাৰ কোনো আপত্তি নাই, আমিটো গোটেইকেইটা সমৰ্থনে জনাম। কিন্তু আমি সমৰ্থন জনাম কিন্তু এইখিনি কাম যদি নহয় তেনেহলে অসমৰ ৰাইজ কেতিয়াও উপকৃত নহব। আপোনাৰ ওচৰত মোৰ বিনম্ৰ অনুৰোধ যে আপুনি এইখিনি বস্তু ইমপ্লিমেন্ট কৰক আৰু বহুতখিনি বস্তু আছে যদিও কোৱাৰ সময় নাই, উপাধ্যক্ষ মহোদয়, কব নোৱাৰিম, বিগত দিনত লিখিত ভাৱে আপোনাৰ ওচৰত দিম। আজি প্ৰাদেশীকৰণ কৰা হৈছে, বহুতখিনি স্কুল, জাপৰ দুৱাৰ হায়াৰ চেকেণ্ডাৰী স্কুল, সেইখিনি স্কুল গোটেই নম্চতে পৰি থাকে। কিন্তু সিহতক প্ৰাদেশীকৰণ কৰা নহ'ল। সেইখিনি বস্তু চালিজাৰি চাই যাতে প্ৰত্যেক খন প্ৰাদেশীকৰণ হয় সেইখিনি বস্তু লিগেল আছে, সেইখিনি অনুৰোধ জনাই মন্ত্ৰী মহোদয়ৰ সদ উত্তৰ তথা সদ সিদ্ধান্ত দিয়ে সেইটো জনাই মোৰ বক্তব্য সামৰিলোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া দুটা ঘোষণা আছে, প্ৰথমটো হৈছে ২০২১-২২ বিত্তীয় বৰ্ষৰ বাজেট অধিবেশন উপলক্ষে মাননীয়া বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে অসম বিধান সভাৰ চৌহদৰ অস্থায়ী লবিত আজি দিনৰ এক বজাত দুপৰীয়াৰ আহাৰ আয়োজন কৰিছে। চৰকাৰৰ সমূহ মন্ত্ৰী তথা মাননীয় বিধায়ক সকলক অংশ গ্ৰহণৰ কাৰণে অনুৰোধ জনোৱা হ'ল।

দ্বিতীয় ঘোষণাটো হৈছে, ২০২১-২২ বিত্তীয় বৰ্ষৰ বাজেট অধিবেশন উপলক্ষে মাননীয়া বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে অসম বিধান সভাৰ নতুন বিধায়ক আৱাস গৃহৰ কেন্টিনত আজি দিনৰ এক বজাত দুপৰীয়া আহাৰৰ আয়োজন কৰিছে, তাত প্ৰচাৰ মাধ্যমৰ লগত জড়িত সমূহ ব্যাক্তিক অংশ গ্ৰহণ কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

সদন আজি আবেলি ২.৩০ বজালৈ স্থগিত ৰখা হ'ল।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী অমিয় কুমাৰ ভূঞা।

**শ্ৰী অমিয় কুমাৰ ভূঞা (বিহপুৰীয়া) ঃ** নমস্কাৰ মাননীয় অধ্যক্ষ মহোদয়, বিৰোধীয়ে আগবঢ়োৱা কৰ্তন প্ৰস্তাৱ বিৰোধিতা কৰি মই শিক্ষা বিষয়ত **২০২১-২২** চনত যি বাজেট উত্থাপন কৰিছে, সেই বিষয়ত মোৰ দৃষ্টিভঙ্গী প্ৰকাশ কৰিবলৈ আগবাঢ়িছো। ইতিমধ্যে আমি বাৰ্ষিক বাজেটত দেখিছো প্ৰাথমিক শিক্ষা, মাধ্যমিক শিক্ষা, উচ্চ শিক্ষা, কাৰিকৰী শিক্ষাত যিখিনি বিষয় আনিছে, সেই বিষয়খিনিয়ে আহি থকা শিক্ষা খণ্ডত এটা আমূল পৰিৱৰ্তন আনিব আৰু সমুহিক ভাৱে ছাত্ৰ-ছাত্ৰীৰ উৎকৰ্ষ সাধন কৰিবৰ কাৰণে প্ৰাথমিক শিক্ষাৰ শিতানত এক হাজাৰ খন প্ৰাথমিক শিক্ষানুষ্ঠানৰ উৎকৰ্ষ সাধনলৈ পৰিণত কৰা, যিটো বাজেটত বিষয় ডাঙি ধৰিছে, আমি অতিকৈ আনন্দিত হৈছো আৰু এই বিষয়টোক আমি আদৰণি জনাইছো যে প্ৰাথমিক শিক্ষাৰ পৰা উঠি অহা শিশুসকলৰ নিজৰ সুন্দৰ আৰু প্ৰকৃত ভৱিষ্যতৰ বাবে এই বাজেটৰ জৰিয়তে আগবঢ়াব বিচৰা হৈছে।

শিক্ষানুষ্ঠান বিলাক পৰিচালনা কৰিবৰ বাবেও শেহতীয়া ভাৱে শিক্ষা বিভাগৰ জৰিয়তে

যিবিলাক ব্যৱস্থা লোৱা হৈছে, বিদ্যালয় বা মহাবিদ্যালয়, এই বিদ্যালয়ৰ পৰিচালনা সমিতি সমূহৰ জৰিয়তে শিক্ষানুষ্ঠানৰ আন্তঃগাঁথনি উন্নয়নৰ লগে লগে দৈনন্দিন শিক্ষানুষ্ঠানখনত প্ৰয়োজনীয় যিখিনি সা-সামগ্ৰী বা আহিলা পাতি ইত্যাদি বিষয়ত শেহতীয়াভাৱে শিক্ষা বিভাগে সুস্পষ্ট ভাৱে নিৰ্দেশনা দিছে, যিখিনি বিষয় পূৰ্বতে কেতিয়াও দেখা পোৱা নাছিল। আমি এগৰাকী ছাত্ৰৰ activist হিচাপে অনুভৱ কৰো যে ৰাজ্যখনত শিক্ষাৰ যি পাঠ্যক্ৰম, পাঠ্যপুথি আৰু পৰীক্ষা পদ্ধতি, এইখিনি সময় সাপেক্ষে উচিত ভাৱে আগবঢ়াই নিয়াৰ কাৰণে ইয়াত পৰ্য্যালোচনা কৰাৰ আৱশ্যক আছে আৰু সেই আৱশ্যকখিনিও আমি আহি থকা দিনত দিবৰ কাৰণে শিক্ষা শিতানত শিক্ষা বিভাগৰ জৰিয়তে প্ৰয়াস কৰা দেখা গৈছে। বিশেষকৈ অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক বাহিৰলৈ গৈ, বৃটেইন আমেৰিকা আদিত internship আদি ৰখা হৈছে, তেনেধৰণে ময়ো ইয়াত সংযোজন ৰাখিবৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ জনাব খুজিছো, মেডিকেলৰ ছাত্ৰ-ছাত্ৰীয়ে হওঁক, ইঞ্জিনীয়াৰিং কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে হওঁক তেওঁলোকৰা কাৰণেও যাতে সেই সুবিধাখিনি ৰাখে।

একে লগতে মই ভাৱো যে পশ্চিমীয়া শিক্ষা আৰু পশ্চিমীয়া সা-সুবিধাই ৰাজ্যখনত চৰকাৰী শিক্ষানুষ্ঠানলৈ যি প্ৰত্যাহ্বান আছে, সেই প্ৰত্যাহ্বান মোকাবিলাক কৰিবৰ কাৰণে এতিয়া সময় সমাগত। গতিকে মই ভাৱো যে শিক্ষানুষ্ঠানৰ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত ৰাজ্যখনৰ এটা নিজস্ব মডেল থাকিব লাগে। যিটো মডেলত বাহিৰা funding ৰ জৰিয়তে ইয়াত শিক্ষানুষ্ঠান কৰিছে বা private ত ফালৰ পৰাও খুলিছে, সেই মডেলটোক যাতে পাৰ কৰি লৈ যাব নোৱাৰে, তেনেকুৱা কথাও বিবেচনা কৰিব পাৰি নেকি, মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

শেষহতীয়া ভাৱে TET ৰ জৰিয়তে গুণগত যুৱক-যুৱতীক শিক্ষক হিচাপে নিয়োগৰ যি বাট মুকলি কৰিলে, যাৰ জৰিয়তে চৰকাৰী শিক্ষানুষ্ঠান বিলাকলৈ আশাৰ বতৰা আহিছে। অভিভাৱক সকলেও এতিয়া নিজৰ ল'ৰা-ছোৱালীক শেহতীয়া ভাৱে চৰকাৰী বিদ্যালয়লৈ পঠোৱাৰ এটা পৰিৱেশ হৈছে। এই পৰিৱেশটো ধৰি ৰাখিবৰ কাৰণে আমি আমাৰ শিক্ষানুষ্ঠানৰ পৰিৱেশসমূহ যাতে সুন্দৰকৈ, ল'ৰা-ছোৱালীবিলাক আকৃষ্ট কৰিবৰ কাৰণে যিখিনি যাৱতীয় সুবিধা তাত থাকিব লাগে, সেইখিনি সুবিধা তাত সংযুক্ত কৰাৰ ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

বিশেষভাৱে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কিছুমান সমস্যা আছে, যিবিলাক শিক্ষকৰ পদ খালী হয় সেইটো ৰাজ্যখনৰ সমস্যা আৰু এটা কথা যে বিষয় শিক্ষক বিলাকক যাতে নিযুক্তি কৰাৰ কোনো বিলম্ব নহয়, এই ক্ষেত্ৰত মনোনিবেশ কৰিবৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। একে লগতে স্কুল বিলাক amalgation ক লৈ issue হৈছে স্থানীয় ভাৱে। আমাৰ স্কুলখনৰ ঐতিহ্য আছে, আমাৰ স্কুলখনৰ পৰম্পৰা আছে। স্কুলত ক'ৰবাত চামিল কৰিব বিচৰা হৈছে। স্থানীয় ভাৱে শেহতীয়াকৈ তেনে ধৰণৰ পৰিৱেশ হৈছে। এই বিষয়তো অতি সংবেদনশীল বিষয় হিচাপে গ্ৰহণ কৰিবৰ বাবে মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

আমাৰ মহাবিদ্যালয় সমূহত বহুতো খালী পদ আছে। সেই খালী পদ বিলাক পূৰণ নোহোৱাৰ ফলত নিৰ্দিষ্ট বিষয়ৰ ওপৰত শিক্ষা গ্ৰহণ কৰিবৰ কাৰণে ছাত্ৰ-ছাত্ৰীয়ে সমস্যাৰ সন্মুখীন হয়। এই বিষয়টোৰ ওপৰত খৰতকীয়া ভাৱে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব পাৰে, মই মাননীয়

অধ্যক্ষ মহোদয়ৰ জৰিয়তে শিক্ষামন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিছো।

আমাৰ ৰাজ্যত PPE mode ত ভাল মডে'ল স্কুল স্থাপন কৰিব পাৰো নেকি ? ৰাজ্যখনত বহুতে বাহিৰৰ পৰা আহি বেহা-বেপাৰ কৰিছে বা আয় কৰিছে। এই ৰাজ্যখনৰ প্ৰতি তেওঁলোকৰ যে obligation আছে, তেওঁলোকে তেনেধৰণে support কৰা, সেই বিষয়টোৰ ক্ষেত্ৰতো মনোনিৱেশ কৰিবৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে শিক্ষামন্ত্ৰী মহোদয়ক মই নিবেদন জনাইছো।

আমি আনন্দিত হৈছো যে আমাৰ মাননীয় মন্ত্ৰীয়ে আমাৰ বিধায়ক সকলোলৈ যি আহ্বান যে বিধায়ক সকলোৰে এখন আদৰ্শ হাইস্কুল হিচাপে গ্ৰহণ কৰিব লাগে লগতে আদৰ্শ হাইস্কুলক ৰাষ্ট্ৰীয় মানৰ শিক্ষানুষ্ঠান হিচাপে গঢ় দিব কাৰণে যিখিনি দিহা পৰামৰ্শ আগবঢ়োৱা হৈছে, মই ভাৱো ইয়াৰে এটা সুদুৰ প্ৰসাৰী প্ৰভাৱ আমাৰ ৰাজ্যখনত পৰিব, যাৰ জৰিয়তে আমাৰ শিক্ষা ব্যৱস্থাৰ জনপ্ৰতিনিধি সকলো বা সমাজৰ কাম কৰা সকলৰ দায়বদ্ধতা যে শিক্ষা খণ্ডত কাম কৰাৰ প্ৰয়োজন আছে। মই ভাৱো যে মূখ্যমন্ত্ৰী মহোদয়ৰ এইটো এটা ঐতিহাসিক আহ্বান আৰু এনেকুৱা শিক্ষানুষ্ঠান পাতিবৰ কাৰণে ৰাইজ ওলাই অহা বা নতুন পৰিবেশ আগবঢ়াইছে।

এইবাৰ বাজেটত শিক্ষা বিভাগত সৰ্বাধিক ধন আৱন্টন কৰা দেখা গৈছে। এইটো অতি আদৰণীয় পদক্ষেপ। শিক্ষাৰ জৰিয়তে আমি সমাজক পোহৰ বিলাব পৰিম, শিক্ষাৰ জৰিয়তে আমি সমন্বয় গঢ়িব পাৰিম, শিক্ষাৰ জৰিয়তে আমি জ্ঞান আহৰণ কৰিব পাৰিম, শিক্ষা জৰিয়তে আমাৰ দীৰ্ঘদিনৰ যিবিলাক ব্যাধি আছে, সেই ব্যাধি বিলাক উৎখাত কৰিব পাৰিম। মোৰ নিবেদন আছে, শিক্ষানুষ্ঠান সমূহৰ যি শ্ৰেণীসমূহ আৰম্ভ হোৱাৰ সময়, সেই বিষয়টো চৰকাৰে মণ প্ৰাণ দিব লাগে।

বিশ্ববিদ্যালয় এখন Autonomous body। শেষত গোটেই সা-সুবিধা দিয়াৰ কথা চৰকাৰলৈ আহে। গতিকে বিশ্ববিদ্যালয় কেনেকৈ পৰিচালনা হৈছে বা বিদ্যালয় বিলাক কেনেকৈ পৰিচালনা হৈছে, চৰকাৰৰ তাত নজৰ থাকিব লাগে। চৰকাৰে দিয়া যিবিলাক দা-দৰমহা, ভাট্টা বা সাহায্য সেই বিলাক যাতে সঠিক ভাৱে ব্যৱহাৰ হওঁক, তাৰ অনিয়ম নহয়, সেইবিলাকতো চৰকাৰে চোকাভাৱে নজৰ দিয়াৰ আৱশ্যক আছে।

মই আনন্দিত হৈছো যে মোৰ সমষ্টিত মাধৱদেৱ বিশ্ববিদ্যালয় মুকলি কৰিবৰ বাবে তিনিটা বছৰৰ কাৰণে বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে ৫০ কোটি টকা আৱন্টন দিছে। তাৰ জৰিয়তে আশাৰ বতৰা কঢ়িয়াই আনিলে। মই তাৰ বাবে ইয়াৰ পৰা মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মূখ্যমন্ত্ৰী মহোদয়, মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়ানী লগতে শিক্ষামন্ত্ৰী মহোদয়ক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। বিজ্ঞান শিক্ষা প্ৰসাৰৰ বাবে বিজ্ঞান মহাবিদ্যালয় বিচাৰিছো, অভিযান্ত্ৰিক মহাবিদ্যালয় আদি বিভিন্ন মহাবিদ্যালয় বিচাৰিছো। গতিকে আমি আশা ৰাখিছো যে অহা পাঁচ বছৰৰ ভিতৰত আপোনালোকৰ বাবে এনেকুৱা অনুষ্ঠান-প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰি লগতে ইয়াক সাংস্কৃতিক প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি যাতে কাম কৰিব পাৰো সেই আশাৰে মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া দিগন্ত বৰ্মন ডাঙৰীয়াই কওঁক।

**শ্ৰী দিগন্ত বৰ্মন (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই শিক্ষা বিভাগৰ কৰ্তন প্ৰস্তাৱৰ সপক্ষে কেইটামান কথা ক'ব বিচাৰিছো। যদিও কৰ্তন প্ৰস্তাৱ বুলি কোৱা হৈছে কিন্তু মোৰ এইটো উদ্দেশ্য নহয়। মই মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াক এই প্ৰস্তাৱৰ যোগেদি কেইটামান কথা দৃষ্টিগোচৰ কৰিব বিচাৰিছো। ইতিমধ্যে আমাৰ মাননীয় সদস্যসকলে যিখিনি কথা কৈ গৈছে মই যিখিনি কথা ক'ব

বিচাৰিছো তাৰ লগত মিল আছে। মই মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। তেখেতে মোৰ পৰা Whatsapp নম্বৰ বিচাৰিছিল আৰু তাতেই তেওঁ মোক সমগ্ৰ শিক্ষা মিশ্যনৰ গোটেই খচৰাখন দি পঠিয়াইছে আৰু মই প্ৰিণ্ট কৰি লৈছো। ইয়াত এটা কথা কোৱা হৈছে যে এগৰাকীৰ পৰা পোন্ধৰ গৰাকী ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়ক বাৰ হাজাৰ পাঁচ শ টকা দিব আৰু ষোল্লৰ পৰা এশলৈকে পচিশ হাজাৰ টকা দিব। এইক্ষেত্ৰত অমিয় কুমাৰ ডাঙৰীয়াও কৈ গৈছে আৰু মোৰ মনতো আহিছে যে এই স্কুলসমূহ যেতিয়া স্থাপিত হৈছিল তাৰ লগত মানুহৰ আবেগ-অনুভূতি জড়িত হৈ থাকে। কোনোবা মানুহে হয়তো মাটি দান কৰিছিল, কোনোবাই হয়তো সেই সময়ত খেতিবাতি কৰি যি দুই পইচা ৰাহি হয় সেই পইচাৰে স্কুলখন বনাইছিল। এনেকৈ এটা সময়ত কৰিছিল। এতিয়া ছাত্ৰ-ছাত্ৰীৰ অভাৱ হৈছে আৰু অভাৱৰ কাৰণে বেলেগ স্কুলৰ লগত একত্ৰিত কৰি দিব এই কথাটো মানুহে সহ্য কৰিব পৰা নাই। ইয়াত যিহেতু হিচাপ কৰিছে মাননীয় মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত এটা সঠিক সিদ্ধান্ত ল'ব লাগে যাতে মানুহৰ আবেগ অনুভূতিক সন্মান কৰি আমি এই স্কুলসমূহ Amalgamation নকৰো। সেইটোৰ এটা ব্যৱস্থা ল'বলৈ অনুৰোধ কৰিলো। ইয়াৰ পিছতো বহুখিনি কথা ক'বলৈ আছে, কিন্তু বেছি সময় নাই সেয়েহে মই এটা কথাই ক'বলৈ বিচাৰিছো আৰু মাননীয় অখিল গগৈ ডাঙৰীয়াইও কৈ গৈছে যে এইবাৰ মেট্ৰিক আৰু হায়াৰ চেকেণ্ডাৰী স্কুলৰ ৰিজাল্ট খুব ভাল হৈছে। প্ৰায় ৯৩ ৰ পৰা ৯৫ শতাংশ পাচ কৰিছে। ডাঙৰ সমস্যাটো হ'ব নাম ভৰ্তিৰ সময়ত। মই মাননীয় মন্ত্ৰী মহোদয়ক কৈছো যে আপোনালোকে ২০১৪ চনৰ ১২ জুনত এখন অৰ্ডাৰ দিছিল Joint Director to the Secondary Eduction to Introduction of Science Stream বহুত স্কুলত এনেধৰণে বিজ্ঞানশাখা খোলা হৈছে আৰু তাৰ বাবে টকাও দিয়া হৈছে। আমাৰ কমাৰকুছি হাইস্কুলৰ প্ৰধান শিক্ষক ডাঙৰীয়াই এখন চিঠি আপোনাক দিবলৈ দিছে আৰু মই আপোনাক দিম যে ইয়াত লোকনিৰ্মাণ বিভাগক কাম কৰিবলৈ সোতৰ লাখ ছয়ত্ৰিশ হাজাৰ টাকা দিয়া হৈছিল আৰু বিল্ডিঙৰ কামো হৈ গ'ল। ঠিক তেনেকৈ নলবাৰী জিলাতো আঠখন স্কুল দিয়া হৈছিল কটৰা, পশ্চিম বনভাগ, পিপলীবাৰী, হেলচা, কালদি গোপালথান আৰু লগতে মোৰ সমষ্টি পূৰ বৰক্ষেত্ৰীৰ কমাৰকুছিতো দিছিল, কিন্তু কোনো কাম নহ'ল। বিল্ডিংবোৰ বনোৱা হৈ থাকিল আৰু ২০১৬ চনৰ জুলাই মাহত পৱন বৰঠাকুৰ ডাঙৰীয়াই অৰ্ডাৰ দিলে তেওঁ তেতিয়া প্ৰিঞ্চিপাল চেক্ৰেটাৰী আছিল। ২০১৬ চনৰ ৬ জুলাই তাৰিখে শিক্ষা বিভাগৰ যুটীয়া সচিবে এটা অৰ্ডাৰ দিছিল। ২০১৬ চনত যেতিয়া বহু ল'ৰা-ছোৱালীয়ে পাচ কৰিলে তেতিয়া নাম ভৰ্তিৰ সময়ত তেওঁলোকে নাম ভৰ্তি কৰিব পৰা নাছিল। প্ৰধান শিক্ষক সকলক কোৱা হ'ল যে যদি কোনো যোগ্য শিক্ষক আছে আপোনালোকে নাম ভৰ্তি কৰি ছাত্ৰ-ছাত্ৰীখিনিক পঢ়াব লাগে। এবছৰমান পঢ়াৰ পিছত ফেকাল্টি নোহোৱা হ'ল। সেইক্ষেত্ৰত মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে এইকেইখন স্কুলৰ উপৰিও যদি মাননীয় বিধায়ক সকলৰ অন্য কোনো স্কুল আছে সেই সমূহক হাইস্কুল পৰ্য্যায় লৈকে উন্নত কৰি দিয়ে। এইবাৰ যদি এই কামটো কৰিব নোৱাৰো নামভৰ্তি কৰাটো বৰ ডাঙৰ কথা হ'ব। আমাৰ ল'ৰা-ছোৱালী সকলে পঢ়িব নোৱাৰিব। গতিকে আপুনি যদি মাননীয় মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰি অতি শীঘ্ৰে এই সমূহ স্কুলত হায়াৰ চেকেণ্ডাৰী স্কুললৈকে উন্নত কৰি দিয়ে। আপোনালোকে এতিয়া এক লাখ চাকৰি দিম বুলি কৈছে। তাৰে ভিতৰত Subject Teacherৰ পোষ্ট খিনি যদি চেংচন কৰে তেতিয়া গোটেই ছাত্ৰ সমাজৰ বৃহৎ উপকাৰ হ'ব। তাৰোপৰি বহু কলেজত স্থায়ী প্ৰধান শিক্ষক নাই। তাৰে ভিতৰত মোৰ বৰক্ষেত্ৰী আৰু বৰভাগ দুয়োখন কলেজত স্থায়ী প্ৰিঞ্চিপাল নাই। ইনচাৰ্জ

প্ৰিঞ্চিপালৰ দ্বাৰা চলি আছে। সেয়েহে মই মাননীয় মন্ত্ৰী মহোদয়ক এইক্ষেত্ৰত ব্যৱস্থা ল'বলৈ অনুৰোধ কৰিছো। কলেজৰ গভৰ্ণিং বডিৰ ক্ষেত্ৰত আমাৰ হায়াৰ এডুকেশ্যনৰ পৰা এটা অৰ্ডাৰ আছিল যে Prisedent of G B shall be a person from the field of education shall not be a political person and he should not be contested any election. মই কাৰো নাম ক'বলৈ যোৱা নাই কিন্তু নিৰ্ব্বাচনত প্ৰতিদ্বন্দিতা কৰা লোকেও জি বি ৰ প্ৰেছিডেণ্ট হৈ আছে। এইক্ষেত্ৰত শিক্ষা মন্ত্ৰীয়ে এটা ব্যৱস্থা গ্ৰহণ কৰক আৰু শিক্ষাবিদক কৰক আমি ভাল পাম। আমাৰ মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াই সিদিনাখন গংগা পুখুৰী হাইস্কুলত গৈছিল। আমাৰ জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াও গৈছিল, আমি অতি ভাল পাইছো। তেখেতে কৈছিল যে যিবিলাক স্কুলৰ ৭৫ আৰু ১০০ বছৰ হ'ব তেওঁ সেইসমূহক বহুত পইচা দিব। মোৰ বৰভাগ সমষ্টিৰ দুখন স্কুল ইয়াত পৰিছে। মই ইয়াৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াই বহু কাম কৰিছে আৰু মোৰ নলবাৰী জিলাৰ এই আঠখন বিদ্যালয় যাতে অতিশীঘ্ৰে হায়াৰ চেকেণ্ডাৰীলৈ উন্নত কৰে তাৰ বাবে মই কামনা কৰি মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া পোনাকণ বৰুৱা ডাঙৰীয়াই ক'ব।

**শ্ৰী পোনাকণ বৰুৱা (চাবুৱা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অন্য দলৰ সময় ল'ব বিচৰা নাই। আমাৰ ফালৰ পৰা ৰমেন্দ্ৰ নাৰায়ণ ডাঙৰীয়াই কৈছে মই আৰু নকওঁ। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া দুৰ্গা দাস বড়ো ডাঙৰীয়াই কওঁক।

**শ্ৰী দুৰ্গা দাস বড়ো (কলাইগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ আগতে কেইবাজনো সন্মানীয় সদস্যই শিক্ষাৰ ক্ষেত্ৰত বহু ভাল পৰামৰ্শ আগবঢ়াইছে। মই কৰ্ত্তন প্ৰস্তাৱৰ সপক্ষে কেইটামান কথা কৈ চৰকাৰে কৰ্ত্তন প্ৰস্তাৱৰ পৰিৱৰ্তে অধিক কাম কৰিব পাৰে আৰু প্ৰয়োজন সাপেক্ষে আৰু টকা লওঁক আমাৰ ক'বলগীয়া নাই। কিন্তু কথাকেইটা কোৱাৰ সুযোগ আমি গ্ৰহণ কৰিছো। যতীন মালী ডাঙৰীয়া এসময়ত শিক্ষামন্ত্ৰী আছিল আৰু আমি ভ্ৰমণলৈ এফালে যাওঁতে তেওঁ কৈছিল অসমত আমাৰ যদি ইণ্ডাষ্ট্ৰী আছে এইটো এটা ইণ্ডাষ্ট্ৰী, সেইটো এটা ইণ্ডাষ্ট্ৰী। তাৰ মানে হাইস্কুল, এল পি স্কুল, কলেজ এইবোৰক দেখুৱাই দিছিল। নিযুক্ত বা চাকৰিৰ কাৰণে একো নাছিল। সেই স্কুলকে নিযুক্তিৰ স্থলী হিচাপে শিক্ষানুষ্ঠান সমূহক লৈছিল। আমাৰ শিক্ষা বিভাগত বহুতো সুবিধা অসুবিধা আছে। তাৰ মাজত দুটামান কথা ক'বলৈ বিচাৰিছো। আমাৰ শিক্ষানুষ্ঠান ৰাইজে নুখুলি চৰকাৰে খুলিব এইটো অতি সুন্দৰ সিদ্ধান্ত হৈছে। চৰকাৰে হাইস্কুল বা টেক্নিকেল যি শিক্ষানুষ্ঠানেই নোখোলক কিয় Need Base হ'ব লাগে আৰু Need Based কৰিব লাগিলে কি কি অঞ্চলত কৰিব লাগিব আপোনালোক সমানে অভিজ্ঞ। গতিকে প্ৰথম Educational Institutional at least Need Base হওঁক। আপোনালোকে কৈ থকা পৰিয়াল পৰিকল্পনাও কিছু তাৰ ভিতৰত পৰিব। গতিকে Need Base কৰক নাম্বাৰ ওৱান। এতিয়া চেলেঞ্জটো হৈছে বিদ্যালয় বিলাকৰ। নগৰ-চহৰতো হৈছে, গ্ৰাম্যাঞ্চলতো চেলেঞ্জ হৈছে ইংৰাজী মাধ্যমৰ বিৰুদ্ধে অসমীয়া মাধ্যম। অকল ইয়াত নহয় বিহাৰ, উত্তৰ প্ৰদেশত য'ত য'ত নিজা নিজা ভাষা আছে, স্থানীয় ভাষা আছে সকলো ভাষাৰে ইংৰাজী মাধ্যমৰ বিপৰীতে চেলেঞ্জ এটা হৈছে। মাননীয় শিক্ষা মন্ত্ৰীয়ে ইংৰাজী মাধ্যমৰ বিৰুদ্ধে চেলেঞ্জ কৰিবলৈ যাওঁতে Infrastructure, Student, Teacher, গাৰ্জেন এইবিলাকৰ লগত মোকাবিলা কৰিব লাগিবই আপোনালোকে। তাৰোপৰি আপোনালোকে আপোনালোকৰ বিভাগত এনেকুৱা এটা মণিটৰিং ক'ব নে ৰিচাৰ্ছ চেল ক'ব নাজানো এই

প্ৰতিযোগিতাবিলাক সময়ে সময়ে বেলেগ বেলেগ ষ্টাইলত আহে। ইংৰাজী মাধ্যমৰ লগত কিন্তু চেলেঞ্জটো আজিৰ নহয়। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ আগৰ পৰাই Don Bosco School সমূহ আছিল। সেই বিদ্যালয়ৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ পদ্ধতি বেলেগ। আপোনালোকৰ অধীনত যদি Research cell আছে, তেন্তে ভাল কথা আৰু যদি নাই সেই Research Cell গঢ়ি ইংৰাজী মাধ্যমৰ বিপৰীতে আমি কিদৰে challenge কৰিব পাৰো, সেই বিষয়ে চাব লাগে। থানেশ্বৰ বড়ো ডাঙৰীয়া যেতিয়া শিক্ষা মন্ত্ৰী আছিল, তেতিয়া এল.পি. স্কুলৰ পৰাই বহুতো ইংৰাজী শব্দ শিকি আহিছিলো। তেতিয়া আমি অসমীয়া শব্দই জনা নাছিলো কিন্তু ইংৰাজী শব্দ জানিছিলো। তেনেকুৱাকৈ প্ৰায় ৮০০ শব্দ থানেশ্বৰ বড়ো ডাঙৰীয়াই সেই সময়ত উলিয়াইছিল আৰু সেইয়া তেওঁ ৰাজহুৱাও কৰিছিল। গতিকে, আমি research কৰি ইংৰাজী মাধ্যমৰ লগত অসমীয়া মাধ্যম আৰু ইংৰাজী লগ-লগাই কেনেদৰে তেওঁলোকক challenge দিব পাৰো, সেইটো চোৱা উচিত বুলি ভাৰো। আপোনালোকে প্ৰাথমিক পৰ্যায়ত শিক্ষাদানৰ বাবে দৰমহা বা উন্নয়নৰ বাবে প্ৰায় ৯,৩৮৯ কোটি টকা ধাৰ্য্য কৰিছে। প্ৰত্যেকখন গাঁৱতে কমেও এখনকৈ বিদ্যালয় আছে আৰু ২০০০ তকৈ বেছি জনসংখ্যা থকা কোনোবা গাঁৱত দুখনকৈ হ'লেও বিদ্যালয় আছে। সেই বিদ্যালয়বোৰ মুকাবিলা কৰাৰ বাবে বা তাৰ কৰ্মচাৰীক দৰমহা দিয়া, চক, পেঞ্চিল, বোৰ্ড দিয়া ইত্যাদি প্ৰয়োজনীয় সকলোখিনি কামৰ বাবে ভাগ কৰি দিছে। কিন্তু, তাৰ ভিতৰতে এল.পি. স্কুল, হাইস্কুল বা টেক্‌নিকেল ইনষ্টিটিউতৰেই হওঁক, তাৰ challenge বোৰ, তাত কি কি বেছি প্ৰয়োজন আছে, সেইয়া পোনপটীয়াকৈ নকৰি Research Cell ত অন্তৰ্ভুক্ত কৰি চাব পাৰে।

আজি শিক্ষকৰ কথা কোৱা হৈছে। এই সমস্যা সকলো বিধায়কে, সকলো স্কুল-কলেজে সন্মুখীন হৈছে। বিদ্যালয় এখনত অসমীয়া বা অন্যান্য সহজ ভাষাৰ শিক্ষক নাথাকিলে বেলেগ কথা। এখন স্কুলত বছৰ বছৰ ধৰি অংকৰ শিক্ষক নাথাকিলে, অসমীয়াৰ শিক্ষকে কি দৰে পঢ়াব? ১৬ জন শিক্ষকৰ ঠাইত ৭-৮ জন শিক্ষকে এখন হাইস্কুল চলাই আছে। এনে ধৰণৰ টেক্‌নিকেল অসুবিধাবোৰৰ সন্মুখীন হ'বলগীয়া হৈছে। এল.পি. স্কুলৰ কথা সকলোৰে জানে। শিক্ষক নোহোৱা এল.পি. স্কুলো চলি আছে। ভৰত নৰহ ডাঙৰীয়াই ইতিমধ্যে কেৱল এজন শিক্ষকেৰে চলা স্কুলৰ কথাও কৈছে। গতিকে, এনেধৰণৰ Need base বিষয়বোৰ তৎকালে পূৰণ কৰিবলৈ আপোনালোকে চেষ্টা কৰিব লাগিব। আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে সকলো বিধায়ককেই এখন আদৰ্শ হাইস্কুল তৈয়াৰ কৰিবলৈ এটা Pro-forma দিছে। Pro-forma খনত সন্নিৱিষ্ট বিষয়কেইটা সকলোৰে জানে, চিঠিখনত আছে। এই স্কুলবোৰৰ নামত ১০ লাখকৈ টকা দিব। যিখিনি criteria তাত দিছে, যিখিনি বিষয় তাত সন্নিবিষ্ট কৰিছে, সেইখিনি কৰিবলৈ হ'লে অতি কমেও এখন বিদ্যালয়ৰ বাবে ৩ কোটি মান টকাৰ প্ৰয়োজন হ'ব। গতিকে, মই শিক্ষামন্ত্ৰীৰ জৰিয়তে চৰকাৰৰ মুৰব্বী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে আপোনাৰ সপোনৰ ১২৬ খন হাইস্কুল ১২৬ গৰাকী বিধায়কৰ নেতৃত্বত হ'ব আৰু আমি প্ৰতিযোগিতা কৰিম যে কোনে কিমান ভাল ছাত্ৰ-ছাত্ৰী সেই বিদ্যালয়ৰ পৰা উলিয়াব পাৰো। এই ক্ষেত্ৰত আমাৰ সহযোগ থাকিব। আমি জানো যে এই বিদ্যালয় সমূহৰ বাবে আপুনি MP fund দিছে, MLA Fund দিবলৈ দিছে, পঞ্চায়তৰ পৰাও সহায় কৰিবলৈ দিছে। কিন্তু, কিছুমান কৰিব নোৱাৰা কামো তাত আছে, য'ত পোনপটীয়া টকাৰ প্ৰয়োজন হ'ব। আনহাতে, চৰকাৰখনে ১০০ বছৰ পুৰণি স্কুল সমূহক building grant দিয়াৰ কথা কৈছে। অধ্যক্ষ মহোদয়, ১০০ বছৰ পুৰণি খুব সীমিত সংখ্যক স্কুলহে অসমত আছে। আমাৰ স্বাধীনতা পোৱাই ১০০ বছৰ হোৱা নাই,

৭৪ বছৰ হৈছে। স্বাধীনতাৰ আগৰ স্কুল খুব কম আছে। গতিকে, স্কুলৰ ১০০ বছৰটো কমাই আনি ৫০-৭৫ বছৰ মানৰ পৰা ধৰিলে বহু বিদ্যালয় অন্তৰ্ভুক্ত হ'ব। অসমৰ tribal area বা BTC area ত এখনো ১০০ বছৰ পুৰণি বিদ্যালয় নাপায়। গতিকে, এনেবোৰ কথাত দৃষ্টি-ভংগী ৰাখি বছৰটো যাতে কমাই দিয়ে। ৫০ বছৰৰ তলত বাৰু কৰিব নালাগে।

মোৰ শেষৰ পইণ্টটো ক'ব বিচাৰিছো। পূৰ্বতে বাহিৰত বহু ল'ৰা-ছোৱালী পঢ়িবলৈ গৈছিল। ক'ভিডৰ বাবে পিতৃ-মাতৃয়ে এতিয়া নপঠিওৱা হ'ল। এইবাৰ হাইস্কুল আৰু হায়াৰ ছেকেণ্ডাৰীৰ ৰিজাল্টত আমি ভৰাতকৈ বহু ল'ৰা-ছোৱালীয়ে পাছ কৰিছে। শিক্ষা মন্ত্ৰীয়ে এটা কথা খুব দৃঢ়তাৰে, ব্যক্তিগত ভাৱে লগ কৰিলেও কয় যে শিক্ষানুষ্ঠানত দুটা shift কৰি আসন বঢ়াব । কিন্তু, এই ক্ষেত্ৰত এই সীমিত সংখ্যক শিক্ষকেৰে সম্ভৱপৰ হ'ব নে নাই? য'ত প্ৰয়োজনীয় সংখ্যক শিক্ষকেই নাই, তাত অধিক ল'ৰা-ছোৱালীৰ নামভৰ্তি কৰি তেওঁলোকে কিদৰে পঢ়াব? সেয়েহে, মই ভাৱিছো যে আপোনালোকে যিবোৰ অঞ্চলত নতুন কলেজ স্থাপনৰ প্ৰস্তাৱ দিব বিচাৰিছে, তাত যদি এই বছৰৰ পৰাই কিছু কলেজ আৰম্ভ কৰিব পাৰে, তেন্তে এই সমস্যাটো কমিব। গতিকে, need base ত ৩০ কিঃমিঃ দূৰত্বত য'ত এখনো কলেজ নাই, মোৰ অঞ্চলৰো তেনেকুৱা এখন কলেজৰ বিষয়ে তথ্য সহকাৰে মই মাননীয় মন্ত্ৰীক দিছো, তেওঁ যাতে সেইখিনি সুদৃষ্টিৰে চায়। মই কৰ্তন প্ৰস্তাৱৰ সপক্ষে এইখিনিয়েই কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষঃ** (হাঁহিৰে) কৰ্তন প্ৰস্তাৱৰ সপক্ষে ক'লে আপুনি কলেজ কেনেকৈ পাব?

এতিয়া মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাৱৰ সপক্ষে মোৰ বক্তব্য তুলি ধৰিব বিচাৰিছো। আমাৰ শিক্ষা বিভাগত ১৯.০৩% টকা ধাৰ্য্য কৰা হৈছে.। পইচাটো আটাইতকৈ বেছি ধাৰ্য্য হৈছে। কিন্তু তথাপিও faculty দিওঁতে, post create কৰোতে আমাৰ কিয় বিলম্ব হয়? এইবোৰ আঁতৰ কৰি কলেজ সমূহত পদবোৰ খালী হোৱাৰ লগে-লগে পূৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। এতিয়া provincialization ৰ যথেষ্ট কথা বতৰা উঠিছে। প্ৰথম অৱস্থাত যিখন ammended আইন আহিলে, তেওঁলোকে গড় হিচাপে ৩০ শতাংশ হ'লেই এই স্কুল সমূহ provincialize হ'ব বুলি কৈছিলে। তাৰ পিছত তেওঁলোকে যিটো ব্যৱস্থা কৰিলে, high power committee বহুৱালে আৰু ২৬৫ খন স্কুল provincialize কৰিলে। কিন্তু ৯৩ খন স্কুল এতিয়াও provincialize হোৱা নাই। যাৰ ফলত এই স্কুল বিলাকত এটা হতাশজনক পৰিস্থিতি সৃষ্টি হৈছে। নিশ্চিতভাৱে ইয়াৰ ওপৰত এটা ব্যৱস্থা গ্ৰহণ কৰি এই সমূহ provincialize কৰিব লাগিব। এতিয়া Higher Secondary Level বা কণিষ্ঠ মহাবিদ্যালয় level ত Act মতে যিসমূহ tutor ক ১৬২০০ টকাত নিযুক্তি দিছে, আজি তেওঁলোকে ২০-২৫ বছৰ চাকৰি কৰাৰ পিছত তেওঁলোকে এতিয়া B.Ed ও কৰিব নোৱাৰে। B.Ed College আমাৰ চৰকাৰীভাৱে নাই। আমি B.Ed College স্থাপন কৰিব নোৱাৰিলো। এতিয়া বুঢ়া বয়সত এজন মানুহক B.Ed College ত শিক্ষা গ্ৰহণ কৰিবলৈ যদি কোৱা হয়, তেতিয়াহ'লে স্বাভাৱিকতে তেওঁলোক সদায় tutor হৈয়ে থাকিব। কেতিয়াও আৰু B.Ed সম্পূৰ্ণ কৰিব নোৱাৰিব।

আনফালে আমি দেখিছো যে এই provincialization ৰ লগত হিন্দী আৰু music ৰ শিক্ষকৰ পদ সমূহ কেলেই বাদ দিব লগা হ'ল? আমি দেখিছো যে বিভিন্ন সময়ত বিভিন্ন পদক্ষেপ হৈছে, আইন হৈছে আৰু সংশোধন হৈছে। কিন্তু হিন্দীৰ এই genunine post কেইটা

কেলেই বাদ পৰি গৈছে? তেওঁলোকক কেলেই provincialize কৰা হোৱা নাই? এই পদসমূহ provincialize নকৰাৰ কাৰণে বহু শিক্ষক আজি বঞ্চিত হৈছে। Music teacher ক্ষেত্ৰতো আপোনালোকে দেখিছে যে notification জাৰি কৰি Music শিক্ষক পদ প্ৰাদেশীকৰণ কৰিবলৈ মাধ্যমিক শিক্ষা সঞ্চালকক নিৰ্দেশ দিয়া হৈছিল। বিত্তীয় অনুমোদনৰ বাবে পদবিলাক পঠোৱা হৈছিল। কিন্তু পৰৱৰ্তী সময়ত এই music পদসমূহ নহ'ব বুলি শিক্ষামন্ত্ৰী ডাঙৰীয়াই কোনোবা এটা সাক্ষাৎকাৰত কোৱা মই শুনিছো। যদি এনেদৰে কামবিলাক যথাযথভাৱে নহয় আৰু সময় নিৰ্দ্ধাৰিতভাৱে যদি নহয় তেতিয়াহ'লে ই নিশ্চিতভাৱে শিক্ষাৰ ক্ষেত্ৰত এটা নিৰাশাজনক পৰিস্থিতিৰ সৃষ্টি কৰিব।

মই এটা সমষ্টিত প্ৰতিনিধিত্ব কৰো। মই আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াক এখন পত্ৰ দিছো যে মোৰ সমষ্টিৰ ৬৭ খন গাঁও BTR ৰ অন্তৰ্ভুক্ত আৰু BTR ৰ বাহিৰত আছে ৬৮ খন গাঁও। BTR ৰ বাহিৰত মোৰ দুখন চহৰ আছে বৰপেটা ৰোড আৰু সৰভোগ। এই বৰপেটা ৰোড আৰু সৰভোগত দুখন বিজ্ঞান মহাবিদ্যালয় হৈছে যাৰবাবে মই চৰকাৰক ধন্যবাদ জনাইছো। কিন্তু BTR অঞ্চলৰ সেই ৬৭ খন গাঁও নদীৰে পৰিবৃত্ত। ল'ৰা-ছোৱালীবিলাকে ১৫-২০ কিঃ মিঃ দূৰলৈকে আহি বৰপেটা বা সৰভোগত পঢ়িব আহিব লাগে। দলঙো এতিয়ালৈকে হৈ উঠা নাই যদিও আমি প্ৰস্তাৱ কৰিছো। মই সেইকাৰণে শিক্ষা মন্ত্ৰী ডাঙৰীয়াক আবেদন জনাইছিলো যে যদি কলেজ এখন পাতিবলৈ দিলেহেতেঁন তেতিয়াহ'লে তাত কলেজ এখন পাতিবলৈ চেষ্টা কৰিলোহেঁতেন। কিন্তু এতিয়া যিহেতু চৰকাৰে তাত কলেজ পাতিবলৈ মানা কৰিছে মই ভালেই পাইছো, চৰকাৰে পাতিব। গতিকে মই চৰকাৰক অনুৰোধ কৰিছো যাতে চৰকাৰে মোৰ সমষ্টিৰ এই BTR অঞ্চলত এখন কলেজ দিয়ে। এইখিনিকে কৈ মই কৰ্তন প্ৰস্তাৱৰ সমৰ্থন কৰি মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী দ্বীপায়ন চক্ৰৱৰ্তী।

**শ্ৰী দ্বীপায়ন চক্ৰৱৰ্তী (শিলচৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাজেট অধিবেশনৰ cut motion ত মোক ক'বলৈ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ অসমৰ প্ৰথম মহিলা বিত্ত মন্ত্ৰী ডাঙৰীয়াক জনকল্যাণমুখী বাজেট উপস্থাপন কৰাৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী পক্ষই অনা বাজেট কৰ্তন প্ৰস্তাৱটো যুক্তিসম্পন্ন নহয় বুলি মই ভাৱো। কাৰণ ২০১৫-১৬ আৰু ২০১৯-২০ ৰ বাজেটখন চালে দেখো যে যিটো statistics আছে সেইটোৰ কাৰণে expenditure আৰু বাজেটটো বাঢ়ি গৈছে আৰু এইটোৱেই এটা sound economy ৰ লক্ষণ বুলি মই ভাৱো। মই আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। তেখেতে এইটো বিত্তীয় বৰ্ষত ১ লাখ চাকৰি দিব বুলি ঘোষণা কৰিছিল আৰু আমাৰ শিক্ষা বিভাগত আটাইতকৈ বেছি -২৮,১৬২ যুৱক-যুৱতীক চাকৰি দিয়াৰ লক্ষ্য লোৱা হ'ল। যোৱা ৪ আগষ্ট তাৰিখে অসম মন্ত্ৰী স ভাৰ কেবিনেট বৈঠক অনুযায়ী অহা ১ ছেপ্তেম্বৰৰ পৰা প্ৰাথমিক শিক্ষা বিভাগ আৰু মাধ্যমিক শিক্ষা বিভাগৰ মুঠ ২২,৯২১ টা অনুমোদিত খালী পদৰ নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি ঘোষণা কৰা হয়। মই বিৰোধী পক্ষৰ মাননীয় সদস্যক প্ৰশ্ন কৰিব বিচাৰিছো যে যিসকলে চাকৰি পাব তেওঁলোকে বেতন নোহোৱাকৈ চাকৰি কৰিব নেকি? মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই আকৌ ধন্যবাদ জ্ঞাপন কৰিছো। বড়ো, গাৰো আৰু মনিপুৰী মাধ্যমত বিশেষ TET পৰীক্ষা------

**माननीय अध्यक्षः** धन्यবাদ, এতিয়া শ্ৰী শ্বেৰমান আলী আহমেদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** माननীয় অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱত অংশ লোৱাৰ কাৰণে আপুনি সুযোগ দিয়াৰ বাবে মই ধন্যবাদ জনাইছো। মই যিখিনি কথা কম কৰ্তন প্ৰস্তাৱৰ সপক্ষেহে ক'ম।

**माननীয় অধ্যক্ষ ঃ** আপোনাৰ পিচত আৰু স্পিকাৰ আছে। আপোনাৰ নামত ১৫ মিনিট দিছিল, পিছত গন্দগোল হ'ব সেই কাৰণে আপোনাক জনাইছো। আপোনাৰ নামত ১৫ মিনিট allotment দিছিলে। কিন্তু আগতে আমাৰ ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়া আৰু কমলাক্ষ দে পুৰকায়স্থ তেওঁলোকে ক'লে। গতিকে তেওঁলোকে already ৩২ মিনিত সময় ল'লে, যিহেতুকে ৫৬ মিনিট সময়হে আছিল,

আৰু এইফালে ৫ মিনিট সময় কলে, গতিকে এতিয়া আপোনাৰ হাতত ৭ মিনিত মানহে সময়হে আছে। আপুনি কওঁক।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** ছাৰ ২ মিনিট সময় গ'ল, এতিয়াৰ পৰা সময়তো ধৰিব। माननীয় অধ্যক্ষ মহোদয়, মই অতি চমুৰাই কেইটামান কথা ক'ব খুজিছো Sir, our Hon'ble Supreme Court has time and again appeal about the Constitutional Sovereignty in our country, and we all Indians also follow practice and also are in total aggrement to the Constitutional Sovereignty. Sir, first I would like to say about what are the mandates in our Constitution and in the laws of the country about importance of education. Sir with the promulgation of Constitution of India under the **Article 45** Free and Compulsory Education upto the age of 14 provision was made under the **Article 45** আৰু ২১ত আছিল Protection of Life and Liberty and subsequently Supreme Court has mandated that this Right to Life also includes Right to Education.

So, Right to Education is a "Fundamental Right" ab-initio from independence. Inspite of the provision in the **Article 21** making in the "Fundamental Right" and the provisions in the "Directive Principles under the **Article 45** and "Fundamental Rights." Sir, Supreme Court has time and again said that "Fundamental Rights" are the bedrocks of our Constitution and the core values and these are the "Fundamental Rights" are the pinnacle of our constitution, inspite of being provision as "Fundamental Rights" and under the **Article 45** in the "Directive Principles Sir, till 2002 we failed with the promulgation of Constitution the mandate was for 10 years, that within 10 years Free and Compulsory Education upto the age of 14 should be completed, we failed totally.

So in 2002, the Constitution was amended with 86th Amendment and in **Article 21** another Article was added, **Sub-Article** was

added to 21(A), there by making education expresslly a "Fundamental Right" ২০০২ ৰ পৰা expressly "Fundamental Right" কৰিলে, যদিও অন্তর্নিহিত ভাৱে ২১ ত "Directive Principle" ত আছিলেই তৎস্বত্বেও চৰকাৰে অর্থাৎ আমাৰ দেশৰ জনতাই Parliament এ শিক্ষাৰ গুৰুত্ব অনুভৱ কৰি ২১ (A) বুলি এটা Article সোমোৱাই ১৪ বছৰলৈ Free & Compalsory Education শিক্ষা বাধ্যতামূলক কৰিলে। Sir, this is the provision in our Constitution and universal declaration of Human Rights in the **(age of party treat)** India has signed to it. So, under the **Article 51**, this is as good as a law, this should be treated as a Constitutional law, in the universal declaration of Human Rights, under the **Article 26** it has been stated everyone has the Right to Education. Education shall be free atleast in the elementary and fundamental stages. Elementary Education shall be compulsory, technical and professional education shall be made generally available and higher education shall be equally accessible to all on the basis of merit, this is the provision in the universal declaration of Human Rights and on the basis of the provision in our constitution and in the universal declaration of Human Rights. Accordingly, the "Right to Education Act" was promulgated in 2009. Sir but before that I would also like to highlight that today the entire world is talking about the "Sustainable Development Goals" and in this "Sustainable Development Goals" 17th "Sustainable Development Goals" Education takes 4th place. In 4th goal it is the "Quality Education". So Sir, because of all these mandates in our Constitution, in the Laws and as these "Sustainable Development Goals" this "Right to Education Act" was promulgated in the year 2009 and it was effective from 26th of August, 2009.

What are the provisions in this "Right to Education Act"? I will just highlight a few points. Sir, in this "Right to Education Act" it has been mandated that all necessary Educational Institutions shall be re-established within a period of 3 years after promulgation of this Act. ২০০৯ চনৰ ২৬ আগষ্ট অর্থাৎ ৩ বছৰৰ ভিতৰত য'ত যিমান স্কুল লাগে স্থাপন কৰিব লাগে। তাৰোপৰি ইয়াত কোৱা হৈছে যে - Govt. shall provide free and compulsory elementary education after the age of 3 and upto the age of 6. This has now being in the "Directive Principle" under the **Article 45** - আমাৰ স্কুলত যোৱাৰ আগতে লৰা-ছোৱালী খিনিক prepare কৰিবলৈ তেওঁলোকক Pre-Primary Education দিব লাগে। This is the provision in the "Directive Principle" now, under the **Article 45** and this is the provision in our

"Right to Education Act, 2009".

Sir, there are certain other provisions, I will not go into details. There is one provision which I would like to specially highlight that this "Right to Education Act" in Section 12.C has mandated for 25 percent reservation for weaker section SC, ST, OBC in all the non- Govt. educational institution as well as to provide free education and the Govt. if necessary will bear per student expenditure to the Private Institutions. These are the provisions, which has not been followed at all. The P.T ratio should have been achieved within a period of 6 months after promulgation of the "Right to Education Act".

Sir about the distance, it has been said that it should be for L.P school 1 km, M.E School 3km, High School 5 km, Higher Secondary 7 km but there are provisions, we have made Rules under the Article in pursuance of the Section 38 of the "Right to Free and Compulsory Education Act". Here it has been clearly mandated this Rule we have made.

Sir, Govt. of Assam, it has clearly stated that in areas of difficult marine, re-scope landslide, flood, lack of roads and in general danger of young children in the approch from their home to the school. The Government Autonomous Council of the local authority as the case may be by notification shall look at the school in such a manner. So as to avoid such danger অৰ্থাৎ ১কিঃ মিঃ যদিও আছে if necessary in typical areas, typical ring the distance may be less than that may be 500 mtr. and there are also provision that for such type of areas Govt. should arrange free transportation. This is **Sub-section 4** of **Section 4**. The Govt. should arrange free transportation, residential facilities, this is very important . Choor areas, hilly areas, মানুহবোৰ নাৱত আহে, শ শ ছাত্ৰ-ছাত্ৰী আমি দেখা পাওঁ তেওঁলোকে নাৱত আহি আছে, না তেওঁলোকৰ আমি transportation free কৰিছো না তেওঁলোকৰ residential accomodation ৰ কাৰণে ব্যৱস্থা কৰিছো। হয়, এই চৰকাৰে যোৱা ৫ টা বছৰত ২১ টা model residential school গোটেই অসমত কৰিছিল , but that is not enough at all এপাচি শাকত এটা জালুক , মই ভাবো if we want to appeal this Constitutional Sovereignty if we want to implement the mandatory provisions in our Constitution and the laws in every block, if possible in every জিলা পৰিষদ Constituency. There should be special and the difficult marine there should me one model Residential School, and I would like to ask to you to

the Education Minister that this provisions about giving free transportation and for specially abled persons there should be special endeavour those should be taken into.

Sir, now I would like to having said all these provisions in the Law and the Constitution I would like to come the present status of our Education in our State. Sir, if we go by the Legacy Rate, Pupil-Teacher issue, I would like to come first. Pupil-Teacher issue, in the State as a whole seems to be quite good, it is 22 in the State as a whole, it is yes as per the mandate of the or it is better than the provision made in the RT Act but if we go in details into the districts or into the localities we will see a different picture. Sir I would like to highlighted of few districts here as per Statistical Handloom in Sought Sulmora, the PT ratio is 37 against the provisions in the RT Act, 2009.The PT ratio in Hojai is 34, the PT ratio in Dhubri is 31 and although in Borpeta PT ratio since to be good 24, but it is not every where.

Sir, I would like to highlight a few districts. Here as per Statistical Handbook in South Salmara PT ratio is 37 against the provisions in the RTE Act 2009. The PT ratio in Hojai is 34, PT ratio in Dhubri is 31 and although in Barpeta PT ratio seems to be good 24. But it is not everywhere in every areas of Barpeta District. In my Constituency in all the M.E Schools with 300, 400 students there are maximum three teachers or four teachers. The Ratio in Baghbar LAC PT ratio will be more then 50 or 60. In L.P. School there are even today there are 30 L.P. Schools with only single teacher. There should be minimum two teachers. But that has not been fulfilled as yet. Yes I should say some improvement has been made in the year 2016-17 but it has not been fulfilled completely. Sir, if we see the literacy rate if we compare the literacy rate of our State with India we will see that till 1991 our literacy rate was far better than the average of the country. It was in 1991, it was 52.89 in our State and the average of the Country was 52.21. But in 2001 it was 63 we are lower than the average of India 64.84, in 2011 it was 72.19 it is lower than the average of the India. Sir, this is about literacy rate. If we see the District wise literacy rate. Yes, in the State as a whole the literacy rate is 72.19. Here again we go from one District to another, one region to another we will see there is much differences in the literacy rate. If we see, I will again mention about South Salmara the

literacy rate is only if today, the literacy rate is only 50.76. The literacy rate of Dhubri is 61.23 much below the average of the State of Assam. In Barpeta it is 63 although in some other Districts like Dibrugarh, it is 76 higher than the average of the State. In Sibsagar it is 84 and in Jorhat it is 82. But in some other District we see a complete contrast. Sir, in my Mandia Block as per 2011 census the literacy rate of Mandia Block is only 38.71 and the Rupsi Block is only 45.78 against the average State literacy rate of 72 percent. Sir, Gross Enrolment Ratio we see that only in the elementary school the performance is better than the All India average it is 101 but in senior secondary school and in higher education. In all the sectors our rate, our Gross Enrolment Ratio is much below the all India average. Even if we come to the State forget about the whole we are below the average of the country if we come to the North-Eastern State we are behind Manipur where it is GER is 120, ours is107**.** Meghalaya it is 129 even in Mizoram it is 115. Even in North east we could not compete with the other Northeastern State. Sir, now availability of educational institution whether though we have the sufficient number of educational institutions or not. Sir, as per economical survey we have at present 36 thousand 210 L.P school out of a total population with an exponential growth during the last 10 years. It will be around one school per 938. Although the mandate is to establish one school within 300 population. Sir, in M.E. school the scenario is worse. Sir, if I go to the High School, M.E. School it is against 10 thousand of population there is one school in case of higher secondary school against population of 40 thousand we have got only one school. In case of college we have got four Government College 292 provincialised 11 model school. So, per against college we have got a population of 3.17 lakh and in Science College the situation is worse. We have got only 107 Science Colleges against the population of about 3.40 so we have got a college against one lakh ten thousand population and a Science College against three lakh population. Universities are the situation uncleanable. We have got only 18 University, population against 19 lakh Sir. This is the situation of education in our State. In the Char Area as per census of 2023 we need around 10 thousand L.P. School but in have got only some 271852. So, there is a shortage of 8.48 L.P. school. M.E. school we need around 5 thousand in the char

areas. We have got only 5 hundred 74 there is a need of 4 thousand 4 hundred 26 around I mentioned. I would not repeat. But out of 24 lakhs only 4 lakhs people are literate, 20 lakh people are illiterate. So, Sir having said all this, adequate budget provision have been made.

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। ইতিমধ্যে **১৫** মিনিট সময় পাৰ হৈ গ'ল। মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ সময়ো মই দি দিলো। উত্তৰ লাগে। এতিয়া যদি উত্তৰ নোহোৱাকৈ যদি থাকে মোৰ কবলগীয়া নাই।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** চাৰ, Cut Motion বাজেটৰ কথা কোৱা নাই।

**মাননীয় অধ্যক্ষঃ** সময়ৰ কথা আছে। এতিয়া যদি উত্তৰ নোহোৱাকৈ যদি যায়। বাকী বক্তা সকল আছে। এতিয়া শ্ৰী দৰচিং ৰংহাং।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** চাৰ, বাজেট প্ৰভিজন যোৱা বছৰতকৈ বাঢ়িব লাগিছিল।
**মাননীয় অধ্যক্ষঃ** আপুনি subject কৰি দি দিয়ক, শিক্ষা মন্ত্ৰী ডাঙৰীয়াক। আপুনি লিখিত দি দিয়ক। Thank you. Please sit down. Please. Discipline টো মানি চলক।

(মাননীয় অধ্যক্ষৰ নিদেৰ্শনা অনুসৰি মাননীয় সদস্য শ্ৰী শ্বেৰমান আলীৰ এইবক্তব্য খিনি ৰেকৰ্ডত নাযায়)।

**শ্ৰী দৰচিং ৰংহাং (হাওৰাঘাট)ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱৰ ওপৰতমই সম্পূৰ্ণ ভাৱে বিৰোধিতা কৰি আপোনাৰ যোগেদি কিছু বক্তব্য ৰাখিব বিচাৰিছো। শিক্ষা বিভাগে এই মহামাৰী ক'ভিডৰ সময়ছোৱাত আমাৰ শিক্ষা বিভাগে ৰৈ থকা নাই। আমাৰ শিক্ষা বিভাগে শিক্ষক শিক্ষয়ত্ৰী সকলকো দৰমহা দি আহি আছে। Lecturer, Professor সকলকো দৰমহা দি আহি আছে। তাৰ লগতে ছাত্ৰ-ছাত্ৰী সকলক যি কিতাপ বহী, ইউনিফৰ্ম, বিনামূলীয়া যিবোৰ আমি বিতৰণ কৰি আহিছো, সেইখিনি কাম-কাজ কৰি আহি আছো। গতিকে মাননীয় অধ্যক্ষ মহোদয়, আজি Internet ৰ যোগেদি যি আমি শিক্ষা দিবলৈ গৈ আছো, আমি ছাত্ৰ-ছাত্ৰী সকলকো আমি মোবাইল দিবলৈ কাৰণে যি পদক্ষেপ লৈছো, সেই মোবাইল যদি আমি সকলো ছাত্ৰ-ছাত্ৰীক দিবলৈ যাওঁ তাত পুঁজি যথেষ্ট দৰকাৰ। সেইকাৰণে মই পুনৰবাৰ যিটো কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰিছো। গতিকে মই এইখিনি আৰু কব'লৈ বিচাৰিছো। আজি শিক্ষা বিভাগে আপোনালোকে এই সদনত কৈ আহি থকা চৰ-চাপৰিৰ কথা, বাগানৰ এলেকাৰ কথা লগতে আমাৰ অসমত বিভিন্ন ঠাইত ট্ৰাইবেল সকলে বসবাস কৰি থকা এলেকাৰ কথা আৰু পাহাৰৰ এলকাৰ কথা আমি কৈ আহিছো। সেইবোৰ এলেকাত আমাৰ শিক্ষা বিভাগে বানপিড়ীত অঞ্চলত, চৰ-চাপৰি অঞ্চলতো শিক্ষাৰ যিটো আন্তঃগাঁথনিৰ পৰা আৰম্ভ কৰি অনান্য কাম-কাজ কৰি আহিছে।

আপোনালোকে জানিব পাৰিছে যে, চাহ জনগোষ্ঠীৰ অধ্যুষিত অঞ্চলতো আমাৰ শিক্ষা বিভাগৰ তৰফৰ পৰা যথেষ্ট স্কুল বনাবলৈ গৈ আছে আৰু বনাই আছে। গতিকে ইয়াত শিক্ষা বিভাগৰ হাতত যথেষ্ট পুঁজি দৰকাৰ। সেই কাৰণে ইয়াত কৰ্ত্তনৰ কথা, কৰ্ত্তনৰ প্ৰশ্ন ইয়াত নাহে। মই মোৰ বক্তব্য ৰাখি এই পবিত্ৰ সদনত আপোনালোকৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছোঁ, অসমত

বিশাল এটা পাহাৰ এলেকাৰ কথা মই ক'বলৈ গৈ আছো। ডিমা হাচাও, কাৰ্বি আংলং, ৰেষ্ট কাৰ্বি আংলং এই বিশাল এলেকা আমি যদি গোটাই লওঁ তেতিয়া ই নাগালেণ্ড ৰাজ্যৰ লগত সমান। অকল কাৰ্বি আংলং ৰেষ্ট কাৰ্বি আংলঙে ত্ৰিপুৰা ৰাজ্যৰ লগত সমান। আজি সেই এলেকাৰ শিক্ষা বিভাগত আমি শিক্ষাৰ উন্নতিৰ কাৰণে আমাৰ অসম চৰকাৰৰ পৰা কিমান টকা দিব পাৰিছোঁ? মই এইখিনিত আপোনাৰ যোগেদি ক'ব বিচাৰিছোঁ কাৰ্বি আংলঙত যোৱা ২০২০-২১ বৰ্ষত হাইস্কুল আৰু হাইচেকেণ্ডাৰী স্কুলৰ কাৰণে ২২ কোটি, ইলিমেন্টৰীৰ কাৰণে মাত্ৰ ১৪ কোটি, হায়াৰৰ কাৰণে মাত্ৰ ১০ কোটি, এই বছৰ যোৱা বছৰৰ তুলনাত আৰু কমিছে। এইবাৰ ২০.৮০ কোটি হাইস্কুল আৰু হায়াৰচেকেণ্ডাৰীৰ কাৰণে, এলিমেন্টৰীৰ কাৰণে মাত্ৰ ৩০.৬২ কোটি আৰু হায়াৰৰ কাৰণে মাত্ৰ ১০ কোটিহে আমি উন্নতিৰ আহিলাৰ ক্ষেত্ৰত এইখিনি ধৰিছোঁ। এন চি হিল্চত ইয়াতকৈ আৰু কম। মই আপোনাক এইখিনি দৃষ্টিগোচৰ কৰিব বিচাৰিছোঁ, আমৰ কাৰ্বি আংলঙত, অটোনমাছ্ কাউন্সিলত বৰ্তমান Ad-hoc এম ই স্কুল আছে ১১৫ খন, হাইস্কুল আৰু হায়াৰ চেকেণ্ডাৰী Ad-hoc আছে ১৪৮ খন। Ad-hoc স্কুল বিলাকৰ যিটো দৰমহা, দেস্ক-বেন্স আদি কৰি উন্নতিৰ যিটো componant সেইটোৰ টকাৰ যোগেদিয়ে শিক্ষক সকলক, কেৰাণী সকলক, চকিদাৰ সকলক দৰমহা দিব লগীয়া হয়। যাৰ ফলত স্কুলৰ যিটো আন্তঃগাঁথনিৰ উন্নয়নৰ কাৰণে যিমান পুঁজি দৰকাৰ সেইখিনি আমি খৰচ কৰিব নোৱাৰাত ডেক্স-বেন্সৰ অসুবিধা, স্কুলগৃহৰ অসুবিধা, তেনে বহুতো অসুবিধা আমি পাই আহিছোঁ। সেই কাৰণে অকল কাৰ্বি আংলং বা ডিমা হাচাও বা ৰেষ্টকাৰ্বিআংলং ই এটা সকলো ধৰণৰ ফালৰ পৰা পিছপৰা। গতিকে এই ১০ কোটি, এই ১৪ কোটি, এই ১৫ কোটিৰ যোগেদি স্কুলবোৰত উন্নয়ন কৰাতো যথেষ্ট নহয়। সেই কাৰণে আমাৰ বাজেট কৰ্ত্তন নহয়, বৰ্দ্ধন হ'ব লাগে। সেই কাৰণে মই কৰ্ত্তন বাজেট টোৰ বিৰোধিতা কৰিছোঁ। মই এই খিনিত অলপ বেলেগ ধৰণে বক্তব্য ৰাখিব বিচাৰিছোঁ যিহেতুকে পুঁজি আমাৰ দৰকাৰ, পুঁজি পাবৰ কাৰণে আমি ৰাস্তা উলিয়াব লাগিব। সেই কাৰণে অসমৰ কাৰণে, অসমৰ ৰাইজৰ কাৰণে সাংবিধানিক প্ৰাপ্য আছে। কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা আমাৰ কিছুমান সাংবিধানিক প্ৰাপ্য আছে। যিটো প্ৰাপ্যৰ যোগেদি বিশেষভাৱে কাৰ্বিআংলং আৰু এন চি হিল্চ ৰ কাৰণে আমি প্ৰত্যক্ষভাৱে টকা আৱন্টন কৰিব পাৰো। যিটো ভাৰতীয়া সং বিধানৰ ২৪৪ (ক) অনুসূচীত সন্নিবিষ্ট হৈ আছে। সেই অনুসূচীটো ৰূপায়ণ কৰি যদি আমি এটা স্বায়ত্ব শাসিত ৰাজ্য গঠন কৰিব পাৰো অৰ্থাৎ ৰাজ্যৰ ভিতৰত ৰাজ্য গঠন কৰিব পাৰো আৰু যদি আমি অসম খনক বৰ অসম হিচাপে গঢ়িব পাৰো আৰু অসমৰ ৰাইজৰ যিবোৰ প্ৰাপ্য বিশেষকৈ কাৰ্বি আংলং, এন চি হিল্চ আৰু ডিমা হাচাওৰ ৰাইজৰ যিবোৰ প্ৰাপ্য সেই প্ৰাপ্যটো আমি সাব্যস্ত কৰিব পাৰিলে আমি পুঁজি আনিব লাগিব কাৰ্বি আংলং, ডিমা হাচাও, এন চি হিল্চ আৰু পশ্চিম কাৰ্বি আংলংৰ ৰাইজৰ কাৰণে আমি আচুটীয়াকৈ কেন্দ্ৰ চৰকাৰৰ পৰা পুঁজি আনিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** সময় হৈছে।

**শ্ৰীদৰসিং ৰংহাং (হাওৰাঘাট) ঃ** সেই এলেকাবোৰত শিক্ষাৰ লগতে যানযঁটৰ সমস্যা আৰু সীমামূৰীয়া সমস্যা বোৰ আমি সৰ্বাংগীন উন্নয়নৰ কাৰণে ব্যৱহাৰ কৰিবলৈ আমি সক্ষম হ'ম। এইখিনি কথা এই পবিত্ৰ সদনত উপস্থাপন কৰি মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ড° পৰমানন্দ ৰাজবংসী।

**ড° পৰমানন্দ ৰাজবংশী (ছিপাঝাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি শিক্ষাৰ কৰ্ত্তন প্ৰস্তাৱৰ বিষয়ে যিমানবোৰে সপক্ষে বা বিপক্ষে ক'লে সেই প্ৰসঙ্গত মোৰ মনলৈ বাৰে বাৰে এটা বিষয়

আহি আছে যে এজন গৃহস্থীয়ে নিজৰ ঘৰৰ নাৰিকল পাৰিবলৈ গৈছে আৰু ওচৰ চুবুৰীয়াই আহি কৈছে গছ কাটি দিম তই নাৰিকল দে। ঠিক এনেকুৱা বিষয় এটা মই উত্থাপন কৰিব লগীয়া এই কাৰণে হৈছে যে শিক্ষা বিভাগৰ যি স্থায়ী কমিটিৰ কাম কৰিছিলো তেতিয়া দেখিলো যে বহুত আমাৰ সমস্যা আছে। যিবোৰ সমস্যাৰ লগত জড়িত হৈ আছে আমাৰ টকা। তেতিয়া আমাৰ বিৰোধী পক্ষৰ সৰহ ভাগে কৈছিল যে শিক্ষাৰ অমূক লাগে, তমূক লাগে অত্যন্ত গুৰুত্বপূৰ্ণ। আকৌ আজি এই সভাত সেই সকলৰ অধিকাংশই কৈছে যে কৰ্ত্তন কৰিব লাগে। বিষয়টো যেন পাৰস্পৰিক নহয়। এই বিষয়ত মই এটা অনুভৱ ব্যক্ত কৰিব বিচাৰিছোঁ যে কিয় জানে আমাৰ অন্তৰত এটা আধ্যাত্মিক চিন্তা আছে। য'ত য'ত নিজৰ তীৰ্থস্থান বুলি ভাৱো, ভাৰতৰ বা পৃথিৱীৰ সকলো স্থানলৈ নগ'লেও হ'ব, মই ব্যক্তিগত ভাৱে কেইখন মান তীৰ্থস্থানলৈ গৈছো। কিন্তু মই আজি এই সদনত এটা কথা প্ৰকাশ কৰিব খুজিছো, সেয়া হৈছে মোৰ মনত সেইখনে হৈছে শ্ৰেষ্ঠ তীৰ্থস্থান, সেয়া হৈছে মই পঢ়া প্ৰাথমিক বিদ্যালয় খন। দ্বিতীয় শ্ৰেষ্ঠ হ'ব মই পঢ়া উচ্চ মাধ্যমিক বিদ্যালয় খন, মহাবিদ্যালয় খন তাৰ পিছত বিশ্ববিদ্যালয় খন। মই এইখিনি কথা এই কাৰণে কৈছো যে এই চাৰিটা স্তৰৰ তীৰ্থস্থানৰ পিছতে হয়তো অন্যান্য আধ্যাত্মিক তীৰ্থস্থানৰ প্ৰসংগ আহিব। কিন্তু আমি মন কৰিছো এটা কথা, বিশেষকৈ মই নিজেও মন কৰিছোঁ যে ৫ কঠা মাটিত আছে এখন বিদ্যালয় বা এক কঠা মাটিত আছে এখন প্ৰাথমিক বিদ্যালয়, কিন্তু ওচৰতে নামঘৰ বা মছজিদত আছে ৫ বিঘা বা ১০ বিঘা বা ৫০ বিঘা মাটি। অথচ যি প্ৰাথমিক বিদ্যালয়ৰ কাৰণে আমাক তীৰ্থস্থানৰ মাটিতকৈ অধিক মাটিৰ প্ৰয়োজন সেই কথাখিনি আমি অনুভৱ কৰিছো যে আগৰ যিসকলে বিদ্যালয় প্ৰতিষ্ঠা কৰিছিল স্বাধীনতা আগৰ আৰু পাছৰ, সেই পৰৱৰ্তী সময়চোৱাত আমি মন কৰিছিলো যে আগৰ মানুহখিনি যি সকলে বিদ্যালয় প্ৰতিষ্ঠা কৰিছিল সেই সকলে কিন্তু মাটি ১০ বিঘা, ২০ বিঘা বা ১০০ বিঘা পৰ্য্যন্ত মাটি ৰাখিছিল বিদ্যালয় সমূহৰ কাৰণে। আমাৰ যিবিলাক বিদ্যালয় স্থাপন হৈছিল প্ৰাক্ স্বাধীনতা কালৰ আগৰ বা পিছৰ আপোনালোকে মন কৰিব যে বিদ্যালয় বোৰ সেই সময়ত মাটিখিনিৰে আমি চলি আছো। আজি কিন্তু আমাৰ হাতত তেনেকুৱা বিদ্যালয় স্থাপন কৰিবৰ কাৰণে মাটি যথেষ্ট পৰিমাণে নাই। আজি মাননীয় আমাৰ কেন্দ্ৰীয় চৰকাৰ খনে, নিজে আমি লক্ষ্য কৰিছো যে যি নেকি ৰাষ্ট্ৰীয় শিক্ষা নীতি প্ৰৱৰ্তন কৰিছে, সেই ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ মূল লক্ষ্যটোৱে হৈছে যে ৫০ বছৰ ধৰি, অন্তত ভৱিষ্যতৰ কাৰণে এজন নাগৰিক হিচাপে সুস্থ নাগৰিক গঢ়ি তোলা।ভাৰতীয় আদৰ্শৰ নাগৰিক যাতে হ'ব পাৰে তাৰ কাৰণে গোটেই শিক্ষানীতিটোত বহু উপদান তাত সোমাই আছে। ইতিমধ্যে আমাৰ বিৰোধী পক্ষৰ সন্মানীয় সদস্য সকলে কৈছে, এটা বিশেষ কথা বিশেষকৈ আমাৰ ভৰত নৰহ ডাঙৰীয়াই কৈছে মাতৃভাষাৰ সম্পৰ্কত। আমি মন কৰিছো মাতৃভাষাৰ সম্পৰ্কত আমাৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে যিধৰণে মাৰ্গদৰ্শন দিছে, মই ভাৱো যে সেইটোৱেই হৈছে আটাইতকৈ উৎকৃষ্ট মাৰ্গদৰ্শন।

কেইদিনমান আগতে আমাৰ মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে এটা গুৰুত্বপূৰ্ণ কথা কৈছে সেই কথাখিনি হৈছে যে আজি অসমত এনেকুৱা ধৰণৰ সমাহাৰ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ বাট মুকলি কৰিছে, এই চৰকাৰখনে, আজি তিনিটা ভাষা নীতি, ৰাষ্ট্ৰীয় শিক্ষানীতি কেতিয়াও গুৰুত্বপূৰ্ণ নহয়, নোৱাৰে কোনো পধ্যে। কিন্তু আমাৰ এইখন অসমত আমি কমেও চাৰিটা ভাষানীতি প্ৰয়োগ নকৰো তেতিয়া হ'লে বহুতো অসুবিধা হ'ব। মই নিজে যেতিয়া সাহিত্য সভাৰ সভাপতি হৈ আছিলো, তেতিয়াৰ শিক্ষামন্ত্ৰী ডাঙৰীয়াই আমাৰ ওচৰলৈ গৈছিল। তেতিয়াই যিমানবোৰ অসমৰ সাহিত্য সভা আছে, বিভিন্ন ভাষা-ভাষীৰ লগত বহুত বাৰ আলোচনা বিলোচনা কৰাৰ পিছত এনেকুৱা এটা সমাহৰণ ভাষানীতি, শিক্ষানীতি প্ৰস্তুত কৰা হৈছে য'ত নেকি বড়ো ভাষী গৰাকীকেও অসমীয়া

ভাষা শিকিব আৰু সেই সংশিষ্ট অঞ্চলৰ অসমীয়া ভাষী সকলেও বড়ো ভাষা শিকিব, এনেকুৰা ধৰণে কাৰ্বিয়ে অসমীয়া শিকিব আৰু সেই সংশ্লিষ্ট অঞ্চলৰ অসমীয়া ভাষী সকলেও কাৰ্বি ভাষা শিকিব। এই ধৰণে যি এটা synthesis প্ৰক্ৰিয়া আৰম্ভ হৈছিল, সেইখিনি সময়তে আমি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিলো। সেই কথাখিনি আমাৰ সন্মানীয় শিক্ষামন্ত্ৰী মহোদয়ে ইয়াত প্ৰকাশ কৰিছে। মাননীয়া বিত্তমন্ত্ৰী অজন্তা নেওঁগ ডাঙৰীয়ানিয়ে তেখেতৰ বক্তব্যত এটা সুন্দৰ কথা কৈছিল যে বিত্তমন্ত্ৰী হিচাপে যদি বৰ্তমানৰ মাননীয় মূখ্যমন্ত্ৰী আগৰ পৰাই নাথাকিলেহেতেন তেতিয়া হ'লে এক বিধ্বস্ত অৰ্থনীতি দেখিবলৈ পালেহেতেন। ঠিক এই কথাখিনি ক'ব বিচাৰিছো সেয়া হৈছে যোৱাবাৰ আমাৰ মাননীয় বৰ্তমানৰ মুখ্যমন্ত্ৰীয়ে যদি শিক্ষামন্ত্ৰীৰ কাৰ্য্যভাৰ গ্ৰহণ নকৰিলেহেতেন, তেতিয়া হাজাৰ হাজাৰ লাখ লাখ যিবোৰ শিক্ষাৰ সমস্যা, আগৰ চৰকাৰে কৰি যোৱা নীতি বিহীন কিছুমান কাৰ্য্যৰ ফলত যিমান বোৰ শিক্ষক সংগঠন আহে, কেৱল এটাই কথা যে হাজাৰ হাজাৰ লোকে এতিয়াও চাকৰি পাবলৈ আছে আৰু সেইবোৰ সমস্যা সমাধান যদি নহয়, তেতিয়া সেই হাজাৰ হাজাৰ শিক্ষক সকল বিশেষকৈ OBB শিক্ষকসকলে হওঁক বা অন্যান্য শিক্ষক সকলে হওঁক, সেইসকলৰ সমস্যাটো সমাধান কৰাৰ কাৰণে আজি যদি বিহিত ব্যৱস্থা হাতত নলয়, সেই বিহিত ব্যৱস্থা হাতত ল'বলৈ হ'লে আমাৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰী এই দুয়োগৰাকীয়ে যদি এটা দৃঢ় পদক্ষেপ গ্ৰহণ নকৰে, তেতিয়া হ'লে কিন্তু আগতে যিবোৰ নীতিহীন কিছুমান কাম কৰি থৈ গ'ল, সেই কামৰ ফল কিন্তু এই শিক্ষা বিভাগে ভৱিষ্যতে ভোগ কৰিব লাগিব আৰু তাৰ ফল আমি ভোগ কৰিব লাগিব। গতিকে মই ভাৱো আজি ৰাষ্ট্ৰীয় শিক্ষানীতিৰ আধাৰত আমাৰ চৰকাৰখনে যি কাম আৰম্ভ কৰিবলৈ ওলাইছিল, এতিয়া মহামাৰীৰ প্ৰকোপৰ ফলত কিছু পৰিমাণে স্তব্ধ হৈছে সচাঁ, কিন্তু তাৰ গাঠঁনি প্ৰস্তুত হৈছে। একমাত্ৰ এই মহামাৰীৰ কাৰণে যিধৰণে সেই কামখিনি আৰম্ভ হ'ব লাগিছিল, হোৱা নাই। আজি যিধৰণে আমাৰ কামৰ অগ্ৰগতি আমি দেখিবলৈ পাইছো, এক বা দুইবছৰৰ ভিতৰতে অসমখনে শিক্ষাৰ ক্ষেত্ৰত এটা নতুন পদক্ষেপ ল'ব পাৰিব বুলি মোৰ দৃঢ় বিশ্বাস আছে।

মাননীয় অধ্যক্ষ মহোদয়, এইখিনিতে এটা কথা ক'ব লাগিব যে সকলো বিষয়তে মূল বিষয়তো হৈছে ধন। আজি এই ধৰণৰ কথা এই কাৰণে কবলগীয়া হৈছে যে **১৮৩০** চনৰ পৰা **১৮৩৪** চনৰ ভিতৰত বৃটিছ চৰকাৰে **১১** খন বিদ্যালয় স্থাপন কৰিছিল। সেই **১১** খন বিদ্যালয় কোন কেইখন, সেই কথাখিনি হয়তো আমাৰ ভালদৰে স্পষ্ট নহয়। কিন্তু সেই **১১** খন বিদ্যালয়ৰ এখন বিদ্যালয়ৰ পৰা মই নিজে এজন ছাত্ৰ হিচাপে আজি ইয়ালৈ আহিছো, কিন্তু সেই ঐতিহ্যমণ্ডিত **১১** খন বিদ্যালয় আজি অসমে কি হিচাপে ল'ব লাগিছিল, কি ধৰণে ঐতিহ্যপূৰ্ণ বিদ্যালয় হিচাপে প্ৰতিষ্ঠা কৰিব লাগিছিল। আজি বহুতে বিভিন্ন প্ৰসংগত **১শ** বছৰীয়া স্কুলৰ কথা কৈছে, **৭৫** বছৰীয়া স্কুলৰ কথা কৈছে, **৫০** বছৰীয়া স্কুলৰ কথা কৈছে, **২৫** বছৰীয়া স্কুলৰ কথা কৈছে। সেই বিদ্যালয়সমূহৰ গাঁঠনি কেনেকুৱা আমি সকলোৱে জানো আৰু তাৰ কাৰণে কিমান টকাৰ প্ৰয়োজন হ'ব আমি সকলোৰ জানো। সেই টকা যদি কৰ্ত্তন নকৰি সমিল ভাৱে এই কৰ্ত্তন প্ৰস্তাৱটো সন্মানীয় বিধায়কসকলে বা বিৰোধী পক্ষই যদি চৰকাৰী পক্ষৰ লগত হাত মিলাই অতি গুৰুত্বপূৰ্ণ শিক্ষা বিভাগৰ কাম-কাজৰ কাৰণে আগবাঢ়ি আহিব, মই ভাৱো সেয়াই হ'ব গণতান্ত্ৰিক উন্নতিৰ এটা পদক্ষেপ।

আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সুদূৰ পথৰ চিন্তা-চৰ্চাৰে এইখন চৰকাৰে এটা দুৰ্যোগৰ সময়ত শিক্ষাৰ ক্ষেত্ৰত যিবোৰ গুৰুত্বপূৰ্ণ পদক্ষেপ হাতত লৈছে আৰু যিধৰণে আগবাঢ়ি গৈছে

আমি সকলোৱে জানো। ইতিমধ্যে দুই গৰাকী সন্মানীয় বিধায়কে কৈছে যে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ বিদ্যালয় গঢ়াৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ যি মনোভাৱ, আমাকো তেনেকুৱা ধৰণৰ দায়িত্ব দিছে। আমাৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ ক্ষেত্ৰত আমাৰ সন্মানীয় প্ৰধানমন্ত্ৰী মহোদয়ে এটা গুৰুত্বপূৰ্ণ কথা ঘোষণা কৰিছে যে চিকিৎসা বিদ্যালয়ত শিক্ষাৰ মাধ্যম অসমীয়া ভাষাও হ'ব লাগে আৰু এখন প্ৰযুক্তি আৰু বিজ্ঞানৰ মহাবিদ্যালয় হ'ব লাগে অসমীয়া মাধ্যমত। যেতিয়া এই কথাটো ঘোষণা কৰা হ'ল আমাৰ শিক্ষামন্ত্ৰী মহোদয়ে ক'লে যে আমি প্ৰস্তুত। সেই সময়তে আমাৰ বহুতো বুদ্ধিজীৱিয়ে, বহু সংগঠনে এই দিশটোতো বহুত তিৰস্কাৰ কৰিছে। মই ধিক্কাৰ দিব খুজিছো এই বিষয়টোক লৈ বিৰোধীতা কৰা সকলক। আপুনি মন কৰিব সেই একেটা প্ৰস্তাৱ কেইবাখনো ৰাজ্যই মানি কি কৰিছে তেখেতসকলে নিজৰ নিজৰ ভাষাত বেঙ্গলী, তামিল, তেলেগু বা অন্যান্য ভাষাত চিকিৎসা মহাবিদ্যালয় বা প্ৰযুক্তি আৰু বিজ্ঞানৰ মহাবিদ্যালয়ৰ সিদ্ধান্ত গ্ৰহণ কৰি আগবাঢ়িছে। যিটো সময়ত আমি অসমীয়াই অসমীয়া ভাষাৰ কাৰণে এই কামটো কৰিব লাগিছিল, কিন্তু আমাৰ বুদ্ধিজীৱী সকলে, বহুৰূপী সংগঠন সকলে ইয়াৰ বিৰোধীতা কৰিছে। তেখেতসকলে নিজে নাজানে হাতীয়ে নিজৰ শক্তি যেনেকৈ গম নাপায়, তেখেতসকলেও গম নাপালে যে অসমীয়া ভাষাৰ এই ঐতিহ্যপূৰ্ণ ভাষাৰ শক্তি কিমান। মই এই কথা এই প্ৰসংগত ক'ব খুজিছো যে আমি আমাৰ বাংলা ভাষাই হওঁক, বড়ো ভাষাই হওঁক বা অসমীয়া ভাষাই হওঁক, এই তিনিটা ভাষাৰ মাধ্যমৰ মাজেদি প্ৰায় **১০, ১২** বছৰ ধৰি মাতৃভাষা, লোক ভাষাৰ ক্ষেত্ৰত আমি অসম চৰকাৰক বিভিন্ন প্ৰকাৰে সহায় সহযোগিতা কৰি আহিছো। সেই সহায় সহযোগিতা কৰাৰ ফলত যিখিনি কাম আমি কৰিছিলো সাহিত্য সভাৰ বিভিন্ন বাবদ থকাৰ পিছত, মই আজি অনুভৱ কৰিছো । সেইখিনি কাম কৰিবৰ কাৰণে মই ইয়াত এটা উপযুক্ত ভূমিকা লব পাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ চৰকাৰৰ দিনতে অসম সাহিত্য সভা, বড়ো সাহিত্য সভা, মিচিং সাহিত্য সভা প্ৰমুখ্যে প্ৰায় **১৮** খন সাহিত্য সভাত এইখন চৰকাৰে **১০** কোটি টকা, **৫** কোটি টকা, **৩** কোটি টকা সেই সংগঠন সমূহক দিছে। কিহৰ কাৰণে? সাহিত্য সভা সমূহে যাতে ভাষাৰ ক্ষেত্ৰত, সংস্কৃতিৰ ক্ষেত্ৰত কাম কৰিব পাৰে। আজি ইমান বছৰ হ'ল কোনো চৰকাৰে এই কাম কৰা নাছিল। আমাৰ ভাৰতীয় জনতা পাৰ্টীৰ মিত্ৰজোঁটৰ চৰকাৰে এই কাম কৰিলে। কিমান অনুৰোধ কৰিলো আগৰ চৰকাৰক কিন্তু এই কাম কোনেও নকৰিলে। আমাৰ বিশ্ববিদ্যালয়ৰ যিসকল শিক্ষক কৰ্মচাৰী আছে, তেওঁলোকে অধিকাংশ বাহিৰ পৰা আহিছে।

আজি এনেকুৱা সিদ্ধান্ত গ্ৰহণ কৰা হৈছে যে যিসকলে অসমত কাম কৰিব বিশ্ববিদ্যালয় পৰ্য্যায়ত বা মাধ্যমিক পৰ্য্যায়ত যিকোনো ক্ষেত্ৰতে তেখেতসকলে কিন্তু অসমীয়া ভাষাই হওঁক মাতৃ ভাষাই হওঁক বা যিটো নিজৰ ভাষা, বাংলা ভাষা , আঞ্চলিক ভাষা হিচাপে বড়ো ভাষা, তেখেতসকলে শিকিব লাগিব। তেখেতসকলে যদি আগতে শিকি অহা নাছিল তেন্তে সংশ্লিষ্ট সাহিত্য সভাসমূহে এই ভাষা শিকোৱাৰ ক্ষেত্ৰত তেখেতসকলে সহযোগ কৰিব। এইধৰনৰ এটা সুন্দৰ ব্যৱস্থা কৰাৰ পিছত মই ভাবো আমাৰ বিৰোধী পক্ষৰ সন্মানীয় সদস্যসকলে এই কৰ্তন প্ৰস্তাৱটিৰ বিৰুদ্ধে আমাৰ চৰকাৰী পক্ষ সৈতে যাতে হাত মিলায় ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, ক্ষুদ্ৰ ক্ষুদ্ৰ সাহিত্য সভালৈ আমাৰ চৰকাৰৰ আগৰ কাৰ্য্যকালত ৩ কোটি টকাকৈ দিয়া হৈছিল যাতে সাহিত্যৰ ওপৰত সকলোৱে চৰ্চা কৰিব পাৰে আৰু নিজৰ ভাষাটো গৌৰৱেৰে বছাই ৰাখিব পাৰে। এতিয়া ভূবন পেগু ডাঙৰীয়া।

**শ্ৰীভূবন পেগু (জোনাই) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া । বিৰোধীয়ে উত্থাপন কৰা কৰ্তন প্ৰস্তাৱ

বিৰোধিতা কৰি মই গোটেই বিষয়টোত নগৈ দুটা মাত্ৰ ফাণ্ডামেন্টেল বিষয়ৰ ওপৰত ক'ব বিচাৰিছো যে আমাৰ শিক্ষা বিভাগে এইবাৰ কিয় বেছিকৈ পুঁজি ধাৰ্য্য কৰিছে আৰু বাজেটত ধাৰ্য্য হোৱা টকাটো কিয় পাচ হোৱাটো বিচাৰিছো এই বিষয়ত দুটামান কথা উত্থাপন কৰিব বিচাৰিছো। এটা হ'ল যেতিয়া গুণোৎসৱৰ সময়ত আমি স্কুলবিলাক ভিজিট কৰিছিলো, এখন হাইস্কুললৈ গৈছিলো আৰু তাত ছাত্ৰ-ছাত্ৰীৰ কোৱালিটিটো উন্নত নোপোৱাৰ বাবে শিক্ষকক সুধিছিলো যে ছাত্ৰ ছাত্ৰীসকলৰ কোৱালিটিটো ইমান কিয় বেয়া। তেতিয়া শিক্ষকসকলে কৈছিল যে আমি নাইন -টেনৰ পৰাহে ছাত্ৰ ছাত্ৰীক পাইছো। য'ত এম ই স্কুলত গৈছো তাতে কৈছে যে চিক্স, চেভেল আৰু এইটৰ পৰাহে পাইছো। ফাউণ্ডেশ্যনবিলাক যিমান ভাল হ'ব লাগিছিল সিমান হোৱা নাই বাবে ছাত্ৰ-ছাত্ৰীয়ে ক্লাচ ফাইভলৈকে যেতিয়া ভালকৈ শিক্ষাটো নাপায় তেতিয়া এম. ই. স্কুলতে হওঁক বা হাইস্কুলতেই হওঁক ভাল শিক্ষক পালেও কোৱালিটিটো increase কৰিব বিচাৰিলেও, ভাল শিক্ষক পালেও কোৱালিটি increase কৰিব নোৱাৰে। এনে পৰিস্থিতিৰ মাজত সেই কাৰণে নেশ্যনেল এডুকেশ্যন পলিচিয়ে ২০২০ চনত এই ফাণ্ডামেন্টেল বিষয়টোত এটা পৰিবৰ্তন অনাৰ চেষ্টা কৰিছে। তাৰ কাৰণে আজি মই লক্ষ্য কৰিছো যে বিৰোধী পক্ষৰ যিসকল সদস্যই কৰ্তন প্ৰস্তাৱ আনিছে বিশেষকৈ কংগ্ৰেছ পক্ষৰ বহুত বিধায়ক তথা জেষ্ঠ বিধায়ক শ্ৰীভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই এই বিষয়টোত কেইটামান পইন্ট এনেকৈ উত্থাপন কৰিছে। মই ভাবো যে আমি সকলোৰে, আমাৰ যিটো ফাণ্ডামেন্টেল বিয়য়, যিটো প্ৰাইমেৰী লেভেলত যিটো শিক্ষা গ্ৰহণ কৰাত যি বাধা আছিল সেইটো দূৰ কৰাৰ কাৰণে যি 'নেশ্যনেল এডুকেশ্যন পলিচি ' য়ে যিটো পলিচি লৈ আনিছে তাৰ কাৰণে আমাৰ প্ৰধান মন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিব লাগে। উপাধ্যক্ষ মহোদয়, ইয়াত স্পষ্টকৈ এটা বিষয় আছে, মই ভাবো এইটো এটা খুব গুৰুত্বপূৰ্ণ বিষয়। ইয়াত স্পষ্টকৈ কৈছে " আৰ্লি চাইলহুড কেয়াৰ এণ্ড এডুকেশ্যন দ্য ফাউণ্ডেশ্যন অৱ লাৰ্নিং"। এইটোত এইবাৰ নেশ্যনেল এডুকেশ্যন পলিচিয়ে গুৰুত্ব দিছে আৰু ইয়াত এটা স্পষ্টকৈ কৈছে যে over 85 per cent of Child creative Brain development prior to the age of Six indicating the critical importance of appropriate care and stimulization of Brain the early Year in order to ensure healthy Brain development and growth. তাৰ মানে ৬ বছৰৰ ভিতৰতেই শিশু এটাৰ ৮৫ শতাংশ ব্ৰেইন ডেভল'পমেন্ট হৈ যায় বুলি কৈছে। এই ৬ বছৰৰ ভিতৰত যিটো ফাউণ্ডেশ্যন পাব সেইটোৰ ওপৰত ভিত্তি কৰি ক'ব পাৰি যে ভৱিষ্যতে সেই শিশুটোৰ ডেভল'পমেন্ট কেনেকুৱা হ'ব বা তেওঁ কিদৰে আগবাঢ়ি যাব পাৰিব সেইটো ডিফাইন কৰে। উপাধ্যক্ষ মহোদয় আমি যদি লক্ষ্য কৰো তেন্তে আমি দেখিবলৈ পাম যে এই ছয়বছৰৰ ভিতৰত ভাল শিক্ষা গ্ৰহণ কৰাৰ কোনো ফাউণ্ডেশ্যন দেখা নাই। কিন্তু আমাৰ ইয়াত শিক্ষা আৰম্ভ হয় ৬ বছৰৰ পিছত। তাতকৈ important কথাটো হ'ল যে আমাৰ 'নেশ্যনেল এডুকেশ্যন পলিচি'ত লিখা আছে যে, " A research clearly says that Children pick up languages extremely quickly between the ages of two and eight and the multilangual ism has a great consumpted benefit to young student. Children will be exposed to different language early on. মাদাৰ টাং - হোম লেংগুৱেজ এই দুটা বিষয়ত যদি চোৱা যায় ইয়াত বহু ৰিচাৰ্চ কৰাৰ পিচত যিটো পলিচি আনিছে এই দুটা বিষয়ত কিন্তু আজি ইমান দিনে অসমৰ ছাত্ৰ-ছাত্ৰীসকল বঞ্চিত

হৈ আছে। কোৱালিটি এডুকেশ্যন এট । আৰ্লি ষ্টেজ ৬ বছৰ আগলৈকে সেই কাৰণে মই অসম চৰকাৰক ধন্যবাদ জনাব বিচাৰিছো যে এইবাৰ একেবাৰে প্ৰি প্ৰাইমাৰী লেভেলত যিটো ব্ৰেইন ডেভল'পমেন্টৰ ৬ বছৰ আগলৈকে যিটো ইনিচিয়েল ষ্টেজ তাৰ বাবে এইবাৰ অসম চৰকাৰে ১০০০ অংগণবাড়ী কেন্দ্ৰক ২৫ লাখকৈ টকা দি ডেভল'পমেন্টৰ কাৰণে যি সিদ্ধান্ত লৈছে তাৰ বাবে অসম চৰকাৰৰ লগতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকো ধন্যবাদ জ্ঞাপন কৰিলো। মই মুল্যটো চাই আগৰ অংগণবাড়ীৰ কথা ভাবিছো যে, আগৰ অংগণবাড়ী কি আছিল ৮০ হাজাৰ টকাৰ ঘৰ এটা মানে পি এম এ ৱাই ঘৰতকৈও অৱস্থা বেয়া। বহুত ঠাইতটো গৰু থকা ঘৰটোৱে ভাল অৱস্থাত থাকে। কাৰণ ৮০ হাজাৰ, এক লাখ ২০ হাজাৰ টকা দিয়ে অংগণবাড়ী কেন্দ্ৰ এটা বনাবলৈ কি ভাল অৱস্থা হ'ব? কোনো খিৰিকী নাই, অৱস্থাটোও বেয়া । এতিয়া " National Education Policy "ত কৈছে যে " for universal excess to value quality education Angawadi Centre will be sterngthen with high quality infrastructure a equipment and well trained Anganwadi workers and Teachers . Every Anganwadi Centre will have a well ventilated well designed Child friendly well constructed Building with an enriched learning environment. Children in Anganwadi Centre will take activity fill Course and need the Teachers and students of the local primary school in order to make the transaction from Anganwadi Centres to primary School as move one , Anganwadi shall be fully intigrated into School complex and Anganwadi Children whereas Teachers will be united to attend participate in School Complex programme and vice versa. কোনোবাই ড্ৰপৰ কথাটো উল্লেখ কৰিছে। আৰম্ভণিতে যদি স্কুল যাবলৈ ইচ্ছা কৰাৰ পৰিৱেশটো নাপায়, ল'ৰা-ছোৱালীয়ে পঢ়িবলৈ ইচ্ছা নকৰিব। কিন্তু ২৫ লাখ টকীয়া অঙ্গনবাড়ী কেন্দ্ৰ যদি আমি ডেভল'প কৰি দিওঁ তেতিয়া ল'ৰা- ছোৱালীয়ে ৰাতিপুৱাই মাক দেউতাক জগাব ক'ব উঠা সোনকালে মোক ইউনিফৰ্ম পিন্ধাই দিয়া, মই স্কুলত যাম। তাত খেলিব পাব, এটা পৰিৱেশ পাব। তাত যদি ইন্টাৰেক্টিভ যদি ক্লাছ থাকে, ভিদিও থাকে, আমি যদি এটা পৰিৱেশ দিওঁ, মাক দেউতাকে যেতিয়া নিবলৈ আহিব তেতিয়া ক'ব অলপ ৰোৱা মই খেলি লওঁ। সেই পৰিৱেশটো আমি দিব লাগিব। এই পৰিবেশটো গঢ় দিয়াৰ বাবে এই চৰকাৰে ১০০০ অঙ্গনবাড়ী কেন্দ্ৰক ২৫ লাখ টকাকৈ আগবঢ়াই দিম বুলি সাহস কৰি এইবাৰ বাজেট আগবঢ়াই দিয়া বাবে পুনৰবাৰ মই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিলো। তাৰোপৰি ভৰত নৰহ ডাঙৰীয়াই সুন্দৰ ভাবে কথাটো উত্থাপন কৰিছে। তেখেত উল্লেখ কৰিছে যে মাতৃভাষাটো কিমান ইম্পৰ্টেন্ট। আমাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া। তেওঁ নিশ্চয়কৈ কৰিব কিয়নো তেওঁ আমাৰ বিজেপি নেতৃত্বাধীন চৰকাৰৰ মুৰব্বী আৰু তেওঁৰ নেতৃত্বত যিহেতু এটা প'লিচি হৈছে সেই প'লিচি আমাৰ ইয়াত থকা বিজেপি নেতৃত্বাধীন চৰকাৰখনে নকৰিব নেকি? আমাৰ সন্মানীয় সদস্য ভৰত নৰহ ডাঙৰীয়াক মই অনুৰোধ জনাইছো যে পেপাৰ, ছ'চিয়েল মিডিয়াত অলপ মনটো কমকৈ দি নেশ্যনেল এডুকেশ্যন প'লিচি অলপ অধ্যয়ন কৰিলে ভাল হয়। ভাৰত চৰকাৰৰ নেশ্যনেল এডুকেশ্যন প'লিচি ২০২০ এ ভৰত নৰহ ডাঙৰীয়াই ডিমাণ্ড কৰাটোকেই কৈছে। কেন্দ্ৰত বেলেগ চৰকাৰ আৰু আমাৰ ইয়াত বেলেগ চৰকাৰ থকা হ'লে সন্দেহ কৰাৰ প্ৰশ্নটো আহে, কিন্তু পেপাৰ, ছ'চিয়েল

মিডিয়া, মোবাইল বেছিকৈ চোৰা বাবে সন্দেহটো আহিছে। প'লিচিটো ভালকৈ অধ্যয়ন কৰিলে সন্দেহ কৰাৰ প্ৰশ্ন ক'তো নাই। উপাধ্যক্ষ মহোদয়, ছাত্ৰ-ছাত্ৰীসকলে পঞ্চম শ্ৰেণীলৈকে যদি এটা ভাল পৰিৱেশ পায়, অংগনৱাড়ী কেন্দ্ৰত যদি সঁচা অৰ্থত ৱৰ্ল্ড ক্লাচ ফেচিলিটি দিব পাৰো তেতিয়াহ'লে ভাল হ'ব। আমি অংগনৱাড়ী কেন্দ্ৰত যিটো ২৫ লাখ টকা দিব বিচাৰিছো এইখিনি কম টকা নহয়। কিয়নো আগতে আমি এল পি স্কুলকেই দিব পৰা নাছিলো। এইবাৰ বাজেটত আমাৰ চৰকোৰে ১০ হাজাৰ অংগনৱাড়ী কেন্দ্ৰক টাৰ্গেট কৰিছে। গতিকে মই বিৰোধী পক্ষক এই কৰ্তন প্ৰস্তাৱটো ননাৰ বাবে বৰঞ্চ আৰু অলপ পইচা দিবৰ বাবে অৰ্থাৎ ১ হাজাৰৰ পৰিৱৰ্তে ১০ হাজাৰ কৰিবৰ বাবে সহযোগ বিচাৰিছো আৰু চেণ্টাৰ অফ এক্সিলেঞ্চ ১হাজাৰ স্কুলক উন্নত কৰাৰ কাৰণে যিটো আঁচনি লৈছে তাৰ বাবে আপোনালোকেও শিক্ষা বিভাগত বাজেট অধিক লাগে বুলি ডিমাণ্ড কৰিব লাগে বুলি মই ভাৱো আৰু তাৰ বাবে আগবাঢ়িব লাগে বুলি মই আপোনালোকক অনুৰোধ জনাই এই কৰ্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** যদিও আপোনাক শেষ বক্তা বুলি কৈছিলো কিন্তু আমাৰ বিধায়ক সকলে শিক্ষা বিভাগক আৰু ভাল কৰিবৰ বাবে আৰু মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনোৱাৰ বাবে আৰু তিনি গৰাকী বক্তাক ৫ মিনিটকৈ ক'বলৈ মই অনুৰোধ জনাইছো। এতিয়া শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ ডাঙৰীয়া।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ (সোণাৰি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি আপোনাৰ যোগেদি আমাৰ বিৰোধী সকলে উত্থাপন কৰা কৰ্তন প্ৰস্তাৱটিৰ বিৰোধীতা কৰি মই দু-আষাৰ ক'বলৈ বিচাৰিছো। তেওঁলোকে যদিও কৰ্তন প্ৰস্তাৱৰ কথা কৈছে, কিন্তু মই বাজেটত ধৰা টকাৰ পৰিমাণ আৰু দুগুণ কৰাৰ পোষকতা কৰো। যিহেতু প্ৰত্যেক দিনে বা প্ৰত্যেক বছৰে শিক্ষাৰ মানদণ্ড উচ্চ হৈ আহিছে আৰু ভৱিষতে আৰু উন্নত কৰিব লাগিব। সেয়ে আমি আৰু বাজেট ধৰি শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ পোষকতা কৰিছো। যিহেতু দেশৰ প্ৰগতিৰ ক্ষেত্ৰত অন্যতম বাহক হৈছে শিক্ষা। সমগ্ৰ দেশৰ শিক্ষা কেনেকুৱা হোৱা উচিত এই বিষয়ে কোনেও নজনা নহয়। বিগত দিনত কিছু ভুল নীতিৰ কাৰণে আমাৰ অসমত বিভিন্ন ধৰণৰ ব্যক্তিগত শিক্ষানুষ্ঠান সমূহ গঢ় লৈ উঠিল। এই ব্যক্তিগত শিক্ষানুষ্ঠান সমূহ গঢ় লৈ উঠাৰ ফলত চৰকাৰী শিক্ষানুষ্ঠানসমূহ নিম্নস্তৰলৈ গুছি গ'ল। ফলশ্ৰুতিত বিশ্বত ৰাষ্ট্ৰীয় শিক্ষা নীতি প্ৰয়োগেৰে যি শিক্ষা নীতি প্ৰয়োগ কৰিলে সেই শিক্ষা নীতিয়ে আমাৰ শিক্ষাৰ মানদণ্ড অধিক উন্নত কৰাত অৰিহণা যোগালে। সৰ্ব শিক্ষা নীতিৰ ফলত গুণোৎসৱৰ জৰিয়তে যিবিলাক বিদ্যালয় একেবাৰে জৰাজীৰ্ণ অৱস্থাত আছিল সেই শিক্ষানুষ্ঠান সমূহ আধুনিকীকৰণ কৰা পৰিলক্ষিত হ'ল যাৰ বাবে আমি ভাৰতীয় শিক্ষা নীতিক শলাগ ল'বই লাগিব। যিহেতু এই শিক্ষা নীতিৰ আধাৰত ৬৫ খন উন্নত দেশৰ গৱেষণাৰ ফলশ্ৰুতিত দেখিবলৈ পাইছো যে ব্যক্তিগত স্কুলৰ শিক্ষা আৰু চৰকাৰী স্কুলৰ শিক্ষাৰ মাজত কোনো পাৰ্থক্য নাই। গতিকে চৰকাৰী বিদ্যালয়ৰ শিক্ষা অধিক উন্নত কৰিবৰ বাবে আৰু ছাত্ৰ-ছাত্ৰীসকলক উন্নত মানদণ্ডৰ শিক্ষা প্ৰদানৰ কাৰণে লগতে ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়লৈ অনাৰ কাৰণে উপায় অৱলম্বন কৰিব লাগিব। কিয়নো ছাত্ৰ-ছাত্ৰীসকলক চৰকাৰী বিদ্যালয়লৈ অনাৰ উপায় অবলম্বন কৰিলে ব্যক্তিগত খণ্ডৰ পৰা চৰকাৰী খণ্ডলৈ ছাত্ৰ-ছাত্ৰী অনাটো সুবিধা হ'ব। শিক্ষাৰ মানদণ্ড উন্নত হোৱাৰ ফলশ্ৰুতিত সৰ্বশিক্ষাৰ দ্বাৰা যিসকল ছাত্ৰ-ছাত্ৰীক টেটৰ জৰিয়তে মেধাৰ ভিত্তিত শিক্ষক হিচাপে নিযুক্তি দিলে সেই শিক্ষক সকলৰ জৰিয়তে আমাৰ শিক্ষাৰ মানদণ্ড অতি উন্নত হৈছে বুলি আমি ক'ব পাৰিছো। যিহেতু আমাৰ শিক্ষামন্ত্ৰী মহোদয়ৰ লগতে বৰ্তমানৰ মুখ্যমন্ত্ৰী তথা বিগত বছৰৰ শিক্ষামন্ত্ৰী ডাঙৰীয়াই যি

পদ্ধতিৰে আমাৰ শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিলে তাৰ বাবে আমি সকলোৱে শলাগ ল'ব লাগিব। যি সময়ত চাহ বাগিচা সমূহত উচ্চ শিক্ষাৰ কোনো ব্যৱস্থা নাছিল, যি সময়ত ছাত্ৰ-ছাত্ৰীসকলে বাগানত অকল এল পি স্কুললৈকে পঢ়িব পাৰিছিল তাৰ পিছত আৰু উচ্চ শিক্ষা লোৱাৰ সুবিধা পোৱা নাছিল তেনে ফলশ্ৰুতিত বাগানত ১১৯খন হাইস্কুল তথা হায়াৰ ছেকেণ্ডাৰী স্কুল নিৰ্মাণৰ যি সিদ্ধান্ত ল'লে তাৰ পৰা বাগনৰ ছাত্ৰ-ছাত্ৰীসকল শিক্ষাৰ ক্ষেত্ৰত উপকৃত হ'ব বুলি আমি ভাৱো। শিক্ষাৰ ক্ষেত্ৰত আমাৰ চৰকাৰ খনে যিখিনি অৰিহনা যোগাইছে, যিখিনি পদক্ষেপ হাতত লৈছে বিগত দিন সমূহত সেইটো হোৱা পৰিলক্ষিত নহ'ল। গতিকে আমাৰ বিৰোধী সকলে যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধিতা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**माননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় বিধায়ক শ্ৰী ছিদ্দিক আহমেদ ডাঙৰীয়া।

**শ্ৰী সিদ্দেক আহমেদ (দক্ষিণ কৰিমগঞ্জ) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমি দু-চারটি কথা উপস্থাপন করতে চাই। শিক্ষাই জাতির মেরুদণ্ড। শিক্ষা ছাড়া কোনও জাতি এগিয়ে যেতে পারে না। এবং সমাজে কোনও জাতি যদি প্রকৃত শিক্ষায় শিক্ষিত হয় তাহলে একটি দেশে, একটি রাজ্যে প্রায় ৮০ শতাংশ সমস্যাই সমাধান হয়ে যায়। বর্তমান অসমে যে সমস্যা চলছে জনসংখ্যার কথা বা বিভিন্ন প্রশ্ন উত্থাপন হচ্ছে। যদি সব জাতি যদি আজ প্রকৃত শিক্ষায় শিক্ষিত হত তাহলে অন্তত এই সমস্যাগুলো থাকত না। আমরা দেখেছি যে গ্রামাঞ্চলে যখন ছেলে-মেয়েরা সুশিক্ষিত হয় এবং শিক্ষিত হওয়ার পর যখন চাকরি পায় না, তখন ভেঞ্চার স্কুল গড়ে অন্তত সেই সমাজে কিছুটা শিক্ষা দেওয়ার প্রবণতা থাকে। গ্রামাঞ্চলে যারা ভেঞ্চার স্কুল খুলেছে, সেই স্কুলগুলো বিভিন্ন সময়ে বিভিন্ন আইনের ফলে অনেক সময় বাঁধারও সম্মুখীন হতে হয়েছে। ২০০৬ সালে যে স্কুল প্রোভিনশিয়েলাইজ অ্যাক্টে যে সমস্ত শিক্ষা প্রতিষ্ঠান প্রোভিনশিয়েলাইজ করা হয়েছে, সেখানে ইস্যু ডেট নিয়ে আলোচনা হয়েছে বিধানসভায়। সেই ইস্যু ডেট, ২০০৬ এর মার্চে যদি স্কুল প্রোভিনশিয়েলাইজ হয় এবং ছয়-সাত দিন পর সেটা ইস্যু হয়, তাহলে সেই শিক্ষা প্রতিষ্ঠানগুলোর এত বছরের খাটুনি সব শেষ হয়ে যায়। এভাবে কিছু প্রতিষ্ঠানে অনেক ছেলে-মেয়েরা যারা ২০-২৫ বছর ধরে কাজ করেছেন, তাদের জীবন আজ প্রায় ধ্বংস হয়ে গেছে। এমনও দেখা গেছে কিছু ভেঞ্চার স্কুলে যে সব শিক্ষক, যারা অন্তত ২৫-৩০ বছর কাজ করার পর অবসরে চলে গেছেন, কিন্তু সেই স্কুলটি প্রোভিনশিয়েলাইজ হচ্ছে না। আমি এই প্রসঙ্গে মাননীয় শিক্ষামন্ত্রীকে অনুরোধ করতে চাই, অন্তত এই সব শিক্ষা প্রতিষ্ঠানের ক্ষেত্রে ইস্যু ডেটের উপর লক্ষ্য না করে শিক্ষকদের দিকে লক্ষ্য রেখে যাতে ইস্যু ডেট নিয়ে কিছু চিন্তা করেন।

দ্বিতীয় কথা হল, মাননীয় শিক্ষামন্ত্রী বলেছেন, ভরত নরহ মহাশয়ও বলেছেন যে প্রত্যেক জাতির প্রাইমারি লেভেল শিক্ষা যদি তার জাতিগত ভাষায় হয়, অন্তত প্রাইমারি বা আপার প্রাইমারি লেভেলে অন্তত নিজের মাতৃভাষায় পড়তে পারে তাহলে সে নিজের কথাটা প্রকাশ করা শিখবে। আমি দেখেছি, আমাদের বিষ্ণুপ্রিয়া মণিপুরী অঞ্চলে যে সমস্ত স্কুল প্রতিষ্ঠান, যেখানে অনেক শিক্ষকদের নিযুক্তি দেওয়া হয়েছে। কিন্তু সেই শিক্ষকদের যেখানে মণিপুরী কোনও ছাত্র নেই, সেখানে নিযুক্তি দেওয়া হয়েছে। যাদেরকে নিযুক্তি দেওয়া হবে তারা যাতে তাদের মাতৃভাষার অঞ্চলে থাকে, সেই স্কুলগুলোতে যদি নিযুক্তি দেওয়া হয় তাহলে সেই অঞ্চলের ছেলে-মেয়েরা তারা অন্তত নিজের ভাষা শেখার সুযোগ পাবে। আরও একটি কথা হচ্ছে, মাদ্রাসাগুলোকে জেনারেল স্কুলে রূপান্তরিত করা হয়েছে। কিন্তু মাদ্রাসার ক্ষেত্রে দেখা গেছে

দু'কিলোমিটার অন্তরে যে সমস্ত মাদ্রাসা, প্রি-সিনিয়র মাদ্রাসা বা সিনিয়র মাদ্রাসা স্থাপিত হয়েছে, সেগুলো স্কুলে রূপান্তরিত হয়েছে। কিন্তু যে সমস্ত প্রি-সিনিয়র মাদ্রাসা, সেটা এমই স্কুল পর্যায়ে রয়েছে। ঠিক আছে সেগুলো এমই স্কুল, ঠিকই আছে। কিন্তু আরও কিছু যেমন টাইটেল মাদ্রাসা, সিনিয়র মাদ্রাসা। সিনিয়র মাদ্রাসার যে সমস্ত শিক্ষক যারা এফ এম পাশ করেন, অর্থাৎ যারা এই স্কুলে কাজ করেন গ্র্যাজুয়েট লেভেলে তারা যদি অন্য স্কুলে চাকরি পান। আগে ছিল এফ এম পাশ করলে অন্তত সে গ্র্যাজুয়েট লেভেল স্কেলে বেতন পেত এবং যারা টাইটেল পাশ করেছেন, তারা পোস্ট গ্র্যাজুয়েট লেভেলের বেতন পেতেন। কিন্তু আজ দেখা গেছে যে সমস্ত টাইটেল মাদ্রাসা, সেই টাইটেল মাদ্রাসাগুলোকে মেট্রিক স্ট্যান্ডার্ডে রূপান্তরিত করা হয়েছে। কিন্তু সেটা মেট্রিক স্ট্যান্ডার্ড নয়, কারণ, সেখানে পোস্ট গ্র্যাজুয়েট লেভেলে শিক্ষা দেওয়া হত।

**মাননীয় উপাধ্যক্ষ ঃ** প্লিজ কনক্লুড। আপনার আরও কিছু বলার থাকলে সেটা লিখিত ভাবে দেন। আমি আপনার স্পিচটা এখানে জয়েন্ট করে দেব।

**সিদ্দেক আহমেদ (দক্ষিণ করিমগঞ্জ) ঃ** আমি লিখিত আকারে মাননীয় শিক্ষামন্ত্রীর কাছে দেব, দয়া করে এগুলো বিবেচনা করবেন।

**শ্ৰী গনেশ কুমাৰ লিম্বু (বৰচলা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা জনাই মই চমুকৈ দু-আষাৰ ক'ব বিচাৰিছো । ২০১৭ চনত বৰ্তমানৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই, যি সেই সময়ত শিক্ষা মন্ত্ৰী আছিল, তেখেতে গৌহাটী বিশ্ববিদ্যালয়ত নেপালী ভাষাৰ পদ সৃষ্টি কৰিছিল । মই জনা মতে, তাত তিনিবাৰ interview হৈছে, কিন্তু এই post টো এতিয়ালৈকে fill-up কৰিব পৰা নাই । UGC বা NETত ইতিমধ্যে নেপালী ভাষাৰ syllabus অন্তৰ্ভুক্ত কৰা হৈছে । কিন্তু, SLET ত এতিয়ালৈকে অন্তৰ্ভুক্ত নোহোৱাৰ বাবে আমাৰ যথেষ্ট সমস্যা হৈছে । ঢেকীয়াজুলি কলেজ, দৰং কলেজ, বিশ্বনাথ কলেজত দেখিবলৈ পাইছো যে তাত পদ খালী হৈ আছে কিন্তু নিযুক্তি দিব পৰা নাই । SLET ত নেপালী ভাষা অন্তৰ্ভুক্ত নোহোৱাৰ বাবে উপযুক্ত প্ৰাৰ্থীৰ অভাব দেখিবলৈ পাইছো । IDOLত নেপালী ভাষাত PG level ত MA কৰাৰ যি ব্যৱস্থা আছিল, সেইয়া IDOL খন বন্ধ হৈ যোৱাৰ বাবে K.K. Handique Open University ত ইয়াৰ প্ৰস্তাৱ দিছো । মই জনা মতে আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে এই বিষয়ে যথেষ্ট আগভাগ লৈছে আৰু মই আশা ৰাখিছো অতি শীঘ্ৰে K.K. Handique Open University ত distanceত নেপালী ভাষাত MA কৰাৰ ব্যৱস্থা কৰিব । দীৰ্ঘ দিনৰ পৰা বিভিন্ন সংগঠন, বিভিন্ন সাহিত্য সভাই চৰকাৰক কৈ আহিছে যে অসমত অসমীয়া মাধ্যমৰে পঢ়া-শুনা কৰিব বিচাৰে । নেপালী মাধ্যম নিবিচাৰে । পল্টন বজাৰ গোৰ্খা এল.পি. স্কুল আৰু বৰাগাওঁ এল. পি. স্কুল, নেপালী মাধ্যমৰ এই এল. পি. স্কুল দুখন বন্ধ কৰি নেপালীটো MIL বা optional subject হিচাবে ৰাখি সমগ্ৰ অসমত শিক্ষকৰ নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে বুলি মই জনাব বিচাৰিছো । আনহাতে, টেটৰ ক্ষেত্ৰত এটা সমস্যাৰ সন্মুখীন হ'ব লগীয়া হয় যে মেট্ৰিকত MILত নেপালী ভাষা লোৱা সকলে, যদিও বাকীখিনি বিষয়ত অসমীয়া মাধ্যমতে শিক্ষা গ্ৰহণ কৰিছে, টেটত যেতিয়া অসমীয়া মাধ্যমৰ শিক্ষক পদৰ বাবে apply কৰিবলগীয়া হয়, তেতিয়া তেওঁৰ MIL-নেপালী হোৱাৰ বাবে তেখেতে apply কৰিব নোৱাৰে । সেয়েহে, মই আজি সদনত আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে বিষয়টো অত্যন্ত জটিল হয় । কিয়নো, ছাত্ৰজনে কেৱল এটা বিষয়হে নেপালীত পঢ়িছে, বাকীখিনি তেওঁ অসমীয়া মাধ্যমতেই পঢ়িছে । যিহেতু নেপালী মাধ্যম নাই, গতিকে তেওঁ অসমীয়া মাধ্যমত শিক্ষক হোৱাৰ যোগ্য হ'ব নে নাই এই

বিষয়ত মই বিভিন্ন সময়ত বিভিন্ন ঠাইত আলোচনা কৰিছো । কিন্তু, আজিলৈকে ইয়াৰ সঠিক সমাধান পোৱা নাই। আমাৰ বিভিন্ন বিশ্ববিদ্যালয় স্থাপন কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হৈ গৈছে । এই ক্ষেত্ৰত, মই পৰামৰ্শ দিব বিচাৰিছো যে, নতুনকৈ যিবোৰ বিশ্ববিদ্যালয় নিৰ্মাণ কৰা হ'ব সেইবোৰ অসমৰ ঐতিহ্য, সংস্কৃতি, পৰম্পৰাৰ লগত খাপ খোৱাকৈ design and drawing কৰি নিৰ্মাণ কৰাৰ পৰিকল্পনা কৰিলে মই ভাবো যে ই ভৱিষ্যতৰ বাবে ভাল হ'ব । অসমত বি.এড. কলেজৰ সংখ্যা কম হোৱাৰ বাবে, সাধাৰণ কলেজবোৰতে বি.এড্ৰ ক্লাছ হ'ব লাগে বা বি. এড্ ৰ ব্যৱস্থা ৰাখিব লাগে বুলি কোৱা হৈছিল । এই বিষয়ত মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে কলেজত যদি বি.এড্ৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত হয়, তেতিয়া বহুত ভাল হ'ব । কিছুমান কলেজত এই বিষয়টো কৰা হৈছে আৰু কিছুমান কলেজত কৰা হোৱা নাই বুলি মই গম পাওঁ । Faculty ৰ যথেষ্ট সমস্যা আছে। এই ক্ষেত্ৰত যদি আমি গুৰুত্ব দিওঁ তেন্তে আমাৰ যি নিবনুৱা সমস্যা আছে, যথেষ্টখিনি সমাধান হ'ব বুলি মই বিশ্বাস কৰো । এই খিনিকে কৈ মই মোৰ ক'বলগীয়াখিনি সামৰিছো । ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধীয়ে শিক্ষা বিভাগৰ Grant no-26 আৰু Grant no-71 ৰ ওপৰত এটা Cut motion আনি ইয়াত অংশগ্ৰহণ কৰা মাননীয় সদস্য ভৰত নৰহ ডাঙৰীয়া, ৰফিকুল ইছলাম, মৃনাল শইকীয়া, ৰমেন্দ্ৰ নাৰায়ণ কলিতা, গোবিন্দ চন্দ্ৰ বসুমতাৰী, অখিল গগৈ, কমলাক্ষ দে পুৰকায়স্থ, অমিয় কুমাৰ ভূঞা, দিগন্ত বৰ্মন, দুৰ্গা দাস বড়ো, মনোৰঞ্জন তালুকদাৰ, দ্বীপায়ন চক্ৰৱৰ্ত্তী, শ্বেৰমান আলী, দৰছিং ৰংহাং, পৰমানন্দ ৰাজবংশী, ভুবন পেগু, ধমেশ্বৰ কোঁৱৰ, চিদ্দিক আহমেদ আৰু গণেশ লিম্বু ডাঙৰীয়াই বক্তব্য ৰাখিছে। তাৰবাবে তেওঁলোক সকলোকে মই ধন্যবাদ জ্ঞাপন কৰিছো। দ্বিতীয়তে, মই বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছো আমাৰ বিত্ত মন্ত্ৰী অজন্তা নেওগ ডাঙৰীয়ানীক। এইখন বাজেটত শিক্ষা বিভাগত সৰ্বাধিক প্ৰায় ১৭,০০০ কোটি, ১৯.৩ শতাংশ বাজেট allocation দিয়া হৈছে। এইটো যোৱা বছৰ বিলাকৰ তুলনাত বৃদ্ধি পাইছে। এনেকুৱা এখন সুন্দৰ বাজেটত শিক্ষাৰ ওপৰত গুৰুত্ব দিয়াৰ বাবে।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা point of order আছিলে। মাননীয় মন্ত্ৰী ডাঙৰীয়াই এইবাৰৰ বাজেটটো যোৱাবাৰতকৈ বেছি বুলি কৈছে, যিটো অশুদ্ধ। বাজেটটো যোৱাবছৰতকৈ কমিছেহে।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী) ঃ** মই আপোনাক তথ্য দিম। বাজেটটো যোৱাবছৰতকৈ বাঢ়িছেহে। মোৰ হাতত তথ্য আছে। কোনো তথ্য নোহোৱাকৈ মই কথাবোৰ কোৱা নাই। মোৰ কাষতে বিত্ত মন্ত্ৰী ডাঙৰীয়ানী বহি আছে। আগতকৈ বাজেটটো কমিছে নে বাঢ়িছে সেই তথ্য মই আপোনাক জনাম।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়কসকলে New Education Policy ৰ কথা উল্লেখ কৰিছে। New Education Policy বা যি বিভিন্ন ৰাজ্যিক Policy থাকে, সেইবিলাক সদায় বাজেটত reflect হয়। আমি যদি New Education Policy অধ্যয়ণ কৰো আৰু তাৰ পিছত আমি বাজেটখন অধ্যয়ণ কৰো তেতিয়া আমি দেখিম যে শিক্ষাৰ শিতানটোত New Education Policy টো প্ৰতিফলিত হৈছে। এইটো এটা বিশাল Policy. সুদীৰ্ঘ ২৫ টা বছৰৰ বিৰতিৰ পাছত এই New Education Policy পাইছো। গতিকে এইটো এটা দীঘলীয়া প্ৰক্ৰিয়া। ইয়াত সম্পূৰ্ণৰূপে ৰূপায়ণ কৰিবলৈ সময় লাগিব। কিন্তু এই প্ৰক্ৰিয়াটো ইতিমধ্যে

আমাৰ চৰকাৰে আৰম্ভ কৰি দিছে। আজি যদি আমি চাওঁ এইবাৰ ৫ খন বিশ্ববিদ্যালয়লৈ ৫০ কোটিকৈ টকা আবন্টন দিয়া হৈছে। বহুতে আমাক প্ৰশ্ন কৰিছে যে ইমানবোৰ বিশ্ববিদ্যালয় কিয় লাগে ? আমি এনেকুৱা এটা background ৰ পৰা আহিছো যে এটা সময়ত আমাৰ অকল গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় দুখনেহে আছিল। আমি এই কথা অৱগত নহয় যে নতুন শিক্ষা নীতিয়ে প্ৰতিখন জিলাত একো একোখন বিশ্ববিদ্যালয়ৰ কথা কৈছে। এতিয়া আমি এই ৫ খন বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰিছো ইয়াৰ লগে লগে অসম মহিলা বিশ্ববিদ্যালয়ক আমি পুনৰ উজ্জীৱিত কৰাৰ পদক্ষেপ লৈছো। ইয়াৰ আগতে সমবায় বিভাগৰ অধীনত ৰাজীৱ গান্ধীৰ নামত এখন সমবায় বিশ্ববিদ্যালয় আৰম্ভ কৰি পাছত যিখনে কোনো কালে কোনো গতি নল'লে, সেইখনক আমি এই বছৰ শিক্ষা বিভাগৰ অধীনলৈ আনি শিৱসাগৰৰ সেই co operative বিশ্ববিদ্যালখনকো গতি দিয়াৰ পদক্ষেপ লৈছো। এইবাৰ আমি centre of excellence হিচাপে ২৫০০ খন বিদ্যালয়ক উন্নত মানদণ্ডৰ বিদ্যালয় হিচাপে গঢ়ি তোলাৰ বাবে বৃহৎ বাজেট বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে প্ৰদান কৰিছে। এইটো নতুন শিক্ষা নীতিৰ আধাৰতে হৈছে। প্ৰত্যেক খন জিলাতে একোখনকৈ polytechnic হৈছে এই নতুন শিক্ষা নীতিৰ আধাৰতে। গতিকে এই নতুন শিক্ষা নীতি আমি ইতিমধ্যে প্ৰয়োগ কৰিছো। অলপ আগতে ভূৱন পেগু ডাঙৰীয়াই উল্লেখ কৰা অঙ্গনবাড়ী কেন্দ্ৰ সমূহত ২৫ লাখ কৈ টকা দি সেই কেন্দ্ৰ সমূহৰ নতুন ভৱন তৈয়াৰ কৰিবলৈ দিয়া হৈছে এই নতুন শিক্ষা নীতিৰ আধাৰতে। এই নতুন শিক্ষা নীতিয়ে Pre Primary Education ৰ কথা কৈছে। এই প্ৰাক প্ৰাথমিক শিক্ষা আমি কত আৰম্ভ কৰিম, অঙ্গনবাড়ী কেন্দ্ৰসমূহতেই।

এটা কথা মই লক্ষ্য কৰিছো আৰু উল্লেখ কৰিব বিচাৰিছো। শিক্ষাৰ সম্পৰ্কে যেতিয়াই আমাৰ আলোচনা হয়, সেই আলোচনা বিলাক শিক্ষক কেন্দ্ৰীক হয়, চাকৰি কেন্দ্ৰীক হয়। শিক্ষা কেন্দ্ৰীক বা ছাত্ৰ-ছাত্ৰী কেন্দ্ৰীক আলোচনাটো খুব কম হয়। এইটো আমাৰ কাৰণে দুৰ্ভাগ্যজনক। পূৰ্বৰে পৰা আমাৰ শিক্ষা ব্যৱস্থাটোত এনেকুৱা এটা পঁয়ালগা অৱস্থাৰ সৃষ্টি হ'ল যাক আমি শুধৰাবলৈ যাওঁতে প্ৰথম পৰ্য্যায়ত শিক্ষক-শিক্ষয়ীত্ৰিৰ সমস্যাটো সমাধান কৰাৰ বাহিৰে কোনো বেলেগ গত্যন্তৰ নাই। ছাত্ৰ-ছাত্ৰী বা শিক্ষাৰ সমস্যাটোৰ ওপৰত বেছি গুৰুত্ব দিব পৰা নাই। আজি যিহেতু বহুখিনি বক্তাই provincialization ৰ বিষয়টো উত্থাপন কৰিছে সেইকাৰণে মই কেইটামান কথা উল্লেখ কৰিব বিচাৰিছো। provincialization হৈছে এখন আইনৰ অধীনত, ২০১৭ চনৰ প্ৰাদেশীকীকৰণ আইন আৰু তাৰ সংশোধনী ২০১৮ চনত। এই প্ৰাদেশীকীকৰণ আইনখন যদি আমি বিস্তীৰ্ণ ভাৱে পঢ়ো তেতিয়াহ'লে ইয়াৰ যিটো মূল মন্ত্ৰ বা মূল বস্তুটো বুজাত অসুবিধা হৈ যায়। আমি সকলোৱে মনত ৰখা উচিত যে ২০০৯ চনত আমাৰ শিক্ষাৰ অধিকাৰ আইন গৃহীত হৈছে। শিক্ষাৰ অধিকাৰ আইনখন আৰু এই প্ৰাদেশীকীকৰণ আইন এই দুখন আমি একেলগে পঢ়িব লাগিব। তেতিয়াহে আমি ইয়াৰ গুৰুত্ব বুজিব পাৰিম। ক্ষন্তেক আগতে আমাৰ ছিদ্দিক ডাঙৰীয়াই কৈছে যে ২০-২১ বছৰ ধৰি শিক্ষক-শিক্ষয়িত্ৰী সকলে শিক্ষা দান কৰি আহিছে। গতিকে এতিয়া তেওঁলোকৰ চাকৰিটো কিয় নহ'ব, বা তেওঁলোকক কিয় proviancialization কৰা নহ'ব।. proviancialization কৰাৰ কাৰণে নিৰ্দিষ্ট কিছুমান guide line ঠিক কৰি ল'ব লাগিব। Guide line নোহোৱাকৈ যিমান স্কুল আছে সেই সকলোবিলাকে proviancialization কৰিব লাগিব বুলি ক'লে কোনো চৰকাৰৰ পক্ষেই এইটো সম্ভৱপৰ নহয়। আজি আইনখনেই কৈছে যে আপুনি ২০-২১ বছৰৰ কথাটো বাদ

দিয়ক। আইনখন ইমান উদাৰ যে এই আইনখনে কৈছে যদি একেলেথাৰিয়ে ৬ বছৰ চাকৰি কৰে তেতিয়াহ'লে আপোনাৰ proviancialization হ'ব। তাৰমানে আপোনাৰ appointment টো ১-১২-২০১০ আগতে আপুনি কামত যোগ দিব লাগিব। তাৰবাবে তথ্য লাগিব। তথ্য বিহীনভাৱে আমি কাম কৰিব নোৱাৰো। মাত্ৰ ৬ বছৰ কাম কৰি থকাৰ তথ্য লাগিব। এই তথ্যটো DISE ত আছে। এতিয়া আপুনি ২০ বছৰ চাকৰি কৰি আছে কিন্তু DISE তথ্য নাই তেনেহ'লে চাকৰিটো কেনেকৈ proviancialization হ'ব। কমলাক্ষ্য দে পুৰকায়স্ত, তেওঁ এতিয়া উপস্থিত নাই, তেখেতে কৰিমগঞ্জৰ বহু কেইখন বিদ্যালয়ৰ সমস্যাৰ কথা উল্লেখ কৰিলে। কি কাৰণেনো কৰিমগঞ্জৰ এই বিদ্যালয় কেইখন বাদ পৰিল তাৰ তথ্য বিভাগৰ পৰা বিচাৰিলো। বিভাগে মোক দিয়া তথ্য মতে সৰহ সংখ্যক বিদ্যালয়ৰে Land Record নাই । গতিকে সেই স্কুল সমূৰক আমি কিদৰে প্ৰাদেশিকীকৰণ কৰিম বা শিক্ষক সকলক কিদৰে প্ৰাদেশিকীকৰণ কৰিম। UDISE ত কথাটো কোৱা হৈছে যে স্কুলখন যে বৰ্তি আছে ইয়াৰ তথ্য-প্ৰমান চৰকাৰক লাগিব। সেই তথ্য-প্ৰমান টো কোনে দিব ? সেই তথ্য-প্ৰমান টো গাঁওবুঢ়াই দিলে নহব, সেই তথ্য-প্ৰমান টো Governing Body ৰ কোনো এজনে চহী কৰি দিলে নহব, প্ৰমাণিত তথ্য-প্ৰমান হব লাগিব। আজি যেনেকৈ census ৰ ক্ষেত্ৰত census of India ৰ তথ্যটো Home Ministry ৰ under ত হয়। গতিকে Home Ministry ৰ under ত হোৱা সেই census ৰ তথ্যটো আপুনি মই সকলোৱে মানি লৈছো। ঠিক তেনেকে শিক্ষা অনুষ্ঠান সম্পৰ্কীয় তথ্যটো আমি এই UDISE ৰ তথ্যৰ পৰা যিটো Human Resource Development Ministry ৰ Under, সেই তথ্যৰ পৰা আমি লৈছো যে স্কুলখন বৰ্তি আছে নে নাই। এতিয়া কৈছে UDISE ৰ তথ্য নাই, আমি কেনেকৈ প্ৰাদেশিকীকৰণ কৰিব দিম বা চৰকাৰে কেনেকৈ প্ৰাদেশিকীকৰণ কৰিব। ইয়াৰ পাছত ইয়াত issue date ৰ কথা কৈছে। কালিও মই এই কথাৰ স্পষ্ট কৰিছো issue date যি তাৰিখত প্ৰকৃতাৰ্থত চহীটো মৰা হৈছে, যি তাৰিখত প্ৰকৃতাৰ্থত সেই concurrence বা permission টো দিয়া হৈছে, সেই তাৰিখটোকে আইন খনে গ্ৰাহ্য কৰিব। তাত যদি অৰ্ডাৰটো কোনোবাই কিবা কাৰ্চাজি কৰি পেলাই effect টো ইমানটো তাৰিখৰ পৰা হব বুলি লিখা হৈছে, সেইতোটো চৰকাৰ খনৰ কাৰণে গ্ৰহণয্যোগ্য হব নোৱাৰে। এতেকে মই কৈছো যে এইখন যথেষ্ট শিথিল আইন। এই সকল ভেনচাৰ স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীক তেনেধৰণে উপকৃত কৰিব পৰা যায় তাৰ প্ৰতি দৃষ্টি ৰাখি পেলাই বহু মহানুভৱতাৰে এই আইন খন নিৰ্মাণ কৰা হৈছে। মাননীয় জেষ্ঠ সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই সীমান্ত অঞ্চলৰ স্কুলখিনিৰ কথা ইয়াত উল্লেখ কৰিলে, সেইখিনি স্কুলৰ তথ্যও মই লগে লগে বিচাৰিলো, আৰু তথ্যত উত্তৰ আহিল যে ইয়াত যিটো প্ৰয়োজনীয় Enrollment টো থাকিব লাগে সেই প্ৰয়োজনীয় Enrollment টো নাই। কিমান সংখ্যক ছাত্ৰ-ছাত্ৰী হলে আমি এখন প্ৰাথমিক বিদ্যালয়ক স্বীকৃতি দিম Right to Education Act এ কৈছে যে minimum ৩০ জন ছাত্ৰ-ছাত্ৰী থাকিব লাগিব। যতি ৩০ জন ছাত্ৰ-ছাত্ৰী নাই তেতিয়াহ'লে সেই স্কুলখন আমি প্ৰাদেশিকীকৰণৰ আওতালৈ আনিব নোৱাৰো। মোৰ ওচৰলৈ বহুত প্ৰতিনিধি আহি কৈছিলে যে আমাৰ স্কুলৰ মাত্ৰ ১টা কম, যেনেতেনে কৰি দিয়ক। মই কৈছিলো যে ২৯ টো যেনেতেনে কৰি দিয়াৰ লগে লগে ২৮ টোও আহি ক'ব যে চাৰ আপুনি ২৯ কৰি দিলে আমাৰ টোও কৰি দিয়ক মাত্ৰ ১টা কম আছে। ২৮ টোৰে আহি ক'ব যে আমাৰ মাত্ৰ ১ টা কম আছে, ২৭ টোৰে আহি কব যে আমাৰ মাত্ৰ ১টা কম আছে । এইদৰে ই এটা লানি নিচিগাৰ দৰে Never ending Process হ'ব। গতিকে আইনত যেতিয়া কৈছে কেন্দ্ৰীয় চৰকাৰৰ আইন,

ৰাজ্য চৰকাৰৰ আইন। গতিকে ৩০টো ৩০ য়েই হব। ইয়াত আৰু বেলেগ উপায় কৰিব পৰা ব্যৱস্থা আমাৰ নাই। শিক্ষকৰ ক্ষেত্ৰত বহুতে কৈছে যে ইয়াত মাত্ৰ ২জনহে শিক্ষক দিলে, ৫ জনে খাটি আছিলে। শিক্ষাৰ অধিকাৰ আইন খন যতি মেলি চাই আমাৰ আইন খন আমি ভাবি ভাবি বনোৱা নাই। শিক্ষাৰ অধিকাৰ আইন খনত স্পষ্টভাবে উল্লেখ আছে যে minimum শিক্ষক হব ২ জন যদিহে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৩০ জন হয়। কিন্তু তাতকৈ বেছি হব পাৰে নে নোৱাৰে? হয়, সি হব পাৰিব, যেতিয়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়ি যাব, ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যদি ১০০ হৈ যায় তেতিয়া আপুনি ৩ জন শিক্ষক পাব। এইবাৰ যিটো প্ৰাদেশিকীকৰণ হৈ গ'ল সেই প্ৰাদেশিকীকৰণ প্ৰক্ৰিয়াত প্ৰত্যোকখন স্কুলত দুজনে যে শিক্ষক হৈছে সেইটো নহয়, সৰ্বাধিক সংখ্যাক ধুবুৰীত প্ৰায় ৫১খন স্কুল এনেধৰণে প্ৰাদেশিকীকৰণ কৰা হৈছে, য'ত দুজনকৈ অধিক শিক্ষকক প্ৰাদেশিকীকৰণ কৰা হৈছে। কিয় হৈছে তেওঁলোকৰ Enrollment টো বেছি আছিল। মজলীয়া বিদ্যালয় তাত যি সকলৰ Enrollment বেছি আছে, এনেই ৩ জন পাইছে, তাতকৈ Enrollment বেছি থাকিলে তাৰ ওপৰত পাইছে। গতিকে আমি এই প্ৰাদেশিকীকৰণৰ ক্ষেত্ৰত ভেনচাৰ স্কুলৰ যিটো সমষ্যা এই সমষ্যা বিলাক সমাধানৰ কাৰণে আমাক এখন আইন লাগে, আমাক এটা instrument লাগে যে কি instrument ৰ ভিত্তিত আপোনাৰ মোৰ ইচ্ছা-অনিচ্ছাৰ দ্বাৰা নহয়, কি instrument ৰ ভিত্তিত আমি এই সমষ্যা সমাধান কৰিব পাৰিম। এই instrument টোৱে হ'ল প্ৰাদেশিকীকৰণ আইন, ২০১৭। এতিয়া ইয়াত বহুতে আক্ষেপ কৰিছে, মোৰ ওচৰতো বহুতে আক্ষেপ কৰিছে ছাৰ আপুনি আমাক হাজিৰা কৰা মানুহ বনাই দিলে, চাৰ আপুনি আমাক tutor বনাই দিলে, আমাক লাগিলে দৰমহাটোৱে কমাই দিয়ক কিন্তু আমাক শিক্ষকৰ সন্মানটো দিয়ক। কিন্তু Right to Education Act আহিল, National Council ত শিক্ষক আৰু শিক্ষা ক্ষেত্ৰত তেওঁলোকে guideline বনাই দিলে যে শিক্ষক কোন হব? শিক্ষক হবলৈ হলে টেট পাছ কৰিব লাগিব, শিক্ষক হবলৈ হলে ট্ৰেইনিং লাগিব। ট্ৰেইনিং মানে কি D.El.Ed থাকিব লাগিব Elementary ৰ কাৰণে নহলে B.Ed Degree থাকিব লাগিব। এতিয়া B.Ed যদি নাই, D.El.Ed যদি নাই, টেট পাছ কৰা যদি নাই তেনেহলে টো আমি শিক্ষক বুলি কব নোৱাৰো। তাৰমানে এইখিনি চাকৰিৰ প্ৰাদেশিকীকৰণ নহয়। কাৰণ তেওঁলোকৰ requisite qualification নাই। আমাৰ প্ৰাক্তন শিক্ষামন্ত্ৰী এতিয়াৰ মাননীয় মুখ্যমন্ত্ৰীৰ মহানুভৱতাৰ কাৰণে কিবা এটা উপায় উলিয়াই "মাছ বুলি নাখাই জি জি বুলি খাও আমি", বুলি এই tutor শব্দ উলিয়াই, tutor কৰি পেলাই শিক্ষক সকলক এটা মৰ্য্যদা দিলে, তেওঁলোকক এটা স্বীকৃতি দিলে, তেওঁলোকৰ চাকৰি প্ৰাদেশিকীকৰণ কৰিলে। এতিয়া যি সকল নতুন শিক্ষক নিযুক্তি দিয়া হব ইয়াত তেনেধৰণে tutor বুলি কাকো নিযুক্তি দিব নোৱাৰো। যিসকল এই ভেনচাৰ স্কুলত কৰ্মৰত আছিলে, এতিয়া তেওঁলোকে ইমান দিন চাকৰি কৰিলে, কৈছে আমাৰ আৰু বেছি দিন নাই, তেওঁলোকক এটা মান্যতা দিব লাগিব, তেওঁলোকৰ পদ কেইটা প্ৰাদেশিকীকৰণ কৰিব লাগে যাতে তেওঁলোকে এটা দৰমহা পায় তাৰ কাৰণে এই tutor শব্দটো আবিস্কাৰ কৰা হল। এই শিক্ষক খিনি শিক্ষক হব পাৰিব নে নোৱাৰেঙ্গ নিশ্চিতভাবে tutor খিনি শিক্ষক হব পাৰিব। তাৰ কাৰণে তেওঁলোকক এটা সময় দিয়া হৈছে যে আপোনালোকে যদি requisite qualification খিনি আয়ত্ব কৰে তেতিয়া আপোনালোকে শিক্ষক হিচাবে স্বীকৃতি পাব। আইন খনৰ এই ব্যৱস্থাটো, ইয়াতকৈ আৰু ভাল ব্যৱস্থা এটা, ইয়াতকৈ আৰু শিথিল ব্যৱস্থা এটা কৰিব পৰা কোনো অৱকাশ নাই। মই আজি এই সদনতে জনাব বিচাৰো যে এই আইন খনৰ আওতাৰ ভিতৰত থকা ইয়াৰ condition সমূহ

পূৰণ কৰা কোনো স্কুল, কোনো clerical গণ্ডগোলৰ কাৰণে যদি বাদপৰি আছে, তেওঁলোক যদি বঞ্চিত হৈছে নিশ্চিত্বত ভাবে সেইখিনি শুধৰণি হব। কিন্তু আইন খনৰ দফা এই পৱিত্ৰ বিধান সভাত সংশোধন নকৰালৈকে সেইখিনিৰ ওপৰত কোনো শিথিলতা কৰাৰ ক্ষমতা বা অধিকাৰ মোৰ হাতত নাই। এই কথাখিনি মই আপোনালোকক জনাইছো। ইয়াৰ পিছত মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াই  কৈছে যে শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়াতো স্বচ্ছ হব লাগে আৰু তাৰ কাৰণে আমাৰ এটা প'লিচি  হব লাগে। দৰকাৰ হলে বিধান সভাৰ এখন বিশেষ অধিবেশন  হব লাগে। কিন্তু তেখেত এই বিষয়ত অজ্ঞ। তেখেতে হয়টো নাজানে যে ২০১২ চনত যেতিয়া প্ৰথম টেট পৰীক্ষা অনুষ্ঠিত হৈছিল আৰু ২০১৩ চনত যেতিয়া প্ৰথম টেট শিক্ষক নিযুক্তি হৈছিল ৮৮৬৪ গৰাকী, তেতিয়াৰ পৰাই শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ স্বচ্ছতাৰে কৰা হৈ আহিছে। ইয়াত কোনো ইন্টাৰভিও নহয়, ইয়াত কোনো ভাইভা অনুষ্ঠিত নহয়,  ইয়াৰ কাৰণে  পৃথক ভাবে বেলেগ এটা পৰীক্ষাও অনুষ্ঠিত নহয় ।  আপুনি টেট পৰীক্ষাত কিমান নম্বৰ পালে, আপুনি হায়াৰচেকেণ্ডাৰি পৰীক্ষাত কিমান নম্বৰ পালে, আপুনি গ্ৰেজুৱেচন পৰীক্ষাত কিমান নম্বৰ পালে, তাৰ ভিত্তিতে মেৰিট লিষ্ট প্ৰস্তুত কৰি শিক্ষক সকলক নিযুক্তি দিয়া হয়। ইয়াতকৈ স্বচ্ছ কৰি বেলেগে কৰিব পৰা আৰু একো ব্যৱস্থাও নাই। এইটোৱে একমাত্ৰ কাৰণ আছিল যে আমাৰ মেট্ৰিক আৰু হায়াৰচেকেণ্ডাৰি পৰীক্ষাৰ এটা বিকল্প পদ্ধতিৰে আমি যেতিয়া ফলাফল দিব ওলাইছিলো তাত আমাৰ জাননী খনত আমি এটা বিশেষ clause লগাইছিলো আৰু সেই clauseটো হ'ল যে টেট শিক্ষকৰ নিযুক্তি কাৰণে যি সকল প্ৰাৰ্থীয়ে  ভবিষ্যতে আবেদন কৰিব বিচাৰিব তেওঁলোকৰ কাৰণে বিশেষ হায়াৰচেকেণ্ডাৰি পৰীক্ষা বা আমি কৈছিলো যে এটা equalisation পৰীক্ষা অনুষ্ঠিত  হব। বহুতে এইটোত আপত্তি কৰিলে যে কিয় আমি দুবাৰ দুবাৰ পৰীক্ষ দিম, এইখনেই marksheet হব লাগে। আমি সকলোৰে লগত সদৌ অসম ছাত্ৰ সংস্থা, এবচু, AJYCP তেওঁলোকৰ লগতো আলোচনা কৰিলো। আৰু আলোচনা কৰি  আমি সেই দফাটো প্ৰত্যাহাৰ কৰিলো। কিন্তু তাত আমি এটা clause ৰাখিলো যে যদি অসম চৰকাৰে অদূৰ ভৱিষ্যতে প্ৰয়োজন অনুভৱ কৰে তেনেহলে আমি এটা  equalisation পৰীক্ষা পাতিম কাৰণ আমাক টেটৰ কাৰণে প্ৰয়োজন হব। ২০২১ চনত যি সকল ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা নিদিয়াকৈ নম্বৰ পালে তেওঁলোকক ইয়াৰ আগৰ পৰীক্ষ বিলাকত যিসকলে পৰীক্ষ দি নম্বৰ পাইছিলে তেওঁলোকৰ লগত আমি একে সমহাৰত তুলনা কৰিব নোৱাৰো। কাৰণ আমাক টেটৰ কাৰণে প্ৰয়োজন হ'ব। ২০২১ চনত যিসকল ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা নিদিয়াকৈ নম্বৰ পালে, তেওঁলোকক ইয়াৰ আগতে যিসকলে পৰীক্ষা নম্বৰ পাইছিল, তেওঁলোকৰ লগত আমি  সমহাৰত তুলনা কৰিব নোৱাৰিম  । এই পবিত্ৰ সদনত মই জনাবলৈ পাই সুখী হৈছিলো যে এই পৰীক্ষা সংক্ৰান্তত চুপ্ৰীম কোৰ্টত উত্তৰ প্ৰদেশৰ এটা সংগঠনে গোচৰ তৰিছিল। এই গোচৰটোত বিভিন্ন কথা সাঙুৰি অনাৰ লগতে অসমে যে এনেধৰণে আকৌ এটা equalizing পৰীক্ষা পতাৰ কথা কৈছে, সেইটোকে challenge কৰি তেখেতে চুপ্ৰীম কোৰ্টত আবেদন দিছিল, যোৱাকালি শুনানি হৈ গৈছে, আজি আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে মহামান্য উচ্চতম ন্যায়ালয়ে অসম চৰকাৰৰ সিদ্ধান্তটোক ভূয়সী প্ৰশংসা কৰিছে আৰু কৈছে যে কিয় নাপাতিব পৰীক্ষা? অসম চৰকাৰে পৰীক্ষা পাতিব। অসম চৰকাৰৰ সেইটো অধিকাৰ আছে। কাৰণ এইবাৰ পৰীক্ষা নপতাকৈ নম্বৰ দিয়া ছাত্ৰ-ছাত্ৰীসকলক, আগতে পৰীক্ষা দি নম্বৰ পোৱা ছাত্ৰ-ছাত্ৰীসকলৰ লগত একেখন তুলাচনীত জুখিব পৰা নাযায় বুলি চুপ্ৰীম কোৰ্টে ৰায় দিছে। আমি যি সিদ্ধান্ত লৈছিলো, সেই সিদ্ধান্ত আমাৰ সঠিক আছিল। মাননীয় অধ্যক্ষ মহোদয়, ইয়াতে এটা কথা বক্তাসকলে raise

কৰিছে যে এতিয়া বি এড নহ'লে আমি শিক্ষক হ'ব নোৱাৰো। কিন্তু বি এড ডিগ্ৰীৰ কাৰণে সুযোগ সুবিধা ক'ত ? ইয়াৰ কাৰণেও চৰকাৰখনে অহৰ্নিশে কাম কৰি আছে। লগতে মই এই পবিত্ৰ সভাত এই কথাটোও জনাব লাগিব যে আহি থকা দিন বিলাকত আৰু কিছু পৰিৱৰ্তন হ'বলৈ গৈ আছে। আজি যিটো আমাৰ বি এড ডিগ্ৰীৰ দ্বাৰা আমি শিক্ষকৰ চাকৰি এটা পাম, বা আমাৰ যুৱক-যুৱতী সকলে পাব, এই বি এড ডিগ্ৰীটো ২০১৩ চনৰ পাছত আৰু কাৰ্য্যকৰী নহ'ব। অহা দুটা বছৰৰ ভিতৰত ডি এল এড ডিপ্লমাটো উঠি যাব। সেইটোৱো স্বীকৃতি নাথাকিব, নতুন শিক্ষানীতিৰ মতে। ২০৩০ চনৰ পাছত আমাক প্ৰয়োজন হ'ব Integrated B.Ed Degree. Intergrated B. Ed. Degree হৈছে ৪ বছৰীয়া কোৰ্চ। B.A. B.Ed, B.Sc. B.Ed বা B.Com B.ed. আমাক বহু আগতিয়াকৈ NCTE য়ে জনাই দিছে যে ২০৩০ চনৰ পাছত integrated B.ed course খোলাৰ কাৰণে অসম চৰকাৰে ইয়াৰ ব্যৱস্থা এতিয়াৰ পৰা গ্ৰহণ কৰিব লাগিব। আমাৰ ১০ খন বি এড কলেজ আছে, আমাৰ ১৫ খন ডি আই ই টিত আমাৰ বি এড কোৰ্চটো চলি আছে আৰু আমি ইতিমধ্যে অসম চৰকাৰে ৭১ খন মহাবিদ্যালয়ক approve কৰিছো। তেওঁলোকে integrated B.ed course খোলাৰ কাৰণে এই ৭১ খনৰ ভিতৰত তিনিখনক ইতিমধ্যে বিশ্ববিদ্যালয়লৈ উন্নীত কৰিছে। এতেকে ৬৮ খন থাকিলে। এই ৬৮ খন মহাবিদ্যালয়ত integrated B.ed course খোলাৰ কাৰণে আমি এপ্ৰোভ কৰিছো। ইয়াত আমাৰ কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই বাহিৰত ওলাই যাওঁতে ক'লে মোৰ এটা কথা কবলৈ থাকি গ'ল, এই ৬৮ খনৰ ভিতৰত আমাৰ বৰাকত কলেজ নাই। গতিকে জনাব। বৰাক উপত্যকাৰ যদি তাত কলেজ অন্তৰ্ভূক্ত হোৱা নাই, Integrated B.Ed course ৰ কাৰণে, competent college ক যাৰ Infrastructure আছে, তেওঁলোকক আবেদন জনাবৰ কাৰণে আমি অনুৰোধ জনাম। কাৰণ B.ed course টোৰ যিমান সংখ্যক আমাৰ আসনৰ প্ৰয়োজন হ'ব, প্ৰতিবছৰে যিমান শিক্ষক আমাৰ retirement ত যাব, যিমান vacancy ৰ সৃষ্টি হ'ব, সেই vacancy ৰ বিপৰীতে যাতে trained teacher আমি নিযুক্তি দিব পাৰো, তাৰ কাৰণে আমি বিশেষ ব্যৱস্থা গ্ৰহণ কৰিম। মাননীয় অধ্যক্ষ ডাঙৰীয়া, এইটো আমাৰ কাৰণে দুৰ্ভাগ্যজনক হয় আজি ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ বহু সূচাংকৰ ক্ষেত্ৰত, আমি পিচপৰি আছো। পিচপৰি থকাৰ আমাৰ কাৰণ কিছুমান আছে। সেই কাৰণৰ ভিতৰত এই যে আমাৰ শিক্ষকসকলৰ, বহু সংখ্যক trained teacher নহয়, তেওঁলোকৰ B.ed. ডিগ্ৰী নাই, সেইটোও অন্যতম। মাধ্যমিক পৰ্য্যায়ত আমাৰ যিমান শিক্ষক আছে, তাৰে ৩৮ শতাংশ trained teacher, ৬২ শতাংশ আমাৰ trained teacher নহয়। তেওঁলোকৰ B.ed. ডিগ্ৰী নাই। এতিয়া তেওঁলোক চাকৰিত থাকিব, তেওঁলোকে শিক্ষকতা কৰি থাকিব আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ সূচাংকত আমি সদায়েই পিচপৰি থাকিম যে আমাৰ trained teacher নাই। আপোনালোকে জানে, মই কেইদিনমান আগত দিল্লীলৈ গৈছিলো ধৰ্মেন্দ্ৰ প্ৰধান ডাঙৰীয়াক মই সাক্ষাৎ কৰি আহিছো। তেখেতক এখন কাগজ দিছো। কি আছিলনো এই কাগজখনত ? মই single point agenda লৈ গৈছিলো। মোৰ single point agenda ত NCTE য়ে আমাৰ অসমক এটা বিশেষ সুবিধা প্ৰদান কৰি open university ৰ যোগেদি অন লাইনৰ জৰিয়তে আমাৰ **৬২ শতাংশ** শিক্ষকক বি এড শিক্ষাটো দি তেওঁলোকক পাছ কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে যাতে, আমাৰ শিক্ষকখিনি প্ৰশিক্ষণপ্ৰাপ্ত হয় আৰু প্ৰশিক্ষণপ্ৰাপ্ত হোৱাৰ পিছত গুণগত মানটো উন্নত হোৱাৰ লগে লগে আমাৰ সূচনাংকটো যাতে উন্নত হয় তাৰ কাৰণে আমি এটা ব্যৱস্থা লৈছো। এতিয়া **অন** লাইন শিক্ষাৰ যুগ। আমাৰ যিসমূহ DIET আছে, এই পোন্ধৰখন DIET ত বি এড

কোৰ্চ আছে আৰু ভৱিষ্যতে তাত integrated B.ed course আৰম্ভ কৰিব পৰাকৈ আমি পৰিকল্পনা হাতত লৈছো। অন লাইন এডুকেশ্যন যেতিয়া আহিছে মই এই DIET বিলাকত প্ৰথম চাইছো, সেই DIET বিলাক এনেকুৱা স্থানত অৱস্থিত যে নেটৱৰ্ক নাপায়। গতিকে অনলাইন শিক্ষা ব্যৱস্থা নহয়। সেয়েহে আমি এয়াৰটেলৰ লগত কথা পাতিছো যে, ইয়াত আপোনালোকে এটা টাৱাৰ বহাই দিওঁক। জিঅ'ৰ লগত কথা পাতিছো যে আপোনালোকে এটা টাৱাৰ বহাই দিয়ক। আমাৰ ছাত্ৰসকলক শিক্ষা দিয়াৰ আগতে শিক্ষক সকলক শিক্ষা দিয়া শিক্ষানুষ্ঠানটোতে যদি internet connectivity নাথাকে, তেতিয়াহ'লে মোৰ সুদূৰ পৰাহত হ'ব এই গোটেই শিক্ষা ব্যৱস্থাটোক ডিজিটেলাইজ কৰাৰ কাৰণে। মাননীয় অধ্যক্ষ মহোদয়, আমি নতুন শিক্ষানীতি এটা লৈ দীঘলীয়া vision তৈয়াৰ কৰি এটা mission আমি প্ৰস্তুত কৰি লৈছো। যাতে আমাৰ শিক্ষা খণ্ডক আমি সৰ্বভাৰতীয় পৰ্য্যায়ত অন্যান্য শ্ৰেষ্ঠ ৰাজ্য সমূহৰ সমপৰ্য্যায়লৈ লৈ যাব পাৰো, তাৰ কাৰণে কিছুমান ব্যৱস্থা গ্ৰহণ কৰিছো আৰু এইটো কৰাৰ কাৰণে পৰহি আমি যি ঘোষণা কৰিলো, ২২,৯২১ টা খালী পদ আমি পূৰণ কৰিম। এই ২২,৯২১ টা খালী পদ আমাৰ প্ৰাথমিক শিক্ষা আৰু মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত। প্ৰাথমিকত আমাৰ ১০ হাজাৰ খালী পদ পূৰণ কৰিম। মাননীয় বিধায়ক এগৰাকীয়ে প্ৰশ্ন উত্থাপন কৰিছিল যে, ১০ হাজাৰ খালী পদ যে পূৰণ কৰিব, এইটো আগৰ পৰা কৰি থকা contractual হ'ব নে নতুন নিযুক্তি হ'ব? মই আজি স্পষ্ট কৰি দিব বিচাৰিছো যে এইটো সম্পুৰ্ণৰূপে নতুন নিযুক্তি হ'ব। আগৰে পৰা contractual ত কৰি থকা contractual teacher ৰ ৰেগুলাৰাইজেশ্যন নহয়, ১০ হাজাৰ নতুন পদত নিযুক্তি হ'ব। ১২,৯২১ টা নতুন পদ মাধ্যমিক পৰ্য্যায়ত পূৰণ কৰা হ'ব। মাননীয় সদস্য ভৰত নৰহ ডাঙৰীয়াই কৈছে ইয়াত জিৰ' আৱাৰৰ কথা উত্থাপন কৰিছে। single teacher school ৰ কথাও কৈছে আৰু বেলেগৰ কথা বিভিন্ন সময়ত উচ্চাৰিত হৈ থাকে। ইয়াত সৰু কথা এটা আমাৰ মাজত misunderstanding হয় আৰু মোৰো হৈছিল এটা সময়ত যে যেতিয়া কোনোবা শিক্ষা বিষয়াই মোৰ আগত কয় যে, এইখন জিৰ' teacher school, মই ভাৱো যে তাত ছাত্ৰ-ছাত্ৰী আছে কিন্তু শিক্ষক নাই। এইখন কেনেকুৱা স্কুল হ'ল য'ত শিক্ষকেই নাই। কেৱল ছাত্ৰ-ছাত্ৰীৰেটো শিক্ষানুষ্ঠান হ'ব নোৱাৰে। তাৰমানে আমাৰ শিক্ষা বিভাগত যেতিয়া এখন স্কুলত দুটা চেংশ্যন পোষ্ট থাকে আৰু দুয়োটা চেংশ্যন পদেই ভেকেণ্ট থাকে, তেতিয়া স্কুলখনক জিৰ' teacher school বুলি কয়। অৰ্থাৎ দুয়োটা পদেই খালী হৈ আছে। কিন্তু শিক্ষক তাতে থাকে। তাতে এচ এচ এৰ পৰা contractual teacher তাতে দি ৰাখে বা অন্য contractual teacher তাত দি ৰাখে। শিক্ষক থাকে। জিৰ' মানে একেবাৰে জিৰ' হৈ নাথাকে আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া তেখেত শিক্ষামন্ত্ৰী হৈ থাকোতে যোৱা বছৰতেই এইটো অৰ্ডাৰ কৰি থৈ গৈছিল যে কোনো স্কুল শিক্ষক নোহোৱাকৈ থাকিব নোৱাৰে। প্ৰত্যেক স্কুলত শিক্ষক থাকিবই লাগিব। যি খালী পদ আছে, পূৰণ কৰাত দেৰি হৈছে সেই দেৰি হোৱা সময়খিনিটো সেই শিক্ষানুষ্ঠানত সেই এল পি স্কুলত এচ এচ এ ৰ পৰা contractual teacher ক তাত নিযুক্তি দি হ'লেও সেই খালী পদবিলাক পূৰণ কৰিব লাগিব। এতেকে আজি লক্ষিমপুৰত যি ১০০ খন স্কুলৰ কথা কৈছে। আজিৰ তাৰিখত তাত ১০০ খন স্কুল নাই। ১০০ খন স্কুলত এনেকুৱা জিৰ' টিছাৰ হৈ থকা নাই। সেই সকলো বিলাকত বিভিন্ন শিক্ষকক নিযুক্তি দিয়া হৈছে। ক'ভিডৰ কাৰণে এতিয়া যিহেতু স্কুলবিলাক বন্ধ হৈ আছে, ১৩ খন স্কুলত বিশেষ সমস্যা আছে। সেই ১৩ স্কুলতো মই এতিয়া নিৰ্দ্দেশ দিছো সেই ১৩ খন স্কুলৰ সমস্যাটো এতিয়া সমাধান কৰিব লাগে। মাননীয় সদস্য ভৰত নৰহ ডাঙৰীয়াই কোনোবা

কোনোবা স্কুলত পৰ্য্যাপ্ত শিক্ষক নথকাৰ কথাটো কৈছে। মই আদৰণি জনাইছো, ভাল পাইছো। মই তেখেতক অনুৰোধ জনাম একেটা সময়তে আমাৰ যে কিছুমান স্কুলত অত্যাধিক মানে প্ৰয়োজনতকৈ বেছি সংখ্যক শিক্ষক আছে সেই কথাটো আমি আলোচনালৈ আনিব লাগে। আমাৰ বহু স্কুল আছে, মই দেখি আহিছোঁ, মই নামো কব পাৰো যে ৬ জন ছাত্ৰ-ছাত্ৰী আছে আৰু ১০ গৰাকী শিক্ষক আছে, তেনেকুৱা স্কুলও আমাৰ দেশখনত আছে। সেই কাৰণে আমি এক পদক্ষেপ লৈছো যে আমি এই শিক্ষকৰ পদবী সমূহৰ এটা rationalization কৰাৰ কাৰণে। কিন্তু এটা সময়ত বদলিকৰণ কাৰবাৰটো নিয়ন্ত্ৰণৰ বাহিৰত যোৱাৰ কাৰণে এই পি টি আৰটো নোচোৰাকৈ বদলিকৰণৰ আদেশ দিয়াৰ কাৰণে, বহু স্কুলে চাফাৰ কৰিলে। যাৰ কাৰণে যোৱা বছৰ যোৱা চৰকাৰ খনৰ দিনত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেতিয়া এখন আইন আনিলে, সেই আইন খনৰ জৰিয়তে কোৱা হ'ল যে এতিয়া এক মাত্ৰ এটা অনলাইন পৰ্টেলৰ জৰিয়তে এটা কম্পিউটাৰাইজ প্ৰগ্ৰেমৰ জৰিয়তেহে বদলীকৰণ হ'ব। কোনো বিষয়া-কৰ্মচাৰী আনকি বিধায়ক মন্ত্ৰীৰ ইচ্ছা মতেও কোনো বদলি এতিয়া নহ'ব। সেই চফ্‌টৱেৰটো আমি বনাই আছো, শিক্ষা বিভাগে মই আশা কৰিম অহা এক দেৰ মাহৰ ভিতৰত আমি সেই চফ্‌টৱেৰটো, অনলাইন পৰ্টেলটো মুকলি কৰি দিব পাৰো। তাত নিৰ্দিষ্ট প্ৰগ্ৰেম থাকিব, চৰ্ত থাকিব, যি মুহূৰ্তত আপোনাৰ স্কুল খনত মাত্ৰ এজনে শিক্ষক আছে আপুনি তাত এপ্লাই কৰিব বিচাৰে, আপোনাৰ আৱেদনকে প'ৰ্টেলে গ্ৰহণ নকৰে। কাৰণ আপুনি একমাত্ৰ শিক্ষক সেই স্কুলখনৰ। মই ইয়াকলৈ এই গোটেইখিনি ব্যাখ্যা কৰি সময় খৰচ কৰিব নিবিচাৰিম। কিন্তু এটা ৰেলথট কম্পিউটাৰাইজ প্ৰগ্ৰেমৰ ভিত্তিত আমি শিক্ষক বদলিকৰণৰ জৰিয়তে আমি পি টি আৰ ৰেচিঅ'টো সম হাৰত সকলো ঠাইত মেইনটেইন কৰাৰ কাৰণে আমি চেষ্টা কৰিম। আজি যেনেকৈ শ্বেৰমান আলী ডাঙৰীয়াই কৈছে যে পি টি আৰ ৰেচিঅ' ক'ৰবাত ২৪, বৰপেটাত ২৪, কিন্তু সেইটো দক্ষিণ শালমাৰাত বহুত বেছি। এই ভাৰসাম্যহীনতাতো যিটো হৈছে ইয়াক আমি কম্পিউটাৰাইজ চফ্‌টৱেৰৰ জৰিয়তে নিয়ন্ত্ৰণ কৰাৰ কাৰণে চেষ্টা কৰিম। লগতে আজি মাননীয় সদস্য-সদস্যা সকলে Amalgamation ৰ কথাটো উলিয়ালে, Amalgamation মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই শিক্ষা মন্ত্ৰী হৈ থাকোতে তেখেতে শিক্ষা ক্ষেত্ৰ বুলি এখন সুন্দৰ আঁচনি আনিলে। যাৰ জৰিয়তে আমি Right to Education Act ৰ আধাৰত তাত যিটো নৰ্মচ বান্ধি দিছে সেই নৰ্মচৰ জৰিয়তে কম ছাত্ৰ-ছাত্ৰী কথা স্কুল, বেয়া আন্তঃগাঁথনি থকা বিদ্যালয় এই বিলাকৰ আমি এটা Amalgamation কৰি আমি স্কুল বিলাকক খুব সংহত বিদ্যালয়লৈ ৰূপান্তৰিত কৰাৰ পদক্ষেপ ল'লো। প্ৰায় ৬ হাজাৰ স্কুলৰ Amalgamation হ'ল। কিন্তু ৬ হাজাৰ স্কুল Amalgamation হোৱাৰ পিছতো মই বিধায়ক হৈয়ে এখন গাঁৱলৈ গৈ দেখিলো ২৮ ঘৰ মানুহ আছে ২ খন এল পি স্কুল আছে। এখন এল পি স্কুলত ১৪ জন এখন স্কুলত ৮ জন।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া, আমাৰ সময় ৫ বজালৈ আছে, আপোনাৰ কৰ্তন প্ৰস্তাৱ গৃহীত কৰিব লাগিলে আমাৰ ৫ মিনিট সময় লাগিব, নহ'লে গৃহীত নোহোৱাকৈ Guillotineত যাব আপোনাৰটো।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী) ঃ** মূল ইচ্ছুকেইটা মই কৈ প্ৰায় সমাপ্তই কৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ইয়াত নিয়মটো কৰ্তন প্ৰস্তাৱৰ ক্ষেত্ৰত সময়টো বঢ়াব নোৱাৰে, Guillotineত গুচি যাব। কিন্তু এক্সট্ৰাকৈ গৃহীত নহ'ব।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেই শিক্ষাক্ষেত্ৰ আঁচনিখন এতিয়া অসমাপ্ত

হৈ থাকিল। তাৰ লগত আৰু এটা প্ৰয়োজনীয়তা আহিল যে ২০২০ ত আকৌ এটা প্ৰাদেশীকৰণ কৰা হ'ল আৰু সেইটো আইনখনতে লিখা আছে যে আমি এখন নিৰ্দিষ্ট best স্কুল চিহ্নিত কৰি এই প্ৰাদেশীকৰণ বিদ্যালয় সমূহক প্ৰয়োজন অনুসৰি তাত আমি Amalgamate কৰিম। এটাটো পূৰ্বৰ Amalgamation টো অসমাপ্ত হৈ আছিল, নতুন এটা প্ৰয়োজনীয়তা আহিল এই ২০১৭ চনৰ আইনৰ অধীনত যিখিনি স্কুলক আমি প্ৰাদেশীকৰণ কৰিলো তাৰ কাৰণে এতিয়া আমি এই শিক্ষাক্ষেত্ৰ আঁচনিখন কিছু সালসলনি কৰি Amalgamation কৰিব বিচাৰিছোঁ। সেই Amalgamation কৰিব যাওঁতে নতুন শিক্ষানীতিটো ইয়াত প্ৰযোজ্য কৰিব বিচাৰিছোঁ। সেই কাৰণে এতিয়া হায়াৰছেকেণ্ডাৰী আৰু চিনিয়ৰ ছেকেণ্ডাৰী স্কুল stand alone হিচাপে নাথাকিব। অৰ্থাৎ অকল একাদশ আৰু দ্বাদশ শ্ৰেণীলৈ এখন চিনিয়ৰ ছেকেণ্ডাৰী স্কুল নাথাকিব। তাত আমি হিউমেন ৰিচোৰ্জ resourc optimise কৰিব নোৱাৰো। আমাৰ যিবোৰ স্নাতকোত্তৰ শিক্ষক আছে তেওঁলোকে দুটা ক্লাছ কৰে আৰু তেওঁলোকৰ আন ক্লাছ নাথাকে। কিন্তু সেই চিনিয়ৰ ছেকেণ্ডাৰী স্কুল খনক যেতিয়া হাই স্কুলৰ লগত লগ কৰিম বা Amalgamate কৰিম তেতিয়া এই স্নাতকোত্তৰ শিক্ষক সকল আৰু নতুনকৈ নিযুক্তি যি সকলক দিম তেওঁলোকে Class ix, x, xi & xii এই চাৰিটা শ্ৰেণীত তেওঁলোকে পাঠদান কৰিব লাগিব। আজি বহুতে মোক এই প্ৰশ্নটো কৰি আছে যে এল পি স্কুলত ৫ টা শ্ৰেণী আছে, তাত আপোনালোকে মাত্ৰ দুজন শিক্ষকহে দিছে। দুজন শিক্ষকে ৫ টা শ্ৰেণীত কেনেকৈ পাঠদান কৰিব। তাৰ ওচৰতে এখন এম ই স্কুল আছে য'ত তিনিটা শ্ৰেণী আছে তাত কিন্তু ৫ জন শিক্ষক আছে, এতিয়া আমি সেই দুখন এম ই আৰু এল পি স্কুলক একলগে কৰিম। তাৰ পিছত তাত শিক্ষকৰ সংখ্যা হ'ব ৭ জন আৰু লগতে স্কুলখনৰ পৰিৱেশো বহুত উন্নত হ'ব আৰু সেই এম ই স্কুলৰ শিক্ষক সকলেও তলৰ শ্ৰেণীত মানে এল পি স্কুলত পাঠদান কৰিব লাগিব। য'ত য'ত সুবিধা আছে পৰিৱেশ অনুযায়ী স্কুল খনক আমি একেবাৰে composite স্কুল কৰিব বিচাৰিছোঁ। প্ৰথমৰ পৰা দ্বাদশ শ্ৰেণীলৈ আৰু এই একৰ পৰা দ্বাদশ শ্ৰেণীলৈ যেতিয়া composite স্কুল হ'ব তেতিয়া সেই স্কুল খনৰ পৰিৱেশ বহুত উন্নত হ'ব। সেই স্কুলখনৰ আন্তঃগাঠনিৰ উন্নয়নৰ কাৰণে তাত মানৱ সম্পদ দিয়াৰ পিছত আমাৰ চৰকাৰ খনে তেতিয়া কাম কৰিবলৈ সুবিধা হ'ব। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মই শিক্ষামন্ত্ৰী হিচাপে দায়িত্বভাৰ লোৱাৰ পিছত মোক কৈছিল যে আমাৰ বহুত স্কুল আছে যিবোৰ স্কুলত আমি পঢ়ি আহিছো, যি স্কুলৰ বহু পুৰণি গুণ-গৰিমা আছে, ঐতিহ্য আছিল, কিন্তু তাহানিৰ সেই গুণ-গৰিমা এতিয়া ক্ৰমাত হেৰাই যাব ধৰিছে। লগতে সেই স্কুল বোৰৰ আন্তঃগাঠনি জহি খহি গৈছে লগতে তাত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিও কমি গৈছে। আগৰ সেই পৰিৱেশটো এতিয়া আৰু নাই। গতিকে সেই গুণ-গৰিমা আকৌ ঘুৰাই আনিব লাগিব। তেতিয়া মই তেখেতক নিশ্চিতভাৱে তেনেকুৱা ধৰণৰ কাম কৰিবম বুলি কৈছিলো আৰু এইবাৰৰ বাজেটত তেখেতে এই ক্ষেত্ৰত পুঁজিৰ আৱন্টনকে ধৰি প্ৰয়োজনীয় বয়বস্তু দিছে আৰু আমাক কৈছে যে কিমানখন স্কুলে ৫০ বছৰ অতিক্ৰম কৰিলে, কিমান খন স্কুলে ৭৫ বছৰ অতিক্ৰম কৰিলে আৰু কিমান খন স্কুলে ১০০ বছৰ অতিক্ৰম কৰিলে এই ধৰণৰ তথ্য তেখেতে মোৰ পৰা বিচাৰিছিল। মই তথ্য দিয়াৰ পিছত তেখেতে কলে যে ২০২২ চনত ভাৰতবৰ্ষৰ স্বাধীনতাৰ ৭৫ বছৰত ভৰি দিব আৰু আমি তাক Diamond Jubilee হিচাপে পালন কৰিম। এই ৭৫ বছৰত দেশ উপনিত হোৱা উপলক্ষে ৭৫ বছৰ পুৰণি আমাৰ যিমান হাইস্কুল আৰু হায়াৰচেকেণ্ডাৰী স্কুল আছে সেই প্ৰত্যেকখন স্কুলক তেখেতে এটা বৃহৎ অনুদান আগবঢ়োৱাৰ কথা ঘোষণা কৰিলে, সেই স্কুল বোৰৰ আন্তঃগাঠনি উন্নয়ন কৰাৰ বাবে। আমি তেনেকুৱা স্কুল হিচাপ কৰি পালো ২০৯

খন। এই ২০৯ খন স্কুলৰ প্ৰত্যেক খনকে তিনি কোটি টকাৰ আৰ্থিক সাহাৰ্য্য তেখেতে ঘোষণা কৰিছে, এই স্কুলবোৰৰ আন্তঃগাঁথনি উন্নয়ন কৰাৰ বাবে। আমি এই ৭৫ বছৰটো cut marks হিচাপে ৰাখিছো। ইয়াৰোপৰি প্ৰাথমিক খণ্ডত এল পি আৰু এম ই স্কুল ২৫০০ খনলৈ তেখেতে ৫০ লাখকৈ টকাকৈ অনুদান আগবঢ়ায় centre of excellence হিচাপে এই বিদ্যালয় সমূহ গঢ়ি তুলিবলৈ বাজেটত তেখেতে ধন আৱন্টন কৰিছে। অৰ্থাৎ চৰকাৰ খন যথেষ্ট চিৰিয়াছ, আমি এল পি ৰ পৰা আৰম্ভ কৰি মই মোৰ কথাখিনি আৰম্ভ কৰিছিলো বিশ্ববিদ্যালয়ত, আৰু এতিয়া এল পি ত মই মোৰ কথাখিনি সমাপ্ত কৰিবলৈ লৈছো যি প্ৰত্যেকটো পৰ্য্যায়ত এই চৰকাৰ খনে শিক্ষা আন্তঃগাঁথনি উন্নয়ন কৰাৰ লগে লগে তাৰ মানৱ সম্পদটো উন্নত কৰাৰ কাৰণে চৰকাৰ খনে পদক্ষেপ গ্ৰহণ কৰিছে। এতিয়া মই শেষ কথা এটালৈ আহিম। এই গোটেই আলোচনাটোৰ প্ৰথম বক্তব্য আছিল মাননীয় বিধায়ক ভৰত নৰহ ডাঙৰীয়াই উত্থাপন কৰিছিলে যে মই বোলে ক'ৰবাত ক'লো মিচিং ভাষাত যে এইটো শিক্ষাৰ মাধ্যম নকৰো কিবা সংযোগী ভাষা কৰিম বুলি কৈছো। মাননীয় সদস্য ভূবন পেগু ডাঙৰীয়াই মোক সুধিছিলে যে এনেকুৱা ঘোষণা ক'ৰবাত কৰিছে নেকি? মই ক'লো এনেকুৱাতো ক'তো কৰা নাই। মই সুধিছো ক'ত পালে। তেখেতে কলে Face book ত পালো কিজানি। Face book, whatsapp ত বহুত ধৰণৰ কথা ওলাই থাকে।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় মন্ত্ৰী মহোদয় আৰু সন্মানীয় সদন এতিয়া সময় আবেলি **৫** বাজিছে, মই বাকী থকা সকলো মঞ্জুৰী প্ৰস্তাৱ গিল'টিনত দিলো লগতে সদনৰ কাৰ্য্যকাল অলপ বঢ়োৱা হ'ল। যাতে appropriation bill টো পাছ কৰিব পাৰে।

**ডাঃ ৰণোজ পেগু, শিক্ষামন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অলপ কৈ সামৰিম। মিচিং, ৰাভা ইত্যাদি আমি নতুন শিক্ষানীতিৰ অধীনত প্ৰাথমিক পৰ্য্যায়ত শিক্ষাৰ মাধ্যম হিচাপে কৰাৰ কাৰণে যাৱতীয় প্ৰস্তুতি আৰম্ভ কৰিছো আৰু প্ৰাক্-প্ৰাথমিকত এইবাৰ যিহেতু কিছু বিদ্যালয়ত প্ৰায় **২১** হাজাৰ শিক্ষা আৰম্ভ কৰাৰ পৰিকল্পনা হাতত লৈছো তাৰ কাৰণে প্ৰস্তুতি হৈছে। যিখন SCERT যিখন মিটিঙ বিভিন্ন সাহিত্য সভাৰ লগত reference আনিছে, সেই মিটিঙ আছিল প্ৰাক্-প্ৰাথমিক শিক্ষাক লৈ, শিক্ষাৰ মাধ্যম বিষয়ত নহয়। গতিকে মাধ্যমৰ সিদ্ধান্ততো এটা বেলেগ সিদ্ধান্ত আৰু প্ৰাক-প্ৰাথমিকৰ সিদ্ধান্ততো এটা বেলেগ সিদ্ধান্ত। আমি ইতিমধ্যে বড়ো, গাৰো আদি ভাষাৰ যিহেতু মাধ্যম কৰিছো, গতিকে মিচিং, ৰাভা বা কাৰ্বি ইত্যাদিকো আমি শিক্ষাৰ মাধ্যম সুবিধা অনুসৰি কৰিবৰ কাৰণে প্ৰস্তুত। এই কথাখিনি কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া মঞ্জুৰী প্ৰস্তাৱ আগবঢ়াব বিচাৰিছো।

মঞ্জুৰী প্ৰস্তাৱ নম্বৰ সমূহ হ'ল - **২৬,৭১,৪৮, ১, ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯, ১০,১১, ১২,১৩, ১৪, ১৫, ১৬, ১৭, ১৮, ১৯, ২০, ২১, ২২, ২৩, ২৪, ২৫, ২৭, ২৮, ৩০, ৩১, ৩২, ৩৩, ৩৪, ৩৫, ৩৬, ৩৭, ৩৮, ৩৯, ৪০, ৪১, ৪২, ৪৩, ৪৪, ৪৫, ৪৬, ৪৭, ৪৯, ৫০, ৫১, ৫২, ৫৩, ৫৪, ৫৫, ৫৬, ৫৭, ৫৮, ৫৯, ৬০, ৬১, ৬২, ৬৩, ৬৪, ৬৫, ৬৬, ৬৭, ৬৮, ৬৯, ৭০, ৭২, ৭৩, ৭৪, ৭৫, ৭৬, ৭৭** আৰু **৭৮** সদনত অনুমোদনৰ বাবে আগবঢ়ালো।

যিসকল মাননীয় সদস্য/সদস্যা প্ৰস্তাৱ সমূহৰ সপক্ষে আছে
তেখেত সকলে কওক “হয়”।
যিসকল মাননীয় সদস্য/সদস্যা প্ৰস্তাৱ সমূহৰ বিপক্ষে আছে
তেখেত সকলে কওক “নহয়”।
মই ভাৱো “হয়ৰ সপক্ষে”, “হয়ৰ সপক্ষে”, “হয়ৰ সপক্ষে” ।

মঞ্জুৰী নং **২৬,৭১,৪৮, ১, ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯, ১০,১১, ১২,১৩, ১৪, ১৫, ১৬, ১৭, ১৮, ১৯, ২০, ২১, ২২, ২৩, ২৪, ২৫, ২৭, ২৮, ৩০, ৩১, ৩২, ৩৩, ৩৪, ৩৫, ৩৬, ৩৭, ৩৮, ৩৯, ৪০, ৪১, ৪২, ৪৩, ৪৪, ৪৫, ৪৬, ৪৭, ৪৯, ৫০, ৫১, ৫২, ৫৩, ৫৪, ৫৫, ৫৬, ৫৭, ৫৮, ৫৯, ৬০, ৬১, ৬২, ৬৩, ৬৪, ৬৫, ৬৬, ৬৭, ৬৮, ৬৯, ৭০, ৭২, ৭৩, ৭৪, ৭৫, ৭৬, ৭৭** আৰু **৭৮** গৃহীত হ'ল।

এতিয়া কাৰ্য্যসূচী নং ৩ (ক)

"অসম বিনিয়োজন (নং ১) বিধেয়ক, ২০২১" সদনত বিতৰন কৰিবলৈ মই অনুৰোধ জনালো।

এতিয়া মাননীয়া বিত্ত মন্ত্ৰীয়ে বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**শ্ৰীমতী অজন্তা নেওগ, বিত্তমন্ত্ৰী (গোলাঘাট)ঃ** মাননীয় অধ্যক্ষ মহোদয়, "অসম বিনিয়োজন (নং **১**) বিধেয়ক, **২০২১**" সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিলো।

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত মই **১৫৪** নং বিধি অনুসৰি দুটামান কথা সময় কম যিহেতু মই মাত্ৰ উনুকিয়াই যাব বিচাৰিম। মাননীয় অধ্যক্ষ মহোদয় গোটেই ভাৰতবৰ্ষত চাফ-চিকুনতা, স্বচ্ছতাৰ বিষয়ত **২০০৯** চনৰ পৰাই কেন্দ্ৰীয় চৰকাৰে গুৰুত্ব দি আহিছিল। সেই গতিকে নিৰ্মল ভাৰত আচঁনি দিয়া হৈছিল। ইয়াৰ পিছত আৰু অধিক ভাল কৰিবলৈ আমাৰ প্ৰধানমন্ত্ৰীয়ে **২** অক্টোবৰ, **২০১৪** চনত স্বচ্ছ ভাৰত অভিযান মিছন বুলি এটা মিছন মুডত নিলে। আজি মই আমাৰ বিধান সভাত দেখা পাইছো ভৰলু নদীৰ চাফ-চিকুন। এই বিষয়ত আমাৰ বিধায়ক ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াই এটা প্ৰশ্ন, বিশ্বনাথ চাৰিআলি চহৰৰ জাৰৰ নিষ্কাষণক লৈ এটা প্ৰশ্ন আছিল আৰু বিধায়ক কমলাক্ষ দে পুৰকায়স্থইও কৰিমগঞ্জ চহৰৰ জমা জাৰৰৰ সমস্যা বুলিয়ে এটা প্ৰশ্ন উত্থাপন কৰিছে। এইটো কথা স্বীকাৰ্য্য যে আমাৰ সকলোৰে যথেষ্ট চিন্তা হৈছে যে কেনেকৈ আৱৰ্জনা হয়, সেই আৱৰ্জনাবিলাক বিজ্ঞানসন্মতভাৱে আমি disposed কৰিব পাৰো। সেই গতিকে চৰকাৰে বিভিন্ন সময়ত আইন প্ৰনয়ন কৰিলে, **২০১৬** চনত Solid Waste Management Act তাৰ পিছত **২০১১** চনত আছে Plastic Waste Management, 1998 Bio Waste Hazardous Act এই গোটেইবিলাকৰ পিছত কিন্তু এটা কথা দেখা গৈছিল যে লোকসভাৰ যিবিলাক আইন হয়, সেই বিলাকৰ **৩৪** শতাংশ Law যাৰ implement নহ'ল মাত্ৰ on in time, বাকী বিলাকৰ ক্ষেত্ৰত **২৬১** দিনৰ পৰা বেছি সময় লাগে। যিকি নহওঁক মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী মহানগৰীত জাৰৰ নিষ্কাষণৰ চন্দ্ৰপুৰত ৱেষ্ট এনাৰ্জী কৰাৰ যিখিনি কথা কৈছে কিন্তু এইক্ষেত্ৰত যিখিনি প্ৰাথমিক কাম কৰিব লাগিছিল সেইখিনি নকৰা বাবে তাত জনগণৰ মনত এটা অসন্তুষ্টি হৈছে। আৰু প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ডৰ যিখিনি ক্লিয়েৰেন্স ল'ব লাগে সেইখিনি বহু ক্ষেত্ৰত নোলোৱা বাবে বিধান সভাত এই বিষয়ে প্ৰশ্ন আহিছে। আজি কাগজত ওলাইছে ভৰলু নদীখন আটাইতকৈ প্ৰদুষিত নদী, তাত বেদখল হৈছে। ১২ কোটিতকৈ অধিক টকা ব্যয় কৰা হৈছে। এই বিষয়ে বিধান সভাতো প্ৰশ্ন উত্থাপন হৈছে কিন্তু প্ৰশ্নৰ উত্তৰত বেদখল হোৱা নাই বুলি লিখিছে। প্ৰদূষণ নিয়ন্ত্ৰণ বিভাগৰ Law আছে। মই ভাবো এইখিনি enforcement কৰাটো দৰকাৰ। কেনেকৈ হৈছে বা হৈছেনে নাই এই কথা বিলাক চাব লাগে। এই কথাখিনি মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মই ভাবো কিছুমান বিষয় ফাইনেন্স মিনিষ্টাৰৰ লগত জড়িত নহয়। আমি

যেতিয়া বাজেট ডিচকাশ্যন কৰিলো তেতিয়াই বাজেটৰ অভাৰঅল ডিচকাশ্যন হৈ গ'ল।

**শ্ৰীদেবব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** ঠিক আছে অধ্যক্ষ মহোদয়, এই কথাটোত চৰকাৰে যাতে গুৰুত্ব দিয়ে মই এই কথাখিনি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো।

**শ্ৰীশ্বেৰমান আলি আহমেদ (বাঘবৰ) ঃ** অধ্যক্ষ মহোদয় মোৰ অকনমান কথা এটা আছিল একেলগে উত্তৰটো দিব পাৰিব। আমাৰ ডি আৰ এচ চি কমিটিয়ে অলৰেডী ৰিপোর্ট প্লেছ কৰিলে।¨ আগৰ ডি আৰ এচ চি কমিটিয়ে যিটো ৰিক'মেণ্ডেশ্যন দিছে তাৰ ওপৰত একশ্যন টেকেন কমিটিৰ ৰিপোৰ্টত ৰিফ্লেক্ট হ'ব লাগে । ডি আৰ চি কমিটিৰ ৰিপোৰ্টত ১৫ টা গ্ৰান্টৰ একশ্যন টেকেন ৰিপোর্ট নাই। এই ৰিপোৰ্টখিনি আকৌ চাবমিট কৰিব দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি লিখিতভাবে দিয়ক, নিশ্চয় চাবমিট কৰিব।

**শ্ৰীশ্বেৰমান আলি আহমেদ (বাঘবৰ) ঃ** ধন্যবাদ অধ্যক্ষ মহোদয়, আমাৰ যিটো ৰিচিপ্ট ২০২০-২১ ত দেখুওৱা হৈছে- চেন্ট্ৰেল ৰেভ'লিশ্যন দেখুওৱা হৈছে- ২৬,৭৭৬ কোটি টকা কিন্তু চেন্ট্ৰেল গৰ্ভমেন্টে যোৱা মে মাহত , চেন্ট্ৰেল ৰিভোলিউশ্যনটো ৰিভাইছ কৰি অৰিজিনেলী ২৬ হাজাৰে আছিলে ১৭২২০ কোটিয়ে কৰিছে অৰ্থ্যৎ this is a serious anomally in the Budget revised estimate of 2020-21 ইয়াত আপোনাৰ ৰেভিনিউ ডিপোজিট দেখুওৱা হৈছে ৬২২৯ কোটি এচ পাৰ ৰিভাইছড এষ্টিমেট it will be around Fifteen Thousand Crore and it will lead to violation of Act as per FRBM Act. There should not be revenue deposit and fiscal defisit should be within 3.5 % but last year as per revised estimate the fiscal deficit is 8 % and it will puts serious strict Sir on the borrowing which is much needed borrowings for our capital head expenditure.

**শ্ৰীভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ নোটিচ আছে এপ্ৰোপ্ৰিয়েশ্যন বিলৰ, 'আসাম বিনিয়োজন বিল' টো তেখেতে উপস্থাপনৰ অনুমতি বিচাৰিলে, আপুনি অনুমতি দিলে তাৰ পিছত নেক্সট আচাম বিনিয়োজন বিলটো বিবেচনাৰ বাবে লোৱা হওঁক। সেইটো তেখেতে মুভ কৰি ল'ব লাগিছিলে।

**মাননীয় অধ্যক্ষ ঃ** ইয়াত অলপ খেলিমেলি হৈছে।

**শ্ৰীমতী অজন্তা নেওগ (মন্ত্ৰী, বিত্ত ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, ভৰত নৰহ ডাঙৰীয়াই যিখিনি কৈছে- মই মুভ কৰিব লাগিছিল তাৰ পিছত সেইখিনি কথা ক'ব লাগিছিল অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** মই সেই কাৰণে যোৱা বাৰতে এই কথাটো অনুভৱ কৰিছিলো। আমি প্ৰচিডিওৰটো লৈ আহোতে কিছু ক্ষেত্ৰত আমাৰ ওলট -পালট হৈ আছে। তাৰ পিছত পৰম্পৰা বুলি যোৱা বাৰ গুছি গ'ল। সেইকাৰণে মই আগতে কৈছো যে প্ৰথম ইনট্ৰডাকশ্যন, ইয়াৰ পিছত কনচিডাৰেশ্যন, ইয়াৰ পিচত পাচিং অৱ দি বিল, আৰু তাতে যিবিলাক সন্মানীয় সদস্যই এমেণ্ডমেণ্ড বিচাৰে, তেওঁলোকে এমেণ্ডমেণ্ড মুভ কৰিব। কিন্তু আমি ট্ৰেডিশ্যন বুলি ওলোটাকৈ চলি থাকিব লগা হ'ল। এতিয়া মোৰো সমস্যা হৈছে , মই ডিচকাশ্যনৰ বাবে সময় লাগে বুলি ক'ম, মই বিচাৰো সময় দিবলৈ কিন্তু বি এ চিত সময় নালাগে বুলি কয়। এপ্ৰোপ্ৰিয়েশ্যনৰ যিটো ডিচকাশ্যন কৰিব খোজে যিদিনা আমি টাইম এলটমেন্ট দিলো অনলী বাজেট ডিচকাশ্যনৰ বাবে । এপ্ৰোপ্ৰিয়েশ্যন বিল পাচ হোৱাৰ কাৰণে আমি টাইম এলোট নকৰিলো গতিকে তেনেধৰনৰ কিছু অসুবিধা থাকি গৈছে , তাৰ মাজেদি ক্লিয়েৰিফিকেশ্যন কৰিব পাৰিব। আপুনি যিটো ক'লে- মিনিষ্টাৰে মুভ কৰিলে,

মিনিষ্টাৰে মুভ কৰাৰ সময়তে ক্লিয়াৰিফিকেশ্যন থাকে , ক্লিয়েৰ হ'লেহে অনুমতিটো দিব। আমাৰ ট্ৰেডিশ্যনত আছে লগতে হাউচৰো পাৰ্মিশ্যন লাগে।

**শ্ৰীমতী অজন্তা নেওগ (মন্ত্ৰী, বিত্ত ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিনিয়োজন নং-১ বিধেয়ক

২০২১ বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**শ্ৰীভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিটো ৰুল ১৬৪ বিনিয়োজন বিল, ইয়াত চাব ৰুল-৪ ত লিখিছে- স্পেচিক দুই -এটা কথা আমি ইয়াত এপ্ৰোপ্ৰিয়েশ্যনত ৰেইজ কৰিব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** অলৰেডী মই এই বিষয়ত এল ও পিক জনাইছো। আপুনি ক্লিয়েৰিফিকেশ্যন ঠিক কৰিব পাৰিব,কিন্তু যদি ডিচকাশ্যনৰ কথা কৈছে সেইটো টাইমৰ কাৰণে নহ'ব। আপুনি কেৱল এতিয়া ক্লিয়েৰিফিকেশ্যন বিচাৰিব পাৰে।

**শ্ৰীভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয় , আমাৰ বাজেটত এইটো আছে কিন্তু বাজেট এইটো ডিচকাশ্যন নহ'ল বা বি এ চিয়ে অকল **৩** টা ডিপাৰ্টমেন্ট ল'লে । বিশেষকৈ দুটা ডিপাৰ্টমেন্টৰ **৬২** আৰু **৬৩** দুটা গ্ৰান্ট নাম্বাৰতে আছে, জলসম্পদ, ৱাটাৰ ৰিৰ্চোচ আৰু পাৱাৰ ডিপাৰ্টমেন্ট , বিশেষকৈ অধ্যক্ষ মহোদয়, নেপকো- নৰ্থ ইষ্টাৰ্ণ ইলেকট্ৰিক পাৱাৰ কৰ্পোৰেশ্যন লিমিটেড - তেওঁলোকৰ এফেক্টটো অৰুণাচলত বা মেঘালয়ত আছে কিন্তু তেওলোকে বান্ধটো ৰক্ষা কৰিবলৈ যেতিয়া অতিৰিক্ত পানীটো এৰি দিয়ে এফেক্টটো আমাৰ অসমত হয়। নেপকো হ'ল চেন্ট্ৰেল গৰ্ভমেন্টৰ, তেওঁলোকৰ এচেটটো আছে অৰুণাচলত, মেঘালয়ত বা ভূটানত কিন্তু এফেক্টটো আমি ভুগো। পানীটো তেওলোকে চাডেন্টলী এৰি দিয়ে। আমি আগতে কৈছিলো - মাননীয় বিত্ত মন্ত্ৰীক অনুৰোধ কৰিছিলো, মাননীয় মুখ্যমন্ত্ৰীয়ো আছে যে নেপকোক মাতি আনি অসম চৰকাৰে তেওঁলোকৰ লগত এটা চুক্তি কৰক। পানী এৰি দিয়াৰ কমেও ৩ ঘন্টা আগতে আমাৰ ডিষ্ট্ৰিক্ট এডমিনেষ্ট্ৰেশনক তেওঁলোকে এলাৰ্ট কৰক, জনাই দিয়ক। জল বিদ্যুৎ প্ৰকল্পবিলাকে পানী এৰি দিলে কোনটো ঠাইত পানী আহে এই এলেকা বিলাক চিহ্নিত হৈ আছে গতিকে অধ্যক্ষ মহোদয় ৩ ঘন্টাৰ আগতে এনাউন্স কৰক যে পানী আহি আছে। জল বিদ্যুৎ প্ৰকল্পই পানী এৰি দিব। অধ্যক্ষ মহোদয় মাজতে নেপকোৰ এম ডিয়ে এটা এষ্টিমেট দিছে লক্ষীমপুৰৰ ৰঙা নদীয়ে যেতিয়া জল বিদ্যেুৎ প্ৰকল্পৰ পানী এৰি দিয়াৰ পিছত যেতিয়া বানপানী হৈ গ'ল তেওঁলোকে কৈছে ৰঙা নদী জল বিদ্যেুৎ প্ৰকল্প আগতে নাথাকোতেও বানপানী হৈছিল। এতিয়া পানীটো অকল তেওলোকৰ কাৰণে নহয় বৰষুণৰ পানীৰ বাবে হৈছে কিন্তু অধ্যক্ষ মহোদয়, গাওঁৰ মানুহে বৰষুণৰ পানী আহিলে আগতীয়াকৈ গম পায়, পানীটো চাডেন্ট নাহে। লাহে লাহে পানী বাঢ়ে। নৈ পাৰৰ মানুহে গম পাই যায় ২৪ ঘন্টাৰ পিচত বানপানী হ'ব। সেইমতে মানুহ প্ৰিপাৰেশ্যন কৰে কিন্তু নেপকোয়ে এৰি দিয়া পানীটো চাডেন্টলী আহে। এক ঘন্টাৰ ভিতৰত পানী আহে। যোৱা দেওবাৰে লক্ষিমপুৰত ১০.৩০ বজাত পাভো নদীত পানী আহি গ'ল, কোতো বৰষুণ নাই। এইটো নদীৰ বাহিৰে আন নদীত পানী অহা নাই। তেনেকৈ ৰঙা নদী আৰু দিখো নদীৰ মাজত কেইবাটাও নদী আছে চিৰাল, চিংৰা, পাভো, গাভৰু, ঢেকীয়াজুলি। নেপকোয়ে কৈছে অধ্যক্ষ মহোদয় ৰঙানদীৰ পানী ডাইভাৰ্ট কৰো দিখোলৈ। কিন্তু ৰঙানদীটো ডাইৰ্ভাট কৰিলেদিখোতো হয় দিখো আৰু ৰঙানদীত যিটো গড়াখহনীয়া , যিটো বানপানী হয় সেইটো নেপকোৰ কাৰণে হয়। সেই কাৰণে নেপকোক অসম চৰকাৰে মাতি আনক এটা এগ্ৰিমেন্ট কৰক যে ৩ ঘন্টা আগতে

ডিষ্ট্ৰিক্ট এডমিষ্ট্ৰেশ্যনক জনাব লাগে। ডিষ্ট্ৰিক্ট এডমিনিষ্টেশ্যনে ঘোষণা কৰিব আৰু চাৰ যিটো ক্ষতিপূৰণ হয়- ঘৰ -বাড়ী, খেতি পথাৰ এইটো অসম চৰকাৰে কিয় ভৰিব লাগে যিহেতু এই ক্ষয় ক্ষতি নেপকোৰ কাৰণে হৈছে তেনেহ'লে নেপকোক আমি কিয় ক্ষতিপূৰণ দিয়াব নোৱাৰো । গতিকে এই কথাখিনি অসম চৰকাৰে নেপকোৰ লগত এটা চুক্তি কৰি কৰিব লাগে বুলি মই আপোনাৰ জৰিয়তে বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক জনাইছো।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Appropriation Bill ৰ ওপৰত মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে বিবেচনাৰ কাৰণে দিছে। কিন্তু গোটেইকেইটা গ্ৰ্যাণ্টৰ ওপৰত আলোচনা কৰা সম্ভৱ নহ'ব। তথাপিও গ্ৰ্যাণ্টৰ ওপৰত দুটামান আলোচনা হৈছে। আমি Appropriation (No.1) Bill ত দেখা পালো যে Public Debt আৰু Service Debt ৰ ৰেভিনিউ শিতানত ৭ হাজাৰ ৫ শ ৯ কোটি ৬১লাখ ৮৭ হাজাৰ টকা আৰু কেপিটেল শিতানত ৩ হাজাৰ ৫ শ ৩৬ কোটি ২২ লাখ ৯৩ হাজাৰ টকা । এইটো এটা অসমৰ কাৰণে অতি চিন্তনীয় কথা। এই বিত্তীয় পৰিস্থিতিৰ মাজতে আমি আমাৰ বিকাশৰ কামখিনি আগুৱাই লৈ যাব লাগিব। আমাৰ মুখ্যমন্ত্ৰী মহোদয় ইয়াত উপস্থিত আছে। মই বিত্তমন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে আমাৰ বিভিন্ন বিভাগত যিখিনি আবণ্টিত ধন সেই আবণ্টিত ধনেৰে বিভাগৰ কিছু কাম হয়। আকস্মিক সমস্যাবোৰৰ ক্ষেত্ৰত আমি যেতিয়া সমষ্টিত যাওঁ তেতিয়া এনেধৰণৰ কিছুমান সমস্যা হয় যে ৰাইজে সেইটো বুজি নাপায় আৰু সমস্যাটো সমাধান কৰি দিবলৈ কয়। তেওঁলোকে এইটো বুজি নাপায় যে সমস্যাটো কোন বিভাগত পৰিব আৰু ইয়াৰ টকাটো ক'ৰ পৰা আহিব ? বিভাগক কামটো কৰিবলৈ কয় বা তাত এটা কালভাৰ্ট বনাই দিবলৈ কয়। কিন্তু আমিতো সেই বিভাগত এই কামবোৰ কৰিবলৈ কিমান পইচা আছে তালৈ অপেক্ষা কৰিবলগীয়া হয়। গতিকে আনটাইড শিতানত বা এম এল এৰ শিতানৰ ফাণ্ডটো যাতে দুগুণ তিনিগুণ মান বঢ়ায় আৰু আনটাইড ফাণ্ডত বছৰি যদি ৫০ লাখৰ পৰা ১ কোটিলৈ দিয়ে তেতিয়া আমি যিকোনো বিভাগতে নপৰক কিয় ৰাইজৰ সেই কামখিনি অতি সোনাকলে কৰিব পাৰো। নহ'লে ৰাইজে কয় যে বিধায়কক ক'লো কিন্তু বিধায়কে কামটো কৰি নিদিলে। কাৰণ এইটো কোন বিভাগৰ সমস্যা আৰু সেইটো কৰিবলৈ ফাণ্ড আছেনে নাই সেইটো ৰাইজে নাজানে ? গতিকে এই বিষয়টো মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মুখমন্ত্ৰী আৰু বিত্তমন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো। আমাৰ P&RD, পঞ্চায়তীৰাজ ইনষ্টিটিউশ্যনৰ ৭৯ কোটি ৭৫ লাখ ৫ হাজাৰ টকা ধাৰ্য্য কৰা হৈছে। আমাৰ পঞ্চায়তৰ যোৱা পাঁচ বছৰত যিসকল PRI মেম্বাৰ আছিল তেওঁলোকেও কিছুমানৰ ৪১,৪৯,৪৮ আদি মাহৰ পাৰিশ্ৰমিক পাবলৈ বাকী আছে আৰু তাৰ বাবে আক্ষেপ কৰি আছে। গতিকে এই হিচাপটোৰে কিমানদূৰ জোৰা মৰা যাব নে নাই নাজানো। তথাপিও বিত্তমন্ত্ৰী মহদোয়ক অনুৰোধ জনাম যাতে তেওঁলোকেও সেই বকেয়া পাৰিশ্ৰমিক খিনি দি দিয়ে যিহেতু তেওঁলোক এতিয়া নাই আৰু তেওঁলোকৰ ঠাইত নতুন PRI মেম্বাৰ আহিছে। ইয়াৰ লগে লগে বহু সময়ত দেখা যায় যে Disaster Management ত বহু লোক ক্ষতিগ্ৰস্ত হয় আৰু বহুলোকক পুঁজিৰ অভাৱত দিবলগীয়া পৰিপূৰকখিনি দিব পৰা নাযায়। এই বিষয়ে মই দৃষ্টিগোচৰ কৰিলো। শিক্ষা বিভাগত আজি গোটেই দিনটো আলোচনা হৈছে আৰু মাননীয় শিক্ষা মন্ত্ৰীয়ে আমাৰ শিক্ষা নীতিৰ ওপৰত বহুতো ভাল কথা কৈছে। সেয়েহে মই ভাৱো যে এক্টত সামান্য এমেণ্ডমেণ্ড কৰিবলৈ শিক্ষকৰ যিবিলাক সমস্যা আছে সেইবোৰ সমাধান কৰি দিয়া ভাল হ'ব যাতে এই বিষয়টো লৈ বাৰে বাৰে ক'বলগীয়া নহয়। এইখিনি কথাও

মই দৃষ্টিগোচৰ কৰিলো । ধন্যবাদ।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সংক্ষেপে কেৱল এটা মাত্ৰ কথা কওঁ যে আমাৰ বিধান সভা যেতিয়া চলি থাকে তেতিয়া ইয়াৰ সিদ্ধান্তই এটা সু-দূৰ প্ৰসাৰী প্ৰভাৱ পেলায় যিটো সাধাৰণ মানুহৰ ভালৰ কাৰণে হয়। মোৰ মনত পৰিছে এটা দিনত মাননীয় কেশৱ মহন্ত ডাঙৰীয়াই ইয়াত থাকোতে কৰ্তন প্ৰস্তাৱ দিবলৈ কৈছিলো তেওঁ তেতিয়া শিক্ষা আৰু স্বাস্থ্য বিভাগ নিদি জি এ ডি দিছিল আৰু এই জি এ ডিৰ যোগেদি আমি অসম ভৱনৰ কথা পাতিছিলো। মই আজি আপোনাৰ এই Appropriation Bill ত এই অসম ভৱনৰ কথা এইকাৰণেই ক'ব বিচাৰিছো কাৰণ ইয়াৰ লগত আমাৰ অসমত কিছুমান অতি দুখীয়া ল'ৰা-ছোৱালী আৰু বেমাৰী মানুহ জড়িত হৈ আছে । মোৰ মনত পৰে মই যেতিয়া প্ৰথম দিল্লীৰ অসম ভৱনলৈ গৈছিলো আৰু বিভিন্ন হিন্দী কথা কোৱা মানুহৰ মাজত সোমাই গৈ অসমীয়া কোৱা মানুহ দেখিছিলো তেতিয়া দিল্লীতো অসমীয়া কোৱা মানুহ দেখি ভাল লাগিছিল। তেতিয়া ভাত আৰু ডালি বহু দিনৰ পিছত পাওঁ তেতিয়া খুব ভাল লাগে। সেইকাৰণে মই এইটো কথা চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো আৰু মই কোনো সমালোচনা কৰা নাই কিন্তু অসম ভৱনৰ ৰিচিপশ্যনটো অলপ কিবা আউট চ'ৰ্চ কৰিছে নেকি কাৰণ অসমীয়া কথা কোৱা মানুহতকৈ হিন্দী কথা কোৱা মানুহ বেছি থাকে। ঠিক তেনেদৰে খোৱাৰ ক্ষেত্ৰতো কিবা আউট চ'ৰ্চ কৰিছে নেকি কাৰণ ছাত্ৰ-ছাত্ৰী আৰু বেমাৰী মানুহখিনি অলপ সমস্যাত পৰিছে। সেয়েহে মই কথাখিনি দৃষ্টিগোচৰ কৰিছো যাতে যিসকল আমাৰ ছাত্ৰ-ছাত্ৰী আৰু অসহায় মানুহ দিল্লীলৈ যায় আৰু যিসকল মানুহ দিল্লীলৈ প্ৰথম যায় আৰু দিল্লীৰ বিষয়ে ভালকৈ নাজানে আৰু বেলেগ বেলেগ অসম ভৱনৰ কথাও কৈছো এই ক্ষেত্ৰত সদনৰ পৰা এই কথাখিনি ক'লে অতি ভাল হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী মহোদয়া।

**শ্ৰীমতী অজন্তা নেওগ (মন্ত্ৰী, বিত্ত ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়া ডাঙৰীয়া, ভৰত নৰহ ডাঙৰীয়া, ৰকিবুল হুছেইন ডাঙৰীয়া, শ্বেৰমান আলী ডাঙৰীয়া আৰু আমিনুল ইছলাম ডাঙৰীয়াই যিখিনি কথা কৈছে সেইখিনি নোট কৰি ৰাখিছো। বিত্তমন্ত্ৰী হিচাপে মোৰ দায়িত্ব হৈছে বিভাগসমূহক পইচা দিয়া। ইয়াত বিভাগৰ মন্ত্ৰী কেইবাজনো আছে তেওঁলোকেও নিশ্চয় এই কথাখিনি শুনিছে আৰু ইয়াৰ ওপৰত নিশ্চিতভাৱে ব্যৱস্থা গ্ৰহণ কৰিব। তথাপিও মই নোট কৰি লৈছো যদিও কোনেবা মন্ত্ৰী অনুপস্থিত আছে বিত্ত বিভাগৰ ফালৰ পৰা মই তেওঁলোকক জনাম। এইবাৰৰ লগতে কোনোবাৰেও fiscal defecit টো Admis-sible limite ৰ বাহিৰত ৰখা নাই। এতিয়ালৈকে যিহিতু এ জি ৰ ফাইনেল ৰিপোৰ্ট অহা নাই আৰু এ জিৰ ফাইনেল ৰিপোৰ্ট আহিলে গোটেইখিনি কথা গম পোৱা যাব। গতিকে আপোনাক কৈছো যে আমি লিমিটৰ ভিতৰতে গোটেইখিনি কাম কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখন উত্থাপন কৰা হ'ল। ৰাজভৱনৰ পৰা বিনিয়োজন বিধেয়কখন উত্থাপন কৰিবৰ বাবে অসমৰ মাননীয় ৰাজ্যপাল মহোদয়ে ২০২১ চনৰ ৩১ জুলাই তাৰিখে এটা বাণী পঠিয়াইছে। বাণীটো হৈছে-

Under the provision of Article 207 (1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of the Assam Appropriation (No.I) Bill, 2021 in the Assam Legislative Assembly.

এতিয়া মাননীয় বিত্ত মন্ত্ৰীয়ে বিধেয়কখন সদনত উত্থাপন কৰিব।

**শ্ৰীমতী অজন্তা নেওঁগ, মাননীয়া মন্ত্ৰী, বিত্ত ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, "দি আসাম বিনিয়োজন (নং-১) বিধেয়ক, ২০২১" বিবেচনাৰ বাবে উপস্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম বিধান সভাৰ সচিবে বিধেয়কখনৰ শিৰোনাম পঢ়ি দিব।

**মাননীয় সচিব (অসম বিধান সভা) ঃ** "Assam Appropriation (No.I) Bill, 2021."

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আমি একেবাৰতে গোটেইখিনি লৈ যাম। এতিয়া আছে কাৰ্য্যসূচী নং-৩ (খ)।

ৰাজভৱনৰ পৰা বিনিয়োজন বিধেয়কখন উত্থাপন কৰিবৰ বাবে অসমৰ মাননীয় ৰাজ্যপাল মহোদয়ে ২০২১ চনৰ ৩১ জুলাই তাৰিখে এটা বাণী পঠিয়াইছে। বাণীটো হৈছে-

Under the provision of Article 207 (3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the Assam Appropriation (No.1) Bill, 2021 to be taken in to consideration by the Assam Legislative Assembly.

এতিয়া মাননীয় বিত্ত মন্ত্ৰীয়ে বিধেয়কখন সদনত বিবেচনাৰ বাবে উত্থাপন কৰিব।

**শ্ৰীমতী অজন্তা নেওগ (মন্ত্ৰী, বিত্ত ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "দি আসাম বিনিয়োজন (নং-১) বিধেয়ক, ২০২১" পাৰিত কৰাৰ বাবে উপস্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো পাৰিত কৰাৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল- "দি আসাম বিনিয়োজন (নং-১) বিধেয়ক, ২০২১" বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে প্ৰস্তাৱটো সদনত গৃহীত হ'ল।

এতিয়া কাৰ্য্যসূচী নং-৩ (গ)। এতিয়া মই বিধেয়কখনৰ ২আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো সদনত দাঙি ধৰিলো। বিধেয়কখনৰ ২আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মই বিধেয়কখনৰ ১ নং দফাৰ সংক্ষিপ্ত নাম সদনত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল- বিধেয়কখনৰ ১ নং দফাৰ সংক্ষিপ্ত নাম বিধেয়ক খনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৰো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে বিধেয়কখনৰ ১ নং দফাৰ সংক্ষিপ্ত নাম বিধেয়কৰ অংশ হ'ল।

এতিয়া কাৰ্য্যসূচী নং-৩ (ঘ)। মাননীয়া বিত্তমন্ত্ৰীয়ে পাৰিত কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰীমতী অজন্তা নেওগ (মন্ত্ৰী, বিত্ত ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "দি আসাম বিনিয়োজন (নং-১) বিধেয়ক, ২০২১" পাৰিত কৰাৰ বাবে উপস্থাপন কৰিলো। ........

**শ্ৰী মতী অজন্তা নেওগ (মন্ত্ৰী, বিত্ত ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, **'অসম বিনিয়োজন (নং -০১) বিধেয়ক, ২০২১'** খন পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো -

প্ৰস্তাৱটো হ'ল- **'অসম বিনিয়োজন (নং -০১) বিধেয়ক, ২০২১'** খন পাৰিত কৰা হওঁক।

যি সকল সন্মানীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, প্ৰস্তাৱটো পাৰিত হৈছে, বিধেয়কখনো পাৰিত কৰা হ'ল ।

সন্মানীয় সদস্যসকল, এটা ঘোষণা আছে। কাছাৰ জিলাৰ লাইলাপুৰস্থিত অসম-মিজোৰাম সীমান্তত শেহতীয়াকৈ উদ্ভৱ হোৱা পৰিস্থিতি সন্দৰ্ভত বুজ ল'বলৈ অসম বিধান সভাৰ সৰ্বদলীয় প্ৰতিনিধিৰ এটা দলে যোৱা ৩১ জুলাই, ২০২১ তাৰিখে অঞ্চলটো পৰিভ্ৰমণ কৰে। মই এতিয়া মাননীয় উপাধ্যক্ষ ডাঙৰীয়াক সৰ্বদলীয় প্ৰতিনিধিৰ দলৰ প্ৰতিবেদনখন সদনত দাখিল কৰিবলৈ অনুৰোধ জনালো।

**মাননীয় উপাধ্যক্ষঃ** মাননীয় অধ্যক্ষ মহোদয়, পোনপ্ৰথমে আপুনি তৎকালীনভাৱে পৱিত্ৰ সদনৰ সৰ্বদলীয় প্ৰতিনিধিৰ দল গঠন কৰি অসম-মিজোৰাম সীমান্তৰ যি অশান্ত অঞ্চল তাৰ চৰ-জমিন পৰিস্থিতিৰ বুজ ল'বলৈ পদক্ষেপ লোৱাত আপোনাক ধন্যবাদ দিছো। সকলো সদস্য তথা বিষয়-ববীয়া আৰু দল সংগঠনে এই ক্ষেত্ৰত সহায় কৰিলে তেওঁলোককো ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, এতিয়া মই অসম বিধান সভাৰ সৰ্বদলীয় প্ৰতিনিধিৰ দলৰ সমূহ সদস্যৰ হৈ প্ৰতিবেদনখন পৱিত্ৰ সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষঃ এতিয়া সদন অহা ইং ০৯-০৮-২০২১ তাৰিখৰ পুৱা ০৯ঃ৩০ বজালৈ স্থগিত ৰখা হ'ল।**